# মঙ্গলদৈৰ বুৰঞ্জী

দীনেশ্বৰ শৰ্মা

অসম প্ৰকাশন পৰিষদ
গুৱাহাটী—৩

প্ৰকাশক :
চন্দ্ৰপ্ৰসাদ শইকীয়া
সচিব, অসম প্ৰকাশন পৰিষদ
গুৱাহাটী—৩

প্ৰথম প্ৰকাশ :
অক্টোবৰ, ১৯৬১
দ্বিতীয় প্ৰকাশ :
ফেব্ৰুৱাৰী, ১৯৭৪

মূল্য : চাৰি টকা

মুদ্ৰক :
ট্ৰিবিউন প্ৰেছ
গুৱাহাটী—৩

# অর্পণ

যিসকল কবি, সাহিত্যিক, কলাবিদৰ অৱদানত মঙ্গলদৈ জিলিকি আছে, সেইসকলৰ পুণ্য-স্মৃতিৰ উদ্দেশ্যে—

# ভূমিকা

ভাস্কর্য-স্থাপত্য, চিত্ৰকলা, জনশ্ৰুতি-প্ৰবাদ, পৰম্পৰাগত প্ৰথা আদিৰ-পৰা ইতিহাস-ৰচকে নিৰপেক্ষভাৱে বুৰঞ্জীৰ সম্পদ আহৰণ কৰি অতীত আৰু বৰ্তমানৰ মাজত যোগসূত্ৰ স্থাপন কৰে। ভাবীকালৰ মানুহে তাক অধ্যয়ন কৰি পূৰ্বসুৰীসকলে তিলে তিলে গঢ়ি তোলা সভ্যতাৰ সম্ভেদ পায় আৰু নিজকে সেই দেশৰ, সেই জাতিৰ বংশধৰ বুলি চিনাকি দি গৌৰৱান্বিত হয় আৰু পূৰ্বপুৰুষসকলৰ পদাঙ্ক অনুসৰণ কৰি সাহিত্য-সংস্কৃতি আৰু অৰ্থনীতিৰ উন্নয়নত দেশ আৰু জাতিক সেৱা কৰিবলৈ প্ৰেৰণা লাভ কৰে।

অসমৰ ইতিহাস অবিহনে যেনেদৰে ভাৰতৰ বুৰঞ্জী সম্পূৰ্ণ হ'ব নোৱাৰে, তেনেদৰে মঙ্গলদৈ তথা দৰঙৰ ইতিহাস অবিহনে অসমৰ বুৰঞ্জীও সম্পূৰ্ণ হ'ব নোৱাৰে। দৰঙী ৰজাসকলৰ পৃষ্ঠপোষকতাত মঙ্গলদৈ এসময়ত অসমৰ সাহিত্য-সংস্কৃতিৰ প্ৰধান কেন্দ্ৰস্থলৰূপে পৰিগণিত হৈছিল।

টোকোৰা চৰায়ে নানান ধৰণৰ কুটা কঢ়িয়াই সুন্দৰ বাহটি সজাই লোৱাৰ দৰে ইতিহাসে স্পৰ্শ কৰা-নকৰা সময়ৰপৰা আৰম্ভ কৰি এতিয়ালৈ মঙ্গলদৈ অঞ্চলৰ বিবিধ জনশ্ৰুতি-প্ৰবাদ, স্থাপত্য-ভাস্কৰ্য আদি সমলৰ ওপৰত নিৰ্ভৰ কৰি মঙ্গলদৈ অঞ্চলৰ শ্ৰীদীনেশ্বৰ শৰ্মাই 'মঙ্গলদৈৰ বুৰঞ্জী' নামৰ গ্ৰন্থখনি যুগুত কৰি ১৯৬১ চনতে অসম প্ৰকাশন পৰিষদৰ অৰ্থ-সাহায্যত প্ৰকাশ কৰিছিল। গ্ৰন্থখনি সম্প্ৰতি বজাৰত পাবলৈ নাইকিয়া হোৱা বাবে অসম সাহিত্য সভাৰ আগন্তুক মঙ্গলদৈ অধিবেশনত এনে গ্ৰন্থৰ গুৰুত্ব উপলব্ধি কৰি অসম বিধান সভাৰ মঙ্গলদৈ সমষ্টিৰ ডেকা সদস্য শ্ৰীলক্ষ্মীকান্ত শইকীয়াৰ অনুৰোধ আৰু পৰিষদৰ সভাপতি শিক্ষামন্ত্ৰী শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰৰ উপদেশক্ৰমে অতি কম সময়ৰ ভিতৰত 'মঙ্গলদৈৰ বুৰঞ্জী' উলিয়াই পঢ়ুৱৈসকললৈ আগবঢ়াই দিয়া হ'ল।

গ্ৰন্থখনিৰ লেখক শ্ৰীদীনেশ্বৰ শৰ্মাই গ্ৰন্থখনি আমাক প্ৰকাশ কৰিবলৈ দি কৃতজ্ঞতাভাজন হৈছে। আশাকৰোঁ। পঢ়ুৱৈ ৰাইজে গ্ৰন্থখনিক মৰমৰ চকুৰে চাব।

গুৱাহাটী, চন্দ্ৰপ্ৰসাদ শইকীয়া

৪ ফেব্ৰুৱাৰী, ১৯৭৪

# আগকথা

'মঙ্গলদৈৰ বুৰঞ্জী' নামৰ মঙ্গলদৈ অঞ্চলৰ ঐতিহাসিক বহল বিবৰণীৰে পুথিখনি লিখিছে শ্ৰীদীনেশ্বৰ শৰ্মাই। এই পুথিক অসমৰ উত্তৰাঞ্চলৰ হিমালয় পৰ্বতৰ নামনিত ভৈয়াম ভূ-ভাগত অৱস্থিত দৰং জিলাৰ, বিশেষকৈ মঙ্গলদৈ অঞ্চলৰ, অতীত সভ্যতাৰ কলা-কৃষ্টি-ঐতিহ্যৰ বিৰাট বুৰঞ্জী বুলিব লাগিব। অসমৰ কেউখন জিলাৰ ভিতৰতে শিক্ষা-দীক্ষা সকলোতে পিচ পৰি থকা মঙ্গলদৈ অঞ্চলৰ প্ৰতি অতদিনে মানুহৰ মন আকৃষ্ট হোৱা নাছিল; বৰঞ্চ ৰজাঘৰ-প্ৰজাঘৰ সকলোৰে অৱহেলিত হৈ আহিছে—অসমৰ আন আন জিলা-সমূহৰ তুলনাত মঙ্গলদৈ অঞ্চল। শিক্ষাৰ অভ্যুত্থানৰ হীন-দেড়িৰ কাৰণেই এনেধৰণে অৱহেলিত হোৱা কাৰণ বুলি মনে ধৰে। সুখৰ বিষয় আজি জাগ্ৰত যুগৰ প্ৰগতিৰ পথত খোজ মিলাই অসমৰ কেউখন জিলাৰ লগত সমানে অগ্ৰসৰ হ'বলৈ মঙ্গলদৈৰ প্ৰবীণ-নবীন শক্তি দৃঢ়প্ৰতিজ্ঞ। এই যুগ-সন্ধিক্ষণত সু-সাহিত্যিক শ্ৰীদীনেশ্বৰ শৰ্মাই কালৰ ধূলিত পোত খাই থকা বিস্মৃতিৰ কালিমাত মচ খোৱা মঙ্গলদৈৰ বুৰঞ্জীবিখ্যাত ঐতিহ্য-গৌৰৱৰ সোণালী-সোঁৱৰণী দাঙি ধৰিবলৈ সমৰ্থ হৈছে। যি গৌৰৱ, যি ঐতিহ্যৰ মহিমাত সদৌ অসম গৌৰৱান্বিত, তেনে কলা-কৃষ্টি-সাহিত্যৰ জন্ম দান কৰোঁতা অসমৰ কেইগৰাকীমান উজ্জ্বল ৰত্নস্বৰূপ পুৰুষৰ জন্মস্থান এই মঙ্গলদৈ। শ্ৰীশৰ্মাৰ ঐতিহাসিক বিবৰণীয়ে এই বিষয়ে প্ৰমাণ কৰি দেখুৱাইছে। বিশেষভাৱে কুসুম্বৰ ভূঞাৰ জন্মস্থান, চণ্ডীবৰ ভূঞাৰ জন্মস্থান ৰাজধানী ৰৌতাৰ বিবৰণ সহিতে আমাৰ ভূঞাসকলৰ বিশেষ বাৰভূঞাৰ ৰাজত্বৰ কাহিনী এই পুথিত লিপিবদ্ধ কৰা হৈছে। যিহেতু মঙ্গলদৈ অঞ্চলেই আছিল অসমৰ পছিম সীমান্ত ৰক্ষাৰ অভেদ্য দুৰ্গ, কামৰূপ আৰু মঙ্গলদৈ অঞ্চলৰ সীমাত বুৰঞ্জীবিখ্যাত 'মোৱাইকটা গড়ে' আজিও চিনাকি দি আছে। সীমান্ত-ৰখীয়া হিচাপে মঙ্গলদৈবাসীৰ স্বাধীনচিতীয়া মনৰ

পৰিচয় দিয়ে অসমৰ প্ৰথম মুক্তিপ্ৰচেষ্টা বিখ্যাত 'পথৰুঘাটৰ ৰণে'। এই ৰণৰ বিষয়ে লিখকে 'পথৰুঘাটৰ ৰণ' নামৰ এখন পুথি লিখিছে। ভাৰত-বৰ্ষৰ কোনো ঠাইতেই সত্যাগ্ৰহ নৌহওঁতেই মঙ্গলদৈৰ পথৰুঘাটত হোজা গাৱঁলীয়া হিন্দু-মুছলমান খেতিয়কসকলে একতাসূত্ৰত আবদ্ধ হৈ প্ৰবল পৰাক্ৰান্ত বৃটিছ জাতিৰ বিৰুদ্ধে বিপ্লৱ ঘোষণা কৰা কথা অকল আচৰিতেই নহয়, অভূতপূৰ্ব সাহস আৰু শক্তিৰ পৰিচায়কো। বিশেষভাৱে মঙ্গলদৈ-বাসী হিন্দু-মুছলমান, কোঁচ-কছাৰী সকলোৰে মিলা-প্ৰীতি আৰু ভ্ৰাতৃ-ভাব গোটেই অসমৰ তথা ভাৰতৰ আদৰ্শনীয়। যেতিয়াই মঙ্গলদৈৰ কোনো স্বাৰ্থ আহি পৰে, সেই মুহূৰ্ততে মঙ্গলদৈবাসী একগোট হৈ যায়। এই শক্তি, এই গোটৰ পৰিচয় পোৱা যায়—পাকিস্থানৰ গণ্ডগোলৰ সময়ত মঙ্গলদৈত শৃঙ্খলাপূৰ্ণ অৱৰোধ-বাহিনী সংগঠনত। দৰঙ্গী ৰজাসকলো দৰঙ্গ-প্ৰজাৰ সুখ-সুবিধা আৰু কলা-কৃষ্টি বিকাশ বিষয়ত যথেষ্ট মনোযোগী আছিল। কোচবেহাৰৰ নৰনাৰায়ণ ৰজাৰ ৰাজসভাৰ আৰ্হিৰে ৰজাৰ সভাত নৱৰত্নস্বৰূপ সভাপণ্ডিতসকল ৰাখি কাব্য-সাহিত্য-জ্যোতিষ-দৰ্শন-সঙ্গীত-নৃত্য আদি কলাবিদ্যাসমূহৰো বিস্তাৰৰ অৰ্থে গুণী-জ্ঞানী পণ্ডিতসকলক তামৰ ফলি, মোহৰ, ব্ৰহ্মোত্তৰ মাটি দান কৰি সন্মানিত কৰিছিল। দৰঙ্গৰ ৰজাসকলে পতা মঙ্গলদৈ অঞ্চলত ব্যাসকলাই উপাধিৰে পণ্ডিত-সঙ্গীতজ্ঞ ব্ৰাহ্মণৰ এটি ঠাল আছে—এই ব্যাস উপাধিধাৰী বিপ্ৰসকল উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, বিহাৰ আদিৰপৰা অহা বা ৰজাই অনোৱা বুলি অনুমান কৰে। এনে সঙ্গীতজ্ঞ উত্তম বিপ্ৰ আছিল কামাখ্যাধামৰ প্ৰধান পূজাৰী 'কেন্দুকলাই'—যিজনে গীত গালে মাতৃ কামাখ্যাই দৰ্শন দিছিল। ৰজাৰ অনুৰোধত কেন্দুকলায়ে মাতৃ কামাখ্যাৰ দৰ্শন পাবলৈ ৰজাক লুকুৱাই থৈছিল, মাতৃ কামাখ্যাই এই অপৰাধ জানিব পাৰি একেচৰে কেন্দুকলাইৰ মূৰ ছিঙি পেলাইছিল—এই প্ৰবাদ আজিও আছে। আই-নামতো এনে এটি পদ আজিও প্ৰচলিত—

আই ভগৱতী আই,
কেন্দুকে চাপৰি বাই
কুদ্ৰাক্ষৰ জালেৰে, ৰজাই চাই আছিলে
নাচে ভগৱতী আই।

মঙ্গলদৈৰ কলাইগাঁও, কেন্দুকলাইৰ নামেৰে তেওঁৰ জন্মস্থান হেতু নামকৰণ হৈছিল। কেন্দুকলাইৰ বংশধৰসকলৰ ঘৰত ফলি-মোহৰ আজিও বিদ্যমান। মঙ্গলদৈৰ বৌতা অঞ্চল এখন সংস্কৃতিৰ বিকাশ ক্ষেত্ৰ আছিল। মঙ্গলদৈৰ ওৱাং মৌজাত প্ৰাচীন বৌদ্ধ মঠ জীৰ্ণাৱস্থাত আজিও অৱস্থিত। এই ঠাইত বৌদ্ধ ধৰ্ময়ো পোখা মেলিছিল। বিশেষভাৱে মঙ্গলদৈত অসমৰ উজ্জ্বল ৰত্নস্বৰূপ সাহিত্যিকসকল পীতাম্বৰ সিদ্ধান্তবাগীশ, পুৰুষোত্তম ভট্টাচাৰ্য আদিয়ে জন্মগ্ৰহণ কৰিছিল। মঙ্গলদৈৰ চমতিয়া গাঁৱত কবি ৰামসৰস্বতী, গীতা লিখক কবি গোবিন্দ মিশ্ৰ, গোপীনাথ পাঠক আদি মহা মহা পণ্ডিত-সকলৰ জন্ম আৰু কৰ্মস্থান বুলি লিখকে প্ৰমাণ কৰিছে। পীতাম্বৰ সিদ্ধান্ত-বাগীশৰ বংশধৰসকল এতিয়াও জীৱিত। তেখেতসকলৰ ঘৰ 'বাগীশৰ ঘৰ' নামে আজিও জনাজাত। উপৰোক্ত কেউগৰাকী মহা প্ৰতিভাশালী সাহিত্যিক, প্ৰাচীন কবি মঙ্গলদৈৰ চমতীয়া গাঁৱঁৰ মানুহ বুলি তেখেতসকলৰ বংশধৰসকলৰ ঘৰৰ ফলি-মোহৰৰপৰা প্ৰমাণ পোৱা গৈছে। পীতাম্বৰ সিদ্ধান্তবাগীশ দৰঙ্গী ৰজাৰ দীক্ষাগুৰু আছিল। এখেত স্মৃতি-শাস্ত্ৰ-বিশাৰদ পৰম পণ্ডিত উত্তম বিপ্ৰ আছিল। পুৰুষোত্তম ভট্টাচাৰ্যয়ো সিদ্ধান্তবাগীশৰ সমসাময়িক পণ্ডিত শাস্ত্ৰজ্ঞৰূপে ৰজাঘৰৰ যাৱতীয় দেৱীপূজা দক্ষতাৰে কৰি-ছিল। তেওঁ ভূঞাকুলৰো দীক্ষাগুৰু আছিল। দৰঙ্গী ৰজাই উক্ত বাগীশ ভট্টাচাৰ্যক প্ৰচুৰ পৰিমাণে ব্ৰহ্মোত্তৰ মাটি দান কৰিছিল। অসমৰ অপ্ৰমাদী আদি কবি 'প্ৰহ্লাদ চৰিত' কাব্যৰ ৰচোঁতা পঞ্চদশ শতিকাৰ কবি হৰিহৰ বিপ্ৰৰ জন্মস্থান এই পুণ্যভূমি মঙ্গলদৈত আছিল। সাগৰ ব্যাস সঙ্গীতজ্ঞ সাগৰখড়িক জলতত্ত্ববিদ পণ্ডিত আৰু সুকবিৰূপে ৰজাই বহুত ব্ৰহ্মোত্তৰ মাটি দান কৰি গৈছে। সৰ্বানন্দ ব্যাসকলাই শাস্ত্ৰীয় সঙ্গীতজ্ঞ সু-পণ্ডিত আছিল। এখেতে সেই অতীত দিনতেই 'মেঘমল্লাৰ ৰাগ' গাই বৰষুণ দিয়াব পাৰিছিল। ৰজাৰ ইচ্ছামতে এখেতে মল্লাৰ ৰাগেৰে বৰষুণ দিয়াই প্ৰীতিভাজন হৈছিল। ৰজাই বহুত ব্ৰহ্মোত্তৰ মাটি দান দিয়ে। সূৰ্যখড়ি বিপ্ৰই সৰ্বশাস্ত্ৰ বিশাৰদ জ্যোতিষ ৰত্নৰূপে 'ৰাজমাৰ্তণ্ড' লিখিছিল। এখেত সুকবিও আছিল। এখেতেই প্ৰথম মুক্ত ছন্দত দৰং ৰাজ-বংশাৱলী প্ৰণেতা। প্ৰবাদ আছে, পীতাম্বৰ সিদ্ধান্তবাগীশ, পুৰুষোত্তম ভট্টাচাৰ্য আৰু ব্যাসকলাই —এই তিনিজন পণ্ডিত চিলাৰায়ৰ লগত ভাৰতৰ আন ঠাইৰপৰা কোচ-

বেহাৰলৈ আৰু পিচত চিলাৰায়ৰ পুত্ৰ ৰঘুৰায়ৰ লগত দৰঙ্গলৈ উজাই আহি ৰজাৰ আশ্ৰয়ত মঙ্গলদৈত বসতি কৰে আৰু দৰঙ্গী ৰজাৰ সভাপণ্ডিতৰূপে অৱস্থান কৰে। সূৰ্যখড়ি বিপ্ৰক দান দিয়া ব্ৰহ্মোত্তৰ তামৰ ফলি, মোহৰ আদি আজিও তেখেতৰ বংশধৰসকলৰ ঘৰত আছে। এখেতৰ ঘৰ লোক-ৰায় মৌজাৰ বলদেৱপাৰা গাৱঁত আছিল।

লেখক শৰ্মাদেৱে উপৰোক্ত পণ্ডিত লোকসকলৰ তাম্ৰফলিৰ অনুলিপি সংযোজনা কৰি পুথিখনিৰ মূল্য দুগুণ বঢ়াইছে। অসম বুৰঞ্জীত শাক্ত ধৰ্মৰ প্ৰবলতাৰ যি প্ৰমাণ পাওঁ, সেই শাক্ত ধৰ্মৰ মূল ঠাই আছিল মঙ্গলদৈ অঞ্চল। ৺মনসা পূজা, ৺দুৰ্গা পূজাৰ বহুল প্ৰচলন ইয়াতে আছিল। এই অঞ্চলৰ প্ৰায়ভাগ হিন্দুলোকেই শাক্তধৰ্মী আছিল। অসম-বুৰঞ্জী নিহিত বাসুদেৱ পূজাৰ প্ৰচলনো দৰং অঞ্চলৰ ঠায়ে ঠায়ে আছিল বুলি লেখকে উল্লেখ কৰিছে। প্ৰাকৃতিক প্ৰাচুৰ্যত মঙ্গলদৈ সমৃদ্ধিশালিনী। উত্তৰ অঞ্চলৰ হিমালয়ৰ নামনি-ৰূপে এই অঞ্চলখনি চন্দনকাঠ, ম'ৰাচৰাই, চমৰি পহু আদিৰে আশ্ৰমতুল্য মনোৰম ঠাই আছিল। উৰ্বৰাভূমি শস্যশালিনীৰূপে অতীজত মঙ্গলদৈ এখনি ভূ-স্বৰ্গতুল্য স্থান আছিল। লেখকে দৰং অঞ্চলেই সতী বেউলাৰ জন্মস্থান বুলিও প্ৰমাণসহ উল্লেখ কৰিছে। মুঠতে লেখকৰ যত্ন আৰু ঐকান্তিকতাই অসমৰ বহুতো লুপ্তপ্ৰায় অমূল্য প্ৰতিভাৰ সন্ধান জনসাধাৰণৰ আগত দাঙি ধৰিবলৈ সমৰ্থ হৈছে। দুৰ্গাবৰী গীত কবি দুৰ্গাবৰৰ ৰচিত, সুললিত নিজস্ব বৈশিষ্ট্যপূৰ্ণ যি গীত ব্যাস বা ব্যাহগীত নামে প্ৰসিদ্ধ। শুকনান্নী সুকবি নাৰায়ণদেৱৰ ৰচিত গীত! এই গীত আজি লুপ্তপ্ৰায়। যি দুই-এফাঁকি গীতৰ সুৰ শুনা যায়, তাতেই বুজিব পাৰি, এই অঞ্চল এনে বৈশিষ্ট্যপূৰ্ণ গীতৰ সেই দিনত কেনে কেন্দ্ৰস্থান আছিল। এই অমূল্য সম্পদ-সমূহ উদ্ধাৰৰ সময় আহিছে।

এই পুথিখনিয়ে অসমৰ বহু সম্পদ উদ্ধাৰ কৰি জনসমাজৰ উপকাৰ সাধিব বুলি মোৰ দৃঢ় বিশ্বাস। অসমৰ খ্যাতনামা আদিকবি হৰিহৰ বিপ্ৰৰ জন্মস্থান, কাব্য-প্ৰতিভা বিকাশৰ কেন্দ্ৰস্থান, কেন্দুকলাই ব্যাসকলাইৰ সঙ্গীত-প্ৰতিভাৰ বিকাশ স্থান, সাগৰখড়ি, সূৰ্যখড়ি বিপ্ৰৰ জ্যোতিষ বিজ্ঞানৰ কেন্দ্ৰস্থল সাহিত্যৰ কেন্দ্ৰস্থল আৰু শ্ৰুতি-স্মৃতি শাস্ত্ৰজ্ঞসকলৰ বাসভূমি মঙ্গলদৈৰ

ধূলিকণা অতি পবিত্ৰ। 'অনভ্যাসে হতবিদ্যা' হৈ আজি পূৰ্বপুৰুষসকলৰ প্ৰতিভা যদিও ম্লান হৈ গৈছে, তথাপি বংশধৰসকলৰ ৰক্তকণিকাত সেই শক্তি, সেই তেজধাৰা মূৰ্ত্তভাৱে নিহিত হৈ আছে। কাৰণ, ৰক্তকণিকাই নিজ ধৰ্ম নেপাহৰে। শ্ৰীশৰ্মাই নিজ জন্মভূমি মঙ্গলদৈৰ অতীত ঐতিহ্য উদ্ধাৰ কৰি মাতৃভূমি অসমৰ বহুত কল্যাণ সাধন কৰিছে। এইবাবে লেখক ধন্যবাদৰ পাত্ৰ।

ওম্ শান্তি !

১৭-১-৬০ শ্ৰীনলিনীবালা দেৱী

গুৱাহাটী।

# নিবেদন

প্ৰাচীন দৰং ৰাজ্যৰ অন্তৰ্গত মঙ্গলদৈ বৰ্তমান আওহতীয়া আৰু পিচপৰা ঠাই। এই ঠাইৰ অতীজৰ কলা-কৃষ্টি-সভ্যতা সম্বন্ধে অসমবাসী প্ৰায় অবিদিত। কোচবংশীয় দৰঙ্গী ফৈদৰ ৰজাসকলৰ ৰাজত্বকালত আৰু তাৰ পূৰ্ব-কালত মঙ্গলদৈত অসমীয়া ভাষা-সাহিত্য আৰু কলা-সংস্কৃতিৰ যথেষ্ট চৰ্চা হৈছিল। সম্প্ৰতিলৈকে মঙ্গলদৈৰ সেই পুৰণি ঐতিহ্যসমূহৰ বিষয়ে দেশ-বাসীয়ে বিশেষ সম্বাদ নোপোৱাকৈয়ে সেইবোৰ কালৰ গৰ্ভত লীন হৈ যোৱাৰ উপক্ৰম হৈছে। দেশবাসীৰ আগত সেইবোৰৰ থূল-মূল বিৱৰণ এটি লিখিত-অলিখিত তথ্যেৰে দাঙি ধৰিলে জ্ঞানান্বেষী গৱেষকসকলৰ সেইবোৰৰ প্ৰতি দৃষ্টি আকৰ্ষিত হ'ব, আৰু তাৰদ্বাৰাই আমাৰ ভাষা-সাহিত্যৰ অঙ্গ-সৌষ্ঠৱ বৃদ্ধি হ'ব, লগতে মঙ্গলদৈত বৰ্তমান প্ৰচলিত থকা আৰু লোপ পাব খোজা কৃষ্টি-কলা চৰ্চাৰ বাট মুকলি হ'ব—এনে আশা মনত লৈয়ে এই ক্ষুদ্ৰ পুথিখনি সঙ্কলন কৰা হৈছে। মুঠ কথা, ইয়াক মঙ্গলদৈৰ সম্পূৰ্ণ বিশুদ্ধ বুৰঞ্জী বুলি ক'বলৈ সাহস নাই। তথাপি এই পুথিখনিয়ে অনুসন্ধিৎসুসকলৰ ইচ্ছাত ইন্ধন যোগাব বুলি আশা কৰিলোঁ।

পুথিখনি যুগুত কৰাৰ পিচত প্ৰকাশ কৰিবলৈ অৰ্থাভাৱত অসমৰ্থ হৈ বহুত দিন পেলাই থোৱা হৈছিল। মনৰ আশা মনতে মাৰ যাব বুলি ভাবিছিলোঁ। এনেতে সৌভাগ্যবশতঃ অসম চৰকাৰে 'প্ৰকাশন পৰিষদ' প্ৰতিষ্ঠা কৰে। তেতিয়া পৰিষদৰ সদাশয় সদস্যসকলৰ ওচৰত পুথিখনি প্ৰকাশৰ কাৰণে অৰ্থ-সাহায্য বিচাৰি পুথিখনি পৰিষদৰ হাতত দিয়া হয়।

পৰিষদৰ তেতিয়াৰ সুযোগ্যা সদস্যা শ্ৰীমতী নলিনীবালা দেৱীয়ে পুথিখনি আদ্যোপান্ত অনুগ্ৰহ কৰি পঢ়ি ইয়াক প্ৰকাশ কৰা অভিমত প্ৰদান কৰে। পৰিষদৰ তেতিয়াৰ সচিব শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীদেৱে পুথিখনি

পৰীক্ষামূলকভাৱে পাঠ কৰি স্থানান্তৰত প্ৰকাশ কৰা উপদেশ আৰু পৰামৰ্শ দান কৰে ।

মঙ্গলদৈ সম্বন্ধে অভিজ্ঞতা থকা অসমৰ সু-সাহিত্যিক, ঐতিহাসিক, প্ৰত্ন-তাত্ত্বিক শ্ৰীবেণুধৰ শৰ্মাদেৱে পুথিখনি প্ৰকাশ কৰিবলৈ একাধিকবাৰ পৰামৰ্শ দিয়াৰ পিচত তেখেতৰ সদুপদেশ গ্ৰহণ কৰি এই কাম হাতত লোৱা হৈছিল । তেখেতৰ উৎসাহ আৰু অনুপ্ৰেৰণা নোপোৱাহেঁতেন 'মঙ্গলদৈৰ বুৰঞ্জী' ৰাইজৰ আগলৈ উলিওৱা অন্তৰৰ ভাব অন্তৰতে লীন গ'লহেঁতেন ।

সৰশেষত 'প্ৰকাশন পৰিষদ'বপৰা অৰ্থসাহায্য নোপোৱা হ'লে মোৰ মনৰ আকাংক্ষা দুৰাকাংক্ষাত পৰিণত হৈ 'মঙ্গলদৈৰ বুৰঞ্জী' মোৰ পঁজাতে উৰঁলি নাইকিয়া হ'লহেঁতেন ।

যিসকলৰ যত্ন, উৎসাহ, অনুপ্ৰেৰণা আৰু সাহায্যত 'মঙ্গলদৈৰ বুৰঞ্জী'য়ে ৰাইজৰ আগত দেখা দিয়া সুযোগ লাভ কৰিলে, সেইসকলৰ ওচৰত অন্তৰেৰে কৃতজ্ঞতা জনাইছোঁ । পৰমপিতা পৰমেশ্বৰৰ কৃপা আৰু সদাশয় লোক-সকলৰ আশীৰ্বাদ শিৰত লৈ 'মঙ্গলদৈৰ বুৰঞ্জী'য়ে দেশৰ আৰু সমাজৰ যৎ-সামান্য হিত সাধন কৰিব পাৰিলেও লিখকে পৰিশ্ৰম সাৰ্থক হ'ল বুলি কৃতাৰ্থ মানিব । ইতি—

বাইজৰ সেৱা ভিক্ষাৰী
দীনেশ্বৰ শৰ্মা

# সূচীপত্ৰ


| | | পৃষ্ঠা |
|---|---|---|
| ১। | প্ৰাচীন যুগত .... .... | ১ |
| ২। | বৈদিক যুগত .... .... | ৬ |
| ৩। | মঠ-মন্দিৰ .... .... | ১৩ |
| ৪। | মধ্যযুগৰ বুৰঞ্জী : | |
| | (ক) পুখুৰীসমূহৰ ঐতিহ্য .... .... | ৩২ |
| | (খ) ঐতিহাসিক স্থান .... .... | ৩৯ |
| ৫। | ভূঞাৰ অধীনত দৰং .... .... | ৫৩ |
| ৬। | দৰঙ্গত কোঁচৰাজ্য প্ৰতিষ্ঠা .... .... | ৫৫ |
| | (ক) দৰঙ্গীৰাজসকল .... .... | ৫৬ |
| | (খ) দৰঙ্গী ফৈদৰ ৰজাসকলৰ পুৰুষনামা .... | ৬২ |
| | (গ) দৰঙ্গী ফৈদৰ ৰজাসকলৰ দিনত দৰং ৰাজ্যৰ অৱস্থা | ৬৪ |
| | (ঘ) ইংৰাজ ৰাজত্বকালত মঙ্গলদৈৰ অৱস্থা .... | ৭১ |
| | (ঙ) অসমীয়া সাহিত্য-সঙ্গীত চৰ্চাৰ কেন্দ্ৰস্থল .... | ৭৩ |
| ৭। | শঙ্কৰী যুগৰ কবি আৰু সাহিত্য .... .... | ৭৭ |
| ৮। | মঙ্গলদৈত প্ৰতিষ্ঠিত সত্ৰসমূহ .... .... | ১০৭ |
| ৯। | সংস্কৃতি আৰু কলাবিদ্যাৰ অনুশীলন .... | ১২৩ |

# প্ৰাচীন যুগত

মঙ্গলদৈ বুলিলে সাধাৰণতে আজিকালি আমি দৰং জিলাৰ মহকুমাখন মাত্ৰ বুলি বুজোঁ। কিন্তু যি সীমাবিশিষ্ট ঠাইক আমি আজিকালি মঙ্গলদৈ

**মঙ্গলদৈ**

বোলোঁ, প্ৰায় ৪০০ মান বছৰৰ পূৰ্বে এই ঠাইৰ নাম মঙ্গলদৈ নাছিল। কোঁচ ৰজা পৰীক্ষিতনাৰায়ণৰ কন্যা মঙ্গলাদেৱীৰ নাম মতেহে এই ঠাইৰ নাম মঙ্গলদৈ হয় বুলি বুৰঞ্জীয়ে প্ৰমাণ দিযে।* মঙ্গলাদেৱীৰ জন্মৰ পূৰ্বে এই মঙ্গলদৈৰ আৰু তাৰ পুব-পছিম উত্তৰ-দক্ষিণৰ কিছু মহকুমা ঠাইৰ সমষ্টিক অতীজত দৰং ৰাজ্য বুলিছিল।

‘দ্বাৰম্’ শব্দৰপৰাই ‘দৰং’ হয় বুলি বহুতো পণ্ডিতে অনুমান কৰে। মঙ্গলদৈ মহকুমা আৰু তেজপুৰ মহকুমাৰ (দৰং জিলাৰ) উত্তৰে হিমালয়

**দৰং**

আৰু তদঙ্গী সু-উচ্চ পৰ্বতশ্ৰেণী। এই পৰ্বতশ্ৰেণীৰ-পৰা যেইসেইপিনে নামনিৰ ঠাইলৈ উঠা-নমা কৰিব নোৱাৰি। এই কাৰণে অতীজত কেইখনমান নিৰ্দিষ্ট দুৱাৰেদিহে মাথোন এই ঠাইলৈ অহা-যোৱা কৰা ঠাইক দ্বাৰ বুলিছিল। এই কাৰণে সেই পৰ্বতশ্ৰেণীৰ নামনিৰ ঠাইৰ নাম ‘দ্বাৰম্’ বা ‘দৰং’ হয়।

একালত হিমালয়ৰ ওপৰৰ সু-উচ্চ দেশখনক স্বৰ্গ নামে অভিহিত কৰিছিল। এই স্বৰ্গৰাজ্যৰ এডোখৰক কৈলাস, এডোখৰক দেৱৰ পুৰী বা অমৰাৱতী আৰু এডোখৰক স্বৰ্গ বুলিছিল। সেই কালত স্বৰ্গৰাজ্য সকলো বিষয়ে উন্নত আছিল। তাত একোৰে অভাৱ নাছিল বুলি পুৰণি হিন্দু শাস্ত্ৰাদিত উল্লেখ আছে। বহুত পুণ্য অৰ্থাৎ সৎকাম কৰিলেহে সেই স্বৰ্গৰাজ্যত বাস কৰিবৰ যোগ্যতা হয় বুলি তাৰ নামনিৰ লোকসকলৰ

---

* বৰ্তমান ‘বৰনদীৰ পূৰ্বৰ নাম মঙ্গলা আছিল। সেই মঙ্গলা নদীৰ নাম মতে তাৰ ওচৰৰ ঠাইৰ নাম মঙ্গলদৈ হয় বুলি কয়। (কাঃ বুঃ)

বিশ্বাস আছিল। স্বৰ্গত বাস কৰি নানা সুখ-সম্পদ ভোগ কৰা বাঞ্চা কৰি, তাৰ নিম্নদেশত থকা মানৱ-দানৱ অসুৰ-ৰাক্ষস বংশীয় পৰাক্ৰমী ৰজাসকলে অনেক বাৰ স্বৰ্গ জয়ৰ অভিযান চলোৱা কথা পুৰণি হিন্দুশাস্ত্ৰত বৰ্ণিত আছে। দৈত্যবংশীয় হিৰণ্যাক্ষ, হিৰণ্যকশিপু, বলি, বাণ আদি পৰাক্ৰমী ৰজাসকলে হিমালয়ৰ নামনিৰ শোণিতপুৰ বা তেজপুৰত ৰাজত্ব কৰিছিল। তেওঁলোকৰ বহুতেও স্বৰ্গৰাজ্য জয় কৰি দেৱতাসকলক বহুবাৰ পৰাস্ত কৰি দুখ-দুৰ্গতি দিছিল। কেতিয়াবা আকৌ স্বৰ্গৰাজ্যৰ অধিপতি ইন্দ্ৰই সাম্ৰাজ্য বিস্তাৰৰ কাৰণে অসুৰ বংশীয় ৰজাসকলৰ লগত যুদ্ধবিগ্ৰহ কৰি তেওঁলোকক পৰাভূত, বন্দী আৰু বধো কৰিছিল। বলি বাসৱৰ যুদ্ধ, ইন্দ্ৰ-বৃত্ৰাসুৰৰ যুদ্ধৰ বৰ্ণনাই তাৰ প্ৰমাণ দিয়ে।

**শোনিতপুৰত হিৰণ্যকশিপু হিৰণ্যাক্ষ প্ৰহ্লাদ বিৰোচন বলি বাণৰ ৰাজ্য আৰু ৰাজত্ব**

মঙ্গলদৈ আৰু তেজপুৰ মহকুমাৰ উত্তৰে থকা কৌলিন্যদ্বাৰ বা কালিংদুৱাৰ, চাৰি দুৱাৰ, ছয় দুৱাৰ নামৰ কেইবাখনো ঠায়ে প্ৰমাণ কৰে যে এইবোৰেই সেই কালত হিমালয়ৰপৰা অহাযোৱা কৰা দ্বাৰ আছিল আৰু সেইবোৰেদিয়েই অতীজত স্বৰ্গ অভিযান চলাইছিল। বিশ্বামিত্ৰ ঋষিৰ আন এটা নাম আছিল কৌশিক ঋষি। কৌশিক ঋষি কৌশিকী গঙ্গাৰ তীৰত তপস্যাৰত আছিল। এই কৌশিক ঋষিৰ নাম মতেই সেই নদীৰ নাম কৌশিকীগঙ্গা হয়। ঋষি কৌশিকে ব্ৰাহ্মণত্ব প্ৰাপ্তিৰ কাৰণে কৌলিন্য ব্ৰত অৱলম্বন কৰি তপস্যা কৰিছিল। যি ঠাইত তেওঁ কৌলিন্য ব্ৰত ধাৰণ কৰি তপস্যা কৰিছিল, পিচৰ কালত সেই ঠাইক কুলিনদ্বাৰ বা কালিংদ্বাৰ বোলা হৈছিল। ইংৰাজসকলৰ ৰাজত্ব কালত তাক খালিংদ্বাৰ বোলা হয়। 'দৰং গেজেট'ত উল্লেখ আছে যে এই খালিংদ্বাৰ ২৭ বৰ্গমাইল ঠাই জুৰি বিস্তৃত। এই ঠাই টংলাৰপৰা ১৭ মাইল উত্তৰে।

**কৌলিন্যদ্বাৰ বা কালিংদ্বাৰ বা খালিংদ্বাৰ**

অতীজৰ এই দ্বাৰম্ নামৰ ঠাইবিলাকৰপৰা যে কালত দ্বাৰম্ আৰু আজিকালি দৰং হৈছে, ই নিশ্চয়।

মঙ্গলদৈ মহকুমাৰ উত্তৰে থকা খেৰখেৰীয়া বাগিচাৰ মাজেদি আৰু ওদালগুৰিৰ উত্তৰে থকা ভৈৰৱকুণ্ডৰ কাষেদি এতিয়াও পৰ্বতলৈ অহাযোৱা কৰা দুটা বাট আছে। এই বাট দুটাদিয়েই ভোট-বিলাক বৰ্তমানেও দৰঙলৈ অহাযোৱা কৰে। এই নামনিৰ ভোটবিলাক আকৌ ওপৰলৈ অহাযোৱা কৰা বাট ভোটান পৰ্বতৰপৰা আছে।

আন আন দ্বাৰ বা দুৱাৰ

সম্প্ৰতি তিব্বতত বিদ্ৰোহ হোৱাত তাৰ ৰজা দালাইলামা, আৰু তেওঁৰ অনুগামীসকল নেফা অঞ্চলৰ বমডিলাৰ বাটেদি আহি তেজপুৰত ওলাই-ছিলহি। এইবিলাকে প্ৰমাণ কৰে যে হিমালয়ৰপৰা মঙ্গলদৈ আৰু তেজ-পুৰলৈ অহাযোৱা কৰা বাট বা দ্বাৰ অতীজৰেপৰা আছে। আৰু এই দ্বাৰ শব্দৰপৰাই 'দৰং' হোৱা বুলি কৰা অনুমানৰ সত্যতা আছে।

কোনো কোনো পণ্ডিতে কয়--দ্যো মানে স্বৰ্গ, ৰং মানে আনন্দ। দ্যোৰং মানে স্বৰ্গৰ আনন্দস্থান। কোনো কোনোৱে কয় দেৱ-ৰঙ্গ শব্দৰ-পৰা দৰঙ্গ হৈছে। অৰ্থাৎ এই ঠাই দেৱতাসকলৰ আনন্দস্থান; এই কাৰণে দৰং বোলে। ইত্যাদিৰপৰা জনা যায় যে দৰং অতীজৰপৰাই এখনি ভাল লেখত ল'বলগীয়া ঠাই আছিল।

দ্যোৰঙ্গ বা দৰং

দৰং ৰাজ্য এসময়ত বৃহৎ কামৰূপ দেশৰ অন্তৰ্ভুক্ত আছিল। আৰু তেনে সময়ত ইয়াক কামৰূপ বুলিয়েই কৈছিল।

এসময়ত কামৰূপক প্ৰাগ্‌দেশ বোলা হৈছিল। সেই কালত প্ৰাগ্‌-দেশৰ সীমা বহুদূৰ পৰ্যন্ত বিস্তৃত আছিল। মহাভাৰতত উল্লেখ থকা মহাৰাজ শ্ৰীবৎসৰ ৰাজ্য আছিল প্ৰাগ্‌দেশ। প্ৰাগ্‌দেশাধিপতি শ্ৰীবৎসই সুখৰ প্ৰতীক লক্ষ্মীদেৱী আৰু দুখৰ প্ৰতীক শনি গ্ৰহৰ মাজত হোৱা বিবাদ ভঞ্জন কৰিবলৈ যাওঁতে নানা দুখ-দুৰ্গতি ভোগ কৰা আখ্যান মহাভাৰতত বিস্তৃতভাৱে বৰ্ণিত আছে। এই আখ্যানৰ উদ্দেশ্য আন বহু থাকিলেও বিশেষকৈ শনি গ্ৰহৰ শক্তিৰ প্ৰভাৱ যে অতি বেছি, তাক বিস্তাৰিতভাৱে বৰ্ণনা কৰিছে। অতীজত সকলোৱে ওচৰত পৰাক্ৰমী আৰু শক্তিশালী বুলি পৰিগণিত প্ৰাগ্‌-

প্ৰাগ্‌দেশ

দেশাধিপতি শ্ৰীবৎসক কেন্দ্ৰ কৰি ৰচিত গণিত আৰু ফলিত জ্যোতিষমূলক আখ্যানটিৰদ্বাৰা জ্যোতিষ চৰ্চাৰ প্ৰভাব বিস্তাৰ কৰা হৈছে। সৰ্বপ্ৰথম জ্যোতিষশাস্ত্ৰ চৰ্চাৰ কেন্দ্ৰস্থান প্ৰাগ্‌জ্যোতিষপুৰৰ ৰজা শ্ৰীবৎসক নায়ক হিচাপে লৈ আখ্যান লিখাৰ ইয়ো এটা কাৰণ।

**ধলপুৰেই ধৰ্মাৰণ্য বা ধৰমপুৰ**

এই প্ৰাগাধিপতি মহাৰাজ শ্ৰীবৎসৰ ৰাজধানীৰ নাম আছিল ধৰ্মাৰণ্য বা ধৰমপুৰ। মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত ধলপুৰক ধৰমপুৰ বুলি কোৱা কিম্বদন্তি আজিয়ো প্ৰচলিত আছে। ধলপুৰ গুৱাহাটীৰপৰা বহুত দূৰত নহয়। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে কুৰুৱাৰ পূবে এখন সৰু পাহাৰৰ ওপৰত অৱস্থিত। আজি কিছু বছৰৰ পূৰ্বে মঙ্গলদৈৰ আৰাং গাৱঁৰ সোণধন চৌধুৰী নামৰ কৈৱৰ্ত সম্প্ৰদায়ৰ শীৰ্ষস্থানীয় এজন লোকে ধলপুৰ পাহাৰৰ ওপৰত এডোখৰ সমতল ঠাইত খননকাৰ্য কৰোঁতে কিছুমান পাট কাপোৰ থকা জপা আৰু মূল্যবান বাচন-বৰ্তন পাইছিল।

**যজ্ঞীয় দেশ**

অতীজৰ ধৰ্মপ্ৰাণ ঋষি-মুনিসকলে যি চিহ্নযুক্ত দেশক যজ্ঞীয় দেশ বুলি বৰ্ণনা কৰিছে, সেই যজ্ঞীয় দেশৰ বহু চিহ্ন মঙ্গলদৈত আছে। যি ঠাইত কৃষ্ণষাড় পশু সৰ্বত্ৰতে বিচৰণ কৰে, সেই দেশক ঋষি-মুনিসকলে যজ্ঞীয় দেশ বুলি কৈছিল। এতিয়াও মঙ্গলদৈৰ উত্তৰাঞ্চলৰ ভোটান পৰ্বতৰ নামনিত কৃষ্ণষাড়ে বিচৰণ কৰে। ভুটীয়া লোকসকলে সেই পছু মাৰি তাৰ অঙ্গ-প্ৰত্যঙ্গ মঙ্গলদৈত বিক্ৰী কৰেহি।

**দৰঙ্গ তথা অসমত আৰ্য বসতি**

খাইবাৰ গিৰিসঙ্কটেদি অহা আৰ্যসকলৰ বহু পূৰ্বে অসমৰ পূবপিনেদি এদল আৰ্য পুণ্য নদ ব্ৰহ্মপুত্ৰৰ গতিৰ অনুগমন কৰি আৰু আন আন দল হিমালয় পৰ্বতৰপৰা ওলোৱা কৌশিকী আদি নদীৰ গতিৰ অনুগমন কৰি দৰঙ্গ তথা অসমত প্ৰৱেশ কৰেহি। ইয়াৰদ্বাৰা প্ৰমাণ হয় যে অসম অতীজৰপৰাই আৰ্যস্থান।

**ঋষি-মুনিৰ আশ্ৰম আৰু তপস্যাস্থান**

সেই কালত অনাৰ্যসকলে সদায় যজ্ঞ আৰু তপস্যাত বিঘিনি ঘটাইছিল। এই কাৰণে আৰ্যবসতিপূৰ্ণ ঠাই দৰং তেওঁলোকৰ তপস্যা আৰু যজ্ঞৰ কাৰণে উৎকৃষ্ট বুলি বিবেচনা কৰিছিল।

**অত্ৰিঘাট**

মঙ্গলদৈ মহকুমাৰ উত্তৰাঞ্চলত থকা অত্ৰিঘাট বা আতৰিঘাট বা আঠৰিঘাট বাগিচাৰ ওচৰতে অত্ৰি মুনিৰ আশ্ৰম আছিল বুলি সেই অঞ্চলৰ বযসিযাল লোকৰ ভিতৰত কিম্বদন্তি প্ৰচলিত আছে। অত্ৰিৰ নাম মতে সেই ঠাইৰ নাম অত্ৰিঘাট হয। এই অত্ৰিঘাটৰ ওচৰতে অত্ৰিমুনিৰ যজ্ঞকুণ্ড আৰু যোগখলা নামৰ পাহাৰ অৱস্থিত। মেৰুমাইদেৱৰ আলি পাহাৰ আৰু তাৰ ওচৰতে থকা মাৰ্কণ্ডাশ্ৰমে এই ঠাইবোৰ যে আৰ্যবসতিপূৰ্ণ আৰু শান্তি বিৰাজিত স্থান আছিল, তাৰে প্ৰমাণ দিযে।

# বৈদিক যুগত

ঋক্ বেদৰ ১০৪ সূক্তত উল্লেখ থকা ছিফা, আন্‌জাছি, কুলশী, বীৰ-পত্‌নী নদী মঙ্গলদৈত বুলি থিৰাং কৰিব পাৰি। সেই সূক্তত লিখা আছে যে এই চাৰিখন নদীৰ পানীয়ে আগুৰি থকা হাবিৰপৰা দস্যুবিলাক আহি তাৰ ওচৰত বসতি কৰি থকা আৰ্যসকলক অত্যাচাৰ কৰে।

মঙ্গলদৈ মহকুমাৰ ছিপাঝাৰ মৌজাত ছিপাঝাৰ নামে এখন গাঁও আছে।

**ছিফা**

সেই গাৱঁৰ ভিতৰেদি ব্ৰহ্মপুত্ৰৰ ফাললৈ বৈ যোৱা এটা মৰা নদী আছে। সেই মৰা নদীৰ পাৰতে ছিপাঝাৰ গাঁও। ছিপাঝাৰ আৰু ছিফাঝাৰৰ উচ্চাৰণৰ প্ৰভেদ প্ৰায় নাই বুলিয়েই ক'ব পাৰি।

ঋক্ বেদ ৰচনা হোৱা কালৰপৰা বৰ্তমানলৈ মানুহৰ মুখে মুখে 'ছিফা' শব্দ ব্যৱহাৰ হৈ আহোতে যে তাৰ নাম 'ছিফাৰ' ঠাইত 'ছিপা' হৈছে, ইয়ো প্ৰমাণসিদ্ধ কথা। এই কাৰণে ক'ব পাৰি যে সেই বেদোক্ত ছিফা নদী এই ছিপাঝাৰ গাৱঁৰ মাজেদি বৈ যোৱা নদীটোৱেই আছিল আৰু সেই ছিফা নদীৰ পাৰত থকা হাবিয়নি ঠাইক কালত ছিপাঝাৰ বুলিছিল।

এই ছিফা নামৰ মৰা নদীৰপৰা প্ৰায় দুমাইলমান উত্তৰে থকা ৰয়নাকুছি মৌজাৰ ভিতৰত কুলশী নামৰ নদী এখন এতিয়াও আছে। এই নদী মঙ্গলদৈৰ

**কুলশী**

উত্তৰে থকা পৰ্বতৰপৰা ওলাই ডাকুৱা, কলাই গাঁও, চপাই, সৰাবাৰী, ডাঁহী, ৰয়নাকুছি আদি কেইবাটাও মৌজাৰ ভিতৰেদি অকাই-পকাই বৈ গৈছে। অতীজত এই নদীটো বৰ স্ৰোতস্বতী থকাৰ কাৰণে ই বহু সোঁতত পৰিণত হৈছিল। সেই সোঁতবিলাকৰ বহু মৰা সুঁতি এই উপৰোক্ত মৌজাবিলাকত আজিও আছে। তাৰ কোনো কোনো মৰা সুঁতি উপৰোক্ত মৰা নদী ছিফাৰ মৰা সোঁতৰ ওচৰেদি গৈছিল।

কুলশী নদীৰপৰা ৪½ মাইলমান আঁতৰত বৰ্ত্তমান বৰনদী নামৰ এখন নদী আছে। বৰনদীক বৰনৈয়ো বোলে। এই বৰনৈয়েই

**বীৰ পত্নি**

কালত 'বীৰ পত্নিৰ'পৰা অপভ্ৰংশ হৈ 'বৰনৈ' হ'ব পাৰে।

সূক্তত লিখা আছে যে এইকেখন নদীৰ পানীয়ে আগুৰা ঠাইত দস্যু-বোৰে বাস কৰে। এই তিনিখন নদীৰ ব্যৱধানত যি নদী আছে তাকে

**আন্জাছি**

আন্জাছি বুলি ধৰিলে ভুল নহ'ব। কুলশীৰপৰা বৰ-নদীলৈ যাওঁতে মাজতে বৰ্ত্তমান দীপিলা মৌজাৰ ভিতৰত আহিনী নামে গাঁও এখন পোৱা যায়। এই আহিনী গাঁৱৰ ভিতৰত কেইবাখনো মৰা নদীৰ চিন আছে। সেই আহিনী গাৱঁৰ ভিতৰত থকা মৰা নদীয়েই যে সেই কালত আন্জাছি নামৰ নদী আছিল, সেইটো প্ৰমাণ হয়। সেই আনজাছি নদীৰ পাৰত থকা 'আহিনী' গাৱঁৰ নামেই সেইটো প্ৰমাণ কৰে। (পুৰণি অসমৰ ভূমুকি' নামৰ প্ৰবন্ধ এটিত ২য় বছৰৰ ৭ম সংখ্যা 'বাঁহী'ত শ্ৰীযুত ৰজনী পদ্মপতিয়ে এই বিষয়ে কিছু ব্যাখ্যা দিছে।)

বিশ্বামিত্ৰৰ আন এটি নাম কৌশিক। বৈদিক যুগৰপৰা প্ৰবাহিত হৈ থকা কুলশী নদীৰ তীৰত ঋষি কৌশিকে ব্ৰাহ্মণত্বৰ প্ৰয়াসী হৈ বেদৰ সূক্ত ৰচনা কৰিছিল। অকল বেদৰ সূক্ত ৰচনা কৰিয়েই তেওঁ

**ক্ষত্ৰিয় বিশ্বামিত্ৰৰ ব্ৰাহ্মণত্ব লাভ**

ক্ষান্ত থকা নাছিল, তেওঁ তপঃশক্তিৰ প্ৰভাৱত ভিন্ন সৃষ্টি ৰচনা কৰাৰ ভূমিকাও গ্ৰহণ কৰি তপস্যাৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। তপস্যাৰদ্বাৰা যেতিয়া তেওঁৰ ব্ৰাহ্মণ্য গুণ লাভ হৈছিল, তেতিয়া তেওঁক বশিষ্ঠাদি ঋষিসকলে ব্ৰাহ্মণ বুলি সন্মান দৰ্শাবলৈ বাধ্য হৈছিল। পূৰ্বোক্ত কৌলিন্য দ্বাৰতেই ঋষি বিশ্বামিত্ৰই কৌলিন্ ব্ৰত অৱলম্বন কৰি তপস্যা কৰিছিল। এই বিলাকৰপৰা প্ৰমাণ হয় যে মঙ্গলদৈ তথা দৰং অতীজতে আৰ্য-বসতিপূৰ্ণ স্থান আছিল।

উপৰোক্ত প্ৰমাণসমূহত বাদেও মঙ্গলদৈ মহকুমাৰ হৰিশিঙ্গা, অম্বাগাঁও বৰছিলাঝাৰ, ওৱাং আদি মৌজাৰ ভিতৰেদি বৈ থকা চন্দনা, কল্যাণী,

আৰ্য নামযুক্ত নদ-নদী

কালিন্দ্ৰী, ভোলানাথ, লক্ষ্মী, সৰস্বতী, ধনশ্ৰী আদি নদীবোৰৰ নাম অতীজৰ আৰ্য ঋষি-মুনিসকলে দিয়া নামক বাদে আন নহয়। এই নদীবোৰৰ নামেও ইয়াত আৰ্য-বসতিৰ পৰিচয় দিয়ে।

ভৈৰবকুণ্ড

মঙ্গলদৈ নগৰৰপৰা ৩৭ মাইল উত্তৰে ভৈৰবকুণ্ড নামে এটি কুণ্ড আছে। এই কুণ্ডৰ ঘূৰণীয়া পাৰ শিলৰদ্বাৰা আবৃত। শিলবিলাক বন্ধোৱাৰ নিচিনাকৈ খাজি খাজি দিয়া। অতীজৰ ভূমিকম্পত কুণ্ডৰ উত্তৰ-ফালৰ পাৰ নোহোৱা হৈছে। 'দৰং ৰাজবংশাৱলী' আদি কোনো কোনো পুথিত তাৰ নাম ভ্ৰমৰীকুণ্ড বুলি আছে। একালত ধনশ্ৰী নদীৰ পানী এই কুণ্ড প্ৰদক্ষিণ কৰি বাহিৰ হৈছিল। এই কুণ্ডক বহুতে পাণ্ডৱবিলাকে স্বৰ্গ-যাত্ৰাৰ সময়ত স্নান কৰা তীৰ্থকুণ্ড বুলি আখ্যাত কৰে। আজিকালিও প্ৰতি বছৰে খৰালি দিনত শ শ যাত্ৰীয়ে পবিত্ৰ জ্ঞান কৰি তাত স্নান কৰেগৈ।

ভৈৰবকুণ্ড ধনশ্ৰী আৰু পাণ্ডৱ

মঙ্গলদৈৰ দৰঙ্গী ৰজাৰ ঘৰৰ শ্ৰীশ্ৰীদুৰ্গোৎসৱ পূজা উদ্বোধনৰ সঙ্গীত পুৰো-হিত ব্যাস ওজাই গোৱা ৺দুৰ্গোৎসৱ জাগৰণৰ সংগীতৰ ভিতৰত থকা এফাঁকি পদে, মঙ্গলদৈৰ ভিতৰত প্ৰৱাহিত হৈ থকা ধনশ্ৰী নদীৰ সৈতে পাণ্ডৱৰ ৰাজসূয় যজ্ঞৰ যে কিবা সম্পৰ্ক আছে তেনে সূচনা কৰে। পদফাঁকি যথা: "লক্ষেক ৰাজাক জিনি, ধন একস্থান কৰি, ধনমধ্যে বসিলা অৰ্জুন। পথ আসন ভিৰি ; ৰঙ্গে দ্ৰৌপদীক বাম উৰুত বৈসাইলা ; হৃদয়ত হস্তে ধনশ্ৰী ৰাগ গাইলা। (জাগৰণ পুথি)

এই পদফাঁকি বা ৰচনাৰ লগত ভৈৰবকুণ্ড সম্বন্ধে পাণ্ডৱৰ স্নান-তীৰ্থ বুলি প্ৰচলিত থকা কিম্বদন্তিৰ সত্যতাৰ সূচনা কৰে।

অসুৰ আৰু দানৱ বংশী ৰজাৰ ৰাজ্য

মহাভাৰত, ভাগৱত, পুৰাণ আদি পুৰণি হিন্দুশাস্ত্ৰৰপৰা জনা যায় যে অতীজত শোণিতপুৰ কামৰূপ আদি ৰাজ্যত অসুৰ-দানৱবংশী ৰজাসকলে ৰাজত্ব কৰিছিল। অসুৰ আৰু দানৱ বুলিলে সাধাৰণতে আমাৰ কিছুমানৰ মনত তেওঁলোকৰ প্ৰতি যেনে ঘৃণাসূচক ভাব জন্মে প্ৰকৃততে তেওঁলোক তেনে অসভ্য নাছিল। নতুনকৈ অহা আৰ্যসকলে ভাৰতত অতীজৰেপৰা বাস

কৰাসকলক অনাৰ্য • অসুৰ-দানৱ আদি আখ্যাৰে অভিহিত কৰিছিল। দেৱপুৰী অমৰাৱতী আদি ঠাইত বাস কৰা আৰ্যসকলে নিজক সুৰ বুলি পৰিচয় দিছিল। যিসকল সুৰ নহয়, তেওঁলোকক অসুৰ বুলিছিল। যিসকল দনুৰ বংশজাত আছিল, তেওঁলোকক দানৱ বুলিছিল। দেৱতা বা সুৰ আৰু অসুৰ-দানৱৰ ভিতৰত মতবাদৰ মিল নাছিল।

সাম্ৰাজ্য বিস্তাৰ, মতবাদৰ বিভিন্নতা, স্বৰ্গৰাজ্যৰ অধিকাৰৰ বাবে অসুৰ-দেৱতাৰ যুদ্ধাদি

পুৰণি শাস্ত্ৰাদি পঢ়িলে পোৱা যায়, দেৱতাসকল আছিল আত্মবাদী আৰু অসুৰ-দানৱসকল আছিল দেহবাদী। আত্মবাদী-সকলে পাৰলৌকিক সুখ-সম্পদৰ কাৰণে আৰু দেহবাদীসকলে ঐহিক সুখ-সন্তোষৰ কাৰণে সদায় চেষ্টিত আছিল। এই মতানৈক্যৰ কাৰণে তেওঁলোকৰ উভয়ৰ সভ্যতাৰ সোঁতো বিভিন্ন পন্থাৰে প্ৰবাহিত হৈছিল। এই সভ্যতা আৰু মতবাদৰ বিভিন্নতাৰ কাৰণে তেওঁলোকৰ ভিতৰত যুদ্ধ-বিগ্ৰহ হৈছিল।

কলা-কৌশল বিজ্ঞান চৰ্চা আদিত দানৱ-অসুৰসকলো দেৱতাতকৈ কোনো প্ৰকাৰে কম নাছিল। কোনো কোনো বিষয়ত কোনো কোনো ক্ষেত্ৰত অসুৰ আৰু দানৱসকল দেৱতাতকৈ বেছি উন্নত আৰু পৰাক্ৰমী হৈ আছিল। অসুৰ আৰু দানৱসকল আছিল বস্তুবাদী বহিৰ্বিজ্ঞানত পাৰ্গত। দেৱতাসকল আছিল বহিৰ্বিজ্ঞানৰ পাৰ্গতালিত বাদেও মনোবিজ্ঞানবিদ্। এই মনোবৈজ্ঞানিক কূটনৈতিক চৰ্চাত পাৰদৰ্শিতা থকা বাবে বহু সময়ত কূট-কৌশলৰদ্বাৰা দেৱতাসকলে অসুৰ আৰু দানৱসকলক পৰাজয় কৰিছিল। দানৱ আৰু অসুৰসকলৰ ভিতৰত মতবাদৰ প্ৰায় মিল আছিল। দেৱতা আৰু অসুৰ পৰস্পৰৰ ভিতৰত মানসিক গুণ চৰ্চাত বিভিন্নমুখী আছিল। সেই বিভিন্নমুখী গুণ চৰ্চাৰ উৎকৰ্ষতাৰ কাৰণে তেওঁলোকে বিভিন্ন গুণৰ প্ৰতীকক পূজা কৰিছিল। অসুৰসকলে ৰজগুণ আৰু তমগুণ বৃদ্ধিৰ কাৰণে ৰজোগুণী ব্ৰহ্মা আৰু তমোগুণী ৰুদ্ৰৰ উপাসনা কৰিছিল। দেৱতাসকলে উপাসনা কৰিছিল সত্ব গুণৰ প্ৰতীক বিষ্ণুক। এই লৈয়ে তেওঁলোকৰ পৰস্পৰৰ ভিতৰত কাজিয়া হৈছিল। হিৰণ্যকশিপুৰ পুত্ৰ প্ৰহ্লাদেই তাৰ প্ৰমাণ। সাম্ৰাজ্য বিস্তাৰ, মতবাদৰ বিভিন্নতা, স্বৰ্গৰাজ্যৰ সুখ-সম্পদৰ লোভ আদি কাৰণত তেওঁলোকৰ ভিতৰত বহু বাৰ যুদ্ধ-বিগ্ৰহ হৈছিল।

অতীজৰ কামৰূপত নৰকাসুৰে ৰাজত্ব কৰিছিল ? নৰকাসুৰ আদিতে বিষ্ণুভক্ত ৰজা আছিল। পিচত শিৱভক্ত বাণৰ চক্ৰান্তত তেওঁ বিষ্ণুদ্বেষী হয়। সেই কাৰণে শ্ৰীকৃষ্ণই তেওঁক বধ কৰে।

**কামৰূপত নৰকাসুৰ**

শোণিতপুৰত (তেজপুৰত) বাণাসুৰে ৰাজত্ব কৰিছিল। তেজপুৰত তেওঁৰ ৰাজধানী আছিল। বাণ ৰজা শিৱভক্ত আছিল। তেওঁ তেজপুৰৰ অন্তৰ্গত বিশ্বনাথত এখন দ্বিতীয় কাশী প্ৰতিষ্ঠাৰ মানস কৰি তাত লক্ষ শিৱলিঙ্গ সংগ্ৰহ কৰিছিল। তেওঁৰ কন্যা উষাৰ দ্বাৰকাৰ শ্ৰীকৃষ্ণৰ নাতিয়েক অনিৰুদ্ধৰ লগত প্ৰথমতে স্বপ্নপ্ৰণয় ঘটে আৰু তাৰ পিচত অনিৰুদ্ধক ষড়যন্ত্ৰ কৰি আনি বিবাহ কৰে।

**শোণিতপুৰত শৈৱ বাণাসুৰ**

এই বিবাহ বাণাসুৰৰ সন্মতি সাপেক্ষে হোৱা নাছিল। বিশেষতঃ তেওঁলোক পৰস্পৰ মতবিৰোধী আৰ্য-অনাৰ্য আছিল। তদুপৰি কুমাৰী উষাক বাণে অগ্নিগড় সাজি গুপ্তভাৱে ৰক্ষা কৰিছিল। বাণে আৰ্য-অনাৰ্যৰ তেজৰ সংমিশ্ৰণে অসুৰ বংশক কলঙ্কিত কৰিব বুলি বিশ্বাস কৰিছিল। সিফালে দ্বাৰকাৰ শ্ৰীকৃষ্ণই সমগ্ৰ ভাৰতক একতাৰ সূত্ৰত আবদ্ধ কৰিবলৈ বিবাহ বান্ধোন ঢিলাই দি অসবৰ্ণ বিবাহ প্ৰচলনৰ পক্ষপাতী হৈছিল। ইত্যাদি কাৰণেই বাণাসুৰ আৰু শ্ৰীকৃষ্ণৰ ভিতৰত মহাযুদ্ধ হৈছিল।

এই যুদ্ধ যাত্ৰাৰ কালত মঙ্গলদৈ মহকুমাৰ ভিতৰত থকা হৰিশিঙ্গা নামে ঠাইত হৰিয়ে শিঙা বজাই সৈন্য সমাবেশ কৰিছিল বুলি কয়। কোনো কোনোৱে কয়, হৰিয়ে শিঙ্গা বজোৱা নাছিল। শিৱভক্ত বাণক যুদ্ধত সহায় কৰিবৰ কাৰণে শিৱইহে (হৰেহে) কৈলাশৰপৰা সেই বাটেদি আহি শিঙ্গা বজাইছিল। সেই কাৰণে সেই ঠাইৰ নাম 'হৰশিঙ্গা' আছিল। কালত অপভ্ৰংশ হৈ 'হৰশিঙ্গাৰ' ঠাইত 'হৰিশিঙ্গা' হয়। কাৰণ হৰিয়ে (শ্ৰীকৃষ্ণই) শঙ্খহে বজায়; হৰেহে শিঙা বজায়। এই যুদ্ধত বাণ পৰাস্ত হয়। হৰি আৰু হৰ উভয়ৰ ভিতৰত হোৱা ভয়াময়া যুদ্ধৰ পিচত উভয়ৰ ভিতৰত সন্ধি হয়। সেই সন্ধিমতে হৰি আৰু হৰ উভয়ে সমান শক্তি বিশিষ্ট বুলি প্ৰমাণ হয়।

**হৰিশিঙ্গা**

উষা-অনিৰুদ্ধৰ প্ৰণয় কাহিনী লৈ লিখা এই আখ্যানে, আৰ্য-অনাৰ্যৰ ভিতৰত উপাস্য দেৱতা লৈ হোৱা বিবাদৰ এটি সাময়িক মীমাংসাৰ সূচনা কৰে। এই আখ্যানৰ কালৰপৰা আৰ্যসকলৰ ভিতৰত শিৱপূজা আৰু অনাৰ্যসকলৰ ভিতৰত বিষ্ণুৰ পূজা-উপাসনা অসমত প্ৰচলিত হয়। হিৰণ্যাক্ষৰ পুত্ৰ প্ৰহ্লাদ। প্ৰহ্লাদ বৰ বিষ্ণুভক্ত আছিল। সেই কাৰণে বাপেক হিৰণ্যাক্ষই প্ৰহ্লাদক অশেষ নিৰ্যাতন কৰে। অন্তত প্ৰহ্লাদক নিৰ্যাতনৰপৰা ৰক্ষা কৰিবলৈ বিষ্ণুৱে নৰসিংহ মূৰ্তি ধাৰণ কৰি হিৰণ্যাক্ষক বধ কৰে। প্ৰহ্লাদৰ পুত্ৰ বিৰোচন। বিৰোচনৰ পুত্ৰ বলি।* বলি বৰ পৰাক্ৰমী শক্তিশালী ৰজা আছিল। তেওঁ স্বৰ্গৰাজ্য জয় কৰি স্বৰ্গৰ ৰজা ইন্দ্ৰক নিৰ্বাসিত কৰিছিল। ইন্দ্ৰ নিৰ্বাসিত হোৱাৰ লগে লগে দেৱতাসকলো নিৰ্বাসিত হৈছিল আৰু কোনো কোনো দেৱতাই বলিৰ দাসত্বও স্বীকাৰ কৰিছিল।

বলি বাণ শোণিত পুৰাধিপতি

বলিয়ে দেৱতাসকলক পৰাস্ত কৰাৰ উপৰিও ভাৰতৰ অন্যান্য ৰজাকো বশ কৰিছিল। এই কাৰণে স্বৰ্গৰ দেৱতা আৰু ভাৰতৰ অনেক নৰপতিয়ে বলিৰ শাসনৰপৰা মুক্তি পাবলৈ বিষ্ণুৰ ওচৰত কামনা কৰিছিল। বলিয়ে শোণিতপুৰৰ ভিতৰত য'ত বৰ্তমান বামনি পাহাৰ আছে তাতে এটি মহাযজ্ঞৰ অনুষ্ঠান কৰে। সেই যজ্ঞলৈ দান ভিক্ষা কৰিবলৈ এটি বাওনা মানুহৰ ৰূপ লৈ বিষ্ণু যজ্ঞস্থানত উপস্থিত হ'লহি। বাওনাক সংস্কৃতত বামন বোলে। পৰাক্ৰমী বলি ধন-সম্পত্তি ক্ষমতাৰ অহঙ্কাৰত ওফন্দি আছিল। বামনে তেওঁক কথাৰ পাকেৰে সত্যত আৱদ্ধ কৰিলে যে বামনে যি খোজে তাকে দিব। বামনে তেওঁৰ ওচৰত বামনৰ খোজেৰে তিনি খোজ ভূমি দান বিচাৰিলে। বলিয়ে দান-কৰিবলৈ তিল-কুশ হাতত ল'লে। বামনে এখোজৰ কাৰণে স্বৰ্গৰাজ্য আৰু এখোজৰ কাৰণে পৃথিৱী গ্ৰহণ কৰিলে। বাকী খোজত কি দিব বলিক সুধিলে। বলি নিৰুপায় হ'ল। শেষত উপায় নেপায় বলিয়ে নিজৰ মূৰটোকে বামনৰ খোজ দিবলৈ আগবঢ়াই দিলে। চুক্তি মতে বলি বামনৰ ওচৰত পৰাভূত হ'ল আৰু দাসত্ব স্বীকাৰ কৰিলে। তেতিয়া বামনে বলিক দেৱতাসকলৰ স্বৰ্গ ৰাজ্যত আৰু ভাৰতৰ নৃপতিসকলৰ ৰাজ্যত তেওঁৰ অধিকাৰ নাই বুলি ঘোষণা কৰি তেওঁক পাতাললৈ নিৰ্বাসিত কৰিলে।

বামনি পাহাৰ

---

* বলিৰ শতেক পুত্ৰ বাণ আদি কৰি।
সবাকো যুজত সুৰ্য্যে কৰে ধনু ধৰি (ভাগৱত ৮ম স্কন্ধ)

যি ঠাইত শোণিতপুৰৰ ৰজা বলিয়ে যজ্ঞ কৰিছিল, সেই ঠাইতে বিষ্ণুৱে বামন ৰূপ ধৰি বলিৰপৰা তিনি পদ ভূমি দান গ্ৰহণ কৰিছিল। তেজপুৰত অৱস্থিত বৰ্ত্তমান বামনি পাহাৰতে বলিৰ যজ্ঞভূমি আছিল ; আৰু সেই ঠাইত বামনৰূপে বিষ্ণুৱে বলিৰ দান গ্ৰহণ কৰাৰ কাৰণে সেই পাহাৰৰ নাম 'বামন পাহাৰ' হয়। কালত বামন পাহাৰৰ নামৰ অপভ্ৰংশ হৈ 'বামনি পাহাৰ' * হৈছে।

* মঙ্গলদৈৰ ভিতৰৰ প্ৰাচীন গাওঁ কুৰুৱাৰপৰা প্ৰায় আঠৈ মাইল উত্তৰে 'বমন পৰ্বত' নামে এটা পৰ্বত আৰু তাৰ কাষতে 'বমন নদী' নামে এখন সৰু নদী আছে। এই পৰ্বতৰ নামনিত নদীৰ পাৰত এভোখৰ ওখ সমতল ঠাইত শিলত কটা প্ৰকাণ্ড প্ৰকাণ্ড মনোহৰ পদ্মফুল এতিয়াও পৰি আছে। এইবিলাক দেখি এই বমন অঞ্চলেই বলিৰ যজ্ঞভূমি বুলি বহুতে অনুমান কৰে। উল্লেখযোগ্য যে ত্ৰীবৎসৰ ৰাজধানী ধৰমপুৰ (বৰ্ত্তমান ধলপুৰ) এই বমন অঞ্চলৰ ওচৰতে।

# মঠ-মন্দিৰ

'কন্যা কুমাৰী স্থান মাহাত্ম্য' লিখকে তেওঁৰ উক্ত নামৰ পুথিত প্ৰমাণ কৰিছে যে শোণিতপুৰত বাণ, শুম্ভ, মহিষাসুৰ নামৰ অসুৰ ৰজাসকলে ৰাজত্ব কৰিছিল। তেওঁ সেই পুথিত লিখিছে, "কাশ্যপ প্ৰজাপতি শোণিতপুৰে ৰাজা ছিলেন। তাহাৰ বাণ, মুক, শুম্ভ আৰ মহিষ নামক চাৰিটি অসুৰ পুত্ৰ ছিল। এই চাৰিজনেৰ মধ্যে বাণাসুৰ কঠিন তপস্যা কৰিয়া পৰমেশ্বৰৰ নিকট হৈতে অমৰত্ব বৰ লাভ কৰিয়াছিল। কিন্তু কোনো কন্যাৰ হাতে মাৰা যাইবে না এৰূপ বৰ তাহাৰা পায়। (কন্যাকুমাৰী মাহাত্ম্য)।"

**মহিষাসুৰ, শুম্ভ, নিশুম্ভ শোণিতপুৰৰ**

মঙ্গলদৈৰ উত্তৰাঞ্চলত টংলাৰপৰা প্ৰায় ৮।৯ মাইল উত্তৰে কালীখলা নামে এডোখৰ অতি বহল সমান ঠাই আছে। সম্প্ৰতি সেই ঠাইডোখৰ আমাৰ চৰকাৰে খেতিয়ক ৰাইজক পট্টন দিছে। সেই ঠাইডোখৰ দেখি আৰু তাৰ নামৰপৰা অনুমান কৰিব পাৰি যে এই ঠাইতে অতীজত আৰ্য ৰমণীৰ হাতত (যাক পিচৰ কালত চণ্ডী, কৌষিকী, কালী আদি নামেৰে অভিহিত কৰা হৈছিল, সেইসকলৰ হাতত) শ্ৰীশ্ৰীচণ্ডীত বৰ্ণিত শুম্ভ, নিশুম্ভ মহিষাসুৰ নিহত হৈছিল। এই বৰ্ণনা মাৰ্কণ্ড মুনিয়ে তেওঁৰ প্ৰণীত মাৰ্কণ্ড পুৰাণৰ অন্তৰ্গত শ্ৰীশ্ৰীচণ্ডীত বৰ্ণনা কৰিছে। অত্ৰিঘাটৰ ওচৰত মাৰ্কণ্ডৰ আশ্ৰম আছিল বুলি আগেয়ে কোৱা হৈছে। এনে স্থানীয় ঘটনাৰ আলম লৈয়ে শিৱভক্ত মাৰ্কণ্ড মুনিয়ে চণ্ডীত সেই আখ্যান প্ৰণয়ন কৰিছিল। হিন্দু ধৰ্মৰ শাস্ত্ৰবিলাকত এনে স্থানীয় ঘটনাৰ আলমত পৌৰাণিক কালৰ বৰ্ণনাবিলাক বৰ্ণনা কৰা দেখা যায়। সেই কালত হিমালয় পৰ্বতৰ নামনি অঞ্চলত অসুৰ বা অনাৰ্যসকলৰ এখন ৰাজ্য আছিল।

**কালীখলা**

মঙ্গলদৈৰপৰা ২৪ মাইল দক্ষিণ-পছিমে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে কুৰুৱা পৰ্বত আৰু কুৰুৱা গাওঁ অৱস্থিত। * কিম্বদন্তি প্ৰচলিত আছে যে নৰকাসুৰৰ

**কুৰুৱা, কৌৰৱা**

পুত্ৰ ভগদত্তৰ জীয়েক ভানুমতীৰ সয়ম্বৰৰ সময়ত কৌৰৱ-বিলাকক এই ঠাইত বাহৰ কৰি দিয়া হৈছিল। কৌৰৱৰ বাহৰ হোৱা বাবে এই ঠাইৰ নাম কৌৰৱা বা পাচত কুৰুৱা হয় বুলি কয়। কুৰুৱা পৰ্বতৰ বহুত ঠাইত এতিয়ালৈকে আলি আৰু গড়ৰ চিন আছে। কুৰুৱাৰ পূবে দশাশ্বমেধ ঘাট আৰু পাহাৰ।

**পুৰণি নগৰৰ ভগ্নাৱশেষ**

মঙ্গলদৈ মহকুমাৰ উত্তৰাঞ্চলত হাবি-বননিৰ মাজত এনে কিছুমান পুৰণি নগৰ আৰু গড়ৰ ভগ্নাৱশেষ আজিও আছে। সেইবোৰ দেখিলেই নিশ্চয় অনুভৱ কৰিব পাৰি যে বহু কালৰ পূৰ্বে এই ঠাই এখন পুৰণি সভ্যতাৰ লীলাভূমি আছিল। হৰিশিঙ্গা মৌজাৰ 'পলিটিকেল এৰিয়া'ৰ হাবিৰ ভিতৰত থকা ভগ্নাৱশেষ উল্লেখযোগ্য। তাত প্ৰায় ১৬০ বিঘামান মাটি জুৰি এটা ১২´।১৩´ ফুটমান ওখ প্ৰকাণ্ড গড়ৰ ভিতৰত এই নগৰৰ ভগ্নাৱশেষ।

**ৰজাগড়**

গড়ৰ দুৱাৰ মুখত ১২´।১৩´ ফুটমান ওখ শিলৰ স্তম্ভ আছে। গড়টোৰ দুৱাৰ চাৰিখন। এই স্তম্ভাদি দেখিলে অনুমান কৰিব পাৰি যে ই বহু শ বছৰৰ পূৰ্বেই নিৰ্মিত। বনৰীয়া হাতী চিকাৰীবিলাকে এই গড়ক 'ৰজাগড়' বুলি কয়।

**মহামুনি মন্দিৰ**

ওৱাং মৌজাৰ ভিতৰত মাজবাট ষ্টেছনৰপৰা কিছু দূৰত এটি মন্দিৰ আছে। এই মন্দিৰক মহামুনি মন্দিৰ বুলি কয়। ভগৱান বুদ্ধদেৱক পিচৰ কালত মহামুনি বুলি কৈছিল। এই মহামুনি মন্দিৰত এতিয়াও ভুটীয়া-বিলাকে বছৰে বছৰে পূজা-সেৱা কৰেহি। ইয়াৰপৰা অনুমান হয়, এই মহামুনি মন্দিৰক কেন্দ্ৰ কৰি বৌদ্ধ ধৰ্ম প্ৰচাৰৰ কালত ভোটান আৰু ভোটৰ পাহাৰৰ নামনি অঞ্চলত বৌদ্ধ ধৰ্ম প্ৰচাৰ কৰা হৈছিল। এই অঞ্চলৰ হিন্দুসকলে এই মন্দিৰক 'ৰাম গোঁসাইৰ থান' বুলি কয়।

---

* কুৰুৱা পৰ্বতৰ নাম ক্ৰৌঞ্চ পৰ্বত আছিল বুলি উল্লেখ আছে।
(কামৰূপ বুৰঞ্জী)

**হয়গ্ৰীৱ মন্দিৰ**

হৰিশিঙ্গা মৌজাত মাজুলী চাহ বাগিচাৰ ওচৰত হয়গ্ৰীৱ মন্দিৰ বুলি কোৱা অতি পুৰণি মন্দিৰ এটি আছে। অসমৰ অন্যতম প্ৰত্নতাত্ত্বিক শ্ৰীপ্ৰতাপচন্দ্ৰ গোস্বামীদেৱে ৫ম বছৰ 'আৱাহন'ৰ ১১ শ সংখ্যাত এই মন্দিৰ সম্বন্ধে লিখিছে, "হাজোৰ হয়গ্ৰীৱ মন্দিৰ নিৰ্মাণ হোৱাৰ বহু কালৰ পূৰ্বে এই মন্দিৰ নিৰ্মিত হৈছিল।"

**আনুমানিক বৌদ্ধ মন্দিৰ**

'হয়গ্ৰীৱ মন্দিৰ' নামটো তেখেতে জনশ্ৰুতিৰ ওপৰত নিৰ্ভৰ কৰি লিখাই অনুমান হয়। তদুপৰি হাজোৰ হয়গ্ৰীৱ মন্দিৰৰ গঠনাদিৰ ওপৰত তেখেতে কিছু নিৰ্ভৰশীল হৈ মন্দিৰৰ নাম উল্লেখ কৰা বুলিয়ো ক'ব পাৰি। যিয়ে হওক এই মন্দিৰ যে বৌদ্ধ যুগত নিৰ্মিত, ই নিশ্চিত। হাজোৰ হয়গ্ৰীৱ মন্দিৰো ভূটীয়া বৌদ্ধসকলে বৌদ্ধধৰ্মৰ পবিত্ৰ স্থান বুলি প্ৰতি বছৰে তাত পূজা-সেৱা কৰেহি। এই মন্দিৰৰ লগত কপিলবাস্তুৰ নিবিড় সম্বন্ধ থকা অনুমান হয়। এই মন্দিৰে অতীজক এই অঞ্চলত বৌদ্ধ ধৰ্ম প্ৰচাৰৰ এটি নিদৰ্শন প্ৰদান কৰে।

**মঠাঝাৰ**

ছিপাঝাৰ মৌজাত মঠাঝাৰ নামে এখন গাওঁ আছে। এই গাৱঁত এটা মঠৰ ভগ্নাৱশেষ আছে। এই মঠ কেতিয়া কোনে কি উদ্দেশ্যে নিৰ্মাণ কৰিছিল জনা নেযায়। এই মঠ থকাৰ বাবেই এই গাৱঁৰ নাম মঠাঝাৰ হয়। অনুমান এই মঠো বৌদ্ধ যুগৰ সময়তে নিৰ্মাণ কৰা হৈছিল। ইং ১৮৯৭ চনৰো পূৰ্বৰ ভূমিকম্পত এই মন্দিৰ নষ্ট হৈছে বুলি জনশ্ৰুতি আছে। সম্প্ৰতি গাৱঁৰ লোকসকলে তাত এটি মন্দিৰ কৰি পূজা-সেৱা কৰিছে।

**শিলৰ গোসাঁই ঘৰ**

ছিপাঝাৰ মৌজাৰ নাৰিকলি গাৱঁত উত্তৰ গুৱাহাটীলৈ যোৱা ৰাজ আলিৰ কাষত এটি শিলৰ দ্বাৰা নিৰ্মিত মঠ আছিল। অতীজৰ প্ৰবল ভূমিকম্পত মঠ ধ্বংস হৈ গৈছে। কেতিয়াৰ ভূমিকম্পত নষ্ট হৈছে গাৱঁৰ বুঢ়ালোকেও নেজানে। শিলৰ ঘৰ মঠ ধ্বংস হোৱাৰ পিচত সেই ঠাইৰ অধিবাসীসকলে সেই ভগা মঠৰ শিলবিলাক বেৰৰ নিচিনাকৈ দি তাত পূজা-সেৱা চলাই আছিল। এতিয়া গাৱঁৰ ৰাইজে

তাত এটি পূজা মন্দিৰ নির্মাণ কৰিছে। শিলবিলাকৰ বহুখিনি ওচৰৰ পুখুৰীত বাগৰি পৰাত এতিয়া তাক নদীৰ বালিয়ে পুতি পেলালে। তাত পৰি থকা শিলবিলাকৰ কাৰুকার্য দেখিলে বহুত প্ৰাচীন বুলি অনুমান হয়।

**দেৱাল খণ্ড**

ওবাং মৌজাৰ মাজবাট ষ্টেছ্ৰপৰা প্ৰায় ডেৰ-দুইমাইল দক্ষিণ-পূবে ৰেলৰ আলিৰপৰা অলপ দূৰত দেৱাল খণ্ড নামে এটি মন্দিৰ আছে। এই মন্দিৰ মাটি খান্দোতে আৱিষ্কাৰ হোৱা বুলি শুনা যায়। এই মন্দিৰ যে বহু কালৰ পূর্বে কোনো প্ৰাকৃতিক দুৰ্যোগত মাটিৰ তলত পোত গৈছিল, ই নিশ্চয়। এই মন্দিৰৰ কাৰুকার্য দেখিলে অনুমান কৰিব পাৰি—ই বহুদিনৰ পূর্বে নির্মিত হৈছিল।

**বৌদ্ধ মন্দিৰ হিন্দু মন্দিৰত পৰিণত**

অতীজৰ দৰং ৰাজ্যখন ভোটৰ পাহাৰৰ নামনিত থকা সমতল ভূমি। বৌদ্ধ যুগত এই সমতল ক্ষেত্ৰ দৰং ৰাজ্য কেন্দ্ৰ কৰি উত্তৰে ভোট আৰু পূবে ব্ৰহ্ম-শ্যাম দেশ পর্যন্ত বৌদ্ধ ধর্ম প্ৰচাৰ হৈছিল। এই বাবে ভোটৰ পাহাৰৰ দাঁতিকাষৰীয়া ঠাইসমূহত মঠ-মন্দিৰ প্ৰতিষ্ঠা কৰি বৌদ্ধ ধর্ম প্ৰচাৰৰ সুবিধা কৰিছিল। হয়গ্ৰীৱ মন্দিৰ, মহামুনি মন্দিৰ আদি নামে তাৰেই সাক্ষী দিয়ে। কালত যেতিয়া বৌদ্ধ ধর্ম লোপ পোৱাৰ উপক্ৰম হৈছিল, তেতিয়া সেই মন্দিৰবিলাকৰ বহুততে সেই ঠাইৰ হিন্দু ভূপতিসকলে তাক হিন্দু দেৱ-দেৱীৰ মন্দিৰত পৰিণত কৰে। এই মন্দিৰ-বিলাকৰ বহুততে শিৱলিঙ্গ বিগ্ৰহ দেখা যায়। কিন্তু কোনো কোনো থানক কামাখ্যা থান, কেচাই খাইতী থান আদিও বোলে। যেতিয়া এই ঠাইবোৰত তান্ত্ৰিক ভাবৰ প্ৰাধান্য আছিল, তেতিয়া এই থানবিলাকত সেই দেৱ-দেৱীৰ পূজা হৈছিল। আজিকালি সেই থানবিলাকত দেৱী পূজা আৰু বিষ্ণু পূজা কৰে।

কুকুৰাকটা দেৱালয়খন মঙ্গলদৈ মহকুমাৰ টংলা-খৈৰাবাৰী ৰেল লাইনৰ ওচৰত। এই দেৱালয়ৰ নাম অনুসৰি সেই এলেকাটোৰ নাম

কুকুৰাকটা হয়। এই দেৱালয়খনিৰ ওচৰৰ ঠাই বৰ্তমান আওহতীয়া অৱস্থাত আছে। দেৱালয়ৰ পূৰণি মঠ-মন্দিৰ আদি প্ৰাকৃতিক দুৰ্যোগত ধ্বংস হৈছে। মাথোন দেৱালয়ৰ চাৰিওফালৰ পকী দেৱালয়ৰ ভগ্নাৱশেষ পূৰ্বৰ স্মৃতিৰ সাক্ষী দি আছে। সম্প্ৰতি সেই ভগ্নাৱশেষময় স্থানত প্ৰতি বছৰে সাধাৰণভাৱে দুৰ্গাপূজা হৈ থাকে।

**কুকুৰা কটা**

এই কুকুৰাকটা দেৱালয় সম্বন্ধে মঙ্গলদৈত এটি আখ্যান প্ৰচলিত আছে। পৰাক্ৰমী নৰকাসুৰ এদিন নীলাচললৈ যাওঁতে কামাখ্যা দেৱীৰ বিশ্ববিমোহিনী ৰূপ দেখা পালে। ভোগাসক্ত পৰাক্ৰমী ৰজা নৰকাসুৰে মহামায়া কামাখ্যাৰ অপৰূপ ৰূপ-লাৱণ্য দেখি একেবাৰে মোহিত হ'ল। শেষত চিন্তাত অধীৰ হৈ কামাখ্যা দেৱীৰ ওচৰত বিয়াৰ প্ৰস্তাৱ কৰিলে। মহামায়া কামাখ্যাই দুৰন্ত নৰকৰ গহিত প্ৰস্তাৱ শুনি প্ৰমাদ গণিলে। শেষত নিৰুপায় হৈ নৰকলৈ সম্বিধান দিলে যে যদি নৰকে এৰাতিৰ ভিতৰতে ব্ৰহ্মপুত্ৰৰ ওপৰেদি তেওঁৰ স্থান নীলাচলৰপৰা কৈলাসলৈ যাব পৰাকৈ এখন শিলৰ সাঁকো দিব পাৰে, তেন্তে তেওঁ নৰকৰ পত্নী হ'ব।

দেৱী কামাখ্যাৰ সম্বিধান শুনি নৰক পৰম আনন্দিত হ'ল। মহা সমাৰোহেৰে সেই দিনা সন্ধ্যাৰপৰা সাঁকো সজা কাম আৰম্ভ কৰিলে। নৰক তাত নিজে উতস্থিত থাকি শিল্পীসকলক পৰিচালনা কৰিবলৈ ধৰিলে। দেৱী কামাখ্যাই দেখিলে যে ৰাতিৰ ভিতৰতে সাঁকোৰ কাম সম্পূৰ্ণ শেষ কৰিবলৈ নৰক সমৰ্থ হ'ব। দেৱীয়ে ভাবি-চিন্তি নৰকৰ কামত বিঘিনি ঘটাবলৈ তেওঁৰ সহচৰী ভৈৰৱী এগৰাকীক পঠিয়াই দিলে। ভৈৰৱীয়ে গৈ কুকুৰা ৰূপ ধৰি ৰাতি নৌ পুৱাওঁতেই নৰকৰ আগত কুকুৰাৰ মাতেৰে চিঞৰি ৰাতি পুৱাৰ নিদৰ্শন দিলে। কুকুৰাৰ আচৰণ দেখি নৰকৰ বৰ খং উঠিল আৰু কুকুৰাক কাটিবলৈ খেদা ল'লে। নৰকৰ আগে আগে চিঞৰি চিঞৰি কুকুৰা উৰি উৰি যাবলৈ ধৰিলে। নৰক কুকুৰাৰ মায়াত ভোল গ'ল। শেষত উৰোঁতে উৰোঁতে কুকুৰাবো ভাগৰ লাগিল। ইফালে ৰাতিও পুৱাল। উষা কাল প্ৰায় পাৰ হৈ দিনে দেখা দিলে। এনেতে বৰ্তমান য'ত কুকুৰা কটা দেৱালয় আছে তাতে নৰকে কুকুৰাটো কাটি খণ্ড-

বিখণ্ড কৰিলে। নৰকে কুকুৰাৰ মায়াত পৰি নিজৰ প্ৰতিজ্ঞা ৰক্ষা কৰিব নোৱাৰা বাবে লজ্জিত হৈ দেৱী কামাখ্যাৰ ওচৰত ক্ষমা ভিক্ষা কৰি ক'লে, "আই কামাখ্যা। আপুনি মহামায়া। মই আপোনাৰ মায়া বুজিব নোৱাৰি মোহিত হৈ অন্যায় প্ৰস্তাৱ কৰিছিলোঁ। মোক ক্ষমা কৰক।"

দেৱী তুষ্ট হৈ নৰকৰদ্বাৰা সেই কুকুৰা কটা যোৱা ঠাইতে এটি মন্দিৰ নিৰ্মাণ কৰি তাতে তেওঁৰ (কামাখ্যাৰ) পূজা কৰিবলৈ আদেশ দি নৰকক ক্ষমা কৰিলে। দেৱীৰ আদেশ মতে নৰকে সেই ঠাইত এটি মন্দিৰ কৰি দেৱী কামাখ্যাৰ পূজা কৰিলে। তেতিয়াৰপৰা এই 'কুকুৰা কটা' দেৱালয় হয়। তেতিয়াৰপৰাই তাত দেৱীৰ পূজা-সেৱা চলি আহিছে বুলি কয়। নৰকাসুৰে তৈয়াৰ কৰা মন্দিৰৰ অৱস্থা বেয়া হোৱাত পিচত কোঁচ ৰজাই তাক সংস্কাৰ কৰি দেৱোত্তৰ ভূমি দান দি দেৱীৰ পূজা-সেৱা চলিবলৈ সুবিধা কৰি দিছিল।

**মূৰা দেওৰ দেৱালয়**

কলাই গাৱঁৰপৰা ৪ মাইল পূবে মূৰা দেৱৰ দেৱালয়। এই মূৰাদেৱৰ দেৱালয় সম্বন্ধে এটি প্ৰবাদ চলি আছে —

কোঁচ ৰজা নৰনাৰায়ণ আৰু যুৱৰাজ চিলাৰায়ৰ দিনত কেন্দুকলাই নামে এজন পূজাৰী ব্ৰাহ্মণ আছিল। তেওঁৰ জন্মস্থান আছিল কলাই গাওঁ। তেওঁ পূজাৰ মন্ত্ৰাদিত সিদ্ধিলাভ কৰাৰ উপৰিও সঙ্গীত আৰু নৃত্যত অতি পাৰ্গত আছিল। কেন্দুকলায়ে পূজা কৰিলে দেৱীয়ে দৰ্শন দিছিল আৰু পূজাত তুষ্ট হৈ আনন্দত নৃত্য কৰিছিল। যেতিয়া দেৱীয়ে নৃত্য কৰে তেতিয়া কলায়ে চাপৰি বজায় আৰু দেৱীয়ে আনন্দত অধীৰ হৈ নৃত্য কৰে। এই নৃত্য কলাইত বাদে আনে চোৱা নিষিদ্ধ আছিল। আন কি এই কথা আনৰ আগত প্ৰকাশ কৰিবলৈ দেৱীয়ে কলাইক হাক দিছিল।

কেন্দুকলায়ে ৰজাৰ প্ৰসংশাৰ লোভ সামৰিব নোৱাৰি এদিন এই দেৱী-নৃত্যৰ ৰহস্য মহাৰাজ নৰনাৰায়ণৰ আগত প্ৰকাশ কৰিলে। মহাৰাজ নৰনাৰায়ণৰ তেওঁৰ ইষ্টদেৱী মহামায়া কামাখ্যাক দৰ্শন কৰিবলৈ আৰু দেৱীৰ নৃত্য দৰ্শন কৰি তৃপ্তি লভিবলৈ বৰ আকাংক্ষা জন্মিল। ৰজাই পুৰোহিত কলাইক

ৰৰকৈ অনুৰোধ জনালে। ৰজাৰ কথা মতে দেৱীৰ নৃত্য দেখুৱাবলৈ কলাই সন্মত হ'ল।

এদিন কলায়ে ৰজাক মন্দিৰৰ এঠাইত লুকুৱাই থৈ পূজা আৰম্ভ কৰিলে। দেবীয়ে আন দিনাৰ দৰে দৰ্শন দিলে আৰু কলাইৰ মুদ্ৰাত মোহিত হৈ নৃত্য আৰম্ভ কৰিলে। সৰ্বজ্ঞ দেৱীয়ে অজ্ঞাতে থকা নৰনাৰায়ণ ৰজাক দেখা পালে। দেৱীৰ আদেশ উলংঘা কৰা বাবে দেৱীৰ খং উঠিল আৰু কেন্দুকলাইক চৰ মাৰি দিলে। একে চৰে কেন্দুকলাইৰ মূৰটো ছিগি তেওঁৰ জন্মস্থানত (কলাই গাৱঁত) য'ত বৰ্তমান মূৰা দেওৰ দেৱালয় আছে, তাত পৰিলগৈ। নৰনাৰাযণকো শাপিলে, "আজিৰপৰা তোমাৰ বংশৰ কোনেও কামাখ্যা দৰ্শন কৰিব নোৱাৰিব। কৰিলে মুণ্ডচ্ছেদ হ'ব আৰু পৃথিবীত বংশ নেথাকিব।" এই জনপ্ৰবাদ পুৰুষ-পৰম্পৰাই চলি আহিছে। সেই বাবে নৰনাৰায়ণ-চিলাৰায়ৰ বংশধৰসকলে এতিয়াও কামাখ্যা মন্দিৰ দৰ্শন কৰিবলৈ নেযায়।

নৰনাৰাযণ মহাৰাজে তেওঁৰ পুৰোহিত কেন্দুকলাইৰ নাম স্মৰণীয় কৰাৰ উদ্দেশ্যে কলাইৰ মূৰ পৰা ঠাইত এটি মন্দিৰ সাজি দেৱোত্তৰকৈ বহুত মাটি-বাৰী দান কৰিলে। কলাইৰ মূৰ পৰা বাবে সেই মন্দিৰৰ নাম 'মূৰা দেওৰ' হয়। সেই কেন্দুকলাইৰ নাম মতে সেই ঠাইৰ নাম কলাই গাওঁ হয়। মঙ্গলদৈৰ ব্যাস কলাইৰ বংশধৰসকলে নিজকে কেন্দুকলাইৰ বংশধৰ বুলি পৰিচয় দিয়ে। এই কেন্দুকলাইৰ আখ্যানৰ গীত এটি মঙ্গলদৈ আৰু অসমৰো কোনো কোনো ঠাইত চলি আহিছে। তাৰ ভণিতাটো বেলেগ হ'লেও মূল কথাটো একে। মঙ্গলদৈত এই গীতটি আই-নাম গাওঁতে তিৰোতাসকলে গায়। বিশ্বাস, এই গীতটি গালে দেৱী তুষ্ট হয়।

গীতটি যথা—

দিহা : নাৰায়ণ হৰি গোবিন্দাই ৰাম জয়।

পদ : কেন্দু কলাই পূজা দিলে
গোঁসানীয়ে নাচে জয়—গোবিন্দাই ৰাম..
বহুদিন ধৰি আই নাচোন দেখা নাই মই।
ৰজাৰ বচনে কলা নাচোনকে দেখাম মই॥

কেন্দুকলাই বোলে আই
নাচোনকে দিয়া মাই ।
সত্যে সত্যে বোলো বাচা
নাচোনকে দেখাম মই ॥

নাজানে দেৱে আৰু নাজানে মনুষ্যে জয় ।
এহি বুলি ভগৱতী মন্দিৰ ভিতৰে জয় ॥
অঙ্গী ভঙ্গী কৰি আই নাচোন পাতিলা জয় ।
নাচি নাচি গোসাঁনী ৰজাক দেখিলা জয় ॥
কিয় ভাণ্ডাহে কেন্দুকলাই মৰি যা পুতাই তই ॥
এই বুলি গোসাঁনীযে মাৰিলেক চৰ জয় ।
একে চৰে কেন্দুকলাইৰ ছিঙিলেক মুণ্ড জয় ॥
মৰি যা পুতাই তই জনম সুঁৱৰি জয় ।

*   *   *   *

বৰ্তমান অম্বাগাঁও মৌজাৰ ভিতৰত থকা কুণ্ডৰ বিল নামৰ চাহ বাগিচাৰ দক্ষিণে কিছু দূৰৈত সতী বেউলা দেৱীৰ পিতৃ শাহেই ৰজাৰ নগৰ আছিল । এই নগৰ থকা ঠাইডোখৰ এতিয়া হাবি-বননিৰে পূৰ্ণ (ইং১৯৩২) । শুনা যায়, সেই ঠাইত বহুত খোদিত মূৰ্তিযুক্ত শিল আছিল । সেই শিলবিলাকৰ কিছুমান ওচৰতে থকা কুণ্ডৰ বিল চাহবাগিচাৰ কৰ্তাসকলে নি বাগিচাৰ কামত ব্যৱহাৰ কৰিলে । বাকী কিছু অনন্ত কালৰূপৰা বৈ থকা কল্যাণী বা কালিন্দ্ৰী নদীৰ বালিয়ে পুতি চিন-চাব নোহোৱা কৰি পেলালে । ইং ১৯৫২-৫৩ চনত যেতিয়া পানীমুদী অঞ্চলত আদৰ্শ গাঁও প্ৰতিষ্ঠাৰ কল্পনা লৈ ট্ৰেক্টৰেৰে মাটি ভাঙে সেই সময়ত মাটিৰ তলত পোত গৈ থকা ইটা আৰু শিলৰ বাবে ট্ৰেক্টৰ অচল হোৱা অৱস্থা হৈছিল । এই ঠাইতেই উজনিৰ প্ৰসিদ্ধ নগৰ 'ডুবি' প্ৰতিষ্ঠিত ।

**শাহেই ৰাজাৰ নগৰ**

উপৰোক্ত কল্যাণী বা কালিন্দ্ৰী নদীৰ প্ৰবল সোঁতত শালস্তম্ভৰ ডুবি-তাম্ৰ-শাসনখনি উটি গৈ নগাৱঁত ওলোৱাটো একো অসম্ভৱ নহয় । নগৰৰ ভিতৰত নটি নিৰ্মলসলিলা প্ৰস্ৰৱণ আছিল । তাৰ ছয়টিত ভূটীয়াবিলাকে গৰুৰ মাংস ধোৱাত বন্ধ হয় । বাকী তিনিটি এতিয়াও আছে (ইং ১৯৩২) ।

উজনি নগৰৰ ৰজা শাহেই বণিক বংশ সম্ভূত আছিল বুলি পদ্ম পুৰাণৰ অসমীয়া অনুবাদক কবি সুকবি নাৰায়ণদেৱে উক্তি কৰিছে। আমি য'ত শাহেই ৰজাৰ নগৰ বুলি কৈছোঁ, তাৰ অলপ দূৰত উত্তৰফালে কস্তুৰী, ম'ৰাচৰাই, চোঁৰৰ, চন্দন, ভেৰা আদি পাৰ্বত্য সমৃদ্ধি উৎপন্ন হোৱা পৰ্বতৰাজি। এই পাৰ্বত্য সমৃদ্ধিৰ সেই বাণিজ্য ঠাই ধনী মানুহৰ হাতত এতিয়ালৈকে আছিল।

**শাহেই ৰজা**

পদ্মপুৰাণোক্ত চান্দ সদাগৰলৈ চালে দেখা যায়, চান্দই বাণিজ্য আৰু ৰাজ্য-শাসন দুয়োটা কৰিছিল। সেইদৰে শাহেয়ো বাণিজ্য আৰু ৰাজ্যশাসন দুয়োটা কৰিছিল। এই কাৰণে শাহেইকো ৰজা বোলা হৈছিল। সম্ভৱতঃ এই পাৰ্বত্য সমৃদ্ধিৰ বাণিজ্য শাহেয়ে নিজৰ হাতত ৰাখিছিল। চান্দ আছিল জল-বণিক আৰু শাহেই আছিল স্থল-বণিক। এনে স্থলত এই পাৰ্বত্য সমৃদ্ধিজাত ৰাজ্যাধিপতি স্থল-বণিক শাহেইৰ লগত বাণিজ্যৰ ছেগ বুজা জল-বণিক চান্দ সদাগৰে মিত্ৰতা সূত্ৰত আবদ্ধ হৈ বাণিজ্যৰ উন্নতি কৰিবলৈ বিচৰাটো যে খুব সম্ভৱ, ই নিশ্চয়। তদুপৰি সুকবি নাৰায়ণদেৱে উক্তি কৰিছে যে পদ্মাৰ লগত যেতিয়া চান্দৰ বিবাদ হয়, তেতিয়া পদ্মাই সহজে ডুবাই দিব নোৱাৰা ডিঙ্গা কাটিবৰ কাৰণে এইপিনে অদ্ভুত পাহাৰলৈ আহে আৰু অদ্ভুত পৰ্বতত বিৰাট আকাৰৰ 'মন পবন' নামে বৃক্ষ কাটি পৰ্বতৰ নামনিৰ কালীদহ হ্ৰদত পেলায়।

"তেৰ তাল পানী আছে
কালী হ্ৰদৰ জল।
চৌদ্ধ তাল গঢ়িলেক
ডিঙ্গা মধুকৰ ॥"

উপৰোক্ত কালীহ্ৰদ শাহেই ৰজাৰ নগৰৰ ওচৰতে আছিল। লখিন্দাৰৰ বিয়াৰ সময়ত কালী হ্ৰদৰ পাৰত যে শাহেইৰ নগৰ আছিল, তাৰ পৰিচয় দিয়া হ'ব। কালী হ্ৰদৰপৰাই কালিন্দ্ৰী নদী ওলাইছিল। শাহেই ৰজাৰ নগৰৰ নাম আছিল উজনি নগৰ। উজ্জয়িনী নহয় উজনিহে। এতিয়াও মঙ্গলদৈ মহকুমাৰ দক্ষিণাঞ্চলৰ মানুহে অৰাগাঁও হৰিশিঙ্গা আদি মৌজাৰ

অঞ্চলক উজনি বোলে। উজনি বুলিলে মঙ্গলদৈৰ মানুহে সেই অঞ্চলকহে বুজে, পছিমৰ উজ্জয়িনীক নুবুজে। নাৰায়ণদেৱেও পদ্ম পুৰাণত শাহেইৰ নগৰৰ নাম উজনি বা উজেনি বুলি লিখিছে। যথা—

উজ্জয়িনী নহয় উজনিহে

"চলে চান্দ সদাগৰ উজনি নগৰ।
উত্তৰিয়া যায় সাধু বণিয়াৰ ঘৰ॥
কতদূৰে চলি গৈলা ৰাজা চন্দ্ৰধৰ।
সন্মুখে দেখিলা গই তীৰ্থ মুক্তেশ্বৰ॥
পূব পাৰে বসিলেক ৰাজা চন্দ্ৰধৰ।
পছিম পাৰে বেউলাই কৰে ব্যৱহাৰ॥"

মুক্তেশ্বৰ

এই মুক্তেশ্বৰ তীৰ্থ শাহেইৰ নগৰৰ চিন থকা ঠাইৰ ওচৰতে এতিয়াও আছে। এই উজনি নগৰ মঙ্গলদৈ মহকুমাৰ অম্বাগাওঁ মৌজাৰ ওদলা গাৱঁৰ ওচৰত।

বেউলা দেৱী শাহেইৰ কন্যা। চান্দ সদাগৰো বণিয়া জাতিৰ আছিল। নাৰায়ণদেৱে উক্তি কৰিছে যে বেউলাই লখিন্দাৰৰ আগত কৈছিল :

চান্দ শাহেই উভয়ে বণিয়া জাতিৰ

"মোক জন্ম দিলা প্ৰভু শাহেই বণিয়া ঘৰে।
তোমাক জন্ম দিলা প্ৰভু সোণাইৰ উদৰে॥
দুয়োজনৰ হৈলা জন্ম জাতিস্মৰ * হৈয়া।
শাহেই চান্দ দুয়ো মিলি কৰিলেক বিয়া॥"

চান্দ আৰু শাহেই উভয়ে বণিয়া আছিল : তেওঁলোক বাণিজ্যত বৰ পটু আছিল। এই বাবে এই দুয়ো ৰাজ্যপালক সেই সেই ঠাইৰ মানুহে বণিয়া বুলি উল্লেখ কৰিছে। দৰাচলতে ধনতোলা বৰিৰ চাৰিওফালে শাহেই ৰজাৰ বাণিজ্যৰ নাও বন্ধা খুটি আৰু বয়-বস্তু জমা কৰি থোৱা ভঁৰালৰ আহিলা দেখিলে উক্ত কথাৰ সত্যতাৰ প্ৰমাণ পোৱা যায়।

আকৌ বাসৰ ৰাতি দুয়ো মেৰ-ঘৰৰ ভিতৰত শোওঁতে বেউলাই লখিন্দাৰক কৈছিল,

* পূৰ্বজন্মৰ কথা মনত থকা।

"শুন বাঁপু বণিয়াৰ সুত।
তোমাক লাগি পঠাই আছে পদ্মাই কালদূত ॥"

ইয়াৰপৰা প্ৰমাণ হয় যে তেওঁলোক দুয়োজন বণিয়া জাতিৰ লোক আছিল।

**বণিয়াপাৰা**

অম্বা গাওঁ মৌজাৰ ভিতৰত এই ঠাইৰপৰা কিছু দূৰত বণিয়াপাৰা নামে এখন গাওঁ আছে। এই গাৱঁৰ নামৰপৰা অনুমান কৰিব পাৰি যে এই গাৱঁত এসময়ত বহুসংখ্যক বণিয়া জাতিৰ লোকে বাস কৰিছিল।

**বেউলাৰ বিয়াখলা**

এই নগৰৰ ঠাইৰপৰা দক্ষিণ ফালে অলপ আঁতৰত এডুখৰি ঠাই আছে, তাৰ নাম সেই ঠাইৰ স্থানীয় মানুহে বেউলাৰ বিয়াখলা বুলি কয়। বেউলাৰ বিয়াখলা বুলি কোৱা চাৰিও-ফালৰ মাটিত তাৰ ওচৰৰ নব্য খৃষ্টান কছাৰী জাতিৰ পুৰণি অধিবাসীসকলে খেতি কৰে। কিন্তু বিয়াখলা বোলা ঠাইডোখৰত আজিলৈয়ো খেতি-বাতি একো নকৰি পেলাই থৈছে (১৯৩২ খৃঃ)। তেওঁলোকৰ বিশ্বাস, সেই বিয়াখলাৰ মাটি আবাদ কৰিলে মানুহৰ বেমাৰ হয়। সেই বিয়াখলা বোলা ঠাইডোখৰত চিকাৰীয়ে পহু চিকাৰো নকৰে। খেৰ খৰি আহৰণকাৰী লোকসকলে কয়, বিয়াখলা নামে ঠাইত ন কুৰি ন-যোৰা শিলৰ উধান শাৰী শাৰীকৈ পতা আছে। সেইবোৰ বেউলাৰ বিয়াৰ ব্ৰহ্ম-ভোজনৰ উধান বুলি কয়।

**চিৰা গছ**

সেই বিয়াখলাৰ ভিতৰত থকা অনেক সৰু-বৰ গছৰ ভিতৰত আৰু এবিধ সৰু সৰু গছ আছে। তাৰ গুটিবিলাক চেপেটা চেপেটা; অবিকল চিৰাটো যেন দেখি। এই কাৰণে সেই গছৰ নাম সেই ঠাইৰ মানুহে 'চিৰা গছ' বোলে। সেই ঠাইৰ মানুহে কয় যে সেই চিৰা গছ বেউলাৰ বিয়াত খোৱা চিৰাৰপৰা জন্মিছে। স্থানীয় লোকৰ অন্তৰত থকা বিশ্বাসটো এই গছৰ নামৰ জৰীয়তেও প্ৰকট হৈছে। অৰ্থাৎ সেই ঠাইত

**বেউলাৰ জন্ম-স্থানৰ ওপৰত জন্মা বিশ্বাস।**

যি এটি সুকীয়া বস্তু আছে, সেই সকলো বেউলাৰ স্মৃতিৰ লগত জৰিত বুলি তেওঁলোকে ভাবে। আন ঠাইতো তেনে গছ থাকিব পাৰে; কিন্তু সেই গছক

আন ঠাইৰ মানুহে সেই নাম নিদিয়ে। দিলেও তাৰ সম্বন্ধ বেউলাৰ বিয়াৰ লগত নপকাই ।

**মুক্তেশ্বৰ**

বিয়াখলাৰপৰা প্ৰায় আধা মাইল আঁতৰত নগৰ আৰু বিয়াখলাৰ মাজতে এখনি দেৱালয় আছে। তাৰ নাম মুক্তেশ্বৰ। প্ৰবাদ আছে যে এই দেৱালয়ৰ মন্দিৰ এসময়ত শিলৰ আছিল। অতীজৰ প্ৰবল ভূমিকম্পত সি ধ্বংস হৈছে। তাৰ নিচেই ওচৰেদি বৈ থকা কালিন্দ্ৰী নদীৰ বালিয়ে সেই শিলবিলাক পুতি পেলাইছে। এই দেৱালয়ৰপৰা ওচৰৰ নদী কালিন্দ্ৰীলৈ উঠা-নমা কৰা কিছুমান ঘাট আছে (১৯৩২ খৃঃ)। সেইবিলাক ঘাটক মুক্তেশ্বৰ ঘাট বুলি সেই ঠাইৰ লোকে কয়। সুকবি নাৰায়ণদেৱে বৰ্ণনা দিছে যে এই মুক্তেশ্বৰ ঘাটতে সতী বেউলাক ৺দেৱী পদ্মাৱতীয়ে বিধবা ব্ৰাহ্মণী বেশেৰে শাপ দিছিল। এই মুক্তেশ্বৰ দেৱালয়ৰ ওচৰৰ হিন্দু লোকে এই দেৱালয়ত ৫।৭ দিনীয়াকৈ পদ্মা পূজা কৰে। তাত সম্প্ৰতি ৰাইজে সজা মন্দিৰৰ ভিতৰত ভীষণ পটী (বলিকটা বিৰাট দা) আৰু অন্যান্য পুৰণিকলীয়া পূজাৰ সামগ্ৰীৰ লগতে মঙ্গলদৈৰ অতি পুৰণিকলীয়া মূৰ্তি 'জাপৰী গোসাঁই'ৰ প্ৰতিকৃতি আছে ।

**চান্দোৰ ডিঙ্গা ঘাট**

মুক্তেশ্বৰ দেৱালয়ৰপৰা ১০০।১৫০ টাৰমান আঁতৰত ২০।২৫ টাৰ আঁতৰা-আঁতৰিকৈ সেই কল্যাণী বা কালিন্দ্ৰী নদীৰপৰা ওপৰলৈ উঠা-নমা কৰা ঘাট কিছুমান আছে। (ইং ১৯৩২) সেইবিলাক চান্দ সদাগৰৰ ডিঙ্গা বন্ধা ঘাট বুলি তাৰ মানুহে কয়।

**তুঁহৰ বৰি**

বিয়াখলাৰ ওচৰতে এডোখৰ ওখ ঠাই আছে। সেই ঠাইৰ লোকে সেই ঠাই ডোখৰক তুঁহৰ বৰি বুলি কয়। তেওঁলোকে কয়, বেউলাৰ বিয়াত বনা ধানৰ তুঁহ এই ঠাইত দমাই থৈছিল। সেই দ'ম থকা ওখ ঠাইত খান্দিলে তাত তুঁহ-পতানৰ দৰে শুকান মাটিৰ নিচিনা পদাৰ্থ বাহিৰ হয়।

চান্দৰ ডিঙ্গা বন্ধা ঘাটৰপৰা কিছু দূৰৈত ৰাওঁণাগড় নামে এটা প্ৰকাণ্ড গড় আছে। এই গড়ে সতী বেউলাৰ জন্মস্থানৰ সাক্ষী দিব লাগিছে। সুকৱি নাৰায়ণদেৱে তেওঁৰ ভণিত পদ্ম পুৰাণত এই গড়ৰ কথা উল্লেখ কৰিছে। বিয়াৰ পিচ দিনা যেতিয়া চৌদোলাত উঠি চান্দ সদাগৰৰ পুত্ৰ দৰা লখিন্দাৰ, গৃহলৈ গমন কৰে, তেতিয়া বাটত বেউলাই এই গড়ৰ বিষয়ে লখিন্দাৰক সুধিছিল,

ৰাওঁণাগড়

"যাত্ৰা কৰি লখিন্দাৰ দেশে চলি যায়।
ৰাওঁণা গড়ৰ মধ্যে গৈয়া চৌদোল ৰখাই ॥
বুলিবে লাগিলা লখাইৰ গোচৰ।
এই খান হাটী বাটি কাহাৰ নগৰ।
তুমিতো নাজানা বালা বেউলা যে বালী।
এইটো ৰাওঁনা গড় তাক যাইবো ছাৰি ॥"

এই ৰাওঁনাগড় হুবহু আছে। উপৰোক্ত বিবৰণবিলাকৰপৰা নিশ্চয় প্ৰমাণ হয় যে সতী বেউলাৰ জন্ম স্থান আমি দেখুওৱা এই উজনি নগৰ, ই নিশ্চয়। তাত বাদেও কিছুমান ঠাই আৰু গাৱঁৰ নামে মঙ্গলদৈৰ উজনি নগৰতে যে সতী বেউলাৰ জন্মস্থান আছিল, মঙ্গলদৈৰ উজনি নগৰৰ-পৰাই যে সতী বেউলাক চম্পালিলৈ চান্দ সদাগৰৰ পুত্ৰ লখিন্দাৰলৈ বিয়া কৰাই নিছিল, তাৰ প্ৰমাণ দিয়ে। চম্পালি নগৰ বৰ্ত্তমান কামৰূপ জিলাৰ ছয়গাৱঁত। তাত চান্দৰ মেৰ-ঘৰৰ চিন আছে। সেই মেৰ-ঘৰৰ ভিতৰত পদ্মা দেৱীৰ প্ৰেৰিত কালী নাগে লখাইক দংশি মাৰিছিল। বেউলাই তাৰপৰা ভেলত তুলি লৈ গুঞ্জৰী সাগৰেদি উজাই আহি এই মঙ্গলদৈৰ ভিতৰেদিয়ে উজাই গৈ, গোধাৰ পাকত পৰি ত্ৰিবেণী ঘাটত নেতাক লগ ধৰি কৈলাসলৈ গৈ শিৱক তুষ্ট কৰি দেৱৰ পুৰীত গৈ মৃতপতি লখিন্দাৰক জীৱ দান দিয়াইছিল।

মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত ডাকুৱা, শিলপোতা, কলাইগাঁও, ডাঁহী, ৰয়নাকুছি, সৰাবাৰী, লোক্ৰাই আদি মৌজাৰ ভিতৰেদি বুৰঞ্জীয়ে চুকি নোপোৱা যুগৰপৰা বহুদিন ধৰি বৈ যোৱা এটা মৰা নদীৰ চিন আছে।

এই নদীৰ কোনো কোনো অংশ কোনো কোনো ঠাইত খেতিৰ পথাৰ হৈছে। কিছুমান ঠাইত মৰা নদীৰ দৰে দ নেজা হৈ চিন আছে। সেই ঠাইৰ লোকসকলে তাক 'না-ডিঙ্গা' বোলে , কোনো কোনো ঠাইত 'নাও-ডিঙ্গা'ও বোলে। এই নদী উত্তৰে থকা পাহাৰৰপৰা ওলাইছিল। বৰনদীৰ কিছু দূৰত দেখা যায় এটা মৰা নদীৰ সুঁতি নাও-ডিঙ্গা নামৰ মৰা সুঁতিৰফালে মুখ কৰি পুনৰ খেতিৰ পথাৰত পৰিণত হৈছে। এনে ঠাই কিছুমান পাতি-দৰং, দীপিলা, সৰাবাৰী মৌজাৰ ভিতৰত আছে। সেই নাও-ডিঙ্গা নদী কিছু দূৰত ননৈ নদীত মিলিছে। ননৈ নদী ঘাগৰাত, ঘাগৰা বৰনদীৰ লগত তিনি ফালৰপৰা তিনটি আহি একে ঠাইত মিলিছে। এই বৰনদী ব্ৰহ্মপুত্ৰত পৰিছে। য'ত ননৈ, ঘাগৰা, বৰনদী তিনিও মিলিছে তাক তিনি নদীৰ ঘাট, বা তিনি সুঁতিৰ মুখ বোলে। তিনি সুঁতিৰ মুখৰপৰা কিছু দূৰত এটা মৰাসোঁত আছে ; তাক সৰস্বতী জান বোলে।

এই ননৈ নদীৰপৰা বৰ্তমান কিছু দূৰত নেতাপাবা নামে এখন গাওঁ আছে। ইংৰাজৰ আমোলত তাৰ নাম 'নেতাপাৰা' কৰে।

ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে কামৰূপৰ অন্তৰ্গত ছয়গাৱঁৰ ওচৰত চৰকীয়া নামে ঠাইত চান্দৰ পুত্ৰ লখিন্দাৰৰ মেৰ-ঘৰ আছিল বুলি প্ৰমাণ আছে। সেই ছয়গাৱঁত (চম্পালি নগৰত) চান্দৰ প্ৰতিষ্টিত ৺চণ্ডী মন্দিৰত আজি-কালিও পূজা-সেঁৱা চলে। এই চৰকীয়াৰ মেৰ-ঘৰৰ ভিতৰতে বেউলা-লখিন্দাৰৰ বাসৰ ৰাতি কালীনাগে লখিন্দাৰক দংশি মাৰিছিল। তাৰপৰাই বেউলাই মৃত পতিক ভেলত তুলি কাঙ্কাৰী সাগৰেদি (কুকুৰমাৰা নামৰ নদী তেতিয়া ডাঙৰ গভীৰ সাগৰ সদৃশ আছিল , এই কাৰণে তাক কাঙ্কৰী সাগৰ বোলা হৈছিল।) আহি গুঞ্জৰী সাগৰত (ব্ৰহ্মপুত্ৰক গুঞ্জৰী সাগৰ বুলিছিল। বিশেষত কুৰুৱাৰ পূবফালে য'ত ব্ৰহ্মপুত্ৰৰ পানী পৰ্বতত ঠেকা খাইছেহি তাত পানীৰ চিঞৰ শুনিলে আতঙ্ক উপস্থিত হয়। পানীৰ চিঞৰ বা গোজৰণি থকাৰ বাবে গুঞ্জৰী সাগৰ বুলিছিল।) পৰি উজাই আহি শিৱৰ পুৰীলৈ (কৈলাসলৈ) যায়। কৈলাসত শিৱৰ আশ্ৰয়ত দেৱৰ পুৰীত গৈ নৃত্যৰ দ্বাৰা দেৱতাসকলক সন্তুষ্ট কৰি মৃত পতি লখিন্দাৰক জীয়ায়। নাওডিঙ্গা নামৰ নদীৰপৰা এইটো পোৱা যায় যে সেই সময়ত সেই নদীত নাও আৰু

ডিঙ্গা (ডাঙৰ পাল-নাও) দুয়ো বিধেই চলিছিল। সেইবাবে তেতিয়া সেই নদীক নাওডিঙ্গা নদী বুলিছিল। ডিঙ্গাৰে বাণিজ্য কৰা প্ৰথা সেই সময়ত আছিল। তাৰ আগতে ডিঙ্গাৰে বেপাৰ কৰা প্ৰথা থকা কোনো পৌৰাণিক কবিয়ে দিয়া দেখা নেযায়। এই বাবেই লোকসকলৰ চকুত এইটো নতুন যেন দেখিছিল আৰু সেই বাবে নদীৰ নামত তাক জৰিত কৰিছিল। পূৰ্বে বোধকৰোঁ মধুকৰ ডিঙ্গা উজনিৰ ওচৰৰ দুৰ্জয় পৰ্বতত তৈয়াৰ কৰি এই নাওডিঙ্গা নদীয়েদি ভটীয়াই চম্পালি পাইছিলগৈ। মুঠতে এই জলপথ চান্দৰ পৰিচিত আছিল। শাহেইৰ পুত্ৰসকলেও এই জল-পথেদি বাণিজ্য কৰিছিল। সুকবি নাৰায়ণদেৱে তাৰ বৰ্ণনা দিছে।

**তিনি সুঁতিৰ মুখ ত্ৰিবেণী**

বৰনদীৰে গৈ তিননদী মুখ বা তিনি সুঁতিৰ মুখ বা ত্ৰিবেণী ঘাট বোলা ঠাইৰে বৈ কুলশীত পৰি উজাই গৈ কৈলাস পাইছিলগৈ। নেতাপাৰাত নেতাই বস্ত্ৰ নিকা কৰি থকা অৱস্থাত বেউলাই নেতাক লগ পাইছিল। নেতাৰ আচল বাসস্থান আছিল কৈলাস।

নেতাৰ ব্যৱসায আছিল দেৱতাৰ নেতৰ বস্ত্ৰ নিকা কৰা। পাট কাপোৰক নেতৰ বস্ত্ৰ বোলে। নেতৰ বস্ত্ৰ নিকা কৰা পাৰ্গতালি থকা বাবে তেওঁক নেতা বুলিছিল। এই কামত আন লোকৰ অভিজ্ঞতা নাছিল। সেই বাবে নেতাই দেৱৰ পুৰীৰ নামনিৰ বহুত ঠাইত কাপোৰ ধুইছিল। এই কাৰণে ধুবুৰী হাজো আদি বহুত ঠাইত নেতাৰ ঘাট থকা দেখা যায়। বা যিসকল ধুবুনীয়ে নেতৰ (পাটৰ) কাপোৰ নিকা কৰিছিল সেইসকলক নেতা বোলা হৈছিল।

**পাট কাপোৰ ধোৱা ধুবুনী নেতা**

পদ্মাপুৰাণত সুকবি নাৰায়ণদেৱে বেউলাই মৃত পতিক জীৱ দান দিবলৈ নিওঁতে ত্ৰিবেণী ঘাটত এদিনহে মাত্ৰ নেতাৰদ্বাৰা কাপোৰ নিকা কৰা কথাটো উল্লেখ কৰিছে। তাত বাদে নেতাক আন সকলো ক্ষেত্ৰতে পদ্মাৰ পৰামৰ্শ-দাত্ৰী সঙ্গিনী হিচাপে অৱতাৰণা কৰিছে। পাট (নেতৰ) কাপোৰ ধৌত কৰা পাৰ্গতালি নেতাৰো থকা বাবে তেওঁকো নেতা বোলা হ'ব পাৰে। মুঠতে নেতা এগৰাকী নহয়; নেতৰ কাপোৰ ধোৱা যাইকী লোক মাত্ৰকে সেই কালত নেতা বুলিছিল।

সুকবি নাৰায়ণদেৱৰ বৰ্ণনাত দেখা যায় পদ্মাদেৱী সদাগৰ চান্দৰ লগত লগা বিবাদত যেতিয়াই চান্দৰ বুদ্ধি আৰু সাহসত নিৰুপায় হৈ পৰিছে, তেতিয়াই পদ্মাই নেতাৰপৰা সমস্যা সমাধানৰ উপায় বিচাৰিছে। ইয়াৰপৰা দেখা যায়, পদ্মাৰ যাৱতীয় ভূমিকাৰ নেতৃত্ব যিগৰাকীয়ে বহন কৰিছে তেৱেঁই পদ্মা পুৰাণত নেতা নাম পাইছিল। আজিকালিও সকলো বিষয়তে অভিজ্ঞতা থকা নেতৃত্ব কৰিব পৰা লোকক নেতা বোলে। যিগৰাকীয়ে পদ্মা-চান্দৰ বিবাদত, পদ্মা-দেৱীৰ জয়ৰ কাৰণে নেতৃত্ব বহন কৰিছিল তেনেগৰাকীক নেতা বোলাটোও স্বাভাৱিক। নেতা নামে এজনী মানুহ নাছিল। এই কাৰণে এইটো নিশ্চয় যে ধুবুৰী-হাজো বা অন্য ঠাইতো শিলৰ পাট থাকিব পাৰে, কিন্তু সেইবোৰত বেউলাই মৃত পতিক লৈ দেৱ পুৰীলৈ যাওঁতে নেতাক কাপোৰ ধুই থকা লগ পোৱা নাই।

নেতৃত্ব বহন কৰাজনক নেতা বোলে

ছয়গাওঁ চম্পালি হ'লে ধুবুৰী ছয়গাৱঁৰ ভাটীতহে। তেতিয়া বেউলাই মৃত পতিক লৈ গুঞ্জৰীযেদি উজাই অহা নাছিল, ভটীয়াই-হে গৈছিল। তেতিয়া হ'লে নাৰায়ণ দেৱৰ বৰ্ণনাৰ কোনো মূল্যই নাথাকে।

ভাটীত

বেউলাই মৃত পতি লখিন্দাৰৰ শ ভেলত তুলি উজাই লৈ যাওঁতেই গোধাইঁতৰ ঘৰৰ ওচৰত গোধাইঁতৰ চক্ৰান্তত পৰি বেউলাই মনোকষ্ট পোৱা কথা সুকবি নাৰায়ণদেৱে বৰ্ণনা কৰিছে।

গোধাৰ পাক

মঙ্গলদৈৰ লোকৰায় আৰু ৰয়না কুছি মৌজাৰ সীমাত ঘোৰাশাল নামে গাৱঁত এটি মৰা নদীৰ চিন আছে। আজি কিছুদিনলৈকে তাত পানী আছিল। সম্প্ৰতি মাটিহীন মানুহে সেই নদীৰ কোনো কোনো অংশ ৰূপিতৰ কামত ব্যৱহাৰ কৰিছে। এই নদীটোক সেই ঠাইৰ লোকসকলে না-ডিঙ্গা বা নাও-ডিঙ্গা নদী বোলে।

উপৰোক্ত নাও-ডিঙ্গা নদীৰ পাৰতে এডোখৰ ওখ বৰি মাটি আছে; তাক ওচৰৰ লোকসকলে 'গোধাৰ বেৰ' বোলে। 'গোধাৰ বাৰী'ৰপৰা

গৈ 'গোধাৰ বেৰ' হোৱাটো স্বাভাৱিক। গতিকে সেই নাও ডিঙ্গা নদীয়ে অতীজত বেউলা উজাই যোৱা নদী আৰু সেই নদীৰ পাৰৰ গোধাৰ বাৰীয়েই গোধাইঁতৰ ঘৰ আছিল। সিহঁতে সেই নাওডিঙ্গা নদীত বৰশী বাই থাকোতে লখিন্দাৰৰ শ ভেলত তুলি লৈ যাওঁতে বেউলাক মনোকষ্ট দিছিল। এই কথা নাৰায়ণদেৱে পদ্মপুৰাণত বৰ্ণনা কৰিছে।

উপৰোক্ত নাও-ডিঙ্গা নদীয়েদি গৈ কুলশীত পৰি, কুলশীয়েদি গৈ সেই নদীৰ জন্মস্থান হিমালয় পায় গৈ আৰু হিমালয়ৰ উচচ চূড়া কৈলাসত শিৱক লগ ধৰে। বেউলাই আশুতোষ শিৱক তুষ্ট কৰি তেওঁৰ পৰামৰ্শ মতে দেৱৰ পুৰীত দেৱতাসকলৰ আগত পদ্মাৰ বিৰুদ্ধে অভিযোগ কৰে। দেৱতাসকলক বেউলাই সকলো কথা বুজাই দিয়াত দেৱতাসকলে পদ্মাৰ অন্যায় কাৰ্যৰ বাবে গৰিহণা দিয় আৰু লখিন্দাৰক জীয়াই দিবলৈ আদেশ দিয়ে। দেৱৰাজ ইন্দ্ৰাদি দেৱতাৰ আদেশ মতে পদ্মাই লখিন্দাৰক জীয়াই দিয়ে।

অসম তথা ভাৰতৰ উত্তৰে অৱস্থিত হিমালয় গিৰি অতীজত তিনি অংশত বিভক্ত আছিল। তাৰ নিম্ন অংশক দেৱৰ পুৰী, আৰু আন উচচ চূড়াবিশিষ্ট খণ্ডক কৈলাস আৰু একেবাৰে ওপৰৰ খণ্ডক স্বৰ্গ বুলিছিল। দেৱৰ পুৰীত দেৱতাসকল, কৈলাসত মহাদেৱ বা শিৱ, আৰু আটাইতকৈ উচচ খণ্ডত ( স্বৰ্গত ) স্বৰ্গৰ ৰজা ইন্দ্ৰ আৰু মহাপুণ্যশালী ব্যক্তিসমূহৰ বাসস্থান আছিল। হিন্দু ধৰ্মশাস্ত্ৰত মহাপুণ্যশালী শ্ৰীৰাম, ধৰ্মৰাজ যুধিষ্ঠিৰ আৰু অন্যান্য পুণ্যৱান ৰজাসকলে তালৈ যোৱাৰ যোগ্যতা লাভ কৰিছিল বুলি বৰ্ণনা আছে। যিসকলৰ দেহ আৰু আত্মাই শীত-উষ্ণ-সুখ-দুখ-মান-অপমান সকলো সহ্য কৰিবলৈ সমৰ্থ হৈ স্থিত প্ৰজ্ঞতা লাভ কৰে তেওঁলোকে নিজ দেহেৰে সেই স্বৰ্গাৰোহণ কৰিব পাৰে আৰু পাৰিছিল। বৰ্তমানেও মহাশক্তিশালী সাধনাসিদ্ধ সাধু-সন্ন্যাসীসকলে নিজ শক্তিৰে গমন কৰে বুলি শুনা যায়।

দ্যোৰং, দ্বাৰম্ আদিৰপৰা দৰঙ্গৰ বৰ্ণনা দিওঁতে এই বিষয়ে বিশেষকৈ লিখা হৈছে। সেই দেৱৰ পুৰীলৈ বেউলাই মৃত পতিৰ অস্থি-পাঞ্জৰ লৈ গৈ তেওঁক জীয়াই আনিছিল।

বেউলাই দেৱৰ পুৰীৰপৰা পতিক জীয়াই লৈ চম্পালিলৈ উভতি আহোতে পূৰ্বে পদ্মাই চক্ৰান্ত কৰি ডুবোৱা চান্দৰ ১৪ খন ডিঙা দেৱতাৰ মেলত সিদ্ধান্ত হোৱা মতে গুঞ্জৰী সাগৰৰপৰা পদ্মাই উদ্ধাৰ কৰি দিয়ে। সেই ডিঙাত উঠি বেউলা-লখিন্দাৰ নেতা-পদ্মাসহ চান্দৰ চম্পালি নগৰ পায়গৈ। এতেকে মঙ্গলদৈৰ উত্তৰে থকা ৬৬নি নগৰ শাহেইৰ ৰাজ্য সতী বেউলাৰ জন্মভূমি। ছয়গাৱঁৰ ওচৰৰ চৰকীয়াত থকা মেৰঘৰেই মহা দৃঢ়প্ৰতিজ্ঞ চান্দ সদাগৰৰ নিৰ্মিত মেৰঘৰ।

বেউলা যে মঙ্গলদৈ তথা অসমৰ কন্যা, তাত অলপো সন্দেহ নাই।

**বেউলা অসমৰ কন্যা**

বেউলাৰ বিয়াৰ পিচত যেতিয়া কইনাৰ ঘৰত খোৱাৰ দিহা হ'ল, তেতিয়া দৰা লখিন্দাৰক খুৱাবৰ কাৰণে যিবিলাক আঞ্জাৰ ব্যৱস্থা কৰিলে, সেইবোৰ একেবাৰে অসমীয়া খাদ্য। তাত সুকৱি নাৰায়ণদেৱে যি বৰ্ণনা দিছে, তাৰ কেইটিমান পদ উদ্ধৃত কৰি দিয়া হ'ল—

'সুমিত্ৰা ১' বোলে তাৰকা শুনাহা বচন।
ভোজন কৰেঁাক জামাই চৰোৱা ৰন্ধন ॥
তাক শুনি তাৰকাৰ হৰষিত মন।
ৰন্ধন চৰাইতে তাৰকা কৰিলা গমন ॥
শীতেলী পাতেলী মালতী দুৰ্বলী।
এই চাৰিজনক আজ্ঞা দিলা এই বুলি ॥
তোৰা দুইজনে আহি মৎস্য-মাংস কুটা।
আৰু দুইজনে আহি জিলা-মৰিছ বটা ॥

* * *

বাৰীৰ পালেং ৰান্ধে কাৱৈ মৎস্য দিয়া।
খৰিচাতে মাগুৰক থৈলা ৰান্ধিয়া ॥
বেঙেনা কুটিয়া দিলা চকা চকী আদা।
লইন কৰি ভাজি এৰে বৰালিৰ গদা ॥

---

(১) সুমিত্ৰা—বেউলাৰ মাক

তাঁত পাচে বান্ধিলা যে বঙলা যে মাহ ।
ভাজিবাক লাগিলেক এক গোটা হাঁহ ॥
পাৰোৱাৰ মাংস আনি যতন কৰিয়া ।
এলাছি-কৰ্পূৰ দিয়া ভাজি কৰি থৈয়া ।
পিঠা পৰমান্ন সাজে যেলা ঘৃত কৰি ।
অৱশেষে দিলা আনি তিল গুৱা কৰি ॥”

মঙ্গলদৈ মহকুমাৰ ভিতৰত বনমাঝা মৌজাত ‘পদ্মা-পুখুৰী’ নামে এটা অতি পুৰণি পুখুৰী আছে। তাৰ পাৰত ‘পদ্মা-দেৱালয়’ নামে এখন দেৱালয় আছে। সেই দেৱালয়ত সেই ঠাইৰ সকলো হিন্দু মানুহে প্ৰতি বছৰে ৫ দিন ব্যাপী পদ্মাদেৱীৰ পূজা কৰে।

পদ্মা পূজা আৰু পদ্মা-পুখুৰী

মঙ্গলদৈৰ হিন্দুসকলৰ বিশ্বাস, পদ্মাদেৱী কোপিত হ’লে সৰ্পৰদ্বাৰা দংশিত হয়। সৰ্পই দংশন কৰা ৰোগীক বৈদ্যই জৰা-ফুকা কৰাৰ পূৰ্বে পদ্মাদেৱীৰ পূজাৰ কাৰণে ‘টোপলি বন্ধা’ প্ৰথা মঙ্গলদৈত প্ৰচলিত। সৰ্প দংশনত মৃত্যু অৱস্থা প্ৰাপ্ত হোৱা ৰোগী বৈদ্যই জৰা-ফুকা কৰি মঙ্গলদৈত আজিয়ো ভাল কৰে।

# মধ্যযুগৰ বুৰঞ্জী

## পুখুৰীসমূহৰ ঐতিহ্য

অসুৰ, দানৱ আৰু ৰাক্ষস বংশীয় ৰজাসকলে ৰাজত্ব কৰাৰ পিচত দৰং তথা মঙ্গলদৈত কোন বংশীয় কিম্বা কোন ৰজাই ৰাজত্ব কৰিছিল তাক নিশ্চয়কৈ কোৱা টান। দৰং ৰাজ্যৰ তেজপুৰ অঞ্চলত বৰ্মা, জিতাৰী আদি বংশীয় যিবোৰ ৰজাই ৰাজত্ব কৰিছিল, সেইসকলৰ তলতে মঙ্গলদৈ অঞ্চলৰ শাসনকাৰ্য চলিছিল বুলি মঙ্গলদৈ অঞ্চলত থকা পুখুৰী আদিৰ নামৰপৰা অনুমান কৰিব পাৰি।

মঙ্গদৈৰ কলাইগাঁও মৌজাৰ সেনাপতি পাৰাৰ ভিতৰত 'বুঢ়ী-নগৰ' নামে থকা পুখুৰীৰ সম্বন্ধে এই ঠাইত যি কিম্বদন্তি প্ৰচলিত আছে, তাৰপৰা এই পুখুৰী ৰজা আৰিমত্তই খন্দোৱা বুলি প্ৰমাণ হয়।

**বুঢ়ীনগৰ পুখুৰীৰ আখ্যান**

জিতাৰী বংশীয় ৰামচন্দ্ৰ ৰজাই তেওঁৰ বৰ ৰাণী চন্দ্ৰপ্ৰভাৰ চৰিত্ৰত সন্দেহ কৰি তেওঁক সগৰ্ভা অৱস্থাত ভূৰত তুলি ব্ৰহ্মপুত্ৰত উটুৱাই দিয়ে। ৰাণী ভূৰত উঠা অৱস্থাৰে ভাহি যাওঁতে লক্ষ্মী নামে এজন বামুণে পাই তুলি আনে। লক্ষ্মীৰ ঘৰত যথা সময়ত ৰাণীয়ে এটি পুত্ৰ সন্তান জন্ম দিয়ে। ল'ৰাটি সৰু কালৰপৰা আৰি মাৰি বাজিত জিকা স্বভাৱৰ আছিল দেখি তেওঁৰ নাম আৰিমত্ত থৈছিল। কালত আৰিমত্ত ডাঙৰ হৈ, বুদ্ধি আৰু বলৰঘাৰা সেই ঠাইৰ ভূপতিসকলক জিনি তাত ৰজা হ'ল। শেষত তেওঁ ৰাজ্য বিস্তাৰৰ কাৰণে পূব ফালৰ ৰজাৰ ৰাজ্য আক্ৰমণ কৰিলে আৰু যুদ্ধত পূবৰ ৰজাক বধ কৰিলে। বিজয়ৰ চিন স্বৰূপে মাকক দেখুৱাবলৈ সেই পূব দেশৰ ৰজাৰ মূৰটো লৈ আহি মাকক দেখুৱালে। মাকে তেওঁৰ পতিৰ মূৰ বুলি চিনি পাই শোকত অধীৰ হ'ল আৰু পিতৃবধী বুলি আৰিমত্তক তিৰস্কাৰ কৰি পিতৃবধৰ উপযুক্ত ফল পাবি বুলি শাও দিলে। পিতৃৰ

মৃত্যুৰ পিচত সেই দেশৰ পাত্ৰমন্ত্ৰীসকলে তেওঁক লৈ গ'লহি। মাকক লগত নিবলৈ পুতেক আৰিমত্তই বহুত চেষ্টা কৰিলে, কিন্তু মাক পিতৃবধী বুলি কোনো মতে যাবলৈ সন্মত নহ'ল। তেতিয়া আৰিমত্তই তেওঁক তাতে এখন নগৰ পাতি দিলে আৰু নগৰৰ ভিতৰত সেই পুখুৰীটো খন্দাই দিলে। সেই নগৰখনক সেই কালত 'বুঢ়ীৰ নগৰ' বুলিছিল। বুঢ়ীৰ মৃত্যুৰ পিচত নগৰ ভাগি-ছিগি নাইকিয়া হ'ল। পুখুৰীটো সম্প্ৰতিলৈ বৰ নিৰ্মল হৈ আছে। সেই ঠাই হাবি-বনেৰে পূৰ্ণ হৈ মানুহৰ বসতি নোহোৱা হৈছিল। সেনাপতি-পাৰা আৰু ওচৰৰ গাঁও ভকতপাৰাত মাথোন কেইঘৰমানহে মানুহ আছিল। পুখুৰীটোও হাবি-বন গজি নষ্ট হ'বৰ উপক্ৰম হৈছিল। ৫০ বছৰমান হ'ল, দক্ষিণ অঞ্চলৰপৰা অহা খেতিয়ক মানুহে তাত বসতি কৰি পুখুৰীটোৰ যত্ন লোৱাৰ পিচত এই পুখুৰী এতিয়া মঙ্গলদৈৰ ভিতৰত এটি উৎকৃষ্ট পুখুৰী বুলি গণ্য হৈছে।

এনে কিম্বদন্তিমূলক আখ্যানৰপৰা প্ৰমাণ পোৱা যায় যে তেজপুৰ অঞ্চলত ৰাজত্ব কৰা ৰজাসকলে এই অঞ্চলৰ ঠাইসমূহত সেই কালত ৰাজ্য শাসন কৰিছিল।

মঙ্গলদৈ মহকুমাৰ ৰয়নাকুছি মৌজাৰ বৰ কলিয়াঝাৰ গাৱঁৰ এই পুখুৰীৰ নামেই পৰিচয় দিয়ে। ইয়াক জয়পাল নামে এজন ভূঞাই খন্দাইছিল।

**জয়পাল পুখুৰী**

জয়পাল ভূঞাই এই ঠাইত ৰাজত্ব কৰা বৰ্তমানলৈকে ৫০০ বছৰৰ কম নহ'ব। সম্প্ৰতি অসম চৰকাৰে এই পুখুৰী সংস্কাৰ কৰি খোৱা পানীৰ ব্যৱস্থা কৰি দিছে।

লোকৰায় মৌজাৰ ব্যাসপাৰা গাৱঁত দেউৰাজ পুখুৰী নামে এটা অতি পুৰণি পুখুৰী আছে। এই পুখুৰীৰ পানী এতিয়া ব্যৱহাৰৰ অনুপযোগী হৈছে। এই পুখুৰীৰ নামে পৰিচয় দিয়ে যে ইয়াত দেউৰাজ নামে এজন ভূঞাই ৰাজত্ব কৰিছিল। এই পুখুৰীৰ নাম আগেয়ে বোলে 'দেউৰায়' বা 'দেৱৰায়' পুখুৰীহে আছিল। ইংৰাজ ৰাজত্ব আৰম্ভ হোৱা কালত এই ঠাইৰ

**দেউৰাজ পুখুৰী**

মাটি পিয়ল কৰিবলৈ বঙালী আমিন (মাটি জৰিপ কৰা কৰ্ম-চাৰী) আহিছিল। তেওঁলোকে 'য়' আখৰটো 'য' ৰ নিচিনা দেখি 'দেউৰাজ' পুখুৰী বুলি লিখি যায়। এই পুখুৰীৰ পছিম ফালৰ বৰিত

(ঝাৰৰ বৰিত) লোকৰায় নামে ৰজাৰ নগৰ আছিল বুলি বোলে বুঢ়া লোকসকলে শুনি আহিছিল। লোকৰায়ৰ নাম মতে এই ঠাইৰ মৌজাৰ নাম লোকৰায় হয়।

এই পুখুৰীৰ পাৰত অতীজতে কোনো মঠ বা দৌল আছিল। এতিয়াও সেই দৌল থকা ঠাইত এটা প্ৰকাণ্ড শিল আছে। বুঢ়া লোকসকলে কৈছিল যে তেওঁলোকৰ আগতে এই ঠাইত বহুত শিল পৰি আছিল। গাৱঁৰ লোকসকলে সেইবোৰ নিজৰ কামৰ কাৰণে লৈ গ'ল। সেই দৌল থকা ঠাইত গাৱঁৰ ৰাইজে এতিয়াও পূজা-সেৱা কৰে।

এই দেউৰাজ বা দেউৰায় দৌলৰ পূজা-সেৱা চলাবলৈ আগৰ ভূঞাই (ৰজাই) দিয়া বহুতো দেৱোত্তৰ মাটি আছিল। কালত সেইবোৰ দলৈৰ নিজৰ সম্পত্তি হিচাপে গণ্য হয়, শেষত দেৱালয়ৰ নামত দুবিঘা দেৱোত্তৰ মাটি ৰৈছিল। কিন্তু যেতিয়া অসম ব্যাপি হোৱা কলাজ্বৰত দলৈৰ সকলো পৰিয়ালৰ মৃত্যু হয়, তেতিয়া সেই মাটি ভোগদখল কৰি খাজনা আদি দিওঁতা কোনো নোহোৱা হোৱাত সেই সময়ৰ লাট-মণ্ডলে খাজনা পৰিশোধ কৰি নিজৰ কৰি লয়। তেতিয়াৰপৰা এই দেৱালয়ৰ কোনো সম্পত্তি নোহোৱা হয় আৰু তেতিয়া ভাগি পৰা দৌলৰ শিলবিলাক যেয়ে পালে সেয়ে নিলে। এই দেউৰায় ভূঞাই এই অঞ্চলত ৰাজত্ব কৰা কথা দেউৰাজ পুখুৰীয়ে প্ৰমাণ দিয়ে।

এই পুখুৰীৰ বাহিৰেও এই ঠাইৰ এক-ডেৰ মাইলৰ ভিতৰত বহুত পুখুৰী আছে।

দেউৰাজ পুখুৰীৰপৰা প্ৰায় আধা মাইলমান দক্ষিণে নায়ক পাৰা গাৱঁত এই পুখুৰী। এই পুখুৰীৰ মাটি-কালি ৪৮ বিঘা। এই পুখুৰী বলদেৱ নামে কোনো এজন ভূঞা বা ৰজাই খন্দাইছিল। দৰঙ্গী

**বলদেউ পুখুৰী**

কৈফদৰ ৰজা ধৰ্মনাৰায়ণৰ এটা নাম বলদেৱনাৰায়ণ আছিল বুলি কয়। বিশ্বাস হয় যে ধৰ্মনাৰায়ণে এই পুখুৰী খন্দায়। সম্প্ৰতি এই পুখুৰী এই ঠাইৰ আঞ্চলিক পঞ্চায়তে মাছ খেতিৰ কাৰণে সংস্কাৰ কৰিবলৈ স্থিৰ কৰিছে।

**বাঘমৰা**

জয়পাল পুখুৰীৰপৰা এক-ডেৰ ফাৰ্লংমান উত্তৰে বাঘমৰা নামে এটা পুখুৰী আছে। বাঘমৰা পুখুৰীৰ ওচৰতে সৰু-ডাঙৰ আৰু পাঁচটা পুখুৰী আছে। এই বাঘমৰা পুখুৰীত দক্ষিণ পাৰৰ মাটিৰ নিচিনা ঠাইত,সেই মাটিৰ বৰ্তমান গৰাকী এজনে খেতি কৰোঁতে পুখুৰীৰ খট্‌খটীত দিয়া ইটা কিছুমান পাইছিল। ইটাবিলাক এতিয়াৰ ইটাতকৈ আকাৰত পাতল আৰু সৰু। কোঁচবংশী ৰজাসকলৰ দিনৰ ইটাবোৰতকৈ তাৰ আকৃতি বেলেগ ধৰণৰ দেখা যায়। গতিকে অনুমান কৰা যায় যে এই পুখুৰীও কোঁচ বংশীয় ৰজাসকলৰ ৰাজত্বৰ পূৰ্বে ভূঞাসকলৰ ভিতৰত কোনো এজনে খন্দাইছিল। পুখুৰীৰ নাম বাঘমৰা হোৱাৰ কাৰণে বহুতে অনুমান কৰে যে ব্যাঘ্ৰমাৰী বাসী হৰিহৰ আৰু হৰিবৰ বিপ্ৰৰ লগত ইয়াৰ কিবা সম্বন্ধ আছে।

**বৰমপুৰ গাঁও আৰু পুখুৰী**

জয়পাল পুখুৰীৰপৰা ৪ মাইল উত্তৰে বৰমপুৰ পুখুৰী নামে এটা বৰ ডাঙৰ পুখুৰী আছিল। ইং ১৯০৬ চনত মঙ্গলদৈৰ ভিতৰত আটাইতকৈ স্ৰোতস্বতী নদী ননৈয়ে এই পুখুৰী পুতি পেলায়। এই পুখুৰীৰ মাটি-কালি আছিল ১০১/১ লোচা। এই পুখুৰীৰ ওচৰৰ গাৱঁৰ নাম বৰম্‌পুৰ আৰু পুখুৰীৰ নামো বৰম্‌পুৰ। এই পুখুৰীৰ আৰু গাৱঁৰ নাম অতীজত ব্ৰহ্মপুৰ বা বৰহম্‌পুৰ আছিল বুলি অনুমান হয়। এই পুখুৰী কেতিয়া কোনে খন্দাইছিল তাৰ একো সূত্ৰ জনা নেযায়। এই অঞ্চলৰ বুঢ়া লোকসকলৰ কোনো কোনো কিম্বদন্তি আখ্যানৰপৰা প্ৰচলিত হৈ অহা প্ৰবাদৰ ওপৰত নিৰ্ভৰ কৰি কৈছিল যে এই পুখুৰী কোনো কছাৰী ৰজাই খন্দাইছিল। এই পুখুৰী খন্দা কালত এই ঠাইৰ বৰ ডাঙৰ গছৰ ধোন্দত থকা বৰহম্‌ পক্ষী নামে এবিধ পক্ষীয়ে ৰাতি ৰাতি বৰ বিপদসূচক মাতেৰে চিঞৰিছিল। তেতিয়া পুখুৰী খন্দোৱা ৰাজকৰ্মচাৰী আৰু খন্দা লোকসকল ভয়ত পলাই যায়। সেই বৰহম্‌ পক্ষীৰ নাম মতে এই পুখুৰীৰ নাম বৰহম্‌পুৰ হয়। এই পুখুৰী আৰু গাঁও সম্বন্ধে প্ৰচলিত থকা কিম্বদন্তি আখ্যানৰপৰা অনুমান কৰিব পাৰি যে এই অঞ্চলত একালত কছাৰী ৰজায়ো ৰাজত্ব কৰিছিল।

পচকীয়া পুখুৰী

বৰম্‌পুৰ পুখুৰীৰপৰা আঢৈ মাইল দূৰত পচ্‌কীয়া নামে এটি বৰ ডাঙৰ পুখুৰী আছে। তাৰ ওচৰৰ গাৱঁৰ নাম বৰঝাৰ গাঁও। অনতিদূৰত আৰু এখন গাঁও আছে--ভূঞাখাত। এই গাৱঁৰ নামৰপৰা অনুমান কৰিব পাৰি যে এই ঠাইত এসময়ত কোনো ভূঞাই ৰাজত্ব কৰিছিল আৰু তেৱেঁই এই পুখুৰী খন্দায়। ঝাৰগঞা ভূঞা নামে এজন ভূঞা আছিল বুলি প্ৰবাদ আছে। সেই ঝাৰগঞা ভূঞাই এই পুখুৰী আৰু তাৰ ওচৰত থকা হাতীপৰি আদি ৮।৯টা পুখুৰী খন্দাইছিল। এই পুখুৰী প্ৰায় ৪০০ বা ৫০০শ বছৰৰ আগৰ।

গোৰাকটা পুখুৰী

সৰাবাৰী মৌজাৰ বৰম্‌পুৰ গাৱঁত গোৰাকটা পুখুৰী। কিম্বদন্তি প্ৰচলিত আছে যে এই পুখুৰী খান্দোতে তললৈ মূৰ কৰি তপস্যা কৰি থকা কোনো তপস্বীৰ ভৰিৰ গেৰোৱা কটা গৈছিল। এই কাৰণে এই পুখুৰীৰৰ নাম গোৰাকটা হয়।

লক্ষিমপুৰ পুখুৰী

বুঢ়ীনগৰ পুখুৰীৰপৰা এমাইল পূবে লক্ষিমপুৰ পুখুৰী। ওচৰৰ গাওঁখনৰ নামো লক্ষিমপুৰ। এই পুখুৰী বুঢ়ীনগৰ পুখুৰীতকৈয়ো ডাঙৰ। এই গাৱঁৰ সোণামল নামৰ এজন মানুহে কৈছিল যে অতীজত লক্ষ্মী নামে এগৰাকী মাইকী মানুহে এই পুখুৰী খন্দাইছিল। এই পুখুৰীৰ পাৰত এটা মঠ আৰু মন্দিৰৰ ভগ্নাৱশেষ আছে। মঠৰ ভিতৰত যি বেদী আছিল তাত অষ্টদল পদ্মৰ মণ্ডল এটি শিলত অঙ্কিত আছে। মণ্ডলৰ কৰ্ণিকাত ত্ৰিভুজ আকৃতিকৈ অঁকা। অতীজত হোৱা প্ৰবল ভূমিকম্পত এই মঠ-মন্দিৰ চূৰ্ণাকৃত হয়।

জলজলী পুখুৰী

ডাঁহী মৌজাৰ ভিতৰত এই পুখুৰী। এই পুখুৰীৰ পাৰত থকা দেৱালয়ৰ ওচৰত কেইবাটাও ডাঙৰ শিল পৰি আছে। অতীজৰ এই দেৱালয়ৰ মঠৰেই এইবিলাক শিল। কেতিয়া কোনে এই পুখুৰী খন্দায়, জনা নেযায়।

এই পুখুৰী ডাঁহী মৌজাৰ ভিতৰত। এই পুখুৰীৰ দৈৰ্ঘ্য প্ৰস্থতকৈ দুগুণ। এই কাৰণেই এই পুখুৰীৰ নাম দীঘি হয়। এই দীঘি সম্বন্ধে

প্ৰচলিত আখ্যানটো কবি কৰা নামে এজন নিৰক্ষৰ কবিৰ ভণিত।

**দীঘিৰ পুখুৰী** সেই ভণিতাত শিয়ালা বৈষ্ণৱৰ আৰু ধৰ্মদেৱ গোঁসাইৰ বিষয়ে বৰ্ণনা আছে।

তেওঁৰ কুণ্ডতৰা আৰু চান্দতৰা নামে দুগৰাকী ভাৰ্যা আছিল। কুণ্ডতৰাৰ কোনো সতি-সন্ততি নাছিল। চান্দতৰাৰ সগৰ্ভা অৱস্থাত ভূঞা ধৰ্মদেৱ গোঁসাই তীৰ্থ ভ্ৰমণলৈ যায়। সেই সময়ত চান্দতৰাৰ প্ৰসৱ হয়। কুণ্ডতৰাই বেজিনীহঁতৰ লগত কু-পৰামৰ্শ কৰি প্ৰসৱৰ সময়ত চান্দতৰাৰ চকুত কাপোৰ বান্ধি থলে। চান্দতৰাই এটি পুত্ৰ সন্তান প্ৰসৱ কৰিলে। চকুত কাপোৰ বান্ধি থোৱাৰ কাৰণে তেওঁ দেখা নেপালে। বেজিনীহঁত আৰু কুণ্ডতৰাই কলে যে প্ৰসৱত কোনো সন্তান জন্মা নাই, এখণ্ড মাংস-পিণ্ডহে প্ৰসৱ হ'ল। ইয়াকে কৈ সেই প্ৰসৱ হোৱা পুত্ৰটি চুৰা পাতনিত পেলাই দিলে। এহাল শিয়ালে ল'ৰাটি নি নেখাই সিহঁতৰ গাঁতত থ'লে। শিয়ালে নিজৰ পোৱালিৰ লগতে ল'ৰাটোকো পালিলে।

বছৰৰ অন্তত গোঁসাই তীৰ্থৰপৰা উভতি আহিল। চান্দতৰাৰ গৰ্ভৰ সন্তানৰ বাতৰি লোৱাত কুণ্ডতৰাই এখণ্ড মাংস-পিণ্ড প্ৰসৱ হোৱাৰ কথা ক'লে।

গোঁসাইৰ মনত বৰ সন্দেহ উপজিল। এদিন তেওঁ বাৰীৰ ভিতৰলৈ যাওঁতে হঠাৎ হাবিৰ ভিতৰত থকা শিয়ালৰ গাঁতৰ মুখত এটি সুন্দৰ ল'ৰা দেখা পালে। গোঁসায়ে সেই ল'ৰাটি আনিলে। সেইটো যে চান্দতৰাৰ ল'ৰা তেওঁৰ বুজিবলৈ আৰু বাকী নেথাকিল। গোঁসাইৰ পালন আৰু শিক্ষাত তেওঁ ডাঙৰ আৰু জ্ঞানী বিদ্বান পণ্ডিত হ'ল। তেওঁৰ নামেই সম্বৎসৰ ভূঞা। শিয়ালে পালন কৰি ডাঙৰ কৰাৰ কাৰণে তেওঁক লোকে 'শিয়ালা গোঁসাই' বুলিছিল। এওঁৰেই সেই দীঘি খন্দায়। এওঁৰ জন্মস্থান আছিল হিন্দুঘোপা মৌজাৰ বৰাবাৰী গাৱঁৰ ভিতৰৰ বৰদৌলগুৰিত। উত্তৰ গুৱাহাটী-মঙ্গলদৈ ৰাজ-আলিৰ ওচৰত বৰদৌলগুৰি নামে ঠাইত তেওঁ বন্ধোৱা বিষ্ণু পূজাৰ ভেটি বৰদৌল বৰ ওখ হৈ আজিও আছে।

নলবাৰী সংস্কৃত কলেজৰ অধ্যক্ষ শ্ৰীমনোৰঞ্জন শাস্ত্ৰী প্ৰণীত 'বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা' নামৰ পুথিত 'স্মৃতিৰত্নাকৰ'ৰ ৰচকৰ পৰিচয় দিওঁতে এই দীঘি সৰোবৰ বৰ্ণনাৰ আভাস দিছে।

বলদেৱ পুখুৰীৰপৰা প্ৰায় এমাইল দক্ষিণে গোৰালঝাৰ গাৱঁত এই পুখুৰী। এই পুখুৰী কেতিয়া কোনে খন্দাইছিল জনা নেযায়। এই পুখুৰী সম্বন্ধে এটি জনশ্ৰুতি প্ৰচলিত আছে। এই পুখুৰীত মাছ মাৰোতে এদিন এজন মানুহৰ ভৰিত এটা গৰুৰ মূৰাই কামোৰ মাৰি ধৰিলে। বহুত লোকে অশেষ চেষ্টা কৰিও তাৰ ভৰিৰপৰা মূৰটোৰ কামোৰ এৰুৱাব নোৱাৰিলে। তেতিয়া তাৰ লগৰীয়াসকলে ইয়াৰ কিবা গুপ্ত-ৰহস্য আছে বুলি তাক সোধাত তেতিয়া মানুহজনে উপায়ান্তৰ হৈ ক'লে যে সি প্ৰায় এবছৰৰ আগেয়ে এজনী গাইগৰু কোবাই মাৰি এই পুখুৰীৰ দলনিত লুকুৱাই থৈছিল। এই কথা কোৱা মাত্ৰে মূৰটো ভৰিৰপৰা এৰি পৰিল। ৰাইজে তেতিয়া তাক গো-বধী বুলি দোষী সাব্যস্ত কৰিলে। তেতিয়া সি গো-বধ কৰিলে যি কষ্ট ভুগিব লাগে তাক ভুগিলে আৰু স্মৃতি শাস্ত্ৰৰ নিয়ম মতে প্ৰায়শ্চিত্তাদি হৈ উদ্ধাৰ হ'ল। তেতিয়াৰপৰা এই পুখুৰীৰ নাম 'গৰু কামোৰা পুখুৰী' হ'ল। এই কিম্বদন্তিটোৱে মানুহৰ মনৰ ওপৰত গুপ্ত পাপৰ ক্ৰিয়া কেনেদৰে পৰে, তাৰ এটা ধৰ্ম-বিশ্বাস দাঙি ধৰিছে। এই পুখুৰী বহুদিনীয়া। এতিয়া ব্যৱহাৰৰ অনুপযোগী হৈছে।

**গৰুকামোৰা পুখুৰী**

মঙ্গলদৈ নগৰৰপৰা তেজপুৰলৈ যাওঁতে উত্তৰ সদৰ আলিৰ ওচৰত অতীজৰ বহুত পুখুৰী দেখা যায়। এই পুখুৰীবিলাক শ্যামাবাৰী, পূবদলগাওঁ, পছিমদলগাওঁ, শিয়ালমাৰী আদি মৌজাৰ ভিতৰত। শ্যামাবাৰী মৌজাৰ ভিতৰত থকা ৰজা-পুখুৰী, ৰাণী-পুখুৰী, অভয়-পুখুৰী, বিশেষ উল্লেখযোগ্য। ৰজা-পুখুৰী ৰাণী-পুখুৰী অতি বিৰাট পুখুৰী। কেতিয়া এই পুখুৰীবিলাক খন্দোৱা হৈছিল তাৰ একো বিবৰণ কোনো প্ৰকাৰে জনা নেযায়। তাত আগৰ দিনৰ কোনো বসতি থকা মানুহ নাই। বৰ্তমান থকা লোকসকল নতুন অসমীয়া।

**আন আন পুখুৰী**

পূব দলগাঁও মৌজাৰ ভিতৰত থকা দলগাঁও পুখুৰী আৰু তাৰ ওচৰত থকা দৌল বা মঠৰ ভগ্নাৱশেষ দেখিলে অনুমান কৰিব পাৰি যে এই ঠাই অতি উন্নত আছিল। এই দৌল থকা বাবেই এই গাঁও আৰু মৌজাৰ

নাম দৌল বা দ'লগাঁও হয়। যেতিয়া ৰ'তা বা বৌতা প্ৰধান ঠাই আছিল, তেতিয়া সেই অঞ্চলত ভূঞাসকলে এই ঠাইবিলাকৰ একোটা অঞ্চলত বসতি আৰু ৰাজ্য শাসন কৰিছিল আৰু তেওঁলোকেই এই পুখুৰীবিলাক খন্দাইছিল। এই পুখুৰীবিলাকৰ প্ৰায় প্ৰত্যেকৰ পাৰতে একোটাকৈ মঠ বা দেৱালয় থকাৰ চিন দেখা যায়। সেইবোৰৰ ভগ্নাৱশেষৰ শিল বা ইটা সেই পুখুৰীবোৰৰ পাৰ কিম্বা নিচেই ওচৰত কোনো কোনো ঠাইত কমকৈ হ'লেও পৰি আছে।

## ঐতিহাসিক স্থান

পুখুৰীবিলাকৰ বাহিৰেও মঙ্গলদৈৰ সাহিত্যৰ বুৰঞ্জীত উল্লেখ কৰিবলগীয়া কেইখনমান ঠাই আছে। সিবিলাক ঠায়ে আমাক মঙ্গলদৈ তথা দৰং ৰাজ্যৰ পুৰণি সভ্যতা সম্বন্ধে সম্বাদ দিয়ে। এতিয়ালৈকে আৱিষ্কৃত নোহোৱাকৈ হয়তো আৰু বহুত ঠাই থাকিব পাৰে; যিবিলাক আৱিষ্কৃত হ'লে আমাক বহুত নতুন নতুন তথ্য আৰু জ্ঞানৰ সন্ধান দিব।

ৰণ-থলি কলাইগাঁও মৌজাৰ ভিতৰত। কলাইগাঁও থানাৰপৰা প্ৰায় এক-ডেৰ মাইলমান উত্তৰে যি চাহ বাগিচা আছে, সেয়ে ৰণ-থলি। ৰণ-থলিৰ নাম মতেই এই চাহ বাগিচাৰ নাম ৰণ-থলি হয়। ৰণ-থলি নামৰপৰা জনা যায় যে এই ঠাই এসময়ত যুদ্ধক্ষেত্ৰ আছিল।

**ৰণ-থলি**

ইয়াত কেতিয়া কাৰ কাৰ ভিতৰত ৰণ হৈছিল, এই কথা নিশ্চয়কৈ ক'ব নোৱাৰি। অনুসন্ধানৰপৰা জনা গৈছে যে ৰণ-থলি বাগিচাৰ ভিতৰতে অনুমান দুবিঘামান মাটি শিলেৰে বন্ধা প্ৰায় পুখুৰীৰ নিচিনা এডোখৰ দ ঠাই আছিল। ঠাইডোখৰৰ অৱস্থা আৰু ঠাইৰ নাম আদিৰপৰা অনুমান কৰিব পাৰি যে এই শিল থকা ঠাইডোখৰ একালত দুৰ্গ আছিল আৰু এই দুৰ্গ অতীজত শিলেৰে তৈয়াৰ কৰিছিল। হয়তো কোনো বিপক্ষ দলে তাক যুদ্ধৰ সময়ত ধ্বংস কৰিছিল। নতুবা কোনো ভূমিকম্পাদি প্ৰাকৃতিক দুৰ্যোগত ই ধ্বংস হৈ গৈছিল। এই ঠাইৰ ওচৰত কোনো নগৰৰ চিন-ছাব থকা পোৱা নেযায়। যদি কিবা আছিলো, সি কালৰ গৰ্ভত লীন গৈছে। এই ঠাই আজি বহুত দিনৰ পূৰ্বে অটব্য অৰণ্যত পৰিণত হৈ আছিল। খেৰ-খৰি

আহৰণ কৰা লোক আৰু চিকাৰী লোকসকলে তাত বহুত শিল থকাৰ সম্ভেদ লোকসকলক দিয়াত ওচৰৰ ঔতলা আদি ঠাইৰ গাৱঁৰ মানুহ গৈ গাড়ীৰে সেই শিলবিলাক বোলে নিজৰ নিজৰ ঘৰলৈ আনে। মানুহবিলাকে সেই শিলবিলাক ধানৰ ভঁড়ালৰ তলত দিয়া কাৰ্যঃ ব্যৱহাৰ কৰিছিল।

যেহেতু এই ঠাইৰ নাম ৰণ-থলি সেয়ে ই মঠৰ বা দেৱালয়ৰ ভগ্নাৱশেষ নহয়। এই ঠাই ভোটৰ পৰ্বতৰপৰা প্ৰায় ২০।২৫ মাইল দক্ষিণে। এই ঠাইৰপৰা আগৰ দিনৰ ভোটৰ অধিকৃত ঠাইলৈ প্ৰায় ১০।১৫ মাইলমানহে দূৰ। প্ৰায় ৫০০ বছৰমানৰ পূৰ্বে এই ঠাইত ভূঞাসকলে ৰাজত্ব কৰিছিল। ভূঞাসকলে খন্দোৱা পুখুৰীবোৰ এই ঠাইৰপৰা অলপ দূৰত আছে। ৰৌতা আদি ঠাইত যেতিয়া ভোটবিলাকে অত্যাচাৰ কৰে, ইয়াত তেতিয়া ভূঞাসকলে ৰাজ্য ৰক্ষাৰ কাৰণে এই দুৰ্গ কৰিছিল আৰু তাক ধ্বংস কৰিবলৈ এই ঠাইত ভোট-ভূঞাৰ ৰণ হৈছিল।

আমি এতিয়া যি কালৰ বৰ্ণনা দিব লাগিছো, এই কালক মঙ্গলদৈত 'ভূঞা-যুগ' বুলিব পাৰি। সেই সময়ত মঙ্গলদৈত নহয়, প্ৰায় মধ্য অসমৰ নগাঁও আদি ঠাইত ভূঞাসকলে ৰাজত্ব কৰিছিল। মঙ্গলদৈ আৰু নগাৱঁৰ দূৰত্ব বৰ বেছি নহয়; মাথোন ব্ৰহ্মপুত্ৰ নদীয়ে দুয়ো ঠাইৰ ভিতৰত বিভিন্নতা জন্মাই ৰাখিছিল আৰু এতিয়াও ৰাখিছে। সম্প্ৰতি মঙ্গলদৈৰপৰা ব্ৰহ্মপুত্ৰ যিমান দূৰত আছে, বৰ্তমান সময়ৰপৰা ৫০ বছৰ মানৰ পূৰ্বে সিমান আঁতৰত নাছিল। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে থকা লোকসকলৰ ঘৰ-বাৰী মঙ্গলদৈৰ ওচৰতে আছিল। এই কাৰণে মঙ্গলদৈ-নগাৱঁৰ ভিতৰত ঘনিষ্ঠতা সেই সময়ত এতিয়াতকৈও বেছি আছিল। গতিকে ভূঞাসকলৰ ৰাজত্বকালত মঙ্গলদৈ আৰু নগাৱঁৰ সম্পৰ্ক অবিচ্ছেদ্য আছিল বুলি ক'ব পাৰি।

আদি যুগৰ পিচত যিবিলাক শাসক কিম্বা যিবিলাক ভূঞাই মঙ্গলদৈ তথা দৰং ৰাজ্যত ৰাজত্ব কৰিছিল সেইবোৰৰ ইতিহাস আনুমানিক; কিন্তু ৰৌতাই আমাক মঙ্গলদৈত ভূঞাৰ বসতি আৰু ৰাজ্য-শাসনৰ সংবাদ সঠিককৈ দিয়ে।

ৰৌতা দলগাৱঁৰপৰা ১১½ মাইল উত্তৰে উত্তৰ ৰাজ-আলিৰ ওচৰত। ৰৌতা চাৰি আলিৰপৰা প্ৰায় দুমাইল দূৰত ৰৌতা ৰেল ষ্টেছন।

**ৰৌতা**

অতীজত যি ঠাইক টুমনি ( ওখ ঠাই) বুলিছিল তাত আজি প্ৰায় ৩৫।৪০ বছৰৰ আগয়ে ৰৌতা বাগিচা নামে এখন চাহ বাগিচা আছিল। এতিয়া চাহ বাগিচাৰ কাৰণে অনুপযুক্ত হোৱাত বাগিচা বন্ধ হৈছে। এই ঠাইতে অতীজত প্ৰায় ৫৫০ বছৰমান আগয়ে এখন প্ৰসিদ্ধ নগৰ আছিল। প্ৰাক্-শঙ্কৰী যুগত ৰৌতা অসমৰ ভিতৰত এখনি লেখত ল'বলগীয়া স্থান আছিল। ৰৌতা অসমৰ ৰাজ্যশাসক ভূঞাসকলৰ ৰাজধানী, কবিসকলৰ কাব্য ৰচনাৰ কবিতাক্ষেত্ৰ, মহাপুৰুষসকলৰ পিতৃ-মাতৃৰ ঔৰষ (বীৰ্য ) আৰু স্তনামৃত দাত্ৰী পুণ্যভূমি আছিল।

**ৰৌতাৰ পুৰণি নাম**

বৌতাৰ আগৰ নাম ৰতা আছিল বুলি মানুহে কয়। এই ৰতাতে বলিয়ে ভগৱান বিষ্ণুৰ ভক্তিত ৰত হৈ, সুধৰ্মা সভা পাতি পৰম বৈষ্ণৱ দেশত বিষ্ণু-ভক্তি প্ৰচাৰ কৰিছিল। এই কথা মানুহৰ মুখে মুখে শুনা যায়। অতি পুৰণি কালৰ কথা এৰি দিলেও ই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পিতামহসকলৰেই এখনি অতি প্ৰিয় ৰাজধানী আছিল। মহাপুৰুষৰ প্ৰপিতামহ চণ্ডীবৰ ভূঞাই বৌতাত ৰাজধানী পাতি বাস কৰে। সেই কালত ইয়াত ভোট-ভূঞাৰ যুদ্ধ হয়। সেই যুদ্ধত ভোটবিলাক হাৰে। চণ্ডীবৰৰ পিচত তেওঁৰ পুত্ৰ ৰাজধৰেও ইয়াত ৰাজধানী পাতি বাস কৰে বুলি অনুমান হয়। ৰৌতাত যেতিয়া পৰ্বতীয়া জাতিৰ অত্যাচাৰ ঘনাই ঘনাই হ'বলৈ ধৰিলে, তেতিয়া ভূঞাসকলে ৰৌতাৰপৰা ৰাজধানী তুলি নি বৰ্তমান য'ত ভূৰাৰ (ভূঞাৰ) গড় আছে তাত পাতিছিল। কোঁচ ৰজাসকলে দৰং ৰাজ্য সম্পূৰ্ণৰূপে অধিকাৰ নকৰালৈকে ভূঞাসকলে বৌতাৰপৰা আঁতৰ নহৈ, তাত থাকিয়েই ৰাজ্য শাসন কৰি আছিল।

**ৰৌতাত শ্ৰীমন্ত শঙ্কৰদেৱ**

অসমীয়া জাতিৰ পিতা, অসমত নৱ বৈষ্ণৱবাদৰ প্ৰবৰ্তক শ্ৰীমন্তশঙ্কৰদেৱে বেলগুৰিলৈ গৈ বৌতাত ছমাহ বাস কৰিছিল। তাৰ পিচত তাৰপৰা তাত ১৫ বছৰ থাকে। বৌতাৰপৰা বেলগুৰি প্ৰায় ৫।৬ মাইল দূৰ ধনশিৰীৰ পাৰত। ইংৰাজ ৰাজত্বৰ কালত বেলগুৰিৰ নাম ভেলগুৰি হয়।

বৌতা মহাকবি ৰাম সৰস্বতীৰ মাতৃ বনমালাৰ জন্মভূমি। (পিচত প্ৰমাণ দিয়া হৈছে)। মহাপুৰুষ মাধৱদেৱৰ ভগ্নী উৰ্বশীৰ বিবাহ মণ্ডপ এই বৌতাতে হৈছিল। মহাপুৰুষ মাধৱদেৱ মাতৃ-গৰ্ভত ৫ মহীয়া হয় বৌতাত।

মহাকবি ৰাম সৰস্বতীয়ে বৃত্ৰাসুৰ বধত লিখিছে—

"বৌতা নগৰ অতি মনোহৰ,
আছিল দেশ বিশেষ।
তন্ত্ৰীকুল জাত আছিল সমস্ত
মণ্ডল কৰ্মী অশেষ॥
তথা দ্বিজবৰ অতি আঢ্যন্তৰ
আছিল সাগৰ নাম।
তাহান দুতয় ভৈলন্ত তনয়
ৰূপে গুণে অনুপাম॥
চন্দ্ৰ কন্দলী জ্যেষ্ঠৰ প্ৰসিদ্ধ,
কনিষ্ঠ ৰত্ন ভাৰতী।
ভাগৱত শাস্ত্ৰে ভৈলন্ত কুশল।
কৃষ্ণত কৰি ভকতি॥
* * *
চন্দ্ৰ কন্দলীৰ দুহিতা ৰুচীৰ
ভৈলা বনমালা নাম;
* * *
চন্দ্ৰ কন্দলীৰ কুলৰ প্ৰদীপ
বনমালা বুলি যাক।
বৌতাত আসিয়া, পৰম হৰিষে,
বিবাহ কৰিলা তাক॥
* * *
বৌতা ভাগি গৈলা॥
* * *

ইত্যাদি পদে বনমালাৰ জন্মভূমি যে বৌতা তাক প্ৰমাণ কৰে।

বৌতা সেই কালত যে বিদ্বানমণ্ডলীৰ ধৰ্মক্ষেত্ৰ আৰু কৰ্মক্ষেত্ৰ আছিল, সেই কথা উপৰোক্ত আলোচনাৰপৰা জনা যায়। দাঁতিকাষৰীয়া পৰ্বতীয়া জাতিৰ বৌতাত ঘনে ঘনে আক্ৰমণ হোৱাত বৌতা নগৰ বৰ্জিত হয়। যেতিয়া সেই প্ৰধান লোকসকল তাৰপৰা আঁতৰ হ'ল, তেতিয়া সাধাৰণ লোকসকলো তাৰপৰা গুচি গ'ল আৰু বৌতা ধ্বংস হ'ল।

যেতিয়া কোঁচ ৰজা নৰনাৰায়ণে আহোম ৰাজ্য আক্ৰমণ কৰিবলৈ কোঁচ-অভিযান কৰে, তেতিয়া বৌতাত বাহৰ কৰি আছিলহি। বৌতাৰ ইফালে সিফালে ভৈৰৱ কুণ্ড, নলখামৰা আদিত মঠ-মন্দিৰ সজাই তেওঁ দেৱোত্তৰ আদি দান দি উজাই গৈছিল। ইত্যাদিৰপৰা জনা যায় বৌতা ৫০০ বছৰৰ আগেয়ে প্ৰধান ঠাই আছিল।

বৌতাৰপৰা দুমাইল দূৰত মাধগোসাঁই মঠ। বহু পূৰ্বে হোৱা ভূমিকম্পত এই মঠ ভাগি চূৰ্ণাকৃত হৈছে। মঠৰ ভগ্নাৱশেষত আগৰ দিনীয়া ইটা আৰু শিল দুয়োবিধ দেখা যায়। এই শিল আৰু ইটা প্ৰয়োগত অনুমান হয় যে এই মঠ নিৰ্মাণ হোৱাৰ পিচত কোনো কাৰণত মঠৰ অৱস্থা শোচনীয় হোৱাত তাক আকৌ মেৰামত কৰা হয়।

মাধগোসাঁই মঠ

সেই কালৰ প্ৰধান নগৰ বৌতাৰপৰা বৰ্তমান দুমাইল হ'লেও মাধগোসাঁই মঠৰ থান সেই সময়ত বৌতা নগৰৰ অন্তৰ্গত আছিল বুলি ক'ব পৰা যায়।

মঠৰ ভিতৰত প্ৰতিষ্ঠিত বিগ্ৰহ শিৱলিঙ্গ। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পূৰ্ব পুৰুষসকলে বৌতাত ৰাকজানী পাতি বাস কৰিছিল। তেওঁলোক শৈৱ আছিল। গতিকে তেওঁলোকৰ ৰাজত্বকালত এই মঠ বন্ধোৱা হয় বুলি ক'ব পাৰি।

মঠৰ কাৰ্যত ইটাও ব্যৱহাৰ কৰাৰপৰা অনুমান কৰিব পাৰি যে তাৰ পিচত যেতিয়া নৰনাৰায়ণে আহোম ৰাজ্য আক্ৰমণৰ অভিযান কৰে তেতিয়া পূৰ্বে ভগা মঠৰ মেৰামতি কৰে।

কোনো কোনো প্ৰত্নতত্ত্বপ্ৰিয় লোকে কয়, মাধগোসাঁই সম্প্ৰদায় নামে সন্ন্যাসী সম্প্ৰদায় এটি আছে ; তেওঁলোকৰ যত্নত এই মঠ এই ঠাইৰ শাসকে নিৰ্মাণ কৰিছিল।

বৌতা দাঁতিকাষৰীয়া ঠাই। বৌতাৰপৰা ভোটান বহু দূৰ নহয়। ভোটান আৰু এই অঞ্চলত বৌদ্ধ ধৰ্ম প্ৰচাৰৰ কালত এই মঠ নিৰ্মাণ কৰা

হৈছিল বুলি বহুতে কয়। বৌদ্ধ ধৰ্ম দুৰ্বল হোৱাৰ পিচত এই ঠাইৰ ৰজাই তাত শিৱলিঙ্গ বিগ্ৰহ প্ৰতিষ্ঠা কৰি হিন্দু মন্দিৰ বুলি ঘোষণা কৰে। বৌদ্ধ মঠ বুলি কোৱাৰ যুক্তি এইটোহে যে হাজোৰ হয়গ্ৰীৱ মাধৱৰ মন্দিৰ আৰু বৌতাৰ ওচৰৰ মাধৱগোসাঁই মঠ একে পৰ্যায়ৰ। হাজোৰ হয়গ্ৰীৱ মাধৱৰ মন্দিৰতো ভূটীয়াই সেৱা-পূজা কৰে; যেহেতু সি পূৰ্বে বৌদ্ধ মন্দিৰ আছিল। ইয়াত ভূটীয়াই সেৱা-পূজা নকৰিলেও ইয়াত মাধগোসাঁইৰ নামৰ মঠত শিৱলিঙ্গ বিগ্ৰহ থকাটো বিসদৃশ কথা।

এই মঠৰ পূজাৰীজন চুটিয়া জাতিৰ লোক। তেওঁ কয় যে মন্দিৰ প্ৰতিষ্ঠাৰ দিন ধৰি তেওঁৰ বংশৰ লোকে পূজাৰী কাম কৰি আহিছে। এই মঠৰ নাম মতে এই গাৱঁৰ নাম 'মাধগোসাঁই গাঁও' হৈছে।

**নল খামৰা**

নল খামাৰা দেৱালয় বৰছিলাঝাৰ মৌজাত। এই দেৱালয় পুৰণি গোঁহাই-কমলা আলিৰ ওচৰত। ই দেৱী-মন্দিৰ। মহাৰাজ নৰনাৰায়ণে আহোম ৰাজ্য জয় কৰিবলৈ কৰা অভিযানৰ সময়ত এই মন্দিৰ প্ৰতিষ্ঠা কৰে। এই মন্দিৰৰ পূজা-সেৱাৰ বাবে মহাৰাজে বহুতো মাটি-বাৰী দেৱোত্তৰ কৈ দান কৰে। ইয়াৰ পূজাৰীজন কছাৰী জাতিৰ মানুহ।

**বাঘৰ বাৰী**
**বাঘ-বাৰী**

কলাই গাঁও মৌজাৰ ভিতৰত 'বাঘৰ বাৰী' নামে গাৱঁত এই ঠাই। এই ঠাইত এখন অতীজৰ নগৰৰ চিন আছে। এই ঠাইৰ অলপ দূৰত সমলা গাঁও। বাঘৰ বাৰীৰ নিচেই ওচৰতে সমলেশ্বৰী নামে এটা অতীজৰ বিৰাট পুখুৰী আছে। তাৰপৰা ভুৱাৰ গড় বা ভূঞাৰ গড়ো বেছি দূৰ নহয়। ইত্যাদি ঠাইৰ পৰিস্থিতিৰপৰা জনা যায় যে এই ঠাই কোনো ভূঞাৰ ঠাই বা খণ্ডৰাজ্য আছিল।

বাঘৰ বাৰী প্ৰাক্-শঙ্কৰী যুগৰ কবি হৰিহৰ আৰু হৰিবৰ বিপ্ৰৰ বাসস্থান।

**শিলবৰি**

শিলবৰি শিয়ালমাৰী মৌজাত। অতি ওখ ঠাইত বহুতো শিল দম হৈ থকা বাবে এই ঠাইৰ নাম সেই ঠাইৰ নতুন অসমীয়া বাসিন্দা-সকলে শিলবৰি বুলি কয়। অনুসন্ধানত জনা যায় যে এই ঠাইত অতীজত এটা শিলৰ নিৰ্মিত মঠ আছিল। প্ৰাকৃতিক

কাৰণত এই শিলৰ মঠ ধ্বংস হয়। এসময়ত যে এই ঠাইত কোনো শক্তিশালী ভূঞাই শাসনকাৰ্য চলাইছিল, ই নিশ্চয়।

যিবিলাক মঠ-মন্দিৰৰ ভগ্নাৱশেষৰ কথা এই পুথিত সন্নিবিষ্ট কৰা হ'ল, সেইবোৰ সৰহভাগেই অতি পুৰণি যুগতে নিৰ্মাণ কৰা বুলি নিশ্চয়কৈ ক'বৰ বিশেষ যুক্তি আছে। কাৰণ ১৫৪৮ খৃঃপৰা ১৮৯৭ খৃঃ লৈ অসমত ১২টা ভীষণ ভূমিকম্প হৈছিল। সেইবোৰৰ কিম্বা তাৰ আগৰ কোনোবাটো ভূমিকম্পত সেইবোৰ ক্ৰমে ধ্বংস হয়। তাৰ পিচত সেইবোৰ নিৰ্মাণ বা মেৰামতি কৰিব পৰা কোনো যোগ্যতা থকা ৰজা দৰঙত হোৱা নাছিল। ইং ১৬০১ চনত প্ৰতাপ সিংহ স্বৰ্গদেৱৰ কালৰপৰা দৰং ৰাজ্যত দৰঙ্গী কৈদৰ ৰজাসকলেই ৰাজত্ব কৰিছিল। তেওঁলোকৰ দিনত সেইবোৰ পুনৰ নিৰ্মাণ কৰিব পৰা ক্ষমতা নাছিল বা কৰাৰ আৱশ্যক অনুভব নকৰিলে। তলত ষষ্ঠদশ শতিকাৰ মাজ ভাগৰপৰা অসমত হোৱা ডাঙৰ ভূমিকম্পৰ তালিকা দিয়া হ'ল। তাৰ পূৰ্বে বা কিমান হৈছিল জনা নেযায়।

অতীজৰ ভূমিকম্প

(১) ১৫৪৮ খৃঃ গড় গঞা ৰজাৰ দিনত।
(২) ১৫৯৮ খৃঃ খোৰা ৰজাৰ দিনত।
(৩) ১৬০১ খৃঃ প্ৰতাপ সিংহৰ দিনত।
(৪) ১৬৪২ খৃঃ ভগা ৰজাৰ দিনত;
দৰঙত তেতিয়া সূৰ্যনাৰায়ণ।
(৫) ১৬৬০ খৃঃ দৰঙত তেতিয়া সূৰ্যনাৰায়ণ।
(৬) ১৬৯৬ খৃঃ ৰুদ্ৰসিংহৰ দিনত।
(৭) ১৭৩২ খৃঃ ফুলেশ্বৰী কুঁৱৰীৰ দিনত।
(৮) ১৭৫৯ খৃঃ স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ দিনত।
(৯) ১৭৭০ খৃঃ লক্ষ্মীসিংহৰ দিনত।
(১০) ১৮৩৮ খৃঃ পুৰন্দৰ সিংহৰ দিনত।
(১১) ১৮৪২ খৃঃ ইংৰাজৰ দিনত।
(১২) ১৮৯৭ খৃঃ ইংৰাজৰ দিনত।

এইবোৰৰ কোনো কোনোটোত, কিম্বা তাৰ পূৰ্বে হোৱা প্ৰবল ভূমিকম্পত এইবোৰ ভাগি যায়।

**ভূৰাৰ গড়**

কলাই গাঁও মৌজাৰ চৰণখৰা গাৱঁত ৪০১।১৪ লোচা মাটি-কালি থকা প্ৰায় ২০´।২৫´ ফুটমান ওখ 'ভূৰাৰ গড়' নামৰ এটা প্ৰকাণ্ড গড় আছে। শ-শ বছৰৰ পিচতো যেতিয়া এই গড় ইমান ওখ হৈ আছে তেন্তে প্ৰথমতে বন্ধাওঁতে যে এই গড়টো কিমান ওখ আছিল তাক অলপ অনুমান কৰিলেই বুজিব পাৰি। অসমৰ ভূতপূৰ্ব ৰাজ্যপাল জয়ৰামদাস দৌলতৰাম অসম ভ্ৰমণৰ সময়ত মঙ্গলদৈলৈ আহোতে তেওঁ গড়ৰ সম্বন্ধে অনুসন্ধান কৰাত এই গড়ৰ নাম যদিয়ো 'ভূৰাৰ গড়' আচলতে ইয়াৰ নাম 'ভূঞাৰ গড়হে' বুলি কোৱাত তেখেতে আপত্তি কৰিছিল আৰু কৈছিল, "আপুনি কি প্ৰমাণৰ ওপৰত ইয়াৰ নাম পৰিবৰ্তন কৰিব খুজিছে?" তেতিয়া মই অনুসন্ধান কৰাত বুজিব পাৰিলোঁ যে এই গড়ৰ নাম বাস্তৱিকেই 'ভূঞাৰ গড়ে'ই আছিল। 'ভূৰাৰ গড়' বোলাৰো যুক্তি আছে। কিয়নো ভূৰা শব্দটো ব্ৰাঃ বা বুঢ়া শব্দৰপৰাই আহিছে। নগাৱঁত ভূৰাগাঁও নামে এখন গাঁও আছে। একে কাৰণতে এই গাৱঁৰ নামো 'ভূঞা গাৱঁৰ পৰা 'ভূৰা গাঁও' হৈছে। অসমৰ সুখ্যাত প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথে মোৰ মতকে সমৰ্থন কৰিলে। ব্ৰাঃ শব্দৰপৰা বুঢ়া শব্দ হয়। যেনে বুঢ়াগোহাঁই। স্ত্ৰীলিঙ্গত বুঢ়ী গোসাঁনী। ব্ৰাঃ বা বুঢ়া শব্দই শ্ৰেষ্ঠজনক বুজায়। বুঢ়া গোসাঁই বা বুঢ়া গোহাঁই অৰ্থাৎ শ্ৰেষ্ঠ বা ডাঙৰ গোসাঁই। গাৱঁৰ ভিতৰতো যিজন শ্ৰেষ্ঠ, গাৱঁৰ সকলো কথাই জানে, তেওঁক গাঁও ব্ৰাঃ, বা গাওঁবুঢ়া বোলে। অতএব ভূৰাগড়কো আগয়ে ব্ৰাঃ গড় বোলা হৈছিল। কালত সি বুঢ়াগড়, আৰু তাৰ অপভ্ৰংশ হৈ ভূৰাগড় হৈছে। বা ভূঞাগড়ৰপৰাই ভূৰাগড়ো হ'ব পাৰে। ভূঞাবিলাকেই আছিল সেই সময়ত দেশত শ্ৰেষ্ঠ জাতি। এই কাৰণে 'ভূৰাগড়'ক 'ভূঞাগড়' বুলিলে কোনো দোষণীয় নহয়। আৰু ভূৰাগড়ৰ অসত্যতাও প্ৰচাৰ নহয়। এই কাৰণে এই ভূৰাগড় ভূঞাসকলে বন্ধা গড়। গড় বন্ধাৰ উদ্দেশ্য বিচাৰ কৰি চালে দেখা যায়—গড় বন্ধা হয় স্বাভাৱিকতে ৰাজধানী ৰক্ষা কৰিবলৈ আৰু যুদ্ধৰ সময়ত শত্ৰুৰপৰা সৈন্য-সামন্ত ৰক্ষা কৰিবলৈ কিম্বা শত্ৰুক আক্ৰমণ কৰাৰ সুবিধা কৰিবলৈ।

গড়টোৰ কালিৰ পৰিমাণ ৪০১/১৪ লোচা। নিৰ্মাণ ঠাই বৰ ওখ ঠাইত নহয়। তৈয়াৰ কৰা হৈছিল মাটিৰদ্বাৰা। অৱশ্যে সেই কালত

মাটিৰেই সকলো গড় তৈয়াৰ কৰা হৈছিল। গড়ৰ ভিতৰত বৰ্ত্তমান ৪।৫ টামান ওখ ভোটি আৰু সৰু সৰু দুটা পুখুৰী আছে। গড়ৰ মুখ যিফালে আছিল সেইফালে দুৱাৰ মুখৰ দুয়োফালে ঘাৰৰখীয়া থকা ঠাই গড়ৰ আকৃতিত নিৰ্মাণ কৰিছিল। বৰ্ত্তমান সেই ঠাইৰ গাৱঁৰ লোকসকলে সেই দুৱাৰমুখৰ দুফালৰ ঠাই দুডোখৰক 'বুৰুজ' বোলে। 'বুৰুজ' শব্দটো কোঠৰ কাৰ্যত ব্যৱহাৰ কৰা শব্দ। কোঠ যুদ্ধৰ কাৰ্যত ব্যৱহাৰ কৰা এডোখৰ ঠাই। ইয়াৰপৰা স্থিৰ কৰিব পাৰি যে এই গড়টো সেই সময়ৰ শ্ৰেষ্ঠজনে যুদ্ধৰ কাৰ্যত ব্যৱহাৰ কৰিবৰ কাৰণে বান্ধিছিল। সেই সময়ৰ শ্ৰেষ্ঠজন কোন? আৰু তেৱেঁই এই গড় বিপক্ষ দলক বাধা দিবলৈ বান্ধিছিলনে? এই প্ৰশ্নৰ উত্তৰত পোৱা হয় যে বৈদিক, পৌৰাণিক তান্ত্ৰিক যুগৰ পিচত ভূঞাসকলৰ অসম তথা মঙ্গলদৈত ৰাজত্ব কৰিছিল। সেই ভূঞাসকলৰ ভিতৰত প্ৰথমতে প্ৰমুখ্য ভূঞা আছিল চণ্ডীবৰ।

**গড়ৰ গঠন প্ৰণালী**

চণ্ডীবৰৰ পুত্ৰ ৰাজধৰক যেতিয়া ভোটে বান্ধি নিলে, তেতিয়া তেওঁ দক্ষিণ পাৰত থকা অসুবিধা ভোগ কৰি তাত নেথাকি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে বৌতাত চাৰি কোঠ মাৰি আছিলহি। তাতো ভোটে বৌতা আক্ৰমণ কৰাত, তিনি দিন যুদ্ধ কৰি ভোটক ঘটুৱালে। তাৰ পিচত চণ্ডীবৰৰ মৃত্যু হয়। এই সময়ত দেখা যায় চণ্ডীবৰেই প্ৰথম বৰভূঞা বা বাৰভূঞা আছিল। তাৰ পিচত তেওঁৰ পুত্ৰ ৰাজধৰ বৰভূঞা বা ব্ৰাঃ ভূঞা হয়। তাৰ পিচত সূৰ্যবৰ ব্ৰাঃ বা বাৰ ভূঞা হয়। সূৰ্যবৰৰ পিচত ৪ৰ্থ ব্ৰাঃ ভূঞা বা বাৰভূঞা কুসুম্বৰ।

সূৰ্যবৰ আৰু কুসুম্বৰৰ ৰাজত্ব কালত কোঁচ শক্তিৰ অভ্যুত্থান হয়। বিশ্বসিংহ কোঁচ শক্তিৰ অভ্যুত্থানকৰ্ত্তা। বিশ্বসিংহই ১৪২০–৩০ শকাব্দলৈ ৰাজত্ব কৰা অনুমান হয়। তেতিয়া হ'লে পঞ্চদশ শতিকাৰ মাজ ভাগত এই 'ভূৰাৰ গড়' বন্ধা হৈছিল বুলি অনুমান কৰিব পাৰি। বিশ্বসিংহৰ ৰাজত্ব কালত যে এই গড় বান্ধিছিল, জনশ্ৰুতিৰ ওপৰত নিৰ্ভৰ কৰি প্ৰমাণৰ ওচৰলৈ যাবৰ থল আছে। এই গড়ৰ ইতিবৃত্ত সংগ্ৰহ কালত সেই গড়ৰ ওচৰৰ চৰণধৰা গাৱঁৰ বিভূতিমণ্ডল নামে এজন বিজ্ঞ বুঢ়া লোকে কৈছিল,

"এসময়ত দৰং ৰাজ্যৰ ভূঞা ছকুৰিজন একত্ৰ হৈ তেওঁলোকৰ ৰাজ্য ৰক্ষা *কৰিবৰ উদ্দেশ্যে এই গড় বান্ধিছিল বুলি পুৰুষানুক্ৰমিক জনশ্ৰুতি চলি* আহিছে।" এই গড়ৰ কাম সূৰ্যবৰ বা কুসুম্বৰৰ ৰাজত্ব কালত শেষ কৰিছিল।

এই গড়ে মঙ্গলদৈ তথা দৰঙ্গত সেই সময়ৰ ভূঞাই এই ৰাজ্যৰ স্বাধীনতা ৰক্ষা কৰিবলৈ কৰা প্ৰচেষ্টাৰ পৰিচয় দিয়ে।

শৰাই ঘাটৰ যুদ্ধত দৰঙ্গী ফৈদৰ ৰাজকুমাৰ চন্দ্ৰনাৰায়ণে মঙ্গলদৈ তথা দৰং ৰাজ্যৰপৰা দৰঙ্গী সৈন্য লৈ গৈ মুছলমানৰ আক্ৰমণৰ বিৰুদ্ধে

**মোগলবেচা**

আহোম ৰজাক সহায় কৰিছিল। সেই যুদ্ধত মুছলমান হাৰে আৰু বহুত সৈন্য আহোম সৈন্যৰ হাতত বন্দী হয়। দৰঙ্গী ৰজাৰ সৈন্যই যিবিলাক সৈন্য বন্দী কৰিছিল, সেইবোৰ মঙ্গলদৈলৈ আনি 'মোগলবেচা' নামে ঠাইত লোৰ খুটিত বান্ধি থৈ দাস হিচাপে বিক্ৰী কৰিছিল। মোগলবেচা কলাই গাঁও মৌজাৰ ভিতৰত। মোগলবেচাৰ হাবিৰ মাজত এই লোৰ খুটিবিলাক এতিয়ালৈকে আছে।

ৰঙামাটি মৌজাৰ ভিতৰত উত্তৰ সদৰ আলিৰ কাষত বঙলাগড় নামৰ ঠাই আছে। এই ঠাইত এতিয়া এখন চাহ বাগিচা আৰু চৰকাৰী 'পাটৰ

**বঙলাগড়**

পাম' খুলিছে। এই ঠাইত অতীজতে বঙালে গড় মাৰিছিল কাৰণে এই ঠাইৰ নাম 'বঙলাগড়' হয়। অতীজত এই ঠাইৰ নিচেই ওচৰেদি ব্ৰহ্মপুত্ৰ নদী বৈ গৈছিল। মুছলমানে অসম আক্ৰমণৰ সময়ত এই ঠাইত গড় (কোঠ) মাৰিছিল। অসমৰ পছিমফালৰ লোকক অসমীয়া মানুহে আগেয়ে বঙাল বুলিছিল।

মানেই ঘাটা গাঁও ৰঙামাটি মৌজাৰ ভিতৰত। এই ঠাই ব্ৰহ্মপুত্ৰৰ পুৰণি সুঁতিৰপৰা বেছি দূৰত নহয়। অসমত মানৰ আক্ৰমণৰ সময়ত

**মানেই ঘাটা**

যিবিলাক মানৰ সৈন্য ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে অত্যাচাৰ কৰি কৰি ভটীয়াই আহিছিল, সেই সৈন্যবিলাকৰ লগত মঙ্গলদৈৰ (দৰংৰাজৰ) সৈন্যৰ এই 'মানেই ঘাটা' নামে ঠাইত যুদ্ধ হয়। এই যুদ্ধত মানবিলাক ঘাটে (হাৰে)। তাৰ পিচত মান সৈন্যই পুনৰ আক্ৰমণ কৰাত সেই বেলি দৰঙ্গী ৰজাই মানৰ হাতত পৰাজয় হ'ম বুলি ভাবি মানৰ অত্যাচাৰৰপৰা দৰং ৰাজ্য ৰক্ষা কৰাৰ

উদ্দেশ্যে দৰঙ্গী ৰজা বিজয়নাৰায়ণৰ বংশৰ ধনেশ্বৰী কুঁৱৰী নামে এগৰাকী কুঁৱৰীক মান ৰজালৈ উপঢৌকন স্বৰূপে পঠিয়াই দৰং ৰাজ্য মানৰ অত্যাচাৰৰ-পৰা ৰক্ষা কৰিছিল। প্ৰবাদ আছে যে কুঁৱৰীৰ লগত বহুত ধন-সোণ আৰু ভালেমান তিৰোতা দিছিল। যিজনা বিষয়াই এই তিৰোতাবিলাক সংগ্ৰহ কৰি মানৰ বিষয়াৰ আগত ভেটাইছিলগৈ তেওঁক সকলো তিৰোতাই একেমুখে শাও দিছিল। সেইবাবে বিষয়াজনৰ বংশ পৃথিৱীৰপৰা তেতিয়াই দুই এবছৰৰ ভিতৰতে লোপ পাইছিল। ধনেশ্বৰী কুঁৱৰীক মান ৰজাৰ পুত্ৰ যুৱৰাজে গ্ৰহণ কৰে। ধনেশ্বৰী কুঁৱৰীয়ে দৰঙ্গী ৰজালৈ যি চিঠি লিখিছিল তাৰ নকল :

শ্ৰীহৰি

পৰম পূজনীয় পূজ্যধাম শ্ৰীশ্ৰীআপইতা মহাৰাজ
খুড়া দেৱতাব শ্ৰীচৰণ কমলেষু মকৰন্দেষু।

পাদপদ্ম মকৰন্দ মধুকৰী শ্ৰীমতী ধনেশ্বৰী আইদেৱ চৰণাৰবিন্দে, শত সহস্ৰ কোটিবাৰ দণ্ডৱৎ প্ৰণাম পৰং প্ৰাৰ্থনা এই যে—

শ্ৰীশ্ৰীখুড়া দেৱতাৰ আশিৰ্বাদে বেটীৰ কোশল মঙ্গল ও যুৱৰাজ দেৱতাৰো মঙ্গল। খুড়া দেৱতাক মুখ্য কৰি সেই দেশত থকা আমাৰ ৰংশ-পৰিয়াল কোশল মঙ্গলৰ অৰ্থে, মানৰ মতে ও আমাৰ মতে দান-ধৰ্ম কৰি সদাসৰ্বদা শ্ৰীশ্ৰীইশ্বৰৰ স্থানে প্ৰাৰ্থনা কৰিতেছি। পূৰ্বে খুড়া দেউতাই বেটীক সালঙ্কৃতা কৰি মানৰজালৈ দিলে। পাচে মান দেশ পালত শ্ৰীশ্ৰীমান-ৰজাই লগতে থৈ প্ৰতিপালন কৰিবলৈ বৰফুকন এটাৰ হাতত "জী বুলি প্ৰতিপালন কৰিবি" বুলি শোধাই দি ভালমতে ৰজাৰ চাঙতে কুঁৱৰীৰ মৰ্যাদা দি ৰাখিছিল। পাচে উক্ত মহাৰাজৰ চত্ৰভঙ্গ হোৱা মেতৎ কনিষ্ঠ ভ্ৰাতা ৰজা হৈয়াতেই এক দেশ দি বিশিষ্ট মতে ৰাখি আছিল। পৰ অসমদেশ হৈতে শ্ৰীশ্ৰীযুৱৰাজ দেৱতা এই দেশে আইসাতে মান ৰজাই বেটীক এই যুৱৰাজক দিলেন। সেই ৰজাৰ দিনাৱধি অদ্য পৰ্যন্ত মলু নামে এক দেশ খাৱৰ কাৰণ পাই আছু। ও যুৱৰাজ মান ৰজাৰ পো-ভাইৰ মান-মৰ্যদা বেটিয়ে ৰজাৰ কুঁৱৰী আৰু দুহিত্ৰাৰ মৰ্যদা পাই আছু। ও যুৱৰাজ সোনৰ

চত্ৰ ৪ খন বেটীয়ে দুখন পাইছু। যুবৰাজ দেৱতাসমে গৃহবাস কৰা হৈ ২ বৎসৰ হৈ আছে। পূৰ্বে আপোন দেশ হইতে আইছা অবধি অদ্য পৰ্যন্ত শ্ৰীশ্ৰীখুড়া দেৱতাৰ আশিৰ্বাদে কিছু দুখ পুৱা নাই। বেটী-বন্দীও বাবলৈ পাইছু। ও পিতৃ-মাতৃ-খুড়া দেৱতাকে প্ৰমুখ্য বংশ-পৰিয়ালৰ বেটীৰ আপুনাৰ অৰ্থে মানৰ মতে ও আপোনাৰ স্বজাতিৰ মতে দান-ধৰ্ম কৰিবলৈ পাইছু ও কৰিছু। আৰু বেটীক পূৰ্বে খুড়া দেৱতাই মানলৈ দি পঠালে। দেৱতা-সকলৰ কাৰ্যতহে বেটীয়ে কানে নুশুনা চকুৰে নেদেখা ঠাই মান দেশত আছু। আৰু দেৱতাসকলৰ কোনো কথা ভাল-মন্দ ওলালেও বেটীয়ে গা পাতি ধৰো। দেৱতাসকলৰ দেশৰ ৰাজ্য ৰক্ষাৰ কাৰনেহে বেটীয়ে আহি এই মান দেশ পালোহি। পৰং বেটীৰ মুখলৈ চাই উপৰি যুবৰাজসকলৰ মুখলৈ চাই বেটী-ভাগিনীৰ পুত্ৰ ভাগিনাটি যে আছে তাৰ মাকো মৰিল। দেৱতাসকলে প্ৰতিপালন নকৰিলে, প্ৰতিপালন কৰোতা অন্য কেহ নাই কাৰণে লিগিৰা কৰি দেৱতাৰ লগতে ৰাখি ছোৱালী বেছাৰি দি পাতি প্ৰতিপালন কৰিব। বেটীয়ে আজি হস্তে দেৱতাৰ চৰণত বন্দী বুলি সমৰ্পণ কৰি দিলু। আৰু শ্ৰীশ্ৰীপুঠাও দেৱতা ও পিতৃ দেৱতা ও মাতৃ দেৱতা স্বৰ্গী হোৱা মাহ, তিথি সকলোখিনি বেটীয়ে জনা কৰি লিখি দি পঠাব। আৰু দেৱতাই যে বেটীলৈ পূৰ্বে ৰূপ ১০০০ দিছিল আৰু সোন ৪০ তোলা দি পঠাইছিল সেইখিনি পালু। কিন্তু পাচত যে ৰূপ ৭০০ সোন ২০ তোলা দি পঠাইছিল সেইখিনি নাপালু। কাৰ হাতত দিছিল নাম লিখি পঠাব। আৰু পাচত যে পত্ৰ দিছিল সেই পত্ৰ পালু। ও যুৱৰাজে দেৱতালৈ দিয়াও বেটীলৈ দিয়া কাপৰ সকলোখিনি পত্ৰ দিয়ামতে পালু। আৰু আমাৰ বংশৰ শ্ৰীবুদুৰামক দেৱতা-সকলৰ বাৰ্তা লবলৈ পঠাই দিলো। তেওঁক বংশ হেন জানি শুনি পুছি খুৱাই মৰম-বেথা কৰি তাৰ হাততে আমাৰ বংশ-পৰিয়াল কোন কোন আছে, কোন মৰিল সকলো লিখি দি পঠাব। আৰু দেৱতালৈ পত্ৰ চিহ্ন পাতৰ মাকো জোৰনীয়া চুৰিয়া এখন সেৱা কৰি ভেতি পঠাইছু। বুদুৰামৰ হাতে বুজি ল'বা। আমাৰ কোশল মঙ্গল, দেৱতাসকলৰ কোশল-মঙ্গল বাৰ্তা লিখি পঠাব। অধিক কি প্ৰাৰ্থনা কৰিম।

ইতি ১৭৪৭ শক।

মাঘ মাসে প্ৰতিপদ তিথৌ।

দেৱতা পুত্ৰ বেটীৰ ভাই গোহাঁই দেৱক প্ৰতি ৭ দালিমা বাখৰ আঙঠি নটা দি পঠাইছু। আৰু বৰজনা আইদেৱক প্ৰতি পানা ১৭ তাৰে গলপতা এধাৰ দি পঠাইছু বুজি লবা ইতি সেৱকিনী

শ্ৰীধনেশ্বৰী।

**দুমুনি চকী**

উত্তৰ গুৱাহাটী-মঙ্গলদৈ ৰাজ আলি যোৱা মঙ্গলদৈ আৰু কামৰূপৰ সীমাৰ ঠাই হৈছে দুমুনি চকী। বৰনদীৰ ঘাটৰ ওচৰৰ পূবপাৰৰ গাঁওখনৰ নামো দুমুনি চকী। বৰ্তমান বহুততে এই গাৱঁৰ নাম লিখোতে 'ডুমুনী চকী' লিখে। কিন্তু 'ডুমুনী চকী নহয়, দুমুনি চকী' হে। 'দুমুনি চকী' শব্দৰ অৰ্থ দুই সীমাৰ মূৰৰ চকী বা দুৱাৰ। 'ডুমুনী চকী' শব্দৰ ভাবাৰ্থৰ অৰ্থ ব্যাখ্যা কৰিলে সেই চকী বা দুৱাৰত ডুমুনী তিৰোতা এজনীয়ে চকী ৰক্ষা কৰা বুজায়।

দুমুনি চকী পূৰ্বে আহোম ৰাজ্য আৰু মুছলমান ৰাজ্যৰ সীমাৰ এডোখৰ ঠাই। পূৰ্বে দুমুনি চকীত থকা বৰনদীক সীমা কৰি আহোম ৰজা আৰু মুছলমান ৰজাৰ ৰাজ্যৰ সীমা নিৰ্ধাৰণ কৰি সন্ধি কৰি ইয়াতে পৰস্পৰ ৰাজ্যৰ দ্বাৰ ৰখীয়া কৰ্মচাৰী থৈছিল। এই ঠাইতে উভয় ৰাজ্যৰ চিঠি-পত্ৰ আদান প্ৰদান হৈছিল। ই ৰাজ্যৰপৰা সি ৰাজ্যলৈ প্ৰৱেশ কৰা অনুমতি পত্ৰাদি দিয়া হৈছিল। বৰ্তমান যেনেকৈ 'পাছ পোৰ্ট' দিয়া হয়, সেইদৰে। দুমুনি চকীৰ পছিমে মাৰুৱা চকী আৰু পূবে থকা দুৰৰীপাৰাতো সেইদৰে চকীদাৰ আছিল। ইয়াত উভয় ৰাজ্যৰ ৰজাৰ বিশ্বাসী চকীদাৰ আছিল। আহোম ৰজা আৰু মুছলমান ৰজা আছিল পৰস্পৰ বিবাদমান ৰজা। উভয়ে আছিল জেতা আৰু বিজেতা। এনে অৱস্থাত তাত ডুমুনী অৰ্থাৎ মাইকী মানুহৰ দ্বাৰা এনে কাৰ্য সম্পাদন কৰোৱা কথা বিশ্বাসযোগ্য নহয়। এই কাৰণে 'ডুমুনী চকী' নহয় 'দুমুনি চকী'হে। দুমুনি অৰ্থাৎ দুই ৰাজ্যৰ সীমা। যেনে, 'তিনি মুনিৰ মূৰ' অৰ্থাৎ তিনিটা আলিৰ মূৰ। দুই ৰাজ্যৰ আলিৰ মূৰৰ দুৱাৰ অৰ্থাৎ দুমুনি চকী বোলা হৈছিল। এই ঠাইৰ নাম দুমুনি চকী হৈছিল মুছলমানৰ আৰু আহোমৰ যুদ্ধৰ ফলৰ সীমা নিৰ্ধাৰণৰ সময়ত।

সেইদৰে মঙ্গলদৈ নগৰৰ ৫ মাইল পূবে ডাক্‌চকী নামে এডোখৰ ঠাই আছে। তাত আহোম ৰজা আৰু পিচৰ কালৰ দৰঙ্গী ৰজাৰ ভিতৰত ডাক অনা-নিয়া কৰা ঠাই আছিল। এই কাৰণেই তাৰ নাম 'ডাক চকী' হৈছে।

ডাকুৱা ভিতৰত পানেৰীৰ ওচৰত ডফলাপোতা নামে এডোখৰ ঠাই আছে। সেই ঠাইত মাটিৰ দুটা ওখ দৌলৰ নিচিনা ডফলাপোতা ভেটি আছে। (১৯৩২ খৃঃ) এই ঠাই এতিয়া এজন লোকৰ স্থমথিৰাটেঙাৰ বাগিচাৰ ভিতৰত।

যেতিয়া দৰঙ্গী ৰজাসকল দুৰ্বল হৈ পৰিছিল, তেতিয়া উত্তৰে থকা ডফলাবিলাক আহি দৰঙৰ দাঁতি-কাষৰীয়া ঠাইৰ লোকৰ ওপৰত আক্ৰমণ চলাই ধন-বস্তু লুটি নিছিল। সেই সময়ত পুথিমাৰীত থকা বৰুৱাসকলৰ নেতৃত্বত ৰাইজ এক মুঠ হৈ ডফলাবিলাকৰ আক্ৰমণ প্ৰতিৰোধ কৰিছিল। তেতিয়া এই ঠাইত দুটা পুখুৰী খান্দি সিহঁতক পুতিছিল। তেতিয়াৰপৰা মঙ্গলদৈত ডফলাৰ আক্ৰমণ বন্ধ হৈছিল।

# ভূঞাৰ অধীনত দৰং

যেতিয়া পুৰণি অসম ৰাজ্যত পূবে আহোম আৰু পছিমে কোঁচ, এই দুটা শক্তিয়ে ৰাজ্য শাসন কৰিছিল, তেতিয়া মঙ্গলদৈত বহুতো সৰু-বৰ ভূঞাই একো একো খণ্ড ঠাইত ৰাজ্য শাসন কৰিছিল ; কোনো প্ৰবল পৰাক্ৰমী একছত্ৰী ৰজা নাছিল। কোঁচ বা আহোমে কেজনমান ভূঞাক পৰাস্ত কৰি তলতীয়া কৰিলে আকৌ কেজনমানে গা কৰি উঠিছিল। এইবাবে কোঁচ ৰজা নৰনাৰায়ণৰ সময়লৈ আনকি তাৰো কিছুকালৰ পিচলৈ প্ৰায় দৰঙ্গী ফৈদ প্ৰতিষ্ঠা হোৱা সময় পৰ্যন্ত মঙ্গলদৈ অঞ্চলৰ বহুত ঠাই ভূঞাৰ শাসনত আছিল। দৰং একছত্ৰী শাসনৰ তলত নথকাৰ কাৰণে দৰং ৰাজ্য একেবাৰে তলতীয়া কৰি ল'বৰ কাৰণে কোঁচ ৰজা আৰু আহোম ৰজাই একাধিকবাৰ চেষ্টা কৰিছিল। কোঁচ ৰজা নৰনাৰায়ণৰ ৰাজত্ব কালৰ পিচৰপৰাহে দৰং তথা মঙ্গলদৈৰ শাসনকাৰ্য একছত্ৰী শাসনৰ তললৈ আহে।

মঙ্গলদৈৰ অধিবাসীসকলৰ সৰহভাগ লোক মেছ, কছাৰী, কোঁচ আৰু আন উন্নত হিন্দু হোৱা বাবে পছিমৰ কোঁচবংশী ৰজাসকলৰদ্বাৰা প্ৰভাৱান্বিত হোৱা স্বাভাৱিক। এই কাৰণে কোঁচ ৰজা নৰনাৰায়ণৰ সময়ত মঙ্গলদৈ কোঁচ ৰাজ্যৰ অন্তৰ্ভুক্ত হয়। মঙ্গলদৈ তথা দৰং ৰাজ্যৰ ওপৰেদি যেতিয়া আহোম ৰাজ্য আক্ৰমণ কৰিবলৈ কোঁচ অভিযান কৰে, তেতিয়া দৰং ৰাজ্যৰ ওপৰেদি নৰনাৰায়ণৰ ভাতৃ গোঁহাইকমলৰদ্বাৰা আলি বন্ধায়। এই গোঁহাই-কমল আলিৰ আগত ৰৌতা ভ্ৰমৰীকুণ্ড নলখামৰা আদিত নৰনাৰায়ণ আৰু ভাতৃ চিলাৰায়ে বৈ বৈ মঠ মন্দিৰ আদি বান্ধি দেৱালয় প্ৰতিষ্ঠা কৰি পূজা-সেৱা কৰি কৰি গৈছিল। দৰং ৰাজবংশাৱলীত আছে—

সসৈন্যে সহিত নৰনাৰায়ণ ৰায়।<br>
সংগ্ৰাম সিংহক আগ কৰি চলি যায় ॥

**দৰংৰাজবংশাৱলী** টাম টুমনিত ৰৈল ৰৌতত্তাৰ বড়িত ।
তাতে বাৰখান দলে ভেটিলা ত্বৰিত ॥ ৩২৯

*        *

তৈৰপৰা ৰৈলা গই ভ্ৰমৰা কুণ্ডত ।
ত্ৰিশুল দেবীৰ ধনেশ্বৰীৰ মধ্যত ॥
পৰ্বতত গড় বান্ধিলন্ত যত্ন কৰি ।
পৰম দুৰ্জয় গড় দেখি যাক ডৰি ॥

*        *

দেবীৰ প্ৰতিমা থাপি কৰি নমস্কাৰ ।
মঠৰ দিলন্ত নাম নলযে খামাৰ ॥

*        *

এঘৰ কছাৰি দিলা তাহান দেউৰী ।
যুপি নৃপতিক দিলা প্ৰধান পূজাৰী ॥

*        *

শপত খুৱাই ৰাজা বুলিলা বচন ।
শুনিয়ো সমস্তে মোৰ বাক্য নিবন্ধন ॥
গোহাই কমল আলি মধ্যে সীমা কৰি ।
উত্তৰৰ ফালে আছে যতেক কছাৰী ॥
সেহি ফালে দেৱালয় আছে যত যত ।
কোচ মেচে পূজিবেক মোহাৰ বাক্যত ॥
দক্ষিণৰ ফালে পূজা ব্ৰাহ্মণে কৰিব ।
এই নিবন্ধনে ধৰ্ম প্ৰবৰ্তিব ॥

# দৰঙ্গত কোঁচৰাজ্য প্ৰতিষ্ঠা

ৰঘুদেৱনাৰায়ণৰ মৃত্যুৰ পিচত তেওঁৰ পুত্ৰ পৰীক্ষিতনাৰায়ণে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে উত্তৰ গুৱাহাটীত অশ্বক্লান্তৰ ওচৰত ৰাজধানী পাতি ৰজা হয়। ৰজা হোৱাৰ কিছুদিনৰ পিচতে আগৰপৰা চলি থকা বিবাদৰ কাৰণে নৰনাৰায়ণৰ পুত্ৰ লক্ষ্মীনাৰায়ণৰ লগত যুদ্ধ হয়। লক্ষ্মীনাৰায়ণক মুছলমানে সাহায্য কৰে। সেই যুদ্ধত পৰীক্ষিতনাৰায়ণ মুছলমানৰ হাতত বন্দী হয়। বাদচাহে অনুগ্ৰহ কৰি পৰীক্ষিতনাৰায়ণক মুক্তি দিয়ে। তাৰ পিচত তেওঁ প্ৰয়াগলৈ গমন কৰে আৰু তাতে তেওঁৰ মৃত্যু হয়।

পৰীক্ষিতৰ মৃত্যুৰ পিচত তেওঁৰ পুত্ৰ বলিনাৰায়ণ অনাই-বনাই ফুৰি শেষত আহোম ৰজা প্ৰতাপসিংহৰ ওচৰলৈ আশ্ৰয় বিচাৰি যায়। প্ৰতাপসিংহই তেওঁক সহায় কৰিবলৈ প্ৰতিশ্ৰুতি দিয়ে।

নৰনাৰায়ণৰ পুত্ৰ লক্ষ্মীনাৰায়ণ আৰু ৰঘুদেৱনাৰায়ণৰ পুত্ৰ পৰীক্ষিত-নাৰায়ণৰ ভিতৰত বিবাদ হোৱা কালতে পৰীক্ষিতনাৰায়ণে তেওঁৰ কন্যা মঙ্গলাদেবীক আহোম ৰজা প্ৰতাপসিংহলৈ বিয়া দি মিত্ৰতা সূত্ৰত আবদ্ধ হৈ আছিল। তেতিয়াৰপৰা দৰং ৰাজ্য আহোম ৰজাৰ মিত্ৰ আৰু কৰতলীয়া ৰাজ্য হিচাপে গণ্য হৈ আহিছিল। এই আপাহতে পৰীক্ষিতনাৰায়ণৰ পুত্ৰ বলিনাৰায়ণে আহোম ৰজাৰ ওচৰলৈ সহায় বিচাৰি যায়।

আহোম ৰজা প্ৰতাপসিংহ স্বৰ্গদেৱে পূৰ্বৰ মিত্ৰতা সুঁৱৰি, বলিনাৰায়ণক এজনী সোণাৰী ছোৱালী বিয়া দি নিম্নোক্ত মতে সীমা নিৰ্ধাৰণ কৰি দৰং ৰাজ্য যৌতুক স্বৰূপে দান কৰে। সীমা যথা—

শুনিয়োক মহামতি, পাচে স্বৰ্গ নৰপতি,
বোলে ভাই ধৰ্মনাৰায়ণ।

বঙ্গালক মাৰি যাই, কৰতোৱা গঙ্গা পাই,
তেৱে খাণ্ডা কৰিবো ক্ষালন ॥
ৰাজ্য দিলো আজি ধৰি, চতুৰ্দিশ সীমা কৰি,
সত্যে সত্যে কৈলোহো নিশ্চয় ।
পূৰ্বত ভৈৰৱী নদী, পশ্চিমে কতিয়া নদী ॥
যাক সেৱি নৰে মুক্ত হয় ॥
উত্তৰে গামৰি গিৰি, দক্ষিণে পৰ্বত চিৰি,
এহি চতুৰ্দ্দে দিলো ভূমি ।
উৎসৰ্গিলো তিলে কুশে ভূঞ্জিবাহা মহাসুখে,
সত্যে সত্যে ভূঞ্জিবাহা তুমি ॥

(দৰং ৰাজবংশাৱলী)

এই বিস্তৃত ভূখণ্ডক তেতিয়া দৰং দেশ বোলা হৈছিল ।

## দৰঙ্গী ৰাজসকল

স্বৰ্গদেউ প্ৰতাপসিংহই বলিনাৰায়ণক ধৰ্মনাৰায়ণ নাম দিয়ে । অতীজত হিমালয়ৰ নামনি অংশত থকা দ্ৰোং বা দৰং ৰাজ্য কোঁচ ৰজা ধৰ্মনাৰায়ণৰ দিনত আহোম ৰজাৰ প্ৰতিশ্ৰুতি মতে উপৰোক্ত সীমা নিৰ্ধাৰণ হৈছিল । তেতিয়াৰেপৰা ধৰ্মনাৰায়ণকে আৰম্ভ কৰি দৰঙ্গী ফৈদ নামে কোঁচবংশী ৰজাসকলৰ ভিতৰত এটি ফৈদ হ'ল । ৰজা ধৰ্মনাৰায়ণেই নতুন দৰং ৰাজ্য আৰু দৰঙ্গী ফৈদৰ প্ৰতিষ্ঠাতা ।

* দুৰ্লভনাৰায়ণৰ দিনত বৰনদীৰপৰা কৰতোৱালৈ এই ৰাজ্যখণ্ড কমতা ৰাজ্যৰ ৰজাৰ শাসনত আছিল । পঞ্চদশ শতিকাত ই কোঁচ ৰজাৰ হাতলৈ আহে । তাৰ পিচত সপ্তদশ শতিকাৰ আগভাগত দৰং ৰাজ্যৰ অন্তৰ্গত হয় ।

ৰজা ধৰ্মনাৰায়ণ দৰং ৰাজ্যত ৰজা হৈ তেওঁ খেৰখেৰীয়াত* প্ৰথমে ৰাজধানী পাতে। কিছুদিন থকাৰ পিচত তাত অসুবিধা পাই তাৰপৰা ৰাজধানী মোহনপুৰলৈ স্থানান্তৰ কৰে। মোহনপুৰ বৰ্তমান মঙ্গলদৈ নগৰৰ উত্তৰ-পছিমফালে দুমাইল দূৰত। তাক আজিকালি 'হাউলি মনপুৰ' বোলে।

ইয়াৰ পূৰ্বেও দৰং নামে ৰাজ্য এখন আছিল। এই কথা দৰং ৰাজ বংশাৱলীৰ তলত লিখা পদ কেইফাঁকিৰপৰা জনা যায়।

বঙালত নথাকয় মান যে মৰ্যাদ।
কামৰূপে চলি গৈলা ভাবিয়া প্ৰমাদ॥
দৰঙ্গ দেশত ৰৈলা মনিয়ৰী (১) গ্ৰাম।
বাৰভূঞা গৃহে পাচে কৰিলা বিশ্ৰাম॥

স্বৰ্গদেৱ প্ৰতাপসিংহই দিয়া মতে নতুন দৰং ৰাজ্যৰ সীমা উত্তৰে ভোটৰ পাহাৰৰ অংশ বিশেষ আমৰি পাহাৰ। দক্ষিণে শ্ৰীপাহাৰ (২), পূবে ভৈৰবী নদী (ভৰালী নদী), পছিমে কৰতোৱা নদী।

**ধৰ্মনাৰায়ণ**

ইং ১৬১৪ চনত ধৰ্মনাৰায়ণ দৰং ৰাজ্যত ৰজা হয়। দৰং যদিও আহোমৰ মিত্ৰ আৰু কৰতলীয়া ৰাজ্য হিচাপে আছিল, তথাপি প্ৰজাসাধাৰণে দৰঙ্গী কৈদৰ ৰজাকহে তেওঁলোকৰ ৰজা বুলি বিশ্বাস আৰু শ্ৰদ্ধা-ভক্তি কৰিছিল। ৰজা ধৰ্মনাৰায়ণেও প্ৰজা-সকলৰ সুখ-সমৃদ্ধিৰ উন্নতিৰ কাৰণে অশেষ যত্ন লৈছিল। তেওঁ বৰ ধাৰ্মিক আৰু উদাৰ মতাৱলম্বী আছিল। নিজে সাক্ত সম্প্ৰদায়ৰ হৈয়ো প্ৰজাসাধাৰণৰ ভিতৰত যাতে নিৰ্মল বৈষ্ণৱ মতবাদ প্ৰচাৰিত হয়, তাৰ কাৰণে তেওঁ বিশিষ্ট পণ্ডিত আৰু কবিসকলৰ দ্বাৰা বৈষ্ণৱবাদক প্ৰাধান্য দি বহুত পুথি অসমীয়া ভাষাত ৰচনা কৰাইছিল। ধৰ্মনাৰায়ণৰ ধৰ্মপ্ৰাণতা আৰু উদাৰনৈতিকতাত মুগ্ধ হৈ পূৰ্ব কোচবেহাৰৰ নৰনাৰায়ণৰ ৰাজসভাত থকা বহুত ধাৰ্মিক আৰু বিদগ্ধ পণ্ডিত ৰাজসভালৈ আহে। ৰজা ধৰ্মনাৰায়ণে

---

* খেৰখেৰীয়া মঙ্গলদৈৰ উত্তৰে পাহাৰৰ ওপৰত।

(১) মনিয়ৰী বৰ্তমান কামৰূপ জিলাৰ ভিতৰত।

(২) শ্ৰীপাহাৰ শ্ৰীঘাটত।

**আহোম ৰজাৰ সন্মতি সাপেক্ষে দান কৰিছিল**

তেওঁলোকক মাটি-বাৰী আদি দান কৰি শাস্ত্ৰ চৰ্চা আৰু গ্ৰন্থ ৰচনাত উৎসাহিত কৰিছিল। প্ৰজাসকলৰ ভিতৰত যাতে বহুমুখী প্ৰতিভাৰ বিকাশ হয় তাৰ কাৰণে তেওঁ দৰং ৰাজ্যত সঙ্গীত নৃত্যকলা আদি চৰ্চাৰ উন্নতিৰ কাৰণে যত্ন কৰিছিল আৰু সেই কলা-বিদ্যাৰ চৰ্চাকাৰীসকলক ধন-সম্পত্তি মাটি-বাৰী আদি দান কৰি উৎসাহিত কৰিছিল। ৰজা ধৰ্মনাৰায়ণৰ দিনত দৰং ৰাজ্যত কমাৰ, কঁহাৰ, কুমাৰ আদি শিল্পকাৰকসকলক উৎসাহিত কৰি বিৰাট আকাৰৰ দা-তৰোৱাল আদি অস্ত্ৰ-শস্ত্ৰাদি তৈয়াৰ কৰাইছিল। সেই বিৰাট দাবিলাকৰ বহুতো আজিকালিও দৰঙ্গী ফৈদৰ তেওঁলোকৰ বংশৰ লোকসকলৰ ঘৰত আছে।

তেওঁ দোষীক দণ্ড দিছিল, শিষ্টক পালন কৰিছিল। প্ৰজাসাধাৰণৰ ভিতৰত যুদ্ধ-বিদ্যাও শিক্ষা দিছিল। সেই কাৰণেই তেওঁৰ মৃত্যুৰ পিচত আহোম-মুছলমানৰ যুদ্ধত তেওঁৰ নাতিয়েক ৰজাসকলে সৈন্য-সামন্ত দি আহোম ৰজাক সহায় কৰিব পাৰিছিল।

তেওঁৰ দিনত আটাইতকৈ উন্নতি হয় ভাষা-সাহিত্যৰ। তেওঁ তেওঁৰ ৰাজসভাত বিদ্বানমণ্ডলীৰ এখন সভা পাতিছিল। তেওঁ সুকলমে ৰাজ্য শাসন কৰাৰ পিচত ইং ১৬৩৭ চনত স্বৰ্গী হয়।

**মহীন্দ্ৰনাৰায়ণ বা মহেন্দ্ৰনাৰায়ণ**

ধৰ্মনাৰায়ণৰ মৃত্যুৰ পিচত তেওঁৰ পুত্ৰ মহেন্দ্ৰনাৰায়ণ দৰং ৰাজ্যত ৰজা হয়—ইং ১৬৩৭ চনত। তেওঁৰ ৰাজত্ব কালত দৰং ৰাজ্যৰ প্ৰজাই বৰ সুখ-শান্তিত বাস কৰিছিল। তেওঁৰ ইং ১৬৪৩ চনত মৃত্যু হয়।

**চন্দ্ৰনাৰায়ণ**

মহেন্দ্ৰনাৰায়ণৰ মৃত্যুৰ পিচত তেওঁৰ পুত্ৰ চন্দ্ৰনাৰায়ণ ৰজা হয় ইং ১৬৪৩ চনত। তেওঁৰ ৰাজত্ব কালত মুছলমানে অসম দেশ আক্ৰমণ কৰে। তেওঁ দৰং ৰাজ্যৰপৰা সৈন্য-সামন্ত লৈ গুৱাহাটীত আহোম ৰজাক সহায় কৰে। এই যুদ্ধত মুছলমান হাৰে। বহুত সৈন্য বন্দী হয়। সেই বন্দী হোৱা সৈন্যৰ বহুতো চন্দ্ৰনাৰায়ণে লৈ আহে। আৰু সেইবোৰৰ কিছুমানক দাস হিচপে

মোগলবেচাত (১) বিক্ৰী কৰে। কিছুমানক মাটি-বাৰী দি মোহনপুৰৰ ওচৰত বসবাস কৰিবলৈ দিয়ে। তেওঁলোকে তাত প্ৰজা হিচাপে সুখে-সন্তোষে বাস কৰে। মহেন্দ্ৰ নাৰায়ণৰ দিনত যি ৰাজ্য আছিল তাৰ অলপো তেওঁৰ দিনত হীন-ডেটি হোৱা নাছিল। পিতামহ ধৰ্মনাৰায়ণে প্ৰজাৰ মনোৰঞ্জন কৰি ৰাজ্য শাসন কৰাৰ নিচিনাকৈ এওঁ ৰাজ্য শাসন কৰিছিল। চন্দ্ৰনাৰায়ণৰ পুত্ৰ দুজন আছিল। এজনৰ নাম সূৰ্যনাৰায়ণ আনজনৰ নাম ইন্দ্ৰনাৰায়ণ। ইং ১৬৬০ চনত তেওঁৰ মৃত্যু হয়।

ইং ১৬৬০ চনত সূৰ্যনাৰায়ণ ৰজা হয়। সূৰ্যনাৰায়ণৰ পুত্ৰ ধীৰনাৰায়ণ।

সূৰ্যনাৰায়ণ

সূৰ্যনাৰায়ণে ১৬৬০ চনৰপৰা ১৬৮২ চনলৈ ৰাজ্য শাসন কৰে। তেওঁক মুছলমানে দিল্লীলৈ বন্দী কৰি নিয়ে। সূৰ্যনাৰায়ণৰ পিচত তেওঁৰ ভায়েক ইন্দ্ৰনাৰায়ণ দৰঙত ৰজা হয় ইং ১৬৮২ চনত। তেওঁৰ দিনত দৰং ৰাজ্য সম্পূৰ্ণ আহোমৰ তলতীয়া হয়। ইন্দ্ৰনাৰায়ণৰ আদিত্যনাৰায়ণ, মৌদনাৰায়ণ আৰু ধৈৰ্যনাৰায়ণ নামে তিনিজন পুত্ৰ হয়। ইন্দ্ৰনাৰায়ণৰ ককায়েক সূৰ্যনাৰায়ণৰো ধীৰনাৰায়ণ নামে এজন পুত্ৰ আছিল। ধীৰনাৰায়ণৰ পুত্ৰ ভোগনাৰায়ণ, কীৰ্তিনাৰায়ণ, হংসনাৰায়ণ আৰু লক্ষ্মীনাৰায়ণ। ইন্দ্ৰনাৰায়ণৰ মৃত্যুৰ পিচত আদিত্যনাৰায়ণ ইং ১৭২৫ চনত দৰঙৰ ৰজা হয়। ইন্দ্ৰনাৰায়ণৰ দিনত ৰাজ্যৰ অৱস্থা শোচনীয় হৈ পৰে। ইন্দ্ৰনাৰায়ণৰ মৃত্যুৰ পিচত তেওঁৰ পুত্ৰসকলৰ ভিতৰত ৰাজপদৰ কাৰণে বিবাদ হয় আৰু আদিত্যনাৰায়ণ * ইং ১৭২৫ চনত দৰঙৰ ৰাজপাটত উঠে। নিজৰ বংশৰ ভিতৰত ৰাজ্যৰ কাৰণে কন্দল উপস্থিত হোৱাত তেওঁলোকে কৰতলীয়া ৰজা হিচাপে আহোম ৰজাক পৰিশোধ কৰিবলগীয়া কৰ-কাটল পৰিশোধ কৰিবলৈ অসমৰ্থ হয়। ইফালে আহোম ৰজাৰ শাসন পৰিচালক কৰ্মচাৰীসকলে কৰ-কাটল নোশোধোৱাত ৰজা আদিত্যনাৰায়ণক হেঁচা দিয়ে। আদিত্যনাৰায়ণে নিৰুপায় হৈ সেই সময়ৰ আহোম ৰজা স্বৰ্গদেউ গৌৰীনাথ সিংহক প্ৰাৰ্থনা জনায়। স্বৰ্গদেউ গৌৰীনাথ সিংহই তেওঁ পৰিশোধ কৰিব-

---

(১) মোগলবেচা বৰ্তমান কলাইগাঁও মৌজাত।

* মৌদনাৰায়ণ, ধৈৰ্যনাৰায়ণ, হংসনাৰায়ণ, হয়নাৰায়ণ, দুৰ্লভনাৰায়ণ, সমুদ্ৰনাৰায়ণ, প্ৰেমনাৰায়ণ, বিষ্ণুনাৰায়ণ, জগৎনাৰায়ণ, কৃষ্ণনাৰায়ণ, মুকুন্দনাৰায়ণ মঙ্গলদৈ মহকুমাত দৰঙী বংশ্য হিচাপে গণ্য হৈছিল। (বংশলতা)

লগীয়া কৰ ৰেহাই দি দৰং ৰাজ্যৰ সীমা সঙ্কুচিত কৰি একাংশত ৰাজকাৰ্য-পৰিচালনা কৰিবলৈ আদেশ দিয়ে।

আদিত্যনাৰায়ণৰ দিনত স্বৰ্গদেউ গৌৰীনাথ সিংহই দৰঙ্গী ৰাজকুমাৰক যিখন ফলিৰদ্বাৰা দৰঙ্গৰ অন্তৰ্গত মঙ্গলদৈত অধিকাৰ সাব্যস্ত কৰি দিছিল, তাৰ নকল—

"ইতি কন্দৰ্প দৰ্পঘুৰণৈক গুণৈক সৃ শ্ৰীশ্ৰীগৌৰীনাথ সিংহঃ শ্ৰীস্বৰ্গ নাৰায়ণো নৃপ ক্ষিতিপতি কুলমৌলি ভ্ৰাজমানাঘ্ৰিপীঠঃ সুনয় নিচয়তল্পো দান কল্পদ্ৰু কল্পঃ হিমকৰ হৰহাৰ বিস্তাৰ কীৰ্তিঃ সুৰতৰ বৰ ৰন্ধ্ৰ সক্ৰ গোত্ৰাৰ্নবেন্দঃ গম্ভিমোদাৰ্য সৌৰ্যাদি সম্ভুনানা মহোদধিঃ অয়পুদ্যৰতঃ স্যাদা বৃদ্যাৰ্থং তাম্ৰ পত্ৰিকাং।

শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ
দেব শ্ৰীগৌৰীনাথ সিংহ
নৰেশ্বৰাণাং

"দৰঙ্গ দেশৰ ৰাজা ৰাজপুত্ৰ ও হাজাৰিকিয়া ও চহৰিয়া ও দুৱৰাদাৰ ও শইকিয়া ও বৰা সকলেও সাবধানে জানিবেক পূবে ধনশিৰি নৈ পশ্চিমে বৰনদী উত্তৰে গোহাঁইকমলাৰ আলি দক্ষিণে লোহিত এই চতুৰহদে দৰঙ্গৰ ভিতৰত জিৰতা কচি দুৱৰাৰ ধন ৮৮ৰ সঙ্গেত শোধাব লাগিয়া আছিল দৰঙ্গিএ আৰাও কৰিলত ৮৮বোলে মোৰ বন্দি বেটাটোএ কৰ্মপোয়াত থাকি চতুৰহদৰ ভিতৰত জিখন ধন লব লগা আচিল তাকে এৰি দিয়া গল ইহাতে কোনো জনে অন্যথা নাচাৰিব আচৰিলে দণ্ডাৰ্হ হবেক ৰুদ্ৰমেত্ৰয়োশাকে কাৰ্তিকে অষ্টাদশ দিনে শক ১৭১১ কাৰ্তিকৰ ১৮ দিন।"

এই ফলিৰ মতে পূৰ্বৰ দৰং ৰাজ্যৰ সীমা সঙ্কুচিত হৈ গৈ একমাত্ৰ মঙ্গলদৈ মহকুমাটোহে দৰং ৰাজ্য হিচাপে আছিলগৈ।

তাৰ পিচত আদিত্যনাৰায়ণৰ পুত্ৰ বিষ্ণুনাৰায়ণ উপৰোক্ত সীমাৰ অন্তৰ্গত মঙ্গলদৈ মহকুমাৰ মাত্ৰ ঠাইখিনিত আহোম ৰজাৰ তলত ৰাজকাৰ্য পৰিচালনা কৰে। বিষ্ণুনাৰায়ণৰ ভতিজাপুত্ৰ হংসনাৰায়ণ, হংসনাৰায়ণৰ পুত্ৰ

জগৎনাৰায়ণ, তেওঁৰ পিচত প্ৰেমনাৰায়ণে নামমাত্ৰ দৰং ৰাজ্যত ৰাজকাৰ্য চলায়। তাৰ পিচত দৰঙ্গীকোঁৱৰ কৃষ্ণনাৰায়ণে ৰজা বুলি ঘোষণা কৰি আহোম ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰে—ইং ১৭৯২ চনত। কৃষ্ণনাৰায়ণে বঙ্গদেশ আৰু বিহাৰৰপৰা কিছুমান চিপাহী আনি আহোম ৰজাৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। যুদ্ধত ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰ প্ৰায় দখল কৰিছিল। কৃষ্ণনাৰায়ণ কোঁৱৰ দৰঙ্গৰ দৰঙ্গী কোঁৱৰ হংসনাৰায়ণৰ পুত্ৰ। হংসনাৰায়ণৰ পিচত প্ৰেমনাৰায়ণ, প্ৰেমনাৰায়ণৰ পিচত জগৎনাৰায়ণ, তেওঁৰ পিচত ১২শ ৰাজকুমাৰ কৃষ্ণনাৰায়ণ মঙ্গলদৈৰ ৰজা হয়। তেৱেঁই বিদ্ৰোহী হৈ মঙ্গলদৈ স্বাধীন কৰিবলৈ চেষ্টা কৰিছিল।

**দৰঙত বিদ্ৰোহ**

ইং ১৭৯৫ চনৰপৰা ১৮০৯ চনলৈ কমলেশ্বৰ সিংহই ৰাজত্ব কৰে। এওঁৰ দিনত মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবলৈ আহোম ৰাজ্যলৈ কৰ্ণেল ওৱেলচ্ চাহাব আহে। সেই ওৱেলচ্ চাহাবে কৃষ্ণনাৰায়ণক পৰাস্ত কৰে। তেওঁৰ পিচত আহোম ৰজাই সমুদ্ৰনাৰায়ণক ৰজা পাতে। আহোম ৰজাই তেওঁক ৰজা পাতি সতৰ্ক কৰি দিয়ে যে প্ৰজাসাধাৰণক যাতে দুখ-কষ্ট নিদিয়াকৈ শাসন কৰে। আহোম ৰজাই তেওঁক উত্তৰ সীমাৰ ভূটীয়াসকলৰ বাবা ৰক্ষাৰো দায়িত্ব অৰ্পণ কৰিছিল। তাৰ পিচত দৰঙ্গী ৰজাসকলৰ শক্তি-ক্ষমতা একেবাৰে হ্ৰাস হৈ যায়। ৰাজকুমাৰসকলে একোজন জমীদাৰৰ নিচিনা সৰু সৰু একো খণ্ড ঠাইৰ অধিকাৰ লৈ 'কুমাৰ' বুলি পৰিচয় দি থাকে। ইং ১৮২৬ চনত ইয়াণ্ডাবু সন্ধি মতে ইংৰাজে আহোম ৰজাৰ হাতৰপৰা অসম শাসনৰ দায়িত্ব গ্ৰহণ কৰাৰ লগে লগে মঙ্গলদৈৰ দৰং ৰাজ্যৰ শাসনৰ দায়িত্বও ইংৰাজৰ হাতলৈ যায়। তেতিয়াৰেপৰা দৰঙত দৰঙ্গী কৈদৰ ৰাজত্বৰ অৱসান হয়।

**আহোম ৰজা কমলেশ্বৰ সিংহ**

সেই সময়ত যিসকল ৰাজকুমাৰ আছিল, তেওঁলোকৰ ভাগে ভাগে যি যি জমিদাৰী অংশ আছিল, সেইবিলাক ইংৰাজৰ তলতীয়া হোৱাৰ লগে লগে নিষ্পিখেৰাজ হিচাপে গণ্য হয় আৰু ইংৰাজক তাৰ বাবে খাজনা পৰিশোধ কৰিবলগীয়া হয়।

# দৰঙ্গী কৈদৰ ৰজাসকলৰ পুৰুষনামা

## দৰঙ্গী কৈদৰ আদি ৰজা



৮ম ৰজা ধীৰনাৰায়ণ

ভোগনাৰায়ণ　কীৰ্তিনাৰায়ণ　৮মক হংসনাৰায়ণ　লক্ষ্মীনাৰায়ণ

১৩শ মুকুন্দ নাৰায়ণ

১২শ বিষ্ণু নাৰায়ণ　অমৃত নাৰায়ণ　খৰ্গ নাৰায়ণ　অচ্যুত নাৰায়ণ　ধৰ্ম নাৰায়ণ　ধৈৰ্য নাৰায়ণ

ৰত্ননাৰায়ণ　প্ৰচণ্ডনাৰায়ণ　হৰেন্দ্ৰনাৰায়ণ

মাধৱনাৰায়ণ

জয় নাৰায়ণ　স্বৰ্ড় নাৰাযণ　বিজয় নাৰায়ণ　প্ৰভাত নাৰায়ণ *

যোগেন্দ্ৰনাৰায়ণ　অনন্তনাৰায়ণ　মহীনাৰায়ণ　প্ৰসিদ্ধনাৰায়ণ

ধৰ্মনাৰায়ণ

প্ৰভাতনাৰায়ণৰ পুত্ৰ

শিবেন্দ্ৰনাৰায়ণ

মেঘনাৰায়ণ　প্ৰতাপনাৰায়ণ

*(৺হেমচন্দ্ৰ গোস্বামীদেৱে প্ৰকাশ কৰা ৰাজ বংশাৱলীৰপৰা)।

## দৰঙ্গী কৈদৰ ৰজাসকলৰ দিনত দৰং ৰাজ্যৰ অৱস্থা

দৰং ৰাজ্য আহোম ৰজাৰ মিত্ৰ আৰু কৰতলীয়া ৰাজ্য আছিল। স্বাধীন ৰাজ্যৰ প্ৰজাই যিদৰে সুখে-সন্তোষে কাল কটাই বাস কৰে, দৰং ৰাজ্যৰ প্ৰজাসাধাৰণেও সেইদৰে সুখে-সন্তোষে বাস কৰিছিল। সেই কাৰণে প্ৰজাসকল ৰাজভক্ত আছিল। ৰজাই যেতিয়াই যি আদেশ দিয়ে, তাক বিনা আপত্তিৰে প্ৰজাই পালন কৰিছিল। সেই বাবেই দৰঙ্গী ৰাজকুমাৰৰ নেতৃত্বত প্ৰজাসাধাৰণে আহোম ৰজাৰ বিৰুদ্ধে বিদ্ৰোহত প্ৰাণদান কৰিও সাহায্য কৰিছিল। ইয়াৰপৰাই প্ৰজাসকল ৰজাৰ কেনে অনুগত আছিল জনা যায়। প্ৰজাসকল সাহসী আছিল। ইং ১৬৮৫ চনত আহোম ৰজাই দৰং ৰাজ্যত মাটি পিয়ল কৰোঁতাত দৰং ৰাজ্যৰ প্ৰজাই ফটিক হাজৰিকাৰ নেতৃত্বত বিদ্ৰোহৰ নিচান লৈ আহোম ৰাজ্যৰ ৰাজধানী ৰংপুৰ পাইছিলগৈ।

দৰঙ্গী ৰজাসকলৰ ৰাজত্ব কালত দৰং ৰাজ্যৰ বিশেষ উন্নতি হৈছিল। দৰঙৰ প্ৰথম ৰজা ধৰ্মনাৰায়ণ বৰ বিদ্যোৎসাহী আৰু ধাৰ্মিক নৃপতি আছিল। তেওঁৰ ৰাজসভাত কবি, বৈদ্য, জ্যোতিষী, গায়ক, ধাৰ্মিক, বিদ্বান আৰু জ্ঞানী পণ্ডিতসকলৰে মহাৰাজ বিক্ৰমাদিত্যৰ আদৰ্শৰে নব-ৰত্নৰ সভা প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ দিনত মহাকবি ৰাম সৰস্বতীৰ নিচিনা কবি, পুৰোষোত্তম ভট্টাচাৰ্যৰ নিচিনা আগমাচাৰ্য, পীতাম্বৰ সিদ্ধান্তবাগীশৰ নিচিনা স্মৃতিশাস্ত্ৰ-বিশাৰদ পণ্ডিত, চন্দ্ৰশেখৰ সাগৰখড়িৰ নিচিনা জলতত্ত্ববিদ্ জ্যোতিষী আৰু কবি, জ্যোতিষ শাস্ত্ৰৰ বিদগ্ধ পণ্ডিত আৰু তন্ত্ৰবিদ বিদ্যাবল্লভ সূৰ্যখড়িৰ পিতামহাদি মহা পণ্ডিত, সংগীতশাস্ত্ৰবিশাৰদ গায়ক সাগৰ ব্যাসকলাইৰ নিচিনা সংগীতসাধক আদি মহা মহা পণ্ডিতে তেওঁৰ ৰাজসভা অলঙ্কৃত কৰিছিল। তেওঁলোকৰ ৰাজত্ব কালত সংস্কৃত বিদ্যাৰ চৰ্চা দৰং ৰাজ্যত যথেষ্ট হৈছিল।

সংস্কৃত মহাভাৰত, সংস্কৃত পুৰাণৰ অসমীয়া ভাষালৈ পদ্য ছন্দত অনুবাদ কৰি মহাভাৰতৰ বহুতো পৰ্ব, ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ খণ্ড, ভাগৱতৰ স্কন্ধাদি

আৰু ৰাম্বল সংহিতাদিৰ সাহায্যত বহুতো উপপৰ্ব, শ্ৰীমদ্ভাগবদ্গীতাদি পদ্য ছন্দত ৰচনা কৰি মাতৃভাষাৰ কলেৱৰ বৃদ্ধি কৰিছিল। পূজা-পাটলাদি সম্বন্ধে নানান চৰ্চা চলিছিল। দৰঙ্গী ৰজাসকলৰ ৰাজত্ব কালৰপৰা বৰ্তমান সময়লৈ মঙ্গলদৈত পূজা-অৰ্চনাদিৰ সম্বন্ধে দেৱ-দেৱীসকলৰ পূজা পদ্ধতিৰ স্বকীয়া চৰ্চা চলি আহিছে, আজিকালিৰ মঙ্গলদৈত চলি থকা পূজা পদ্ধতিয়েই তাৰ পৰিচয় দিয়ে। দেৱ-দেৱীৰ পূজা বেদীত পঞ্চবৰ্ণৰ গুড়িৰে ৰচনা কৰা (অঙ্কিত কৰা) মণ্ডলৰ আকৃতি আৰু ৰচনা-কৌশল মঙ্গলদৈৰ নিচিনা অসমৰ বহুত ঠাইত দেখা নেযায়। পূজা বেদীৰ ওপৰত পূজা অনুসাৰে দিবলগীয়া মণ্ডল মঙ্গলদৈত তেতিয়াৰপৰা এতিয়ালৈ প্ৰচলিত আছে।

**পূজাবেদীৰ মণ্ডল**

এই মণ্ডলাধ্যায়ৰ বিশেষ উন্নতি হৈছিল মোহনপুৰৰ দৰঙ্গী ৰজাৰ ৰাজ-সভাৰ তান্ত্ৰিকাচাৰ্যৰ চৰ্চাত। অসমীয়া ভাষাৰ বৃক্ষজুপিত মহাকবি ৰাম-সৰস্বতী, গোপীনাথ পাঠক, গোবিন্দ মিশ্ৰ, সাগৰখড়ি, সূৰ্যখড়ি আদি মহা মহা পণ্ডিতসকলে সাৰপূৰ্ণ জল সিঞ্চন কৰি অসমীয়া ভাষাক ফলে ফুলে জাতিষ্কাৰ কৰিছিল। দৰং ৰাজসভাৰ অসমীয়া তথা দৰং ৰাজ্যৰ মহাকবি-সকলৰ গৌৰৱত আজি অসমীয়া জাতি গৌৰৱান্বিত।

দৰঙ্গী ৰজাসকলৰ দিনত সংগীত চৰ্চাত উৎকৃষ্ট সংগীত সাধক ব্যাস-কলাইসকলে সংগীতৰ চৰ্চা কৰিছিল—শ শ বছৰৰ পিচতো যি বৈদিক সংগীতে ভাৰতৰ প্ৰথম স্থান অধিকাৰ কৰি আজিৰ দিনতো যশস্যা অৰ্জন কৰিবলৈ সমৰ্থ হৈ আছে। পুণা সংগীত কলেজৰ অধ্যক্ষ মাননীয় পটবৰ্ধন ডাঙৰীয়াই মঙ্গলদৈৰ ব্যাস-গায়ক শ্ৰীধাতুৰাম শৰ্মাৰ পূৰ্ণাঙ্গ সাৰঙ্গ ৰাগ শুনি কি মন্তব্য প্ৰকাশ কৰিছিল? আজিৰ সকলোপিনে পিচপৰা মঙ্গলদৈতো বৈদিক ৰাগৰ চৰ্চাই ভাৰতৰ ভিতৰত শ্ৰেষ্ঠ সংগীত অধ্যাপকৰ ধন্যবাদৰ পাত্ৰ হৈছিল।

**সাৰঙ্গ ৰাগ**

দৰঙ্গী ৰজাসকলৰ দিনত এফালে যেনেকৈ শাস্ত্ৰচৰ্চা আৰু কলা বিদ্যাৰ চৰ্চা হৈছিল, সেইদৰে অস্ত্ৰ-শস্ত্ৰ যুদ্ধ বিদ্যাৰ চৰ্চাতো অমনযোগী নাছিল; শৰাইঘাটৰ যুদ্ধৰ দৰঙ্গী সৈন্যৰ সেনাপতি আৰু ৰাজকুমাৰ চন্দ্ৰনাৰায়ণৰ

কাৰ্যলৈ মনত কৰিলেই সেই কথা বুজিব পাৰি। ৰাজকুমাৰ কৃষ্ণনাৰায়ণে আহোম ৰজাৰ প্ৰতি বিদ্ৰোহ ঘোষণা কৰি দৰং ৰাজ্যৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে দখল কৰি লোৱা কাৰ্যই তেওঁলোকৰ শেষ ৰাজত্ব কালতো থকা শৌৰ্য-বীৰ্যৰ পৰিচয় দিয়ে। ইং ১৬৮৫ চনত আহোম ৰজাই কৰতলীয়া দৰং ৰাজ্যত ৰাজত্ব বৃদ্ধিৰ উদ্দেশ্যে মাটি পিয়ল কৰোৱাত আৰু ফটিক হাজৰিকাই বিদ্ৰোহী নিচান লৈ সদলে আহোম ৰজাৰ ৰাজধানী পোৱা কাহিনীয়ে দৰঙ্গী প্ৰজাৰ সাহসৰ পৰিচয় দিয়ে। ৰাজত্বৰ শেষ কালতো যেতিয়া একোজন লোকৰ অন্তৰত এনেকৈ সৎসাহস আৰু ন্যায়পৰায়ণতা আছিল, দৰঙ্গী ৰজাসকলৰ ৰাজত্বৰ প্ৰথম অৱস্থাত যে আৰু কেনে আছিল এই কথা অলপ গমি চালেই বুজিব পাৰি।

দৰঙ্গী ৰজাসকলে ধৰ্মীষ্ঠ আৰু আত্মজ্ঞ সাধু গোঁসাই-মহন্তসকলক মাটি-বাৰী দান দি সত্ৰাদি পাতি দিয়াৰপৰা তেওঁলোকৰ অন্তৰত থকা ধৰ্মভাৱৰ পৰিচয় পোৱা যায়। ৰজা নিজে শাক্ত আছিল। কিন্তু মহান উদাৰ ভাব লৈ দেশৰ সংস্কৃতি আৰু ধৰ্মৰ উন্নতিৰ সহায় কৰিবলৈ বৈষ্ণৱ সাহিত্যৰ বহুল প্ৰচাৰৰ অৰ্থে কৰা যত্নই দৰঙ্গী ৰজাসকলৰ উদাৰ ধৰ্মভাৱৰ আৰু দূৰদৰ্শিতাৰ পৰিচয় দিয়ে। ধৰ্ম আৰু সংস্কৃতিক একেডাল ডোলতে বান্ধি খুৱাবলৈ দৰঙ্গী ৰজাসকলে যি বিষ্ণু পূজাৰ উদ্দেশ্যে গন্ধ চৌপৰী (১), আদ চৌপৰী (২), এক্‌পৰীয়া সভা (৩) আৰু পূৰ্বৰপৰা চলি অহা মাৰৈপূজাৰ

---

(১) গোন্ধ চৌপৰী : আগদিনা সন্ধ্যা সময়ৰপৰা পিচদিনা সন্ধ্যা সময়লৈ চলা বিষ্ণু পূজা।

চাৰি হস্ত দীৰ্ঘ প্ৰস্থ পৰিমিত উচচবেদীৰ ওপৰত পঞ্চবৰ্ণৰ গুড়িৰে সৰ্বতোভদ্ৰ মণ্ডলৰ ওপৰত শ্ৰীশ্ৰীবাসুদেৱ মূৰ্তি অভাৱে ঘট স্থাপন কৰি, প্ৰথম দিনা সন্ধ্যা সময়ৰপৰা পূজা আৰম্ভ কৰে। ব্যাসৰ ওজাই পূজাৰ অধিবাসৰ গীত গায়। পিচদিনা দুপৰীয়া পূৰ্ণাঙ্গ পূজা কৰে। আবেলি ১ বজাৰপৰা ব্যাসৰ ওজাই ৰাগ মালিতা সম্বলিত মহাভাৰত পুৰাণ ৰামায়ণৰ পদ গায়। নিমন্ত্ৰিত দৰ্শকে সভাত যোগ দিয়ে। সন্ধ্যা সময়ত সভা ভঙ্গ হয়।

(২) আদচৌপৰী : ইয়াতো বেদীত ভাগৱত স্থাপন কৰে। সন্ধ্যাৰপৰা কাৰ্য আৰম্ভ হয়। প্ৰথমতে পাঠ, তাৰ পিচত নাম গোৱা আৰু নিশা ১২ বান বজাৰপৰা ব্যাসৰ ওজাই চৌপৰীৰ নিচিনাকৈ পদ গায়। ৰাতিপুৱা সভা ভঙ্গ হয়।

(৩) এক পৰীয়া : ইয়াত আগবেলাৰপৰা শ্ৰীশ্ৰীবাসুদেৱ পূজা হয়। ভাগৱত কিম্বা ঘটস্থাপন কৰি পূজা কৰে। কোনো কোনো ঠাইত পূজা নকৰাকৈ কেৱল ভাগৱত স্থাপন কৰে। আবেলিৰপৰা ওজাই পদ গায়। সন্ধ্যা সময়ত সভা ভাগে।

সকলো সভাতে দৰ্শক আৰু শ্ৰোতাসকলে সভা ভঙাৰ পিচত মাহ-প্ৰসাদ পায়।

যি উন্নতি সাধন কৰিলে তাৰদ্বাৰাই তেওঁলোকৰ জাতীয় কৃষ্টি আৰু ধৰ্ম ভাবৰ প্ৰতি কেনে শ্ৰদ্ধা আছিল, তাৰ নমুনা দেখা যায়। একেটা বেদীতে একে মণ্ডলৰ ভিতৰতে কছাৰীৰ উপাস্য দেৱতাৰ প্ৰতীক পবিত্ৰ সিজুগছ আৰু পদ্মা কুমাৰীৰ পূজাৰ ঘট, কিম্বা প্ৰতিমা স্থাপন কৰি জ্ঞানী পূজাৰী ব্ৰাহ্মণৰ-দ্বাৰাই কৰোৱা পদ্মাপূজাৰ আদৰ্শই দৰঙ্গী ৰজাসকলৰ সমাজ গঠনৰ প্ৰচেষ্টা আৰু আঁহিৰ পৰিচয় দিয়ে। সেই সময়ৰ দৰং ৰাজ্য এখনি সৰ্বতোভাৱে আদৰ্শ হিন্দুৰাজ্য আছিল। মঙ্গলদৈৰ আজিৰ অৱনত অৱস্থা দেখি অনুমান হয় যে সেই সময়ৰ দৰং ৰাজ্যৰ চৰম উন্নতিৰ ফল স্বৰূপে অৱসাদে পূৰ্বকালৰ উন্নতিৰ অৱস্থা উপলব্ধি কৰাইছে। দৰঙ্গী ৰজাসকলে ধৰ্মক কেন্দ্ৰ কৰি ৰচনা কৰা সমাজবাদে সেই সময়ৰ দৰঙ্গী প্ৰজাৰ মনত সাম্প্ৰদায়িকতা সমূলি নষ্ট কৰি পেলাইছিল। সেই কাৰণেহে দৰং ৰাজ্যৰ ৰাজধানীত হোৱা দুৰ্গাপূজাত হোৱা উৎসৱত হিন্দু-মুছলমানে উভয় সম্প্ৰদায়ে

**ধৰ্মনিৰপেক্ষ ৰাজ্য**

সমানে পূজা আৰু উৎসৱত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। দৰঙ্গী মুছলমানসকলৰ ৰাজানুগত্য উদাৰতাৰ সেই সময়ৰ আঁহিৰ প্ৰতি লক্ষ্য কৰিলে আজিয়ো শিৰ দোঁ খাই পৰে। সেইবাবেহে আজি বিংশ শতিকাতো দৰঙ্গী স্থানীয় হিন্দু মুছলমানৰ ইমান মিলাপ্ৰীতি আৰু সহানুভূতিশীলতা দেখা যায়।

আহোম ৰাজ্যত যেতিয়া একে হিন্দুৰ ভিতৰতে বৈষ্ণৱ আৰু শাক্ত মতৰ বিৰোধ উপলক্ষে হোৱা বিবাদক কেন্দ্ৰ কৰি মোৱামৰীয়া

**ধৰ্মনিৰপেক্ষ সমাজ গঠন**

বিদ্ৰোহ হৈছিল, দৰং ৰাজ্যত তেতিয়া হিন্দু-মুছলমান দুয়ো ধৰ্মৰ প্ৰজাসকলে এক লগ হৈ দৰং ৰাজকুমাৰ কৃষ্ণনাৰায়ণৰ নেতৃত্বত আহোম ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ কৰি ৰাজ্যৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰ সম্পূৰ্ণ দখল কৰি দৰঙৰ স্বাধীনতা ঘোষণা কৰিছিল। এয়ে দৰঙ্গী ৰজাৰ ধৰ্মৰ উদাৰতা আৰু দৰঙ্গী হিন্দু-মুছলমানৰ সহৃদয়তাৰ পৰিচয় দিয়ে। সেই শান্তিপূৰ্ণ সামাজিক মিলাপ্ৰীতি ভাৰতৰ আদৰ্শস্থানীয়।

এনে আদৰ্শস্থানীয় দৰং ৰাজ্যৰ ৰজাসকলৰ অৱনতিৰ মূল কাৰণ বিচাৰিলে দেখা যায়, ৰাজবংশী কুমাৰসকলৰ ভিতৰত গৃহকন্দল। আহোম ৰজাসকলৰ আশ্ৰয়ত শান্তিত বাস কৰি ৰজা প্ৰজা উভয়েৰে আলস্যপৰায়ণতা, শাসক-

সকলৰ অন্তৰত দাৰ্শনিক চিন্তাধাৰাৰ প্ৰবলতাৰদ্বাৰা জন্মা উদাসীনতা, চতুৰ ইংৰাজৰ সাম্ৰাজ্যবাদৰ অভিসন্ধি, অসমব্যাপী প্ৰচলন হোৱা কানি ৰব বিহৰ প্ৰচলন, মানৰ অত্যাচাৰ, ৰাজনৈতিক চিন্তাধাৰাৰ অভাৱ, ৰাজবিষয়াসকলৰ স্বাৰ্থান্ধতা, দুৰ্নীতিৰ প্ৰভাৱত ৰজা-প্ৰজাৰ নৈতিকতাহীনতা, অস্ত্ৰাদি চৰ্চাৰ প্ৰতি উদাসীনতা আদি কাৰণেই দৰং ৰাজ্য আৰু দৰঙ্গী ৰাজবংশৰ পতনৰ মূল কাৰণ। অতীজৰ দৰং ৰাজ্যৰ অৱশিষ্টাংশ মঙ্গলদৈত পাশ্চাত্য শিক্ষাৰ বাহন ইংৰাজী শিক্ষা অসমৰ ভিতৰত আটাইতকৈ পিচত প্ৰচলিত হয়। এই কাৰণেই মঙ্গলদৈ বৰ্তমানলৈ পিচ পৰি থাকিল।

মঙ্গলদৈৰ অনুন্নত অৱস্থা

স্বাধীন অসমৰ একাংশ দৰং ৰাজ্যৰ প্ৰজাৰ মনত স্বাধীন ভাব বহুত দিনলৈয়ো প্ৰজ্বলিত হৈ আছিল। তাৰ পৰিচয় পথৰুঘাট বা পাথৰিঘাটৰ ৰণ।

পাথৰিঘাট মঙ্গলদৈ মহকুমাৰ পছিমাংশে ৰয়না কুছি মৌজাৰ ভিতৰত। অতীজৰপৰা এই ঠাই মঙ্গলদৈৰ ভিতৰত এডোখৰ প্ৰধান ঠাই বুলি জনাজাত। তাত সেই অঞ্চলৰ ৰাজহ আদায় কৰা তহচিল অফিচ আৰু এখন উচচ প্ৰাইমাৰী স্কুল আছিল। তাৰ অধিবাসীসকলৰ ভিতৰত মুছলমান সংখ্যাগৰিষ্ঠ।

পাথৰি ঘাটৰ ৰণ

দৰং ৰাজ্য ইংৰাজৰ হাতলৈ যোৱাৰপৰা ইং ১৮৯৪ চনলৈ দৰংৰাজ্যত কেইবাবেলিও মাটি পিয়ল হৈছিল। ইংৰাজ শাসনৰ তললৈ অহাৰ পিচত ইং ১৮৪১ চনলৈ দৰঙ্গী প্ৰজাই খেলৰ প্ৰথামতে হালখনে পতি বছৰি তিনি টকাকৈ নাঙল-কৰ দিছিল। ইং ১৮৪২ চনত নতুনকৈ মাটি পিয়ল কৰি মাটিৰ বস্তী, ৰূপিত, ফৰিঙ্গতি আদি শ্ৰেণী বিভাগ কৰে। পিয়লৰ পিচত ৰূপিতৰ পূৰাত ডেৰ টকা আৰু আন দুবিধৰ পূৰাত এটকা হিচাপে ৰাজহ ধাৰ্য কৰে। ইং ১৮৩২।৩৩ চনত দৰঙ্গৰ প্ৰজাই খেলৰ প্ৰথা মতে ৰাজহ আদায় দিছিল ৪১,৫০৬৲ টকা। ইং ১৮৪২।৪৩ চনৰ পিয়লৰ পিচত ৰাজহ বৃদ্ধি হৈ হৈছিল ১,৩৫,৪৫৪,

নাঙল-কৰ

ৰাৰম্বাৰ পিয়ল

টকা। আকৌ তাৰ দহ বছৰৰ পিচতো পুনৰ মাটি পিয়ল কৰে আৰু এই বেলিয়ো খাজনা বৃদ্ধি হ'ল বুলি চৰকাৰে ঘোষণা কৰে।

**বিদ্ৰোহী ভাবৰ কাৰণ**

প্ৰতি দহ বছৰে এইদৰে খাজনা বৃদ্ধিৰ সংবাদে ৰাইজক বৰ অসন্তুষ্ট কৰিলে। নতুনকৈ পৰাধীন হোৱা প্ৰজাৰ মনত ইংৰাজবিলাকৰ এনে শোষণ নীতিৰ প্ৰতি ঘৃণা জন্মিল আৰু মনত বিদ্ৰোহী ভাবে ঠাই ল'লে। তদুপৰি বাহিৰৰপৰা অহা কৰ্মচাৰী-সকলে অজলা দৰঙী প্ৰজাক যথেষ্ট শোষণ কৰিছিল।

**প্ৰথম বিদ্ৰোহ**

এনে শোষণত প্ৰজাবৰ্গ দুৰ্ঘোৰ বিৰক্ত হৈছিল। এনে অৱস্থাত ইং ১৮৬৮ চনত যেতিয়া পিয়লৰ পিচত প্ৰজাসকলে বৃদ্ধি হাৰত খাজনা দিবলৈ হুকুম হ'ল, তেতিয়া প্ৰজাৰ মনত উমি উমি জ্বলি থকা বিদ্ৰোহী ভাব প্ৰবলভাৱে জ্বলি উঠিল। বৃদ্ধিহাৰত খাজনা দিবলৈ বুজাবৰ কাৰণে দৰং জিলাৰ ডেপুটি কমিচনাৰ চাহাব পাথৰি-ঘাটৰ ডাক্ বঙলাত থাকি প্ৰজাক বুজাবলৈ গৈছিল। প্ৰজাসকলে বৃদ্ধি হাৰত খাজনা দিবলৈ অসমৰ্থ বুলি আপত্তি কৰিলে। ডেপুটি কমিচনাৰে কোনো আপত্তি নুশুনি ৰাজহ আদায় দিবলৈ কোৱাত প্ৰজাসকল জ্বলি উঠিল আৰু বঙলাত জুই দিবলৈ আয়োজন কৰিলে। স্থানীয় গণ্য-মান্য লোক-সকলৰ যত্নত এইবেলি বিশেষ অপ্ৰীতিকৰ ঘটনা হ'বলৈ নেপালে।

**পাথৰি ঘাটত সত্যাগ্ৰহ**

ইং ১৮৯৪ চনত পুনৰ ইংৰাজ চৰকাৰে বৃদ্ধি নিৰিখত ৰাজহ দিব লাগিব বুলি ঘোষণা কৰিলে। সেই সময়ত পাথৰি ঘাটত তহচিল অফিচ আছিল। প্ৰজাসকলে বৃদ্ধি নিৰিখত ৰাজহ দিব নোৱাৰে বুলি তহচিলদাৰক আপত্তি জনালে। এনেদৰে আপত্তি জনোৱাৰ উদ্দেশ্যে সেইবাৰো প্ৰজাসকল পাথৰিঘাটত সমবেত হৈছিল। সমবেত প্ৰজাসকলে "এইদৰে প্ৰতি দহ বছৰে বৃদ্ধি ৰাজহ দিবলৈ অসমৰ্থ, আৰু এনেকৈ ৰাজহ দিওঁতে দিওঁতে তেওঁলোক অতি সোনকালে ধ্বংস হ'ব; তিল তিলকৈ ধ্বংস হোৱাতকৈ মৃত্যু হোৱা শত গুণে ভাল" বুলি তহচিলদাৰক জনাই দিলে। তহচিলদাৰৰ সংবাদ মতে জিলাধিপতি আৰু মহকুমাধিপতিয়ে ৰাইজৰ আপত্তি শুনা হ'ব বুলি তহচিলদাৰৰ যোগে ৰাইজক জনালে।

চৰকাৰৰ পক্ষৰপৰা পূৰ্বৰপৰা পাঙি থোৱা মতে পাথৰিঘাটলৈ কিছুমান সশস্ত্ৰ পুলিচ সহ জিলাধিপতি আৰু মহকুমাধিপতি আহিল। তাত আগৰপৰা হেজাৰ হেজাৰ আপত্তিকাৰী প্ৰজা সমবেত হৈ আছিল। জিলাধিপতি মিঃ এণ্ডাৰচন আৰু মহকুমাধিপতি মিঃ ৰেমচনে "ৰাইজৰ কোনো আপত্তি শুনা নহ'ব। ৰাজহ আদায় দিবই লাগিব" বুলি হুকুম শুনাই দিলে। "আমি কোনো প্ৰকাৰে বৃদ্ধি ৰাজহ দিব নোৱাৰিম ; আৰু কেতিয়াও নিদিম" বুলি হৰিধ্বনি আৰু আল্লাহু আক্‌বৰ ধ্বনি কৰিলে। উভয় পক্ষৰ ভিতৰত প্ৰথমতে কথা কটাকটি আৰু পিচত হতাহতি হোৱাৰ উপক্ৰম হল। কৰভৰত জৰ্জৰিত প্ৰজা উত্তেজিত হ'ল। পিচৰ ফালৰ হেজাৰ হেজাৰ প্ৰজাই আগৰ মানুহক ঠেলি যাবলৈ ধৰিলে। পুলিচে উত্তেজিত ৰাইজক বন্দুকৰ কুন্দাৰে ঠেলি, হেঁচি ওভোতাবলৈ চেষ্টা কৰিলে। ৰাইজ পিচলৈ নাহি আগবাঢ়িহে গ'ল। তেতিয়া চাহাবে গুলী চলাবলৈ হুকুম দিলে। চাহাবৰ হুকুমত গুলী চলিল। ৰাইজেও ওচৰৰ পথাৰত থকা কুঁহিয়াৰৰ খৰি, পকা দলি চপৰা আৰু ফৰ্মুটিৰে প্ৰতি-আক্ৰমণ কৰিলে। নিৰস্ত্ৰ প্ৰজা বন্দুকৰ গুলীত ধৰাশায়ী হ'ল। পাথৰিঘাটৰ ৰণৰ শ্বহীদস্তম্ভ বৰ্তমান য'ত স্থাপিত হৈছে, তাত দৰঙ্গী প্ৰজাৰ কেঁচা তেজৰ ডোঙা বান্ধিলে। নিৰস্ত্ৰ হৈয়ো ইংৰাজ চৰকাৰৰ অন্যায়ৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ গৈ বহুতো প্ৰজাই প্ৰাণ বিসৰ্জন দিলে। তেওঁলোকে আদৰ্শ প্ৰতিষ্ঠা কৰি থৈ গ'ল, আৱশ্যক হ'লে দৰঙ্গী ৰাইজে প্ৰাণ বিসৰ্জন দিব পাৰে। চৰকাৰৰ পক্ষৰপৰা ঘোষণা কৰিলে মাথোন ১৭ জন মানুহৰ মৃত্যু হৈছে , ৰাইজৰ পক্ষৰপৰা হিচাপ দিছিল ১৪০ জন। যিসকল বন্দুকৰ গুলীত আঘাতপ্ৰাপ্ত হৈছিল, তেওঁলোকক ২।৩ মাহকৈ সশ্ৰম কাৰাবাস দিলে। পুলিচৰদ্বাৰা ঘৰ ক্ৰোক কৰি ৰাজহ আদায় কৰিলে। তাত কিছুদিনলৈ পুলিচ ৰাখি প্ৰজাক নানা প্ৰকাৰ অত্যাচাৰ কৰিলে। দৰং ৰাজ্যৰ তথা মঙ্গলদৈৰ প্ৰজাই ইংৰাজৰ ৰাজত্ব কালত স্বাধীনতা আন্দোলনৰ এই প্ৰথম পদক্ষেপ কৰি দেশবাসীৰ আগত আদৰ্শ প্ৰতিষ্ঠা কৰিলে।

এই পথাৰিঘাট সত্যাগ্ৰহ হৈছিল ইং ১৮৯৪ চনৰ ডিচেম্বৰ মাহত।

*'পাথৰিঘাটৰ ৰণ' নামৰ পুথিত এই ৰণৰ বিস্তৃত বিবৰণ আছে

# ইংৰাজ ৰাজত্ব কালত মঙ্গলদৈৰ অৱস্থা

ইয়াণ্ডাবু সন্ধি মতে অসম ইংৰাজৰ তলতীয়া হোৱাৰ লগে লগে আহোম ৰজাৰ তলতীয়া ৰাজ্য হিচাপে পুৰণি দৰং ৰাজ্যৰ অৱশিষ্টাংশ মঙ্গলদৈয়ো ইংৰাজ শাসনৰ তললৈ যায়। ইংৰাজ শাসনৰ অন্তৰ্গত হোৱাৰ পিচতো স্থানৰ পৰিস্থিতি আৰু দাঁতি-কাষৰীয়া অৱস্থাই ইংৰাজ শাসনৰ তলৰ আন ঠায়ে শিক্ষা-দীক্ষা সম্বন্ধে যি আগতীয়া সুবিধা ভোগ কৰিবলৈ পালে, মঙ্গলদৈ তাৰপৰা সমূলি বঞ্চিত হৈ ৰ'ল।

দৰঙ্গী ৰজাসকলৰ ৰাজত্বৰ শেষ কালডোখৰত তেওঁলোকৰ ভিতৰত হোৱা আত্ম-কন্দলাদিয়ে ৰজা-প্ৰজা উভয়কে অৱনতিৰফালে ঠেলি নিছিল। প্ৰত্যেকে নিজৰ ব্যক্তিগত চিন্তাত ব্যস্ত হৈ পৰিছিল। ৰাজ-বিষয়াসকলেও উপযুক্ত শিক্ষাৰ অভাৱত বহিৰ্জগতৰ সম্বন্ধৰপৰা দূৰত আছিল। এইকাৰণে তেওঁলোকে নতুনকো আহ্বান জনাব নেজানিলে, পুৰণিয়েও তেওঁলোকক এৰা দিলে। এই সন্ধিক্ষণত ইংৰাজৰ আমোলত মঙ্গলদৈৰ লোক সকলো-পিনে পাশ্চাত্য শিক্ষাদিৰপৰা বঞ্চিত হৈ এক শতাব্দী পিচত থাকিবলগীয়া হ'ল। ইংৰাজ শাসনৰ কালত মঙ্গলদৈবাসীৰ ওপৰত তেওঁলোকৰ সু-দৃষ্টি পৰাৰ অলপো চিন পোৱা নেযায়; বৰং পাথৰিঘাটৰ ৰণ আদিৰ কাৰণে ইংৰাজসকলে মঙ্গলদৈক পিচ পেলাই ৰাখিবলৈহে মন কৰা যেন দেখা যায়। সেই সময়ত মঙ্গলদৈত কোনো স্থানীয় কৰ্মচাৰী নাছিল। ইংৰাজক ভালৰি বোলাবলৈ চেষ্টা কৰা আন ঠাইৰ স্বাৰ্থপৰ কৰ্মচাৰীসকলে মঙ্গলদৈৰ ভিতৰত থকা দেৱোত্তৰ-ব্ৰহ্মোত্তৰাদিৰ ফলি-মোহৰবিলাক চক্ৰান্ত কৰি গৰাকীসকলৰ হাতৰপৰা হস্তান্তৰ কৰিছিল। এই কাৰণে পিচৰ কালত সমাজৰ ভিতৰত গণ্যমান্য লোক বুলি পৰিচয় দিবলৈ মুদা মাৰিছিল। এই কাৰণে ৰাইজৰ অভাৱ-অভিযোগৰ কথা শাসকসকলক জনাওঁতা কোনো নাছিল।

সীমাৰ পৰ্বতীয়া জাতিৰ অত্যাচাৰ, কলাজ্বৰাদিৰ উৎপীড়ণত লোকসংখ্যা দিনকদিনে কমি গৈছিল। বিদেশী লোক নাছিল। মানুহৰ

মাটি সৰহ আছিল। মাটি বৰ সাৰুৱা; সেই কাৰণে খেতি কৰি জীৱিকা নিৰ্বাহ কৰিছিল। বুদ্ধিজীৱি মানুহ প্ৰায় নাছিল। মানুহে বিনিময় প্ৰথাৰে অভাৱ মোচন কৰিছিল। বহিৰ্জগতৰ লগত সম্বন্ধ নথকাৰ বাবে লোকসকলৰ সাধাৰণ জ্ঞান আন ঠাইৰ মানুহতকৈ কম আছিল। মানুহবিলাক চহা আৰু শান্তিপ্ৰিয় হৈ পৰিছিল। তদুপৰি কানি বৰ বিহৰ প্ৰচলন উত্তৰলক্ষীমপুৰত বাদে মঙ্গলদৈতে অসমৰ ভিতৰত বেছি আছিল।

পাশ্চাত্য সভ্যতাৰ বাহন ইংৰাজী শিক্ষাৰ প্ৰচলন অসমৰ ভিতৰত মঙ্গলদৈতে আটাইতকৈ পিচত প্ৰচলিত হয়। প্ৰধানতঃ এই কাৰণেই মঙ্গলদৈ অসমৰ ভিতৰত পিচত থাকে।

**স্বদেশী আন্দোলন কালত**

জালিয়ানৱালাবাগ্ হত্যাকাণ্ডৰ পিচত যেতিয়া সমগ্ৰ ভাৰতৰ স্বাধীনতা লাভ উদ্দেশ্যে স্বদেশী আন্দোলন আৰম্ভ হৈছিল, মঙ্গলদৈয়ো তেতিয়া অসমৰ আন ঠাইৰ লগতে আন্দোলনত অৱদান যোগাই আগবাঢ়ি গৈছিল। চহা-হোজা মঙ্গলদৈয়া ৰাইজে জাতিৰ পিতা মহাত্মা গান্ধীৰ বাক্য আখৰে আখৰে পালন কৰিছিল। অহিংস অসহযোগ আন্দোলনত বিদেশী বৰ্জন, স্বদেশী প্ৰচলন, ৰাগিয়াল দ্ৰব্য পৰিত্যাগ, সাম্প্ৰদায়িক ঐক্য আদি কংগ্ৰেছৰ যাৱতীয় আদেশ পালন কৰি মঙ্গলদৈবাসীয়ে ভাৰতৰ স্বাধীনতা লাভৰ আন্দোলনত অৱদান যোগাইছিল।

ইং ১৯২১ চনৰপৰা ১৯৪২ চনলৈ ভাৰতৰ স্বাধীনতা লাভৰ কাৰণে যেতিয়াই যি আন্দোলন হৈছিল, মঙ্গলদৈৰ লোকে তাত সম্পূৰ্ণ সহযোগ কৰি দেশবাসীৰ ওচৰত ধন্যবাদৰ পাত্ৰ হৈছিল। অহিংস অসহযোগ, আইন অমান্য আন্দোলন, একক সত্যাগ্ৰহ আৰু গণ আন্দোলন ইত্যাদি প্ৰত্যেক আন্দোলনৰ কাৰ্যত মঙ্গলদৈবাসীয়ে যথাযোগ্য বৰঙণি দান কৰি ইংৰাজ চৰকাৰৰ হাতত অশেষ নিৰ্যাতন ভোগ কৰি সুকীৰ্তি অৰ্জন কৰি ভাৰতৰ স্বাধীনতাক আহ্বান জনাইছিল।

ইং ১৯৪৬ চনত পাকিস্তানী পমুৱাসকলে যেতিয়া "লৰ্কে লেঙ্গে পাকিস্তান, মাৰকে লেঙ্গে পাকিস্তান" আন্দোলন আৰম্ভ কৰিছিল, তেতিয়া মঙ্গলদৈবাসী লোকসকলে পাকিস্তানীসকলৰ ষড়যন্ত্ৰমূলক এই আন্দোলন

দমাবলৈ যি অভূতপূৰ্ব সংগঠনৰ আদৰ্শ দেশবাসীক দেখুৱাইছিল, সি গৌৰৱমণ্ডিত আৰু আদৰ্শনীয় আছিল। সেই সময়ৰ অসমৰ নেতাসকলে মঙ্গলদৈবাসীৰ সংগঠনৰ কাৰ্যৰ ভূৰি ভূৰি প্ৰশংসা কৰিছিল। মঙ্গলদৈবাসীৰ ঐকান্তিক যত্নত, সংগঠনৰ দৃঢ়তাত অহিংস হিচাপেই অতি কম সময়ৰ ভিতৰতে এই ষড়যন্ত্ৰমূলক আন্দোলন মষিমূৰ হৈছিল। বৰবড়ি নামে ঠাইত 'মঙ্গলদৈ ৰক্ষা শিবিৰ' প্ৰতিষ্ঠা কৰি, দহ হেজাৰ শান্তি-সেনা শিক্ষা দি মঙ্গলদৈৰ শান্তি ৰক্ষাৰ কাৰণে উপযুক্ত কৰিছিল। সমগ্ৰ মঙ্গলদৈত ওৰাঙৰ-পৰা দুমুনিচকীলৈ ইফালে ভোটৰ পাহাৰৰ নামনিৰপৰা ব্ৰহ্মপুত্ৰলৈ প্ৰত্যেক গাঁৱৰ ভিতৰত 'মঙ্গলদৈ ৰক্ষা কমিটী'ৰ শাখা স্থাপন কৰি গাঁৱে গাঁৱে চকী সাজি নিৰুপদ্ৰৱভাৱে গোটেই মঙ্গলদৈত শান্তি-শৃঙ্খলা ৰক্ষা কৰিছিল। নেতাসকলৰ ইঙ্গিত মাত্ৰে গাঁৱৰ লোকে নিজ যত্নেৰে এনে কাৰ্যত আগবাঢ়ি আহি সহযোগ কৰা ভাবত মঙ্গলদৈৰ লোকৰ অতীজৰ মনৰ ভাবৰ পৰিচয় পোৱা গৈছিল। মঙ্গলদৈৰ উত্তৰাঞ্চলৰ চাহ বাগিচাৰ বনুৱাসকলেও এই আন্দোলনত অংশ গ্ৰহণ কৰি সহযোগিতা আগবঢ়াই একতাৰ ভাব দেখুৱাইছিল।

## অসমীয়া সাহিত্য-সঙ্গীত চৰ্চাৰ কেন্দ্ৰস্থল

প্ৰাক-শঙ্কৰী যুগত মঙ্গলদৈত সঙ্গীত, নৃত্য, কলা আদিৰ যথেষ্ট চৰ্চা হৈছিল। গ্ৰন্থ-সাহিত্যৰ চৰ্চা বিৰল আছিল। মঙ্গলদৈ অতীজত আছিল এখনি ডাঙৰ-সৰু বহু ভূঞা ৰাজ্যৰ সমষ্টি। একছত্ৰী শাসনৰ তলত মঙ্গলদৈ থকাৰ প্ৰমাণ পোৱা নাযায়। নিজ নিজ খণ্ড-ৰাজ্যৰ ভিতৰত ভূঞাসকলে নিজ নিজ ৰুচি অনুযায়ী চৰ্চাদি কৰিছিল। মানুহৰ দৈনন্দিন জীৱন পৰিচালনা কৰা আৰু বহল দৃষ্টিভঙ্গীযুক্ত চৰ্চাৰ পৰিসৰ ঠেক আছিল। শঙ্কৰী যুগৰ পূৰ্বকালত গ্ৰন্থ-সাহিত্যৰ চৰ্চাৰ ভাষা আছিল সংস্কৃত। সংস্কৃত একমাত্ৰ ব্ৰাহ্মণেহে পঢ়িছিল। তদুপৰি মঙ্গলদৈ আছিল এখন অতি তন্ত্ৰপ্ৰধান ঠাই।

সেইকালত বৌতাত যদিও এটি সভ্যতাৰ কেন্দ্ৰ গঢ়ি উঠিছিল, তথাপি পৰ্বতীয়া জাতিৰ অত্যাচাৰ আৰু কোঁচ-কছাৰী, আহোম-ভূঞাৰ অস্থায়ী

শাসনত দেশৰ অৱস্থা অতি অশান্ত হৈছিল। গতিকে বৌতা ভাগি গ'ল। তাৰপৰা শান্তিপ্ৰিয় বাণী-পুত্ৰসকল শান্তিৰ স্থান বিচাৰি ঘূৰি ফুৰি শেষত স্থানান্তৰ হৈছিল।

অসমৰ ভিতৰতো সেই সময়ত আহোম চুতিয়া-কোঁচ-কছাৰী আদিৰ ভিতৰত নিজ নিজ পৰাক্ৰম প্ৰতিষ্ঠা কৰা লৈ হুলস্থূল লাগি আছিল। এই-কালত অসমৰ ভিতৰত থকা ভূঞাসকলে স্থানচ্যুত হৈ প্ৰব্ৰজন কৰি স্থানান্তৰত ৰাজ্য প্ৰতিষ্ঠাৰ কাৰণে ঘূৰিছিল। মঙ্গলদৈ দাঁতি-কাষৰীয়া ঠাই ; এই কাৰণে অন্য ঠাইৰ স্থানচ্যুত ভূঞাসকলে আৰু তেওঁলোকৰ বংশধৰসকলে কিছুকালৰ কাৰণে হ'লেও এই ঠাইত একোখন ক্ষুদ্ৰ ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। সেইবাবে মঙ্গলদৈ এখনি ভূঞা ৰাজ্যৰ সমষ্টি হৈছিল। মঙ্গলদৈৰ অন্তৰ্গত ঠাহ খাই থকা অসংখ্য সৰু-বৰ পুখুৰীয়েই তাৰ প্ৰমাণ দিয়ে।

এই নিমিত্তে মঙ্গলদৈ তথা পুৰণি দৰং ৰাজ্যত জন্মলাভ কৰা বহুতো উচচ আৰু বহল মনৰ কবিসকলে উপযুক্ত শান্তিপ্ৰিয় স্থান আৰু চৰ্চাৰ ক্ষেত্ৰ বিচাৰি মঙ্গলদৈৰপৰা আন ঠাইলৈ গুচি গৈছিল। তেওঁলোকে আন ঠাইলৈ গৈ পৃষ্ঠপোষক শ্ৰেষ্ঠ ৰজাসকলৰ অনুগ্ৰহত মাতৃভাষাৰ চৰ্চা কৰি দেশ আৰু সমাজৰ হিত চিন্তা কৰিছিল। প্ৰাক্-শঙ্কৰী যুগৰ কবি হৰিবৰ বিপ্ৰ সেইসকলৰ অন্যতম।

লব-কুশৰ যুদ্ধ ৰচক গ্ৰন্থকাৰ হৰিবৰ বিপ্ৰ। হৰিবৰ বিপ্ৰৰ বাসস্থান ব্যাঘ্ৰপিণ্ডা বুলি সিদ্ধান্ত হৈছে। মঙ্গলদৈৰ ভিতৰত কলাইগাঁও মৌজাত থকা লক্ষীমপুৰ গাঁৱৰ ভিতৰত লক্ষীমপুৰ নামে পুখুৰী আৰু এখন গাঁও আছে। তাৰ ওচৰত থকা সমলেশ্বৰ ভূঞাৰ পত্নী সমলেশ্বৰী পুখুৰী, ভূঞাৰ গড়, বাঘৰবাৰী আদি ঠাইক লক্ষীমপুৰ অঞ্চল বোলে।

এই লক্ষীমপুৰ অঞ্চলৰ ভিতৰতে ব্যাঘ্ৰপিণ্ডা। এই হৰিবৰ বিপ্ৰৰ জন্মস্থানক ব্যাঘ্ৰপিণ্ডা কিয় বোলা হৈছিল তাৰ এটি ৰহস্যমূলক আখ্যান এই ঠাইত প্ৰচলিত আছে। যি ঠাইক ব্যাঘ্ৰপিণ্ডা বুলিছিল সেই ঠাই আজি কেইবছৰমানৰ আগতে অটব্য অৰণ্য আছিল। তাৰ ভিতৰত সম্প্ৰতিলৈয়ো এখন নগৰ থকা চিন আছিল। এতিয়া তাত মানুহে খেতি-বাতি কৰিছে। সেই অৰণ্যত বহুত বাঘ আছিল। এজন ভূঞা যেতিয়া তাত নগৰ নিৰ্মাণৰ

উদ্দেশ্যে ঠাই চাবলৈ যায়, তেতিয়া তাত এটা বাঘে পিয়ন দিছিল। ভূঞাই তাত নগৰ নিৰ্ম্মাণ কৰাৰ আগতে সেই ঠাইৰ কোনো বেলেগ বেলেগ নাম নাছিল। তাৰ পিচত যেতিয়া ভূঞাই তাত নগৰ নিৰ্ম্মাণ কৰিলে, সেই ঠাইৰ নাম তেতিয়া 'বাঘৰ পিয়ন দিয়া' নামে জনাজাত হ'ল। কিছুকালৰ পিচত 'বাঘৰ পিয়ন দিয়া' এই দীঘলীয়া শব্দ মানুহৰ মুখে মুখে উচচাৰণ হৈ 'ব্যাঘৰ পিয়ন দ্যা'ত পৰিণত হয়। তাৰ পিচত 'ব্যাঘৰ পিয়নদ্যা' গুচি "ব্যাঘ্ৰপিণ্ডা"ত পৰিণত হয়। সেই ঠাই কালৰ গতিত লোকহীন হৈ অটব্য অৰণ্যত পৰিণত হয়। তাৰ পিচত এই বিংশ শতিকাত সি পুনৰ মানুহৰ বাসস্থান হয়। তাৰ ওচৰত থকা আন ঠাইৰপৰা অহা মানুহে সেই ঠাইক 'বাঘৰ বাৰী' বুলি উক্তি কৰে। সেই অতীজৰ 'ব্যাঘ্ৰপিণ্ডা' বৰ্ত্তমান 'বাঘৰ বাৰী' নামে জনাজাত হৈছে। এই কাহিনীপূৰ্ণ 'ব্যাঘ্ৰপিণ্ডা' কবি হৰিবৰ বিপ্ৰৰ জন্মভূমি আছিল। হৰিবৰ বংশৰ লোক গোপালদেৱে বামুণ্ডী সত্ৰ প্ৰতিষ্ঠা কৰে। মঙ্গলদৈত আৰু কামৰূপ পাতিদৰঙৰ শালমৰাত তেওঁলোকৰ বংশধৰসকলে বামুণ্ডীসত্ৰাধিকাৰ নামে জনাজাত হৈ আহিছে। এই মঙ্গলদৈৰ বামুণ্ডী সত্ৰৰপৰা প্ৰায় দুইমাইল দূৰত বাঘমাৰী নামে এটা পুখুৰী আৰু ভূঞাৰ নগৰ থকা চিন আজিলৈকে আছে। কালত এই ঠাইতো তেওঁলোকে নগৰ পাতি পুখুৰী খান্দি বাস কৰিছিল।

মঙ্গলদৈৰ অতীজৰ অৱস্থা আগেয়ে উনুকিওৱা হৈছে। তেনে এটি অৱস্থাৰ তাড়ণাত হৰিবৰ বিপ্ৰ কমতাৰ দুৰ্লভনাৰায়ণৰ সভাপণ্ডিত হয়গৈ। চতুৰ্দ্দশ শতিকাত কমতাৰাজ্য বৰনদী পৰ্যন্ত বিস্তাৰিত আছিল বুলি কয়। আমি কোৱা বামুণ্ডী সত্ৰ আৰু বাঘমাৰী বৰ্ত্তমান বৰনদীৰপৰা ৩।৪ মাইলমান দূৰ।* 'ব্যাঘ্ৰপিণ্ডা' বা বাঘৰবাৰী ৬ মাইলমান দূৰ।

হৰিবৰ বিপ্ৰই তেওঁৰ ৰচিত 'লব-কুশৰ যুদ্ধ'ত যিবিলাক শব্দ প্ৰয়োগ কৰিছে, সেইবোৰৰপৰা জনা যায় যে তেওঁ পুৰণি দৰং ৰাজ্যৰ অন্তৰ্গত মঙ্গলদৈ অঞ্চলৰ মানুহ আছিল। মঙ্গলদৈ অঞ্চলৰ মানুহেহে সেই শব্দবোৰ প্ৰয়োগ কৰে। উজনি অসমত সেইবোৰ শব্দৰ ব্যৱহাৰ আন প্ৰকাৰ। যেনে :

১১০ পদৰ—গৰ্ভৱতী ভৈলে স্ত্ৰী গৃহৰ নোলাই বাৰ।

১৩০ "—গোৰকাটা কল যেন পৰিলন্ত যেনি।

১৫১ "— ভোখে পিয়াসে বড় ভৈল মহা শ্ৰান্ত।

* সেই কালৰপৰা বৰ নদীৰ গতি পৰিবৰ্ত্তন হোৱা সম্ভৱ।

১৫৩ পদৰ— কাহাৰ সুন্দৰী তুমি কাহাৰ ঝীয়াৰী।
১৫৪ ”— জনেকৰ ঝিউ সীতা মোহোৰেসে নাম।
২৭৬ ”— আঝুৰি পিঝুৰি বান্ধি থৈলা কলা গাছে
৩৪৫ ”— কুমুৰাত খাওাৰ প্ৰহাৰ যেন মত।
১ ”— ৰামঠেৰ বাপু তই এহি যুদ্ধ চয়।
৪৫৫ ”— নৰো যেবে একে ঠাই হওঁ তিনি ভাই

| | | | | |
|---|---|---|---|---|
| মঙ্গলদৈত | ৰাঝ, | উজনি | অসমত | ৰাজ। |
| ” | গোৰকাটা | ” | ” | গুৰিকটা। |
| ” | ভোখে | ” | ” | ভোকে। |
| ” | ঝিয়াৰী | ” | ” | জীয়াৰী। |
| ” | ঝিউ | ” | ” | জীউ। |
| ” | আঝুৰি, পিঝুৰি | ” | ” | আজুৰি, পিজুৰি। |
| ” | কুমুৰা | ” | ” | কোমোৰা। |
| ” | ৰামঠেৰ | ” | ” | ৰামইঁতৰ। |

| | | | | | | |
|---|---|---|---|---|---|---|
| মঙ্গলদৈত | কৰদৈয় | ১১৮ পদ | উজনি | অসমত | | কৰ্দৈ। |
| ” | চাখা | ৫০৯ | ” | ” | ” | উজনি অসমত চুহি খোৱা। |
| ” | তোথেৰ | ৪৮৮ | ” | ” | ” | তঁতৰ। |
| ” | নৰো | ৪৫৫ | ” | ” | ” | নোৱাৰো। |
| ” | নৈৱদ | ৩৮ | ” | ” | ” | নৈবেদ্য। |
| ” | ৰাঝে | ৪২ | ” | ” | ” | বাহিৰত। |
| ” | বৈলা | ১১৮ এবিধ গছ ইয়াৰ পাট মুগাই খায়। | | | | |

ইত্যাদি শব্দবিলাক গাঁৱত কথ্য ভাষাত ব্যৱহাৰ কৰা শব্দ।

এই প্ৰাক-শাঙ্কৰী যুগৰ সাহিত্যত অৱদান যোগাওঁতা হৰিবৰ বিপ্ৰৰ জন্ম স্থান মঙ্গলদৈতযে আছিল, ই নিশ্চয়। তেওঁৰ ৰচিত পুথিত প্ৰয়োগ কৰা গ্ৰাম্য শব্দত তাৰ পৰিচয় পোৱা যায়।

# শঙ্কৰী যুগৰ কবি আৰু সাহিত্য

দৰং ৰাজ্যত দৰঙ্গী কৈদৰ কোঁচ ৰজাসকলৰ ৰাজত্ব কালত এই ঠাই বহুত বিদগ্ধ পণ্ডিত, মহাকবি, বৈদিক ৰাগ-ৰাগিণীবিশাৰদ গায়ক চিৰকুমাৰী নৃত্যবিশাৰদা নৰ্তকী (দেওধনী) মন্ত্ৰজ্ঞ বৈদ্য, তন্ত্ৰজ্ঞ পূজাৰীৰ বাসস্থান আৰু কৰ্মক্ষেত্ৰ আছিল। অসমীয়া মহাভাৰত, ভাগৱত, পুৰাণ, গীতি-কাব্য আদিৰ-পৰা এই বিষয়ে জনা যায়। সেই বিদগ্ধ পণ্ডিতসকলৰ কাৰো কাৰো বংশধৰসকল আজিও মঙ্গলদৈ মহকুমাৰ বহুতো গাঁৱত বাস কৰি আছে।

যিসকল কবি আৰু পণ্ডিতৰ বিষয়ে এই পুথিত বৰ্ণনা দিবলৈ চেষ্টা কৰা হৈছে, সেইসকলৰ কেবাজনৰো স্থানৰ পৰিচয় দিওঁতে অসমৰ বহুত লোকে বিশৃঙ্খলতাৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰা দেখা যায়। তেওঁলোকৰ বাসস্থান আৰু চৰ্চাৰ স্থান পৰিবৰ্তন হোৱাটো স্বাভাৱিক। তেওঁলোক শান্তিপ্ৰিয় লোক। তেওঁলোকৰ কৰ্মক্ষেত্ৰ শান্তিময় স্থানত। কবি, গ্ৰন্থকাৰ, পণ্ডিতসকল আৰু ৰজা পৰস্পৰে পৰস্পৰৰ পৃষ্ঠপোষক। তেনেকুৱা স্থান আৰু পৃষ্ঠপোষকৰ অভাৱ অনুভৱ হ'লেই তেওঁলোকে সেই স্থান এৰি দূৰ হৈছিল। একেজন কবি বা পণ্ডিতে কেইবাখনো ৰাজ্যত কেইবাজনো ৰজাৰ পৃষ্ঠপোষকতাত বাস কৰি একেখন কিম্বা কেইবাখনো বা বহুতো গ্ৰন্থ ৰচনা কৰা প্ৰমাণ আছে।

এই গ্ৰন্থ ৰচনাৰ স্থানৰ আলম লৈ যদি তেওঁলোকক টনা-টনি কৰা যায়, তেন্তে প্ৰকৃত কথাটো উদ্ধাৰ কৰা কঠিন হৈ পৰে। একেজন কবি কিম্বা পণ্ডিতেই কোচবেহাৰত মহাৰাজ নৰনাৰায়ণৰ ৰাজসভাত বহি গ্ৰন্থ ৰচনা কৰিছে, আৰু তেৱেঁই দৰং ৰাজ্যৰ ধৰ্মনাৰায়ণ কিম্বা আন কোনো ৰজাৰ ৰাজসভাত থাকি সেই গ্ৰন্থৰে সম্পূৰ্ণ কিম্বা একাংশ বা আন গ্ৰন্থ ৰচনা কৰিছে। বিশেষকৈ কবি ৰামসৰস্বতীৰ সম্বন্ধে আলোচনা কৰোঁতে এনে দেখা যায়।

কবিসকলক সেই সময়ৰ ৰজাসকলে আৰু সন্ত সাধু পুৰুষসকলে তেওঁলোকৰ গুণত মুগ্ধ হৈ বেলেগ বেলেগ উপাধি দিছিল। তাৰ বাহিৰেও পূৰ্বৰপৰা চলি অহা বংশগত একোটা উপাধি আছিল। এই কাৰণে কবিসকলৰ বিষয়ে সিদ্ধান্ত কৰোঁতে বেমেজালি ঘটা স্বাভাৱিক। তদুপৰি মহাভাৰতৰ একেটা পৰ্বৰ একেটা পদতে বেলেগ বেলেগ বৰ্ণনা দেখা যায়। সেই ক্ষেত্ৰত পদ ৰচনা কৰা স্থানৰ ওপৰত গুৰুত্ব দিলে সহজে সিদ্ধান্তত উপনীত হ'ব পাৰি।

ৰাম সৰস্বতী শঙ্কৰী যুগৰ মহাকবি। তেওঁ সংস্কৃত ভাষাৰ মূল মহাভাৰতৰপৰা কেইবাটাও পৰ্বৰ অসমীয়া ভাঙনি কৰিছে।

**ৰাম সৰস্বতী** তেওঁ ডেকাকালত মহাৰাজ নৰনাৰায়ণৰ ৰাজধানী কোচবেহাৰত থাকি মহাভাৰতৰ কেইবাটিও পৰ্বৰ অসমীয়া ভাঙনি কৰে। তাৰ পিচত তেওঁ ৰঘুনাৰায়ণৰ দিনত বৰনগৰত থাকিও মহাভাৰতৰ কৰ্ণ পৰ্বৰ ভাঙনি কৰা প্ৰমাণ আছে। তাৰ পিচত যেতিয়া ৰঘুনাৰায়ণৰ প্ৰপৌত্ৰ ধৰ্মনাৰায়ণ দৰং ৰাজ্যৰ ৰজা হয়, তেতিয়া তেওঁ দৰঙৰ ৰাজসভাত থাকি বিৰাট পৰ্ব* অসমীয়ালৈ ভাঙে। তাত তেওঁ পৰিচয় দিওঁতে এইদৰে লিখিছে :

"গ্ৰাম মধ্যে সাৰোদ্ধাৰ চতীয়া নাম যাৰ
কপাহঠাৰ মধ্যে লেখি যাক।
ব্ৰাহ্মণসকলে তাত ভাগৱত অবিশ্ৰান্ত
অভ্যাসি থাকয় সবে তাত ॥
তাতে ভৈলা দ্বিজবৰ সজ্জনৰ প্ৰিয়কৰ
শুনিলে কৰ্মত যাৰ মতি।
ধীৰ ধৈৰ্য শান্ত শিষ্ট দেৱ দ্বিজ আৰাধন্ত
যাৰ নাম ৰাম সৰস্বতী ॥"

---

* মঙ্গলদৈৰ শ্ৰীৰমণীকান্ত বৰুৱাৰ খুড়াক ৺বসুন্ধৰ বৰুৱাৰ ঘৰত থকা বিৰাট পৰ্ব।

মঙ্গলদৈ মহকুমাৰ সৰাবাৰী মৌজাত বৰ্তমান কতাহী ( আগৰ নাম কপাহী) নামৰ গাঁও আছে। সেই কতাহী বা কপাহীৰ সৈতে প্ৰায় সংলগ চমতীয়া নামৰ গাঁও। সেই গাঁৱত বৰ্তমানো ব্ৰাহ্মণসকলৰ বসতি আছে। সেই চমতীয়া গাঁৱত মহাকবি ৰাম সৰস্বতীৰ বাসস্থান আছিল। চমতীয়া ধৰ্মনাৰায়ণৰ ৰাজধানী মোহনপুৰৰপৰা প্ৰায় ১২ মাইল পছিমে।

কবিবৰ ৰাম সৰস্বতীয়ে উদ্যোগ পৰ্বত লিখিছে :

"পৰাক্ৰমে গুণালয় ৰূপে যেন ধনঞ্জয়
যাৰ যশ দশোদিশে গৈলা।
ধৰ্মৱন্ত দেখি সাৰ স্বৰ্গ মহাৰাজ যাৰ
ধৰ্ম নাৰায়ণ নাম থৈলা॥

আমাৰ অশেষ বৰে যাবচচন্দ্ৰ দিবাকৰে
ধৰ্ম নাৰায়ণ চিৰঞ্জীৱ।
স্বধৰ্মে পালিয়ো প্ৰজা হুয়ো একচত্ৰি ৰাজা
সদা বৰ দিয়ন্তোক শিৱ॥

শুনিয়োক সভাসদ ইটো ভাৰতৰ পদ
বঢ়াটুটা দোষ ক্ষমা কৰি।
পুষ্পাঞ্জলি কৰি স্তুতি বোলে ৰাম সৰস্বতী
সঘনে ঘুষিয়ো ৰাম হৰি॥"

(উদ্যোগপৰ্ব ৬৯ অধ্যায়)।

ভীষ্ম পৰ্বত বৰ্ণনা দিছে :—

"নৃপতি যে ধৰ্মৰায় যাৰ যশ সবে গায়
স্বদেশী বিদেশী সবে প্ৰজা।
ধৰ্মত প্ৰশান্ত কাম ধৰ্ম নাৰায়ণ নাম
থৈলা স্বৰ্গনাৰায়ণ ৰাজা॥"

উপৰোক্ত পদসমূহৰপৰা দেখা যায়, ৰাম সৰস্বতী দৰঙ্গী ৰজা ধৰ্মনাৰায়ণৰ ৰাজত্ব কালত ষোড়শ শতিকাত তেওঁৰ ৰাজসভাত থাকি মহাভাৰতৰ পদ অসমীয়ালৈ ভাঙে।

ৰাম সৰস্বতীৰ ৰাম সৰস্বতী নামৰ বাহিৰেও আৰু কেইবাটিয়ো নাম আছিল। * তেওঁ নিজে দিয়া বৰ্ণনা :

"বিপ্ৰ কুলে জাত হুয়া পঢ়িলোঁ শাস্ত্ৰক।
গুৰু বাক্যে চিনিলোহো ঈশ্বৰ কৃষ্ণক ॥
পিতৃয়ে মাতৃয়ে নাম অনিৰুদ্ধ থৈলা।
কবিচন্দ্ৰ নাম মোৰ দেৱানে বুলিলা ॥
ৰাম সৰস্বতী নাম নৃপতি দিলন্ত।
ভাৰতৰ পদ মোক কৰা বুলিলন্ত।"

ৰাম সৰস্বতীয়ে কোচবেহাৰত থকা কালত সংস্কৃত মূল মহাভাৰতৰপৰা অসমীয়ালৈ মহাভাৰত ভাঙনি কৰিছিল। বনপৰ্বৰ উপভাৰতবোৰ তাত ৰচনা কৰা প্ৰমাণ পোৱা নাযায়। উপভাৰতৰ পৰ্ববোৰ দৰঙ ৰাজ্যত ৰচা বুলি অনুমান হয়।

"জয় নাৰায়ণ নৰ শিৰোমণি।
সন্তৰ পৰম মিত্ৰ দুষ্টৰ অগনি ॥
আমাক কৰিলা আজ্ঞা সাদৰ বচনে।
ভাৰত পয়াৰ তুমি কৰিবা যতনে ॥
আমাৰ ঘৰত আছে টীকা ভাষ্য যত।
নিয়োক আপোন গৃহে দিবাহা সমস্ত।"

ইয়াৰপৰা জনা যায় মূল মহাভাৰতৰ পৰ্বৰ কেইটামান মহাৰাজ নৰনাৰায়ণৰ ৰাজসভাত ৰচনা কৰিছিল। বাকী বিৰাটপৰ্ব আৰু উপপৰ্ববিলাক দৰং ৰাজ্যত আৰু ৰৰনগৰত ৰচনা কৰিছিল। কৰ্ণ পৰ্ব ৰৰনগৰত ৰচিছিল। প্ৰমাণ :

---

* দীননাথ বেজবৰুৱাই চ'ত মাহৰ ৩য় সংখ্যা 'জোনাকী'ত ৰাম সৰস্বতীৰ দহোটা নাম উল্লেখ কৰিছে। (১) অনন্তকন্দলি, (২) ৰামসৰস্বতী, (৩) শ্ৰীধৰ কন্দলি, (৪) মাধৱ কন্দলি, (৫) মহেন্দ্ৰ কন্দলি, (মহেন্দ্ৰ কন্দলি ২য়) (৬) সুকবিশেখৰ, (৭) শ্ৰীচন্দ্ৰ-ভাৰতী, (৮) ভাৰতচন্দ্ৰ, (৯) ভাৰতভূষণ, (১০) জয়চন্দ্ৰ ভাৰতী। তাত বাদেও বহুতো পণ্ডিতে গদাপৰ্বৰ ৰচক কবিৰাজ মিশ্ৰক, ৰাম সৰস্বতী বুলিয়েই ভাবে। তেতিয়া তেওঁৰ নাম এঘাৰটা।

"কামৰূপ মধ্যে সাৰ অদ্ভুত চমৎকাৰ
বিজয়ৰ নগৰী বিশেষ।
তাহাতে উত্তম গড ঠাই ঠাই আছে দৃঢ়
সৰ্ব্বভাৱে আদৰ নিশেষ॥
তাতে ভৈলা নৃপবৰ দুই ইন্দ্ৰ অসমৰ
ৰঘুদেৱ নৃপতি প্ৰধান।
যাৰ গুণ ধৰণীত প্ৰজাৰ আনন্দ চিত
সকল সম্পূৰ্ণ ভূমি খান॥" (কৰ্ণপৰ্ব)

নৰনাৰায়ণৰ পুত্ৰ লক্ষ্মীনাৰাযণ আৰু শুক্লধ্বজৰ পুত্ৰ ৰঘুনাৰায়ণৰ বিবাদত সোণকোষ নদীৰপৰা কলিযাবৰলৈ শুক্লধ্বজৰ ৰাজ্যৰ সীমা নিৰ্ণয় হৈছিল। (কথা গুৰুচৰিতৰ বুদুলা আতাৰ চৰিত্ৰ।)[১] সেই সময়ত বৰনগৰত ৰাজধানী পতা কালত ৰাম সৰস্বতীয়ে বৰনগৰত কৰ্ণপৰ্ব ৰচনা কৰে। তাৰপিচত যেতিয়া পৰীক্ষিতনাৰায়ণৰ পুত্ৰ ধৰ্ম্মনাৰায়ণে দৰঙৰ মোহনপুৰত ৰাজধানী পাতি দৰংৰাজ্য শাসন কৰে, তেতিয়া ৰাম সৰস্বতী দৰঙৰ ৰাজ-হাউলিলৈ আহে। ধৰ্ম্মনাৰায়ণে পুৰুষ পৰম্পৰাই মঙ্গলদৈৰ ৰাজ-হাউলিৰ বিষয়ে জনা আছিল।[২] তাত থকা কালৰ পিচত ৰাম সৰস্বতী পুনৰ কোচবেহাৰলৈ উভতি যোৱা নাছিল। নৰনাৰায়ণৰ ৰাজত্বকালৰপৰা ধৰ্ম্মনাৰায়ণৰ ৰাজত্বকাললৈ বহুতো বছৰ হৈছিল। তেতিয়া ৰাম সৰস্বতী বৃদ্ধ। এই কালৰ ভিতৰত ভাৰতৰ উপপৰ্ব্বৰ কেইটামান পৰ্ব ৰচনা কৰে। এতেকে ৰাম সৰস্বতীৰ শেষ বয়সত তেওঁ চমতীয়াত ঘৰ-বাৰী কৰি ধৰ্ম্মনাৰায়ণৰ ৰাজসভাত থাকি শাস্ত্ৰ ৰচনা কৰিছিল বুলি স্থিৰ কৰিব পাৰি।

তাত বাদেও তেওঁ অন্যান্য নামেৰে অসমীয়া ভাষাত বহুতো পুথি ৰচনা কৰে। যেনে, জটাসুৰ বধ, দুৰ্বাসাৰ দৰ্পচূৰ্ণ, মহীৰাৱণ বধ, হৰিহৰৰ যুদ্ধ, কুমৰহৰণ, বৃত্ৰাসুৰ বধ, ধৰ্মসংবাদ ব্যাধচৰিত, ব্যাসাশ্ৰম, সাবিত্ৰী উপাখ্যান, ভীমচৰিত, গীতগোবিন্দ, কাণখোৱা আদি।

---

১ ৰঘুৰজৰ দেশ (বুদুলা আতাৰ চৰিত)।

২ কথাগুৰু চৰিতৰ ৪৮৭ পৃষ্ঠাত আছে—বিবাদৰ কালত শুক্লধ্বজে মঙ্গলদৈৰ ওচৰত হাউলিকৈ ৬ মাস বাস কৰিছিল হি।

এই মহাকবিজনাৰ জন্মস্থান আৰু কৰ্মস্থান সম্বন্ধে পণ্ডিতসকলৰ ভিতৰত মতান্তৰ দেখা যায়। ইয়াৰ কাৰণ বহুতো। অতীজত আৰু বৰ্তমানতো একে নামেৰে অসমৰ বহুতো ঠাইত বহুত নাম আছিল আৰু এতিয়াও আছে। সেইকালৰ নামৰ লগত এতিয়া কোনো কোনো ঠাইৰ নাম অপভ্ৰংশ হৈ কিছু বেলেগ হৈছে। গতিকে বেমেজালি হোৱা স্বাভাৱিক। শঙ্কৰী যুগৰ প্ৰখ্যাত কবিসকলৰ কেবাজনৰো বাসস্থান 'চিনাকোনা' নামে গাৱঁত আছিল। মঙ্গলদৈ মহকুমাৰ ভিতৰত অতীজৰ প্ৰধান ঠাই ৰৌতাৰ ওচৰত চিনাকোনা নামে গাঁও আৰু চমতীয়াৰ (ৰাম সৰস্বতীৰ বাসস্থান) ওচৰত চিনাকোনা নামে গাঁও আছে। ৰাম সৰস্বতীৰ পুত্ৰ গোপীনাথ পাঠকৰ জন্মস্থান চিনাকোনা। মহাকবি ৰাম সৰস্বতীৰ আন এটা প্ৰসিদ্ধ নাম অনন্ত কন্দলি আছিল।

মঙ্গলদৈত ৰয়নাকুছি মৌজাত ধেনুকটা নামে এটা পুখুৰী আছে। তাৰ ওচৰতে সিংকুছি গাঁও। ইয়াতেই ৰোহিণী ঠাকুৰৰ ঘৰ-বসতি আছিল। সাগৰ দ্বিজৰ ঘৰ ৰৌতাত আছিল। ভোটৰ উপদ্ৰৱত সাগৰ দ্বিজৰ পুত্ৰ চন্দ্ৰকন্দলি ৰোহিণী ঠাকুৰৰ ওচৰলৈ (ধেনুকটাৰপাৰ সিংকুছিলৈ) যায়। তাতে দৰঙ্গী ৰজাৰ অনুগ্ৰহ লৈ ঘৰ-বসতি কৰেহি। চন্দ্ৰকন্দলিৰ কন্যা বনমালাক ৰোহিণী ঠাকুৰৰ পুত্ৰ ধ্বজ বা ৰত্ন পাঠকলৈ বিয়া দিছিল। ধ্বজ ঠাকুৰৰ (ৰত্ন পাঠক) পত্নী বনমালাৰ গৰ্ভত বুৰঞ্জীপ্ৰসিদ্ধ মহাকবি অনন্ত কন্দলিৰ জন্ম হয়। পৰৱৰ্তীকালত ৰত্ন পাঠক হাজোলৈ উঠি যায়। কিছুকালৰ পিচত অনন্ত কন্দলি মঙ্গলদৈৰ ডাকুৱা মৌজাৰ জলাহৰ ওচৰৰ চৈ-বাৰীত (লেট-পেট খাটত) থাকিবলৈ ধৰে (কথা গুৰুচৰিত)।

**ভৱানন্দ মিশ্ৰ**

দৰংৰাজ্যৰ ৰজা ধৰ্মনাৰায়ণৰ নাতি চন্দ্ৰনাৰায়ণৰ দিনত কবি ভৱানন্দ মিশ্ৰই গোবিন্দ চৰিত ৰচনা কৰে। চন্দ্ৰনাৰায়ণ ষষ্ঠদশ শতিকাৰ শেহকালত দৰঙ্গত ৰাজত্ব কৰে। ভৱানন্দ মিশ্ৰই হৰিবংশও ৰচনা কৰে।

**দ্বিজ দামোদৰ**

দৰংৰাজ্যৰ ৰজা ধৰ্মনাৰায়ণৰ দিনত দামোদৰে শৈল্যপৰ্ব ৰচনা কৰে।

"ধৰ্মনাৰায়ণ ৰঘু ৰাজাৰ সন্তান।
পৰম সুন্দৰ বীৰ সৰ্ব ৰস জ্ঞান॥
হৰ-গৌৰী মাধৱক আৰাধিলা নিত্য।
অকপট চিত্ত গুৰু গৌৰৱ বিনীত॥

মনুষ্য হইবাৰ জানা এহি মানে কাম ।
দ্বিজ দামোদৰে ভণে বোলা ৰাম ৰাম ॥" (শৈল্যপৰ্ব)

দৰংৰাজ্যৰ নৱম ৰজা হয়নাৰায়ণৰ ৰাজত্বকালত খগেশ্বৰ দ্বিজে সংস্কৃত ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ অসমীয়ালৈ পদ্যছন্দত ভাঙনি কৰে।

খগেশ্বৰ দ্বিজ

খগেশ্বৰ দ্বিজৰ ঘৰ দীপিলাত আছিল। দীপিলা মঙ্গলদৈ মহকুমাৰ পছিমাংশত।

"এহিবুলি শিৱবংশী নৃপ মহাশয়।
শ্লোক সব ভাঙিয়া কৰাইলা পদচয় ॥
ধন্য ধন্য মহাৰাজা হয়নাৰায়ণ।*
যিহেতু সদায় ধৰ্মতেসে তযু মন ॥
এতেকেসে বৈষ্ণৱ নৃপতি নামে খ্যাত।
সত্য-শৌচ দয়া-ক্ষমা আচয় সাক্ষাত ॥
সদায়ে হৰিক চিন্তে নৃপতি মহন্ত ।
শিখাইলন্ত পুৰাণ ভাৰত যত যত ॥"

এই পুথি ৰচনাৰ কালত দৰঙ্গী কৈদৰ ৰাজত্বৰ প্ৰায় শেষকাল উপস্থিত হৈছিল। তেতিয়াও তেওঁলোকৰ অন্তৰত থকা সাহিত্যৰ উন্নতিৰ অৰ্থে কেনে ভাব আছিল, সেয়ে তেওঁলোকৰ পূৰ্ব-পুৰুষসকলৰ সাহিত্য-চৰ্চাৰ আকাংক্ষাৰ পৰিচয় দিয়ে।

এওঁ এজন দাৰ্শনিক তত্ত্বজ্ঞ বৈষ্ণৱ কবি। শ্ৰীমদ্ভাগৱদ্‌গীতাৰ নিচিনা তত্ত্বপূৰ্ণ পুথি অতি সৰলকৈ পদ্যছন্দত যিদৰে ৰচনা কৰিছে, সেয়ে তেওঁৰ জ্ঞান-গভীৰতাৰ পৰিচয় দিছে। গোবিন্দ মিশ্ৰ বিদগ্ধ পণ্ডিত আছিল। "শঙ্কৰী ভাস্কৰী, মতক আলচি, টীকা চাহি হনুমন্ত। আনন্দ গিৰিৰ, সুবোধনী টীকা, চাৰিৰো জিজ্ঞাসি তত্ত্ব ॥" আদি টীকা-ভাষ্য পাঠ কৰি অতি সৰল প্ৰাঞ্জল ভাষাত তেওঁ গীতা ভাঙি যিদৰে গীতা ৰচনা কৰিছে তাতেই তেওঁৰ অগাধ পাণ্ডিত্যৰ পৰিচয় পোৱা যায়।

গোবিন্দ মিশ্ৰ

* হয়নাৰায়ণ দৰঙ্গী কৈদৰ ৯ম ৰজা।

কোনো পণ্ডিতে তেওঁক দৰঙ্গীৰ ৰজা বলিনাৰায়ণ বা ধৰ্মনাৰায়ণৰ ৰাজসভাৰ পণ্ডিত বুলি বিবেচনা কৰে। হৰিনাৰায়ণ বৰুৱাদেৱে তেওঁৰ প্ৰকাশিত শ্ৰীমদ্ভাগবদ্‌গীতাত দিয়া বংশলতাই সেই কথাৰ বিশেষ প্ৰমাণ দিয়ে। দৰঙ্গী ৰজাৰ ৰাজধানীৰপৰা গোবিন্দ মিশ্ৰৰ জন্মস্থান কলাইগাঁৱৰ ওচৰৰ ডলাগাঁও ১১ মাইল। বংশলতাত উল্লেখ কৰা মতে তেওঁৰ পূৰ্ব-পুৰুষসকল ভূঞা আছিল। ডলাত এতিয়াও ভূঞাসকলৰ ৰাজ্যৰ বহুত স্মৃতি-চিন পুখুৰী আদি দেখা যায়। বলিনাৰায়ণ ষষ্ঠদশ শতিকাৰ শেহভাগত দৰং ৰাজপাটত ৰজা হয়। তলত গোবিন্দ মিশ্ৰৰ বংশলতা দিয়া হ'ল।

অৰজানন্দ
|
জয়ানন্দ ভূঞা (কোঁচ ৰজাই কনৌজৰপৰা আনে)
|
ধৰ্মৰাজ ভূঞা
|
হৰিচৰণ (শ্ৰীশ্ৰীহৰিদেৱৰ শিষ্য)
|
দামোদৰ — হৰিমিশ্ৰ জাগৰা — মাধৱ মিশ্ৰ সন্ন্যাসী — কৃষ্ণ মিশ্ৰ কৈহাটী — ৰাম মিশ্ৰ

হৰিমিশ্ৰ জাগৰা
|
ৰঘুনাথ — গোবিন্দ মিশ্ৰ ডলা (মঙ্গলদৈৰ কলাইগাঁৱত) — মুৰাৰি মিশ্ৰ

গোবিন্দ মিশ্ৰৰপৰা অৰজানন্দলৈ ছয় পুৰুষ। প্ৰতি তিনি পুৰুষত ১০০ বছৰলৈকে ধৰিলে অৰজানন্দলৈ দুশ বছৰ হয়। ধৰ্মনাৰায়ণৰপৰা ২০০ বছৰ পূৰ্বলৈ উজাই ধৰিলে মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱৰ কাল পৰে। সেই সময়ত কোঁচ ৰজা নৰনাৰায়ণ-চিলাৰায়। সেই সময়তে গোবিন্দ মিশ্ৰৰ পূৰ্ব-পুৰুষ অসমলৈ আহে।

জয়ৰাম স্কন্দপুৰাণৰপৰা শীতলাদেবীৰ আখ্যানৰ ৰচনাকৰ্ত্তা কবি।

**জয়ৰাম**

মঙ্গলদৈত অতীজত শীতলাদেবীৰ পূজা প্ৰচলিত আছিল। কবি জয়ৰামে সৰ্বসাধাৰণে শীতলাদেবীৰ মাহাত্ম্য বুজাকৈ অসমীয়া ভাষাত শীতলা ৰচনা কৰে। এওঁৰ শীতলা ৰচনাৰ কাল আৰু স্থান দৰঙ্গীৰ ৰজাৰ ৰাজসভা আৰু সেই সময়।

সাগৰখড়ি জলতত্ত্ববিদ, জ্যোতিষী, কবি নিদান শাস্ত্ৰ প্ৰণেতা আৰু চিকিৎসা শাস্ত্ৰত অভিজ্ঞতা থকা পণ্ডিত আছিল। ব্ৰহ্মপুত্ৰ নদীত কেতিয়া অগৰু চন্দন উটি আহিব, তেওঁ সেই কথা গণনাৰদ্বাৰাই ৰজাক কোৱাত, ৰজাই সেইমতে অগৰু চন্দন প্ৰাপ্ত হোৱাত তেওঁক সাগৰখড়ি উপাধি প্ৰদান কৰে। কোন ঠাইত কিমান দকৈ পুখুৰী খান্দিলে পানী ওলাব, এই কথাও তেওঁ গণনাৰদ্বাৰা ক'ব পাৰিছিল। তেওঁৰ কথা মতে বলদেৱ পুখুৰীত নাগ বহুৱাই ৰজা কৃতকাৰ্য হৈ তেওঁক তেওঁৰ বাসস্থানৰ ওচৰৰ পথাৰত বহুত পুৰা মাটি ব্ৰহ্মোত্তৰকৈ দান কৰিছিল। এই বলদেৱ পুখুৰী মঙ্গলদৈৰ নায়কপাৰা খণ্ডৰ ভিতৰত। নায়কপাৰাৰ ওচৰতে দক্ষিণফালে গোৱালঝাৰ গাঁও। এই গোৱালঝাৰত তেওঁ ঘৰ-বাৰী সাজি বসতি কৰিছিল। তেওঁৰ ঘৰৰ ওচৰৰ বলদেৱ পুখুৰীৰ পছিমে যি বহল পথাৰ আছে, সেই পথাৰক আজিও সেই ঠাইৰ মানুহে 'সাগৰখড়িৰ পথাৰ' বোলে। তেওঁ যেনে জ্যোতিৰ্বিদ, সেইদৰে তেওঁ চিকিৎসা শাস্ত্ৰতো পাৰ্গত আছিল। তেওঁ 'অশ্বনিদান' নামে ঘোঁৰাৰ চিকিৎসা-শাস্ত্ৰ প্ৰণয়ন কৰে।

সাগৰখড়ি

মহাভাৰতৰ উপপৰ্ব 'কূৰ্মবলী বধ' কাব্য তেওঁ ৰচনা কৰে। তাত কবিয়ে তেওঁৰ বাসস্থানৰ একো পৰিচয় দিয়া নাই।

"বোলন্ত সাগৰ কবি অতি অল্পমতি।
কৰজোৰে মহন্ত জনক কৰো নতি ॥"

তেওঁৰ ৰচিত পদৰ বহুতত মঙ্গলদৈৰ গাৱঁত ব্যৱহাৰ কৰা শব্দ বহুত দেখা যায়।* কূৰ্মবলী বধ প্ৰকাশকে জোঁটনিত হাত দিয়া বুলি স্বীকাৰ কৰিছে। সেইবাবে কোনো কোনো শব্দ বিকৃত হৈছে। "মৃণালৰ নালা যেন ভৈলা কলেবৰ (২০৭ পদ)। নালা নহয়, নলাহে। নলা পাতৰ ঠাৰি। সাগৰখড়িযে মঙ্গলদৈৰ গোৱালঝাৰ গাৱঁৰ, তাত অকণো সন্দেহ নাই। সাগৰখড়িৰ উপাসনা মন্দিৰৰ শিৱলিঙ্গ তাত বৰ্তমান। তলত

* অকাৰা তণ্ডুল (নিকা নোহোৱা চাউল), হাখিৰাক (যাবলৈ) কূৰ্মাঠৈৰ (কুটুৱইতৰ), আথাকে—অবিশ্ৰান্ত। ঠৈৰ শব্দ বহুত ব্যৱহাৰ কৰিছে।

সাগৰখড়িৰ বংশলতা দিয়া হ'ল। চন্দ্ৰশেখৰক ধৰ্মনাৰায়ণে সাগৰখড়ি উপাধি আৰু ব্ৰহ্মোত্তৰ দান কৰে। বংশলতা—

মঙ্গল চন্দ্ৰ (কনৌজৰপৰা কোঁচ ৰজাই আনে)
- হলায়ুধ
  - ৰবিদেউ
    - গঙ্গাধৰ
      - ভবানন্দ
        - চন্দ্ৰশেখৰ (সাগৰখড়ি)
          - অজ্ঞাত
            - দেৱহৰি
              - নিৰ্ভয়
                - ঘনশ্যাম
                  - শ্ৰীশিৱ
                  - শ্ৰীনন্দি
                  - শ্ৰীৰত্নেশ্বৰ
          - অনন্ত
            - বংশীদেউ
              - তুনীয়া
                - কমলাকান্ত
                  - নমলচন্দ্ৰ
                    - শ্ৰীৰবি দেউ (গোৱালথাৰ)

সাগৰখড়িৰ বংশধৰ গোৱালথাৰত আৰু পাথৰিঘাটত সম্প্ৰতিও আছে।

সূৰ্যখড়ি এজন ঐতিহাসিক পণ্ডিত, জ্যোতিষ-শাস্ত্ৰ বিশাৰদ, তন্ত্ৰাদি শাস্ত্ৰত সুবিজ্ঞ আৰু কবি আছিল। জ্যোতিষৰ ৰাজমাৰ্তণ্ড পুথি তেওঁ প্ৰণয়ন কৰে। তেওঁ ইতিহাসৰ দৰং ৰাজবংশাৱলীৰ প্ৰণেতা,

**সূৰ্যখড়ি**

তন্ত্ৰশাস্ত্ৰৰ পূজা-পদ্ধতিত ৰজা-প্ৰজা সকলোৰে বিশ্বাসভাজন শক্তি-প্ৰদৰ্শক। তেওঁ দৰং ৰাজবংশাৱলীখন ছন্দমুক্তকৈ লিখা ঠাচ্ দেখিলেই তেওঁৰ কবিত্ব প্ৰতিভা দেখা যায়। তেওঁৰ গ্ৰহাৰ্চনৰ শক্তিত দৰঙ্গীৰজা সমুদ্ৰনাৰায়ণ অভিভূত হৈছিল। প্ৰবাদ আছে যে এদিন

সূৰ্যগ্ৰহণ হোৱাৰ কথা আছিল। ৰজাই তেওঁক ক'লে যে "যদি আজি সূৰ্যগ্ৰহণ নোহোৱাকৈ তেওঁ ৰাহুক বন্ধ কৰিব পাৰে, তেন্তে তেওঁৰ পূজা হৈছে বুলি জনা যাব।" যথা সময়ত পূজা আৰম্ভ কৰিলে আৰু সেই-দিনা সূৰ্যগ্ৰহণ নোহোৱাকৈ থাকিল। ৰজাই তেওঁৰ শক্তি দেখি বহুত মাটি-বাৰী ব্ৰহ্মোত্তৰকৈ দান কৰিলে। এই দান কৰা ব্ৰহ্মোত্তৰৰ ফলি-মোহৰ তেওঁৰ বংশৰ লোকৰ হাতত আজিও আছে। তেওঁৰ ঘৰ মঙ্গলদৈৰ লোকৰায় মৌজাৰ বলদেৱপাৰা গাৱঁত আছিল।*

মঙ্গলদৈৰ ব্যাসপাৰাৰ ব্যাস ওজাসকলে যিবিলাক মালচি (দেবীস্তুতি) গায়

**অন্য কৱিসকল** সেইবোৰ ৰমানন্দ দ্বিজ, বিজয়নাৰায়ণ ৰজা, দ্বিজ ৰঘুপতি, ৰজা মৌদনাৰায়ণ, লক্ষ্মীনাৰায়ণ আদিয়ে ৰচনা কৰিছিল। এই বিষয়ে কলা-কৃষ্টি চৰ্চা অধ্যায়ত আলোচনা কৰা হ'ব।

ব্যাসকলাই এজন সংগীত-কলাবিদ স্বৰসাধক আৰু নৃত্যবিদ্যা বিশাৰদ

**ব্যাসকলাই** পণ্ডিত আছিল। এওঁৰ বিষয়ে সংগীত-চৰ্চা অধ্যায়ত আলোচনা কৰা হ'ব।

ভৱানন্দ মিশ্ৰ গোবিন্দ চৰিত্ৰ লিখক কৱি। খটৰা সত্ৰ প্ৰতিষ্ঠাতা

**ভবানন্দ মিশ্ৰ** গোবিন্দৰ চৰিত্ৰ এওঁ দৰঙ্গী ৰজা চন্দ্ৰনাৰায়ণৰ দিনত ৰচনা কৰে। ষষ্ঠদশ শতিকাৰ শেহভাগত তেওঁ এই চৰিত-পুথি ৰচনা কৰিছিল বুলি ধৰিব পাৰি।

পীতাম্বৰ সিদ্ধান্তবাগীশ এজন স্মৃতিশাস্ত্ৰবিশাৰদ মহা পণ্ডিত আছিল। এওঁৰ পাণ্ডিত্য গুণত মোহিত হৈ দৰঙ্গী ৰজাই

**পীতাম্বৰ সিদ্ধান্তবাগীশ** তেওঁক দীক্ষাগুৰু কৰি লৈছিল। এওঁ ২৮ খন কৌমুদী ৰচনা কৰে। ৰজাই তেওঁৰ গুণত মুগ্ধ হৈ তেওঁক বহুত মাটি ব্ৰহ্মোত্তৰকৈ দান কৰে। তেওঁৰ ঘৰ মঙ্গলদৈৰ পাতিদৰঙ্গত। তেওঁক দিয়া ব্ৰহ্মোত্তৰ বৰ্তমানো পাতিদৰঙ্গত থকা তেওঁৰ বংশই ভোগ কৰে।

---

* তেওঁৰ বংশলতামতে দেখা যায়, তেওঁৰ নাম হলধৰ আছিল। সূৰ্য্যখড়ি আৰু বিদ্যা-বল্লভ তেওঁৰ উপাধিহে।

পুৰুষোত্তম ভট্টাচাৰ্য সিদ্ধান্তবাগীশৰ সমসাময়িক পণ্ডিত। এওঁ বৰ সংস্কৃতজ্ঞ আছিল। মহাৰাজ নৰনাৰায়ণে সকলোৰে সুচাৰুৰূপে বুজাকৈ এখন সংস্কৃত ব্যাকৰণ ৰচনা কৰিবলৈ এওঁক আদেশ কৰিলে।[১] ৰজাৰ আদেশ মতে তেওঁ ব্ৰাহ্মণ-শূদ্ৰ সকলোৰে সহজে বুজাকৈ 'ৰত্নমালা ব্যাকৰণ' প্ৰণয়ন কৰে। এওঁ পাণ্ডুৰ প্ৰতাপ ভূঞাৰো দীক্ষাগুৰু আছিল বুলি জনা যায়। ৺দুৰ্গোৎসৱ পূজাত গোৱাকৈ এওঁ বহুত মালচি ৰচনা কৰিছিল বুলি প্ৰবাদ আছে; কিন্তু বৰ্তমান ইয়াত সেইবোৰৰ এটিও শুনা নাযায়। প্ৰবাদ আছে যে পীতাম্বৰ সিদ্ধান্তবাগীশ, পুৰুষোত্তম ভট্টাচাৰ্য আৰু সৰ্বানন্দ ব্যাসকলাইক চিলাৰায়ে গৌৰৰপৰা আনে। ইয়াৰ হ'লে কোনো প্ৰমাণ নাই।

**৺পুৰুষোত্তম ভট্টাচাৰ্য**

চিলাৰায়ৰ পুত্ৰ নাৰায়ণে যেতিয়া উজাই আহি বৰনগৰত ৰাজ্য প্ৰতিষ্ঠা কৰেহি তেতিয়া তেওঁলোকক পিতৃৰ পূৰ্বৰ আদেশ মতে লগত লৈ আহে।[২]

৺পীতাম্বৰ সিদ্ধান্তবাগীশ, ৺পুৰুষোত্তম ভট্টাচাৰ্য আৰু ব্যাসকলাইক ৰঘুনাৰায়ণে আনি বৰনগৰত পতাৰ পিচত, তেওঁৰ নাতিয়েক ধৰ্মনাৰায়ণে যেতিয়া দৰঙ্গত ৰাজ্য প্ৰতিষ্ঠা কৰে, পূৰ্বৰ পিতৃ-পিতামহৰ আদেশ মতে তেওঁলোকক সপৰিবাৰে দৰঙ্গলৈ লৈ আহে। ভট্টাচাৰ্যৰ বংশ বৰ্তমান মঙ্গলদৈৰ সৰাবাৰী গাৱঁত আছে।

শ্ৰীধৰ হলধৰ সূৰ্যখড়িৰ পূৰ্বপুৰুষ। এওঁ কোচবেহাৰত থাকোঁতে ৰজাৰ আদেশ মতে জ্যোতিষৰ খণ্ডসাধ্য ৰচনা কৰে। এওঁকো ধৰ্মনাৰায়ণে সপৰিবাৰে আনি দৰঙ্গৰ বলদেৱপাৰা গাৱঁত স্থাপন কৰে। তাৰপিচত তেওঁৰ বংশত সূৰ্যখড়িৰ জন্ম হয়। তেওঁ জ্যোতিষত অগাধ পণ্ডিত আছিল। তেওঁ বৰাহৰ বংশধৰ বুলি পৰিচয় দিছিল। সিপিঠিত তেওঁলোকৰ বংশলতা দিয়া হ'ল।

**শ্ৰীধৰ**

---

১ শুনিয়ো পুৰুষোত্তম ভট্টাচাৰ্য দ্বিজ।
কৰিয়োক ৰত্নমালা ব্যাকৰণ বীজ ॥
দৰং ৰাজবংশাৱলী ৬০৫ পদ।

২ চিলাৰায় গৌৰ জয় কৰিবলৈ গৈ নবাবৰ হাতত বন্দী হয়। তেওঁ বন্দীশালত ইষ্টদেৱীক প্ৰাৰ্থনা কৰাত, নবাবৰ মাকক সাপে খায়। চিলাৰায়ৰ চিকিৎসাত ভাল হোৱাত তেওঁক মুক্তি দিয়ে। চিলাৰায় দেশলৈ ওভতোঁতে সত্যকৰি প্ৰতিজ্ঞাবদ্ধ হৈ তেওঁলোকক বেহাৰলৈ লৈ আহে। সেইকাৰণে তেওঁলোকক নেৰিবলৈ পিতৃ চিলাৰায়ে ৰঘুৰায়ক আদেশ কৰি গৈছিল। এইদৰে পুৰুষানুক্ৰমিক এৰাএৰি নকৰাকৈ দৰং পাইছিলহি।

৺বৰাহ
|
মিহিৰ
|
দন্দী
|
পৰশুৰাম
|
হৰিচন্দ্ৰ
|
পশুপতি (এওঁ হস্তিনালৈ যায়)
|
পুৰন্দৰ
|
চন্দ্ৰখড়ি
|
সূৰ্য্যদেৱ
|
কৃষ্ণদেউ
|
শ্ৰীধৰ (এওঁ জ্যোতিষৰ খণ্ডসাধ্য ৰচক)
|
শ্ৰীবৰ
|
হৰিবৰ
|
সূৰ্য্যখড়ি হলধৰ বিদ্যাবল্লভ
|
পৰ্শুৰাম
|
গদাধৰ
|

ৰত্নখড়ি — পৰ্শুৰাম — ৰামকানু — সুন্দৰ — চন্দ্ৰশেখৰ

ৰুদ্ৰেশ্বৰ ৰুদ্ৰখড়ি—এওঁ এজন তন্ত্ৰশাস্ত্ৰবিশাৰদ পণ্ডিত আছিল। দৰঙ্গী ৰজাই এওঁৰ পাণ্ডিত্য আৰু চিকিৎসাৰ গুণ দেখি বহুত মাটি-বাৰী দান কৰিছিল।

নৰোত্তম দ্বিজ

নৰোত্তম দ্বিজৰ ঘৰ দীপিলাত। এওঁ ব্ৰহ্মবৈবৰ্ত পুৰাণৰ জন্মখণ্ডৰ অসমীয়া ভাঙনি কৰে। দৰঙ্গী ৰজাৰ ৰাজধানী আছিল এওঁৰ কৰ্মস্থান। ৰজাই এওঁৰ কবিত্বত মোহিত হৈ বহুত মাটি-বাৰী দান কৰিছিল।

নৰোত্তম মিশ্ৰ

কবিৰাজ মিশ্ৰৰ ঘৰ ডাহী মৌজাৰ কবিকৰা গাৱঁত। এওঁ ধৰ্মানন্দ ভূঞা বা শিয়ালা বৈষ্ণৱৰ চৰিত্ৰ ৰচনা কৰে। এওঁ দৰঙ্গী ৰজাসকলৰ ৰাজত্বৰ শেষকালত এই সৰু পুথিখনি ৰচনা কৰে। ৰজাই তেওঁৰ কবিতাৰ ৰসাস্বাদন কৰি 'কবিৰাজ মিশ্ৰ' উপাধি প্ৰদান কৰে। অনুমান, সেই সময়ত দৰঙ্গী ৰজা প্ৰেমনাৰায়ণ আছিল।

সৰ্বানন্দ ব্যাসকলাই

সৰ্বানন্দ এজন সঙ্গীতাচাৰ্য আছিল। এদিন ৰজাই জেঠ মহীয়া প্ৰখৰ ৰ'দৰ তাপত তৎ নাপাই তেওঁক ক'লে যে 'ওজা, আপুনি যদি সংগীতৰ-দ্বাৰাই মোৰ শৰীৰ শীতল কৰাব পাৰে, তেন্তে বুজিম যে আপুনি গোৱা সংগীতৰ শক্তি আছে।' ৰজাৰ কথা শুনি ওজাই বৈদিক পঞ্চম ৰাগ 'মেঘ' আৰম্ভ কৰিলে। তেওঁ ৰাগ আৰম্ভ কৰাৰ লগে লগে আকাশ মেঘাচ্ছন্ন হ'ল। ৰাগৰ মধ্য অৱস্থা পোৱাৰ লগে লগে বৰষুণ আৰম্ভ হ'ল। ৰাগো শেষ হ'ল; বৰষুণো নাইকিয়া হ'ল। ৰজাই তেওঁৰ গুণত মুগ্ধ হৈ বহুত মাটি-বাৰী দান কৰিলে। তেওঁৰ ঘৰ মঙ্গলদৈৰ ব্যাসপাৰাত। তেওঁৰ বংশৰ লোক সেই গাৱঁত এতিয়াও আছে।

পাৰিজাতী ব্যাসানী

পাৰিজাতী এগৰাকী বিদুষী মহিলা। এওঁ দেবী সাধিকা আছিল। এওঁ সাধনাৰ বলত বাক্‌সিদ্ধতা লাভ কৰিছিল। ৰজাই এওঁৰ সাধনা-শক্তিৰ প্ৰভাৱ শুনি ৰাজধানীলৈ নিয়াই এওঁৰ শক্তিৰ পৰিচয় পাই এওঁক বহুত ভক্তি-শ্ৰদ্ধা জনালে। বহুত মাটি-বাৰী সম্পত্তি ৰজাই এওঁৰৈ আগ বঢ়ালে; কিন্তু এওঁ সেইবোৰ একো গ্ৰহণ নকৰিলে। এওঁ পুনৰায় নিজ ঠাইলৈ ঘূৰি আহি সাধনাত মনোযোগ

দিলে। এওঁৰ সাধনাৰ শক্তিক বৰ্তমানলৈকো সেই গাওঁৰ লোকসকলে শ্ৰদ্ধা-ভক্তি জনাই আছে। এওঁৰ বংশতে গোলাঘাটৰ কোটোহাগুৰি দেৱালয়ৰ প্ৰতিষ্ঠাতা 'গোস্বামী ঠাকুৰ'ৰ জন্ম হয়। পাৰিজাতীৰ উপাসনা মন্দিৰ বৰ্তমানেও এওঁৰ বংশ পৰিয়ালৰদ্বাৰা ৰক্ষিত হৈ আছে। তাত দেৱী বিগ্ৰহৰ প্ৰতীক 'মুদ্ৰা' আছে—যাক বিয়াহৰ মুদ্ৰা বোলে।

সুকবি নাৰায়ণদেৱ দৰং দেশৰ ৰজাৰ সভাপণ্ডিত, গায়ক আৰু কবি আছিল।

**সুকবি নাৰায়ণদেৱ**

এওঁ পদ্ম পুৰাণৰ 'লক্ষিন্দাৰ বেউলা' আখ্যানৰ ৰচক আৰু গায়ক। নাৰায়ণ দেৱৰ ৰচিত গীতি-কাব্যৰ ৰসত আপ্লুত হৈ ৰজাই এওঁক সুকবি উপাধিৰে ভূষিত কৰে। তেওঁৰ ৰচিত কাব্য সাধাৰণতে সুকনাম্নী নামে জনাজাত। এওঁৰ ৰচিত গীতকাব্যত কি কি ৰসমাধুৰ্য সংমিশ্ৰণ আছে, যিসকলে শুকনাম্নী গোৱা ওজাৰদ্বাৰা এবেলি গোৱা শুনিছে সিসকলেহে তাক উপলব্ধি কৰিছে। নাৰায়ণদেৱ নিজে গায়ক আছিল। প্ৰতিখণ্ড পদৰ পূৰ্বে সু-শ্ৰাব্য দিহা সম্বলিত। তেওঁৰ কাব্যৰ আৰু এটি বিশেষত্ব যে প্ৰত্যেক দিহা বৈষ্ণৱ ভাবযুক্ত অথচ দিহাৰ পিচৰ পদ শক্তিৰ মাহাত্ম্যমূলক। যেনে—

দিহা—এ কানাই মূৰুলী বজায় এ—
মূৰুলী বজায়।
তৰুৱা কদম তলে মূৰুলী বজায়।
পদ—চান্দো বোলে পাত্ৰগণ শুনাহা বচন।
বিবাহৰ কাৰণে লখাই কৰাহা সাজন॥
চান্দো বোলে জয়ধৰ শুনাহা উত্তৰ।
ঢোলে বাৰি দিয়া আয়া সাজন কৰ॥

দিহা—অ-এ ৰঘুনাথ সত্বৰে চলোৱা ভৱ সিন্ধু॥

পদ—জয় ধৰৰ বচনে লেঙাই ঢোলে দিলা বাৰি।
তোল পাৰ কৰিলেক চম্পক নগৰী॥
ঢোলৰ শবদে আয়াৰ আনন্দিত মন।
বিয়া দেখিবাক সবে কৰিলা গমন॥

এই নিচিনাকৈ বৈষ্ণৱ ভাবাপন্ন দিহাৰ অন্তত পদ ৰচনা কৰিছে। সুকবিদেৱৰ ৰচিত সম্পূৰ্ণ পদ্মাপুৰাণ বৰ্তমান এখনমাত্ৰ মঙ্গলদৈৰ শ্ৰীতাৰিণী-চৰণ ভট্টাচাৰ্যৰ ঘৰত আছে। তেখেতৰ ঘৰ সৰাবাৰী মৌজাত।

নাৰায়ণদেৱৰ জন্মস্থান সম্বন্ধে কবিয়ে তেওঁৰ কাব্যৰ ভিতৰত ক'তো পৰিচয় দিয়া নাই। তেওঁৰ ৰচিত কাব্যৰ শব্দাদিৰ প্ৰয়োগ, সেই গীতি-কাব্যৰ সংগীত গানৰ উদ্দেশ্য, সেই সময়ৰ সমাজত প্ৰচলিত ধৰ্মোৎসৱত চলোৱা নৃত্য-গীতাদিৰ প্ৰচলন আৰু সেই সময়ৰ কলা-কৃষ্টিৰ চৰ্চাৰপৰা জনা যায় যে তেওঁ মঙ্গলদৈৰ লোক আছিল। তেওঁৰ ঘৰ মঙ্গলদৈৰ ৰয়নাকুহি মৌজাৰ ঘোৰাশাল গাৱঁত নাওডিঙ্গা নদীৰ পাৰত আছিল। এই ঠাই ইংৰাজ ৰাজত্বৰ পূৰ্বে ব্যাসপাৰাৰ অন্তৰ্গত আছিল। ব্যাসপাৰা দৰঙ্গী ৰজাৰ ৰাজত্ব-কালত সঙ্গীত-কলা চৰ্চাৰ এখনি প্ৰধান স্থান আছিল।

নাৰায়ণদেৱৰ ৰচিত সুকনান্নী পুথিত প্ৰয়োগ কৰা শব্দ আৰু ভাষাৰ চানেকি তলত দিয়া হ'ল।

লক্ষিন্দাৰ বেউলাৰ 'বিয়েই ৰাতি' অৰ্থাৎ বাসৰ ৰাতিৰদিনা মেৰঘৰৰ ভিতৰত হোৱা কথোপকথন ভাষাৰপৰা তেওঁক সম্পূৰ্ণ মঙ্গলদৈৰ বুলি পৰিচয় পোৱা যায়।

দিহা— হে স্বামী ভাল নহয় ;—বিয়েই ৰাতি—
স্বামী নহয় ভাল ॥

পদ— ভাল নহয় স্বামী তোৰ **বিয়েই** ৰাতিৰ দিনে।
শুনি মন্দ বুলিবেক ব্ৰাহ্মণ সজ্জনে ॥
ভাল নহয় স্বামী তোৰ ভাল নহয় বাণী।
গজ মষ্ট হস্তীক অঙ্কুশে **আনেই** টানি ॥
যদি পুষ্প প্ৰকাশিত **হৱেই** কাল মায়া।
মধুকৰে মধু **পিয়েই** উপৰে বসিয়া ॥
ভাল নহয় স্বামী তোৰ ভাল নহয় লয়।
আপিস্তা বাঁহে কি পুৰঠৰ ভাৰ সয় ॥

অবাইছা গৰুক জুৰি যদি বাৰেই হাল।
নষ্ট হৱেই নাঙাল জোঙেলি নষ্ট হৱেই ফাল॥
তপত ভাত খাইলে প্ৰভু ঝিভাৰ যাই চাল।
জুৰেই শঠেই খাইলে প্ৰভু দুগুণে পাই ভাল॥

( বিয়েই, আনেই, হৱেই, পিয়েই, আপিস্তা, বাৰেই, ঝিভা, জুৰেই, শঠেই ইত্যাদি শব্দ মঙ্গলদৈৰ গাৱঁলীয়া লোকৰ কথ্য শব্দ। )

মনকৰ দুৰ্গাবৰ আদি কবিসকলেও এই মনসা কাব্যৰ পদ ৰচিছিল আৰু গাইছিল। কিন্তু তেওঁলোকৰ ৰচিত পদসমূহৰ ভাষাৰ সুকবি নাৰায়ণ-দেৱৰ লগত অমিল দেখা যায়। মহাৰাজ নৰনাৰায়ণ কিম্বা তেওঁৰ পিতৃ বিশ্বসিংহৰ দিনত ৰচিত পদ সুকবি নাৰায়ণদেৱৰ ৰচিত শব্দৰ প্ৰয়োগতকৈ বহুত বিভিন্ন। নাৰায়ণদেৱে এই সময়ৰ ব্যৱহৃত শব্দ প্ৰয়োগ কৰিছে।

দৰঙ্গীৰ ৰজাৰ ৰাজত্বকালত একমাত্ৰ ৰজাৰ নগৰতহে দুৰ্গোৎসৱ পূজা হৈছিল। ৰজাঘৰত বাদে প্ৰজাৰ ঘৰত দুৰ্গোৎসৱ পূজা প্ৰজাই নকৰিছিল। ৰজাৰ প্ৰধান বিষয়া আৰু সৰ্বসাধাৰণ শাক্ত লোকৰ ঘৰত ৺দুৰ্গাপূজাৰ পৰিবৰ্তে মাৰৈ পূজা বা ৺পদ্মাপূজা কৰা প্ৰথা প্ৰচলিত আছিল। সেই ৺পদ্মাপূজাৰ প্ৰধান আৰু প্ৰথম অঙ্গ আছিল— এই সুকনান্নীৰ ওজা-পালি। বামুণে পূজা নকৰিলেও হয়; কিন্তু যদি সুকনান্নীৰ ওজাই পদ্মাপূজাৰ পদ নাগায় তেন্তে পদ্মাপূজা নহয়। এই প্ৰথা মঙ্গলদৈত এতিয়াও প্ৰচলিত।

দুৰ্গোৎসৱ পূজা আৰু মাৰৈ পূজা

সুকবি নাৰায়ণদেৱৰ ৰচিত এফাঁকি পদৰপৰা প্ৰমাণ হয় যে, এই পুথিখনি ৰচনাৰ কালত মুছলমানে ( বঙ্গদেশৰ লোকে ) অসম আক্ৰমণ কৰিছিল আৰু আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ প্ৰেৰণা দানৰ উদ্দেশ্যে এই পদ ফাঁকি তাত প্ৰয়োগ কৰা হৈছিল। মাৰৈ পূজাৰ শেষদিনা দিনত যেতিয়া দেওধনী নাচে, তেতিয়া দেওধনীয়ে হাতত এখন তৰোৱাল লৈ নৃত্য কৰে আৰু ওজাই লগে লগে পদ গায়—

ৰণৰে ৰণ জিনি দুৰ্গা ঐ
বঙাল বধিবলৈ যায়॥

ঢুলীয়াই ঢোলত বাঁদি 'ছেও' মাৰে। দেওধনীয়ে ঢোলৰ ছেৱে ছেৱে তৰোৱাল ঘূৰাই ঘূৰাই নাচে।

এই উপৰোক্ত পদফাঁকি আৰু নৃত্যৰ দৃশ্যই সেই সময়ৰ সমসাময়িক ঘটনালৈ মনত পেলায়। কবিয়ে সমাজৰ লোকৰ মনত প্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে এই পদফাঁকি পূজাৰ পদৰ মাজত সুমুৱাই ৰচনা কৰিছে। তেতিয়া-হ'লে জনা যায় যে দৰঙ্গী ৰজা ধৰ্মনাৰায়ণ আৰু চন্দ্ৰনাৰায়ণৰ দিনত মুছল-মানে অসম আক্ৰমণ কৰিছিল। সেই সময়তে সুকবি নাৰায়ণদেৱে পদ্ম পুৰাণৰ পদ দৰঙ্গী ৰজাৰ ৰাজসভাত ৰচনা কৰিছিল। তেতিয়াহ'লে ষষ্ঠদশ শতিকাৰ শেহভাগত সুকবি নাৰায়ণদেৱে সুকনান্নী পুথি ৰচনা কৰে।

দৰঙ্গী ৰজাৰ ৰাজসভাত ব্যাস উপাধিধাৰী সঙ্গীতবিদ্যাত পাৰ্গত কেইগৰাকীমান পণ্ডিতে সংগীত চৰ্চা কৰিছিল। সেই পণ্ডিতসকলৰ বংশধৰসকল ব্যাসকলাই আজিও মঙ্গলদৈৰ ব্যাসপাৰা গাৱঁত নিগাজীকৈ বাস কৰি আছে। ব্যাসসকলৰ সঙ্গীতাচাৰ্যজনক ব্যাসৰ ওজা বোলে। ব্যাসৰ ওজাসকলে এতিয়াও দৰঙ্গী ৰজাৰ বংশ-ধৰসকলৰ ঘৰত শ্ৰীশ্ৰীদুৰ্গোৎসৱ পূজা আৰু অন্যান্য পূজাৰ সময়ত শ্ৰীশ্ৰীদুৰ্গা-পূজা উদ্বোধন কৰা জাগৰ গীত (দেৱীস্তুতিসূচক সংগীত) আৰু মালচি গায়। ব্যাস এটি উপাধি।[১] শব্দ বিস্তাৰককো ব্যাস বোলে।

ব্যাস শব্দৰ অৰ্থ পুৰাণ-পাঠক ব্ৰাহ্মণ। মুঠতে ব্যাস হৈছে এটা উপাধি। এনে উপাধিযুক্ত যিসকল পণ্ডিতে সংগীত-নৃত্য-কথকতা আদি কলাৰ[২] চৰ্চা কৰি পাৰ্গতালি লাভ কৰিছিল, তেওঁলোকক ব্যাসকলাই বুলিছিল।

১ ভাৰতৰ আৰ্য সমাজৰ প্ৰতিষ্ঠাতা শ্ৰীমৎ দয়ানন্দ সৰস্বতী মহাশয়ে তেওঁৰ প্ৰণীত 'সত্যাৰ্থ প্ৰকাশত' বৰ্ণনা দিছে যে ব্যাস এটা উপাধি। যিসকল পণ্ডিতে শাস্ত্ৰজ্ঞানৰ পৰি-পূৰ্ণতা লাভ কৰিছে, তেওঁলোকক ব্যাস বোলা হৈছিল। বৃত্তৰ কেন্দ্ৰ ভেদ কৰি পৰিধি স্পৰ্শ কৰা ৰেখাক যেনেকৈ ব্যাস বোলা হয়, তেনেকৈ যিগৰাকী পণ্ডিতে শাস্ত্ৰৰ কেন্দ্ৰ ভেদ কৰিবলৈ সমৰ্থ হয় তেওঁক ব্যাস বোলে। যেনে ৺কৃষ্ণ দ্বৈপায়নক সেইকাৰণে ব্যাস বুলিছিল।

যিজনে শব্দৰ প্ৰকাশ কৰে, শব্দ বিস্তাৰ কৰে তাক ব্যাস বোলে। (অমৰাৰ্থ চন্দ্ৰিকা সংস্কৃত অভিধান) —শব্দবোধ অভিধান।

২ কলা মানে অংশ, বিভাগ। হিন্দুশাস্ত্ৰ মতে বিদ্যা ৬৪ কলা—সাহিত্য, চিত্ৰ, সংগীত, নৃত্য, ভাস্কৰ্য ইত্যাদি।

এই ব্যাসকলাই উপাধিধাৰী সঙ্গীতাচাৰ্য পণ্ডিত এদল অতীজৰপৰা মঙ্গলদৈত বাস কৰি আছিল। দৰঙ্গী ৰজাসকলৰ ৰাজসভাত এনে ব্যাস উপাধিধাৰী পণ্ডিত কেইগৰাকীমান সভাপণ্ডিত আছিল ; এই ব্যাস পণ্ডিত-সকল কেতিয়াৰপৰা মঙ্গলদৈ তথা দৰংৰাজ্যত বাস কৰিছে, তাৰ সঠিক বিৱৰণ জনা নাযায়। মঙ্গলদৈত বাদে অসমৰ বৰপেটা মহকুমাৰ ভিতৰতো থকা ব্যাসপাৰা, বিয়াহকুছি আদি গাৱঁৰ নামৰপৰা জনা যায় যে অতীজত সেই ঠাইবোৰত ব্যাস পণ্ডিতসকলে বাস কৰিছিল।

অকল অসমতে নহয়, ভাৰতৰ আন ঠাইতো এনে ব্যাস উপাধিধাৰী লোক আছে। ৰাজনৈতিক নেতা জয়নাৰায়ণ ব্যাস, উত্তৰ প্ৰদেশৰ সাহিত্য-প্ৰেমী শ্ৰীৰবিশঙ্কৰ ব্যাস আদিৰ নামৰপৰাই এই কথা জনা যায়। সেই ব্যাস পণ্ডিতসকলৰ বংশধৰসকল অসমৰপৰাই পছিমলৈ গ'ল নে পছিমৰপৰাহে তেওঁলোক এইফাললৈ আহিছিল ঠাৱৰোৱা কঠিন। কিন্তু এইটো নিশ্চয় যে প্ৰাক্-শঙ্কৰী যুগৰপৰাই ব্যাসসকল মঙ্গলদৈত বাস কৰি আছে। যেতিয়া মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱে নাট ৰচনা কৰি সৰ্বসাধাৰণৰ দৃষ্টিগোচৰ কৰিছিল, তেতিয়া তেওঁ ৰৌতাৰ ফালৰপৰা 'চোটো বলৰাম' নামে ব্যাসৰ দাইনাপালি এজন নিছিলহি।[১]

ইয়াৰদ্বাৰাই প্ৰমাণ হয় যে শ্ৰীমন্তশঙ্কৰদেৱৰ সংগীত চৰ্চাৰ পূৰ্বৰপৰা মঙ্গলদৈত ব্যাসৰ পালি[২] আছিল। পালি থাকিলে ওজাও আছিল। মহাপুৰুষে এই ঠাইত ওজা-পালি থকা কথাটো পূৰ্বতে জানিছিল। মহা-পুৰুষে অসমত বৈষ্ণৱবাদ প্ৰচাৰ কৰাৰ পূৰ্বে অসমত শাক্ত আৰু শৈৱ মত প্ৰচলিত আছিল। কোঁচবংশী ৰজা বিশ্বসিংহই কামাখ্যাতে শক্তি-পূজা কৰিছিল। দৰংৰাজ্যত থকা ভূঞাসকলৰ ভিতৰত দেৱীপূজা আৰু শিৱ-পূজাৰ প্ৰচলন অতি বেছি আছিল। মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱৰ পূৰ্বপুৰুষ-সকলো শাক্ত আৰু শৈৱ আছিল।

---

১ আনিলন্ত নাৰায়ণে অতি অনুপম।
ব্যাসৰ পালি তেন্তে চোটো বলৰাম ॥ (চৰিত)

২ ব্যাসৰ ওজাই গীতগোৱাৰ সময়ত ওজাৰ পদ দোহাৰিবৰ কাৰণে কেবাজন লোকেও হাতত খুটি-তাল লৈ পদ ধৰে। ওজাই পদৰ ভাঙনি কোৱা সময়ত যিজনে ওজাৰে সৈতে কথোপকথন কৰি পদ বুজাই দিয়ে তেওঁক দাইনা-পালি বোলে।

বৌতা আৰু অসমৰ অন্যান্য ঠাইতো বাস কৰা বহুতো ভূঞাই শ্ৰীমন্ত শঙ্কৰদেৱৰ পূৰ্বে দেব-দেবীৰ পূজা কৰিছিল। সেই পূজাত দেব-দেবীৰ তুষ্টিৰ অৰ্থে দেবী-স্তুতি (মাল্‌চি) আদি গোৱা হৈছিল। সেই মালচি সংগীত ব্যাসৰ ওজাসকলেই গাইছিল বুলি প্ৰমাণ পোৱা যায়। সেই অতীজৰপৰাই ব্যাসসকল শাক্ত আছিল আৰু শক্তি-পূজাত দেবী-স্তুতি গোৱাই তেওঁলোকৰ কাম আছিল।

মহাৰাজ নৰনাৰায়ণৰ পিতৃ বিশ্বসিংহ। বিশ্বসিংহৰ ভাতৃ শিৱসিংহ যুৱৰাজ আছিল। যুৱৰাজ শিৱসিংহই বহুতো মাল্‌চি ৰচিছিল। এই মাল্‌চি ব্যাসৰ ওজাই দেবীৰ পূজাৰ সময়ত গাইছিল। শিৱসিংহই ৰচনা কৰা মালচিৰ সম্বন্ধে পিচত কোৱা হ'ব।

এইবোৰৰপৰা প্ৰমাণ হয় যে ব্যাসসকল অতীজৰপৰা অসমত বাস কৰি আছে।

ব্যাসৰ ওজাৰ (দেবী-স্তুতি গায়ক আৰু নৃত্যবিদ) উপাধি কলাই। কলা চৰ্চাত অভিজ্ঞতা থকা বাবেই তেওঁলোকক এই উপাধি পূৰ্বৰ কালতে দিয়া হৈছিল। মঙ্গলদৈত বাস কৰা ব্যাসসকলৰ বুঢ়া লোকসকলে কৈছিল যে শ্ৰীশ্ৰীকামাখ্যা দেবীৰ মন্দিৰৰ নৃত্যবিদ পূজাৰী ৺কেন্দুকলাই তেওঁলোকৰ বংশৰ এজন পূৰ্বপুৰুষ আছিল।

ব্যাসসকল অতীজৰপৰা শাক্তমতাৱলম্বী আছিল। সম্প্ৰতিও মঙ্গলদৈত যিসকল ব্যাস আছে, তেওঁলোকৰ ভিতৰত সংহতিভুক্ত বৈষ্ণৱ ভকত নাই।

ৰাগ বৈদিক সঙ্গীত। ভাৰতত বৰ্ণাশ্ৰম ধৰ্ম পালনৰ কালত ব্ৰাহ্মণত বাদে আন বৰ্ণৰ লোকৰ বেদ অধ্যয়ন নিষেধ আছিল। ব্ৰাহ্মণৰ পুংসবৰ্ণ সংস্কাৰ কাৰ্যও ব্ৰাহ্মণৰ গৰ্ভৱতী পত্নীৰ গৰ্ভস্থ সন্তানক ভ্ৰূণৰ ভিতৰত স্বৰ শ্ৰৱণ কৰোৱা উদ্দেশ্যে বিবাহ-মণ্ডপৰ চতুৰ্দিশে চাৰিটা ৰাগ-সঙ্গীত স্বৰ-যুক্ত কৰি গাব লাগে। সেই কাৰ্য ব্যাসসকলৰদ্বাৰা কৰোৱা হৈছিল। ইয়াৰপৰা জনা যায় যে দৰংৰাজ্যত যেতিয়াৰপৰা ব্ৰাহ্মণে বাস কৰিছে তেতিয়াৰেপৰা ব্যাসসকলৰ বসতি পুৰণি দৰংৰাজ্যত আছিল।

তেওঁলোক ৰজাসকলৰ আৰু ৰজাসকল তেওঁলোকৰ পৰস্পৰ পৃষ্ঠপোষক আছিল। ৰজা আৰু ব্যাসৰ অবিচ্ছেদ্য সম্বন্ধ আছিল। সংগীত কলাৰ

চৰ্চাৰ কাৰণে তেওঁলোকে ৰজাৰ সভাপণ্ডিতৰ আসনত অধিষ্ঠিত হৈছিল। এইকাৰণে অসমৰ হিন্দু ৰজাসকলৰ ৰাজধানীত তেওঁলোকে বাস কৰিছিল। কোঁচ ৰাজ্যৰ অভ্যুত্থানৰ সময়ত তেওঁলোক কোঁচবেহাৰত নৰনাৰায়ণৰ ৰাজসভাত আছিল আৰু তাৰপৰা কোনোবা এজন ব্যাস দৰং ৰাজ্যলৈ কোঁচ ৰজাৰ দৰঙ্গী ফৈদৰ লগতো আহিছিল। এইবাবে তেওঁলোকৰ বহুতেও বেহাৰৰপৰা অহা বুলি কয়।

**পাটবাউসীৰ পূৰ্বৰ নাম ব্যাসপুৰ**

দামোদৰ চৰিত পুথিৰ ১৬৮ পদত উল্লেখ আছে যে পাটবাউসীৰ পূৰ্বৰ নাম ব্যাসপুৰ আছিল। দামোদৰদেৱ শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱৰ সমসাময়িক মহাপুৰুষ। পাটবাউসীৰ পূৰ্বৰ নাম ব্যাসপুৰ থকাৰপৰা জনা যায় যে, তাত ব্যাসসকল অতীজতে বাস কৰিছিল। পছিম ভাৰততো ব্যাস উপাধিধাৰী পণ্ডিত বৰ্তমানো আছে।[১] ৰাজনৈতিক নেতা জয়নাৰায়ণ ব্যাস কহানীকাৰ পণ্ডিত বিনোদশঙ্কৰ ব্যাস, সংস্কৃত পণ্ডিত আৰু সনাতন ধৰ্মৰ উপদেষ্টা পণ্ডিত অম্বিকানন্দ ব্যাস আদি পণ্ডিত ব্ৰাহ্মণসকলৰ তাত বসতিৰপৰা এই কথাৰ প্ৰমাণ পোৱা যায়।

সেই যুগৰ অনুকৰণ কৰি বৰ্তমান যুগৰ ভাৰতত স্বৰ বিভাগ কৰ্তাসকলক ব্যাস উপাধি প্ৰদান কৰা হৈছিল। উপৰোক্ত প্ৰমাণসমূহৰপৰা জনা যায়, বৈদিক স্বৰৰ (ছয় ৰাগ, ছয়ত্ৰিশ ৰাগিণীৰ) বিভাগ কৰ্তাসকলৰ ভাৰতীয় আৰ্য ঋষি-মুনি বিজ্ঞসকলে ব্যাস উপাধি প্ৰদান কৰিছিল। অসম অতীজৰ আৰ্য বসতিস্থান। তেতিয়াই এইসকলক ব্যাস উপাধি দিছিল। পছিম ভাৰতো আৰ্যভূমি। তাতো তেনে পণ্ডিতসকলৰ ব্যাস উপাধি আছিল।[২]

---

১ বিষ্ণু পুৰাণত উল্লেখ আছে যে অতীজত বেদ বিভাগ কৰোঁতাজনক ব্যাস বোলা হৈছিল। প্ৰত্যেক দ্বাপৰত একো একোজন মহাপুৰুষে বেদ ভাগ কৰিছিল। এইদৰে এই পৰ্যন্ত ২৮টা দ্বাপৰ যুগ হৈছে। বৰ্তমান কৃষ্ণ দ্বৈপায়ন ব্যাসকৃত শাস্ত্ৰ চলিছে।

২ (১) ব্ৰহ্মা, (২) প্ৰজাপতি, (৩) শুক্ৰাচাৰ্য, (৪) বৃহস্পতি, (৫) সবিতা, (৬) মৃত্যু, (৭) ইন্দ্ৰ, (৮) বশিষ্ঠ, (৯) সাৰস্বত, (১০) ত্ৰিধামা, (১১) ত্ৰিবৃধা, (১২) ভৰদ্বাজ, (১৩) অন্তৰীক্ষ, (১৪) অত্ৰি, (১৫) ত্ৰয্যৰুণ, (১৬) ধনঞ্জয়, (১৭) কৃতঞ্জয় (১৮) ঋণ, (১৯) ভৰদ্বাজ, (২০) গৌতম, (২১) উত্তম, (২২) হৰ্যাত্মা, (২৩) ৰাজশ্ৰৱা, (২৪) তৃণ, (২৫) বিন্দু, (২৬) বাল্মীকি, (২৭) শক্তি, (২৮) কৃষ্ণ দ্বৈপায়ন।

ইয়াৰ পিচত দ্বাপৰত অশ্বত্থামা ব্যাস হ'ব। তেতিয়া আন সকলো মন্ত্ৰ লোপ পাব; একমাত্ৰ 'ওম' প্ৰণৱ মন্ত্ৰ উচ্চাৰণ কৰিব।

দুয়ো ঠাইৰ স্বৰ সাধক ব্যাস পণ্ডিতসকলৰ ভিতৰত পৰস্পৰৰ সংযোগ আছিল। কাৰণ, এই পণ্ডিতসকলেহে অতীজত স্বৰ শাস্ত্ৰৰ চৰ্চা কৰিছিল। হয়তো কাৰণবশতঃ বিদ্যাদি চৰ্চাৰ কাৰণে তেওঁলোকৰ উভয়ৰে পূব-পছিমৰ উভয় দেশৰ ভিতৰত অহা-যোৱা আছিল। কিন্তু অসমত আয বসতিৰ কালৰপৰা ব্যাসে অসমত বাস কৰিছে।

এইকাৰণেই তেওঁলোকৰ ভিতৰত অসমত প্ৰচাৰিত নব বৈষ্ণৱবাদ গ্ৰহণ কৰা মনোভাবে ঠাই নলৈছিল। এইকাৰণেই যেতিয়া মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ-মাধৱদেৱে নব বৈষ্ণৱ মত অসমত প্ৰচাৰ কৰে, তেতিয়া তেওঁলোকৰ সহগামী হৈও তাক গ্ৰহণ কৰিবলৈ তেওঁলোকে আপত্তি কৰিছিল আৰু কোনো কোনো ব্যাসে মহাপুৰুষীয়া মতবাদ গ্ৰহণ কৰিও গোপনীয়কৈ শীতলা দেৱী আদি দেৱী-পূজাৰ অঙ্গ পালন কৰিছিল। আৰু সেইকাৰণে এজন মহাপুৰুষীয়া মতবাদ গ্ৰহণ কৰা ব্যাসক শ্ৰীশঙ্কৰদেৱে ত্যাগ কৰিছিল। এই কথা মহাপুৰুষ মাধৱদেৱে উপলব্ধি কৰি তাৰ পিচৰ তেওঁৰ ভক্ত ব্যাসক ত্যাগ নকৰি কৈছিল।

"উদ্ধৱৰ অংশ আসি ভৈলা ব্যাস কলাই।
ব্যাস কলাইত জানা কিছু দোষ নাই।
পঞ্চ বৰিষৰপৰা ভক্তি মোত কৈলা।
তথাপিত দেৱী পূজা উদ্ধবে নেৰিলা॥"

মানুহ সংস্কাৰৰ দাস। এইকাৰণেই মঙ্গলদৈৰ ব্যাসসকল বোধকৰোঁ এই পৰ্যন্ত অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ সংহতিভুক্ত ভকত নহয়। সংহতিভুক্ত ভকত হ'লে তেওঁলোকে তেওঁলোকৰ বংশত চলি অহা দেৱী-পূজা ত্যাগ কৰিব লাগিব আৰু তেওঁলোকে পূৰ্ব পুৰুষৰপৰা চলাই থকা দেৱী-পূজাৰ সংগীত ত্যাগ কৰিব লাগিব—এনে বিবেচনা কৰে।

এই যুক্তিসমূহৰ ওপৰত নিৰ্ভৰ কৰিলে জনা যায় মঙ্গলদৈতযে বহু বছৰৰ পূৰ্বৰপৰা সঙ্গীতগুৰু ব্যাসকলাইসকলে বসতি কৰি আছে। অতীজতো আৰু আজিকালিও দেখা যায় সংগীতৰ অশেষ শক্তি। সংগীতৰ ওপৰত জাতিৰ কৃষ্টি-সভ্যতা নিৰ্ণয় হয়। সংগীত জাতিৰ কৃষ্টি-সভ্যতাৰ নিৰ্দৰ্শন।

সংগীত-কলাৰদ্বাৰা মানৱে বিশ্বভাতৃত্ব ভাব গঢ়ে। দৰঙ্গী ৰজাৰ সংগীত-বিশাৰদ সভাপণ্ডিতসকল এসময়ত অসমৰ সংগীতবিদ্যাৰ গুৰু-স্বৰূপ আছিল। দৰঙ্গী ৰজাই তেওঁলোকক মাটি-বাৰী, ধন-সম্পত্তি দান কৰি উৎসাহিত কৰাৰ উপৰিও আহোম ৰজা স্বৰ্গদেউসকলেও তেওঁলোকৰ বৃত্তি ৰক্ষাৰ অৰ্থে মাটি-বাৰী দান কৰি উৎসাহিত কৰিছিল আৰু অসমত বৈদিক ৰাগৰ উন্নতি সাধন কৰিছিল। শ্ৰীশ্ৰীলক্ষ্মীসিংহ স্বৰ্গদেৱে সেই উদ্দেশ্যে দান কৰা মাটিৰ নিদৰ্শন স্বৰূপ তামৰ ফলিৰ নকল তলত দিয়া হ'ল।

ব্যাসৰ ওজা সাগৰক প্ৰদত্ত তামৰ ফলিৰ নকল—

"৺শ্ৰীযুত কামাক্ষ্যা পাদপদ্ম মধু প্ৰভঃ। শ্ৰীলক্ষ্মীসিংহ পুৰন্দৰ কুলোদ্ভৱ। ৰিপু নৃপঃ কুলৰ্মস্ত শ্ৰেণী বিনস্তমস্তদ্যুমণি সমমনিস্বী ভেমৰ পদাৰ বিন্দঃ। হিমকৰকৰ কীৰ্তিঃ কাম সঙ্কাশ মূৰ্তি স্বনয় নিশ্চয় তল্পোদন্তি কল্পদ্ৰুকল্প অয়ং প্ৰাদাং-ক্ষিতিমিমাং কামৰূপ নিসিনে স্বস্তি শ্ৰীসাগৰাক্ষায় দৈৱজ্ঞকুল জন্মনে তস্মৈ পাঠকবৈৰ্যায় তাম্ৰপত্ৰদিংঞ্চস্বঃ তৰ্কাংকষদ্বিধৌ শাকে প্ৰদাত্ত বিত্তিৰক্ষকং এতদ্বিবৰণং ১৬৯৬।

কামৰূপ দেশৰ বৰুৱা ও বৰকায়স্থ চৌধাৰী ও পাটোৱাৰী ও তালুকদাৰ ও ঠাকুৰীয়া ও গয়ৰহ সকলো সাবধানে জানিব ক্ষেত্ৰী পৰগণাৰ শালমৰা গ্ৰামৰ বিয়াহৰ ওঝা সাগৰক স্বৰ্গদেউ ঈশ্বৰে এই মাটি দিলে আৰু এই তাম্ৰ পত্ৰ কৰি দিলে। ক্ষেত্ৰী পৰগনাৰ শালমৰা গ্ৰামত ৰূপীত মাটি ৮ পুৰা আবে হদ পূবে শালমৰা নদী পশ্চিমে গৰুবাট উত্তৰে ৰাজ আলি সত্তৰা বাৰী গয়া পানীৰ ঘৰৰ আগত ৪ পুৰা বামুণীয়া মেধিৰ বাৰীৰ পাচ টোকৰৰ চাপৰ পূবে ৪ পুৰা পাতিদৰং পৰগণাৰ ৰণৰা গ্ৰামত ৮ পুৰা ২৪ লোছা আৰু দৰঙ্গ দেশত ধুমুহা গ্ৰামত ঘৰবাৰী ৭ বোৰতী ২৪ বেতনা গ্ৰামত ঘৰবাৰী ৮ বোৰতী ২২ মুঠত ৬১ পুৰা আকে বিয়াহৰ ওঝাএ পুত্ৰ পুত্ৰাদি ক্ৰমে ভোগ কৰি স্বৰ্গদেউ ৺ৰক আশিৰ্বাদ কৰি থাকিব। ইয়াৰ কৰ-কাটল পদ পঞ্চক বেছ্-বেপাৰ জল কৰ ৰক্ষাৰ চোৰ চিনালা ধুমুছিমা দেনা চকীহাট ঘাট সৰ্ববাব পৰিত্যাগ হইল। ইয়াত কোনে জনে অন্যথা নকৰিব। ইতি শক ১৬৯৬ অগ্ৰহায়ন ভূপোসৌভাবিনো ভূপাল কৃত জ্ঞানো সমাযাতে ময়াকৃতোনিবন্ধ অয়ং ভবাব্দিৰঃ পালতামিতি।"

লক্ষ্মীসিংহ স্বৰ্গদেৱে এই তামৰ ফলিৰদ্বাৰা ব্যাসৰ ওজাক মাটি দান কৰা সময়ত আহোম ৰজাসকল শাক্ত হৈ পৰিছিল। তেওঁলোকে দেৱী-পূজাৰ উত্তৰোত্তৰ উন্নতিৰ কাৰণে চেষ্টা কৰিছিল। সেই দেৱী-পূজাৰ অঙ্গ স্বৰূপ মালচি আদি দেৱীস্তুতি গাবলৈ ব্যাসৰ ওজাক মাটি-বাৰী দান কৰিছিল। দেৱী পূজা বিশেষকৈ শ্ৰীশ্ৰীদুৰ্গাপূজাত মালচি আদি গোৱা সময়ত ব্যাসৰ ওঝাই 'মুদ্ৰা' নামে এটি দেৱীৰ বিগ্ৰহৰ স্বৰূপ সাঙ্কেতিক বিগ্ৰহ হাতত লৈ দেৱীস্তুতি আৰু ৺দুৰ্গাৎসৱ উদ্বোধনৰ সংগীত গান কৰে। ৺দুৰ্গোৎসৱ উদ্বোধনৰ পদ সমূহক 'জাগৰ গোৱা' বোলে। এই প্ৰথা দৰঙ্গী ৰজাৰ কোঁৱৰসকলৰ ঘৰত হোৱা ৺দুৰ্গাপূজাতহে পালন কৰা হয়। ৰজাৰ ঘৰ, ব্যাসৰ ঘৰত বাদে আন ঠাইত এই 'মুদ্ৰা' লৈ জাগৰ গোৱা নিয়ম সৰ্বসাধাৰণৰ ঠাইৰ কাৰণে নিষেধ আছিল। ব্যাসসকলে সেই নিয়ম বৰ্তমানলৈ পালন কৰি আহিছে।

এই 'মুদ্ৰা' অষ্ট ধাতুৰদ্বাৰা নিৰ্মিত। দৰঙ্গী ৰজাৰ দিনতে ইয়াক তৈয়াৰ কৰোৱা হৈছিল আৰু ব্যাসসকলক নিজৰ ঘৰৰ মন্দিৰত ৰাখিবলৈ অনুমতি দিছিল। সম্প্ৰতিলৈ সেই নিয়ম চলি আছে। ব্যাসৰ ঘৰত বাদে 'মুদ্ৰা' আন ঠাইত দেখা নাযায়। মঙ্গলদৈত বৰ্তমান ব্যাসৰ ওজাত বাদে আন ওজায়ো ৰাগ-গীত গায়; কিন্তু সিসকলৰ হাতত 'মুদ্ৰা' ব্যৱহাৰ কৰা প্ৰথা নাই।

**মুদ্ৰাৰ আকৃতিৰ ব্যাখ্যা**

মুদ্ৰাৰ আকৃতি দেখি বহুতেই ইয়াক সদাশিৱৰ নৃত্যৰ বাদ্য ডম্বৰুৰ প্ৰতীক বুলি কয়। আমাৰ মতে ডম্বৰুৰ প্ৰতীক নহয়। কাৰণ, ডম্বৰু হ'লে ওজাই তাক তৈয়াৰ কৰি ল'লেহেঁতেন। তাল-নেপুৰ [১] আদি আনবিলাক তৈয়াৰ কৰি লয়। আমাৰ মতে ই নাদৰ[২] প্ৰতীক। দুই মূৰৰ ঘূৰণীয়া আকৃতিৰ বস্তু দুটাই গুহ্যৰ উৰ্ধস্থানত স্থিত মূলাধাৰ আৰু মেৰুদণ্ডৰ শেষ সীমা মূৰৰ স্থিৰ সহস্ৰাৰ পদ্মক বুজাইছে। মাজৰ ভিতৰ-ফোঁপোলা মাৰিডালে মেৰুদণ্ডক বুজাইছে। দুয়োমূৰে থকা ইডাল কাঠিয়েই ছয় চক্ৰৰ সঙ্কেত স্বৰূপ। নাদ

---

১ নেপুৰ—ভৰিত পিন্ধা বাদ্য।

২ নাদ—মানুহৰ অন্তৰত উদ্ভৱ হোৱা শব্দৰ প্ৰতীক।

বা শব্দই হ'ল ব্ৰহ্ম, মূলাধাৰৰপৰা সহস্ৰাৰেদি ব্ৰহ্মৰন্ধ্ৰ পৰ্যন্ত গমন কৰে। তাৰে একাংশ মুখেৰে বাহিৰ হৈ বেদ, শাস্ত্ৰাদি ৰূপে প্ৰকাশ হয়; একাংশ ব্ৰহ্মৰন্ধ্ৰৰপৰা স্নায়ুসমূহৰ ভিতৰেদি সৰ্ব শৰীৰত ব্যাপি পৰে। এইকাৰণে শব্দব্ৰহ্ম বা ঈশ্বৰৰ নামে শৰীৰ-প্ৰাণ-মন পবিত্ৰ কৰে। ব্যাসসকলে ৺দুৰ্গোৎসৱ উদ্বোধন কৰা 'জাগৰ সঙ্গীত'ত মুদ্ৰাৰ নিৰ্মাণ সম্বন্ধে কিছু পদ আছে। 'জাগৰ'ৰ পুথি অপ্ৰকাশিত হৈ আছে। পুথিখনি সংস্কৃত শ্লোক আৰু মাজে মাজে অসমীয়া ভাষাৰ পদ সম্বলিত। যেনে—

ওঁম্ দুৰ্বাদলং, শ্যামতনুং মনজ্ঞানং
কান্ত্যালেখন্তি ফলৰ্কোলহস্তা বালাৰ্কলোচনীবালী।
ওঁম্ তনুবালী বিম্বোধৰংনিৰভূতং ধনশ্ৰী ফলিত
অক্ষৰে লিখন্তি বৰবালী, দুৰ্বাৰপত্নী
শ্যামকন্যা বুলিবাক পাৰি, কুমাৰী সদৃসানাৰী
অক্ষৰে লেখন্তি,
ধনশ্ৰীৰাগ মুনিগণে প্ৰশংসন্তি।..........

ইত্যাদি প্ৰকাৰে সংস্কৃত আৰু অসমীয়া সংমিশ্ৰণকৈ ৰচনা কৰা পদ কিছুমান। ওজাই সুৰ লগাই গালে এই পদবোৰ শুনিবলৈ সুশ্ৰাব্য হয়।

পুথিখনিৰ ৰচক সম্পৰ্কে কোনো বৰ্ণনা নাই। পুথিখনি সঙ্গীতৰ ঠাচত লিখা। এইকাৰণে এই পুথিখনি ব্যাস পণ্ডিতৰদ্বাৰা ৰচিত বুলি সিদ্ধান্ত কৰিব পাৰি।

দীঘলীয়া হোৱাৰ কাৰণে স্থানাভাৱে প্ৰকাশ কৰা নহ'ল। মুঠতে তাৰ সাৰমৰ্ম মুদ্ৰাত সকলো দেৱতাৰ আৰোপণ কৰা হৈছে আৰু তাক দেৱতাসকলে প্ৰত্যেকেই ধাতু, কমাৰশাল আদি হৈ মুদ্ৰা ৰূপে ৺দেৱীৰ প্ৰতীক হৈছে। ওজাই সেই দেৱীৰ প্ৰতীক হাতত লৈ সঙ্গীত গান কৰিছে।

ব্যাসৰ ওজাসকলে পূজাৰ সময়ত শ্ৰীশ্ৰীদুৰ্গোৎসৱ পূজাৰ ষষ্ঠীৰ দিনৰপৰা আৰম্ভ কৰি দশমী পৰ্যন্ত বেলেগ বেলেগ মালচি গায়। তাৰে নমুনা স্বৰূপে এটি তুলি দিয়া হ'ল—

জয় শিৱেক ভাবিনী, শিৱেৰ কামিনী,
মহিষ নাশিনী-অম্বিকে।

ইতিনি লোচনী, সহিতে মনোহৰ
মুখ শশধৰ শোভিতে ॥
জয় চৰণে বল্লভ, চৰণে বল্লভ,
অদিতিৰ দুঃখ ভয় হাৰিকে ।
যাহাকে কৰা দায়া, তাহাৰ মহামায়া,
ভৱ ভয় দুঃখ হাৰিকে ॥
জয় নবীন যৌৱন, উন্নত কুচচ ঘন,
হৰ মন মোহ মোহিতে ।
দিব্য আভৰণ শৰীৰ সুশোভন,
মুনিৰ তপ মন মোহিতে ॥
জয় ত্ৰিশূল চন্দ্ৰহাস, আদি অষ্টাদশ
চাৰু দশ-ভুজ মণ্ডিতে ।
অসুৰ দণ্ডিনী, ত্ৰিদশ নন্দিনী,
ভক্তজন দুঃখ হাৰিকে ॥
জয় কৰহো কাকুতি, শুনা ভগৱতী,
পদছায়া-ছায়া বন্দিতে ।
স্ম মোহো দীন মতি, শিৱ নৰপতি,
চৰণ যুগ তৱ বন্দিতে ॥*

কোঁচবংশী আদি ৰজা বিশ্বসিংহ । তেওঁৰ বাল্যনাম বিশু । যুৱৰাজ শিৱসিংহ । এই মালচি শিৱসিংহৰদ্বাৰা ৰচিত হ'ব পাৰে । শিৱসিংহ নামেৰে আহোম ৰজা এজনো আছিল ; আহোম ৰজা শিৱসিংহৰো ৰচিত হ'ব পাৰে । আহোম ৰজা শিৱসিংহৰ ৰচিত হ'লে, ব্যাসসকলৰ ওজা এজনে আহোম ৰজাৰ ৰাজধানী ৰংপুৰতো থকা বুজায় । আহোম ৰজাসকলো শেষকালত শাক্ত হৈছিল । সেই সময়ত দেৱী-পূজাৰ সময়ত মালচি গাবলৈ ব্যাসসকলক ৰংপুৰ আদিলৈ আনিছিল ।

* এই মালচি ৰজা শিৱসিংহৰদ্বাৰা ভণিত । ইয়াৰদ্বাৰাই শিৱসিংহৰ ৰাজ্যত ব্যাসৰ ওজা থকাৰ প্ৰমাণ পোৱা যায় ।

ব্যাসৰ ওজাসকলে অতীজত বৈদিক ছয়ৰাগ আৰু ছয়ত্ৰিশ ৰাগিণী সম্পূৰ্ণ জানিছিল। কালত তাৰ বহুতো পাহৰণি বা চৰ্চাৰ অভাৱত লোপ পালে। সম্প্ৰতি সাৰঙ্গ, বৰাৰি, কল্যাণ, ৰামগিৰি, মালৱী, ধনশ্ৰী আদি কিছুমান প্ৰচলিত হৈ আছে। আগেয়ে সকলো জানিছিল। তেওঁলোকে পূৰ্বে পোৱা ৰাগ-ৰাগিণীৰ তালিকা এখনি দিয়া হল।

১ম ৰাগ—শ্ৰীৰাগ। পত্নী ৰাগিণী (১) মালৱী, (২) ত্ৰিৱলী, (৩) গৌৰী, (৪) বৰাৰি, (৫) ভূপালি, (৬) কল্যাণী।

২য় ৰাগ—বসন্ত। পত্নী ৰাগিণী (১) হিঙ্গুলী, (২) গুঞ্জৰী, (৩) মাল্লৱী, (৪) পদ্ম মঞ্জৰী, (৫) সাৰেৰি, (৬) কৌশিকী।

৩য় ৰাগ—ভৈৰৱ। পত্নী ৰাগিণী (১) ভৈৰৱী, (২) গৌৰী, (৩) ৰামগিৰী, (৪) গুণগিৰী, (৫) বঙ্গালী, (৫) সৈন্ধৱী।

৪ৰ্থ ৰাগ—পঞ্চম। পত্নী ৰাগিণী (১) দেৱগিৰী, (২) ললিতা, (৩) বিভাৰা, (৪) কৰ্ণাটী, (৫) বৰহংসিকা, (৬) অভিৰি।

৫ম ৰাগ—মেঘ। পত্নী ৰাগিণী (১) মধু-মাধৱী, (২) মল্লাৰী, (৩) সৌৰাতি, (৪) গান্ধাৰী, (৫) হৰ শৃঙ্গাৰী, (৬) সাৰঙ্গী।

৬ষ্ঠ ৰাগ—নটনাৰায়ণ। পত্নী ৰাগিণী (১) পাহাড়ী, (২) বদসী, (৩) কেদাৰী, (৪) কামুদী, (৫) নৰ্তিকা, (৬) হিৰম্বী।

৺দেৱী পূজাদি আৰু তাত গোৱা গীত, মালচি আদিৰ প্ৰভাৱ-চৰ্চা প্ৰাক্-শঙ্কৰী যুগত বৰ বেছিকৈ আছিল। শঙ্কৰী যুগত যেতিয়া ব্যাসকলাই-সকলৰ কেবাজনেও মহাপুৰুষীয়া মত গ্ৰহণ কৰিলে তেতিয়া তেওঁলোকৰ ভিতৰত শক্তি পূজাৰ আৱশ্যকীয় গীত-ৰাগ আদিৰ চৰ্চা ক্ৰমে কমি গৈছিল। সেইবোৰৰ চৰ্চা ক্ৰমাৎ কমি গৈ কালত বহুতো লোপ পালে।

তেওঁলোকে যিবিলাক ৰাগৰ বৰ্ত্তমান যিবিলাক মালিতা গায় সেইবোৰ শঙ্কৰী যুগত বৈষ্ণৱবাদক কেন্দ্ৰ কৰি ৰচনা কৰা।

**ৰাগৰ মালিতা**

যেনে :

পাহাৰী ৰাগৰ মালিতা—সত্যভমাৰ মন্দিৰে নাৰদ চলি গৈলা।
কি কাৰ্যে আসিলা গুৰু বুলিয়া পুছিলা ॥

নাৰদে বোলন্ত মই যি কাৰ্যে আসিলো ।
এক গোটা পাৰিজাত পুষ্পক আনিলো ॥
তোমাক দিবাক লাগি কৃষ্ণৰ হাতে দিলো ।
কৃষ্ণে নিদিলন্ত তোমাক দুৰ্ভাগ্য জানিলো ॥
হেন শুনি সত্যভমাৰ চেতন হৰিলা ।
ধাৎকাৰ কৰি দেৱী ভূমিত পৰিলা ॥
ফোঁকাৰি ফোঁকাৰি দেৱী ক্ৰন্দন কৰিলা ।
সত্যভমাৰ ক্ৰন্দনত পাহাৰী ৰাগ ভৈলা ॥

ৰবাৰি ৰাগৰ মালিতা—

গৰুড় লৰিলা কৃষ্ণৰ সুমৰণে ।
নাজানো কিসক মাতিলন্ত জনাৰ্দনে ॥
এই বুলি পক্ষীৰাজ উৰাও কৰিলা ।
কৃষ্ণৰ আগত পাখা জুৰিয়া ৰহিলা ॥
মাধৱে বোলন্ত শুনিয়োক পক্ষীবৰ ।
তযু জ্ঞাতীগণ বৰ ভৈলা ক্ষুধাতুৰ ।
মোহোৰ বচনে তুমি প্ৰয়াগক যাহা ।
জ্ঞাতি উদ্ধাৰিবে লাগি সত্বৰে চলাহা ॥
কৃষ্ণৰ বচনে পক্ষী উৰাও কৰিলা ।
মধ্য সাগৰত পাখা জুৰিয়া পৰিলা ॥
বত্ৰিশ যোজন সাগৰত চৌত্ৰিশ যোজন পানী ।
মধ্য সাগৰে ভৈলা পক্ষীৰ আঠু সমান পানী ॥
বৈনতা নন্দন তেওঁ গৰুড় মহাবল ।
পাখাই সিঞ্চিলা সাতো সাগৰৰ জল ॥
মৎস্য কচ্ছপ গণ ধৰি ধৰি খায় ।
তুষ্ট হুৱা গৰুড়ে ৰবাৰি ৰাগ গায় ॥

কাৰুণ্য ৰাগৰ মালিতা—

যি কালত কৃষ্ণে বটু ৰূপক ধৰিলা ।
ছল কৰি বলিৰাজৰ ৰাজ্য কাঢ়ি লৈলা ॥
গৰুড়ৰ হস্তে বলিক কৰাইলা বন্ধন ।
দেখি বৃন্দাৱলী সতী কৰিলা ক্ৰন্দন ॥

বলিৰ দুৰ্গতি দেখি ক্ৰন্দন কৰিলা ।
সতীৰ ক্ৰন্দনত কাৰুণ্য ৰাগ ভৈলা ॥

এই নিচিনাকৈ ৰামগিৰী, সাৰঙ্গ, শুহাই, চালন আদি ৰাগৰ মালিতা ভাগৱত, পুৰাণ, ৰামায়ণৰ পদ গাওঁতে পদৰ লগে লগে আৱশ্যকানুযায়ী দিয়া ৰাগৰ মালিতা গায় ।

তাত বাদেও মহাপুৰুষসকলৰ আৰু কবীৰৰদ্বাৰা ৰচিত বৰগীত আদি গায় । ব্যাসৰ ওজাই গোৱা কবীৰৰদ্বাৰা ৰচিত বৰগীতৰ নমুনা এটি দিয়া হ'ল—

অ ভাই মূৰুখ তোৰ কি নিয়ম ধৰম ভাই পণ্ডিত তোৰ কি প্ৰাতঃ চিনান ।
হৃদয়ত নিৰঞ্জন, নকৰা চিন্তন, তোৰ কি পশু গিয়ান ॥
অ' ভাই....

নিতে স্নান কৰে, পানীৰ পানী-কাউৰী, নিতে স্নান কৰে উদ্ ।
নিতে স্নান কৰে, সাধু মহাজনে, কোনখিনি কৰিলা শুধ ॥
অ' ভাই..

একে সৰোবৰে, দুই মৎস্য উপজিল, শাল শৌল দুই ভাই ।
শৌলক ধৰি আনি, ভকতে ভুঞ্জয়, শালকনো কিয় নাখাই ॥
অ' ভাই....

অজাতি বিৰালি, চৰু-হাৰি লুটিলা, শাল-সিঙ্গি লুটিলা পানী ।
উজনি ঘাটত, হিন্দুই হাৰাম ধুলে ভাঠিত মুছলমানী ॥
অ' ভাই....

ব্ৰাহ্মণৰ বিধবাই, মৎস্যকে নাখাই, পানীকনো কিমতে খাই ।
হৰিৰ নাম বিনে, প্ৰভুৰ নাম বিনে, ভিতৰখন মাজোতা নাই ॥
অ' ভাই....

কহেতো কবীৰা, মই বৰ ফকিৰা, বিষয় বিষম ধান্দা ।
এৰা আলজাল, বিষয় জঞ্জাল, হৰিনাম গলে বান্ধা ॥ অ' ভাই....

কবীৰ বা অন্যান্য দেশৰ কবিসকলে এনেকুৱাকৈ ৰচনা কৰা গীত ওজাবিলাকে গোৱা শুনা যায় । ইয়াৰদ্বাৰাই অনুমান হয় তেওঁলোকৰ

দিনতো দৰঙ্গ অসমত বাদেও অন্যদেশৰ সঙ্গীতজ্ঞসকলৰ লগত মিলন হোৱাৰ সুবিধা আছিল। ৰজা বা শাসনকৰ্ত্তাসকলেই তাৰ দিহা আৰু যোগাযোগ কৰি দিছিল। সেইকাৰণে আন দেশৰ কবিসকলে ৰচনা কৰা গীত আদি আমাৰ দেশত প্ৰচাৰিত হৈছিল।

শিৱৰ গীত :

অয়ে বাবা হামাৰ শিৱ—
অয়ে বাবা হামাৰ ভোলানাথ লৈ এপদ্মে—
দেশ্‌মে যাইতে ৰে।

ক্ষণো অৰণা, ক্ষণো বৰণা
ক্ষণো নপূৰ বাৱে গো—গো...।
পৰিধান ব্যাঘ্ৰেৰ চাল, ভস্ম ধূলা গাৱে
গাৱে শোভে মুণ্ডমালা, শিৰে উৰ্ধ জটাভাৰ,
কপালে শোভে উৰ্ধ চন্দ্ৰ ফোটা—
ভক্ষণে ভাঙ্গেৰ গুৰা, নাম ত্ৰিপুৰাৰী,
জগতক দেই দান আপুনি ভিক্ষাৰী,
কহয় মাধৱ দাসে*এহি তত্ত্ব সাৰ।
শিৱৰ চৰণ বিনে, হৰৰ চৰণ বিনে,
গতি নাহি আৰ॥

তাত বাদেও দুৰ্গাদাস আদিৰ দ্বাৰা ৰচিত ভালেমান বৰগীত শুনা যায়।

পুৰণি অসমৰ পূবে আৰু পছিমে আহোম, কোঁচ দুটা শক্তিয়ে দুখন ৰাজধানী পাতি অসমৰ শক্তি-গৌৰৱ বৃদ্ধি কৰিছিল। ৰংপুৰ আছিল অসমৰ যুদ্ধ (অস্ত্ৰ) সমৰ শক্তিৰ কেন্দ্ৰস্থল আৰু মোহনপুৰ আছিল সাহিত্যাদি কলা-জ্ঞানৰ কেন্দ্ৰস্থল। অসি আৰু মসী দুয়োটাৰে চৰ্চা সমানে চলাৰ কাৰণে সেইকালত অসম ভাৰতৰ ভিতৰত অপৰাজেয় আছিল।

* কোন মাধৱ জনাৰ উপায় নাই। এই গীত প্ৰাক্-শঙ্কৰী যুগৰ পূৰ্বে ৰচিত যেন লাগে।

# মঙ্গলদৈত প্ৰতিষ্ঠিত সত্ৰসমূহ

মঙ্গলদৈত দৰঙ্গী ৰজাসকলে সাহিত্য-চৰ্চাৰ উন্নতি সাধনৰ চেষ্টা কৰাৰ উপৰিও সামাজিক লোকসকলৰ মনত ধৰ্ম-চৰ্চাৰ ধাউতি প্ৰবল কৰাৰ উদ্দেশ্যে বৈষ্ণৱ-সত্ৰাদিও প্ৰতিষ্ঠা কৰিছিল। মঙ্গলদৈত বৰ্তমান যিবিলাক সত্ৰ আছে, সেইবিলাকৰ ভিতৰত উদাসীন নীতি পালন কৰা সত্ৰ এখনিও নাই। আটাইবিলাকেই গৃহী বিষয়ী সত্ৰ। প্ৰথমতে প্ৰতিষ্ঠা কৰোঁতে এই সত্ৰবিলাকৰ অৱস্থা ভালেই আছিল। এতিয়া সেই সত্ৰবিলাক সত্ৰাধিকাৰসকলৰ গৃহস্থী একোখনত পৰিণত হৈছে। সেইবোৰৰ আৰ্থিক অৱস্থা অতি শোচনীয়। মাত্ৰ মহাপুৰুষীয়া খটৰা সত্ৰ ৰাজহুৱা হিচাপে পৰিচালিত হৈ আছে।

এই সত্ৰ দীপিলা মৌজাৰ খটৰা গাৱঁত অৱস্থিত। খটৰা সত্ৰ লেছাকণীয়া গোবিন্দ আতৈয়ে প্ৰতিষ্ঠা কৰে। খটৰা গাৱঁৰ নাম সম্বন্ধে এই ঠাইত এটা

**খটৰা সত্ৰ**

কিম্বদন্তি প্ৰচলিত আছে। অতীজত এই ঠাইত খটাসুৰ নামে এজন পৰাক্ৰমী অসুৰৰ বাসস্থান আছিল। খটাসুৰ অসুৰক পাণ্ডৱৰ বনবাসৰ কালত দেৱী দ্ৰৌপদীয়ে নিজ হাতৰ খাৰুৰ (কঙ্কনৰ)-দ্বাৰা বধ কৰে। দেৱীয়ে সেই খটাসুৰক বধ কৰা খাৰুপাট বৰ্তমান যি ঠাইক খাৰুপটীয়া বোলে তাতে পেলাইছিল। সেইবাবে সেই ঠাইৰ নাম খাৰুপটীয়া। দেৱীৰ খাৰুপাট পিচৰ কালত মানুহে পাই তাতে এটি মন্দিৰ স্থাপন কৰি পূজা কৰিছিল। বহুদিনৰ পূৰ্বেই সেই মন্দিৰ ব্ৰহ্মপুত্ৰৰ বুকুত জীণ যায়। সেই খটাসুৰ অসুৰৰ ঠাইৰ নামানুসৰি সেই ঠাইৰ নাম খটৰা হয় বুলি কয়।

কোনো কোনোৱে কয় যে ঠাইত খট—দুষ্ট, ঠগ প্ৰকৃতিৰ লোক কিছুমান আছিল তাত খটবিলাকৰ মাজত লেছাকণীয়া গোবিন্দ আতৈয়ে সত্ৰ প্ৰতিষ্ঠা কৰাৰপৰা সিহঁতৰ চৰিত্ৰ সংশোধিত হৈ সাধু প্ৰকৃতিৰ হয়। খটভাব হৰণ

হয়, এইকাৰণে এই ঠাইৰ নাম 'খট হৰা' আৰু কালত 'খটৰা' হয়।*

বৰ্তমান খটৰা সত্ৰৰ যি ঠাইত মণিকূট মন্দিৰ আছে, তাতে খটাসুৰ অসুৰৰ প্ৰতিষ্ঠিত তেওঁৰ ইষ্ট দেৱী ৺চণ্ডীৰ মন্দিৰ আছিল বুলি জনশ্ৰুতি আছে। ৺গোবিন্দ আতৈয়ে সেই দেৱী মূৰ্তি তাৰপৰা আঁতৰ কৰি তাত ৰাম-সীতা, লক্ষ্মণ, হনুমান, লব-কুশৰ মূৰ্তি স্থাপন কৰি সত্ৰ প্ৰতিষ্ঠা কৰে। বাহিৰৰ নাট-মন্দিৰৰ সিংহাসনত ভাগৱত থাপনা আছে।

মঙ্গলদৈৰ ভিতৰত খটৰা সত্ৰও এখন মহাপুৰুষীয়া সত্ৰ। খটৰা সত্ৰৰ উন্নতিৰ কাৰণে দৰঙ্গী ৰজাই মাটি-বাৰী দান কৰিছিল। সম্প্ৰতি মঙ্গলদৈৰ ভিতৰত যিবিলাক সত্ৰ আছে তাৰ ভিতৰত এইখনো এখন প্ৰধান সত্ৰ। মঙ্গলদৈ অঞ্চলৰ বৈষ্ণৱ, শাক্ত, শৈৱসকলেও খটৰা সত্ৰক শ্ৰদ্ধা-ভক্তি কৰে। তাত প্ৰতি বছৰে মহাপুৰুষসকলৰ তিথি সমাৰোহেৰে পালন কৰা হয়। প্ৰতি বছৰে ভাদ আৰু আহিনৰ সংক্ৰান্তিত এই সত্ৰত এটি ডাঙৰ উৎসৱ হয়। সেই উৎসৱক মঙ্গলদৈৰ মানুহে 'পঁচটি' বোলে। উৎসৱত ৩৬ ঘণ্টা ব্যাপি মেলা হয়; ওজাপালি, ভাওনা, ৰং-ধেমালি হয়।

প্ৰতি বছৰে খৰালি মাহত মঙ্গলদৈ অঞ্চলৰ সকলো হিন্দু মানুহৰ তিৰোতা-সকলে এই সত্ৰৰ নামঘৰত প্ৰতিষ্ঠিত সীতা-ৰামৰ মূৰ্তি দৰ্শন কৰিবলৈ যায় আৰু নিজহাতে বোৱা কাপোৰ দেৱী সীতাক অৰ্পণ কৰি বৰ মাগেগৈ। মঙ্গলদৈৰ হিন্দু তিৰোতাৰ বিশ্বাস খটৰা সত্ৰত প্ৰতিষ্ঠিত সীতা দেৱীৰ মূৰ্তিত নিজহাতে বোৱা কাপোৰ দিলে ছোৱালী আৰু তিৰোতাসকল সহজে বোৱনী হ'ব পাৰে।

সত্ৰৰ অলপ দূৰত দক্ষিণফালে এটি মন্দিৰত আতৈয়ে নিজহাতে লিখা ৰত্নাৱলী পুথি এখন আছে বুলি কয়। এইকাৰণে এই মন্দিৰক ৰত্নাৱলী

---

* কথা লহ্বাকণীয়া গোবিন্দ আতৈ চাই খাবলৈ গৈছিল। ধন সেৱিয়া মুখতে বৈ ভাত খাইছিল। কাহি, কলহ, লোটাটো দেখি তিনি কুৰি খাটে বেৰি ধৰি হানি মাৰিব খোজে। বোলে নেমাৰিবি সকলো পাবি। ভাত কেটা খাওঁ পা। খাই সুবুদ্ধি দিলে। দি অনেক শাস্ত্ৰৰ সাখীৰে ক'ব ধৰিলে—তঁহতে গো, ব্ৰাহ্মণ, ভক্ত-বৈষ্ণৱক মাৰি যি আন, সব জীয়ে কেনেকৈ? আৰ দোষ লৱ কোনে? নৰ্ক-স্বৰ্গ—দুখ শোক ক'লে। সেইতে মন সোমাল। জীৱৰ নিকাৰ হৰি বিমুখৰ শুনি তেওঁকে গুৰু মানি শৰণ ল'লে তিনিও কুৰি খটে। সেইটো দৰঙ্গত সত্ৰকৈ ৰ'ল খটৰা গোবিন্দ।"—কথা গুৰু চৰিত, ৩৪৫ পৃষ্ঠা।

মন্দিৰ বোলে। যাত্ৰীসকলে এই মন্দিৰকো শ্ৰদ্ধা-ভক্তি কৰে।

এই সত্ৰৰপৰা ৪ মাইল দূৰত ৺পালাভিঠা নামে আৰু এখনি মহাপুৰুষীয়া সত্ৰ আছে। প্ৰবাদ যে এই ঠাইতে প্ৰথমতে ৺গোবিন্দ আতৈয়ে সত্ৰ প্ৰতিষ্ঠা কৰিছিল। পিচতহে খটৰাত সত্ৰ প্ৰতিষ্ঠা কৰে। এই সত্ৰ নামতহে আছে।

খটৰা সত্ৰৰপৰা পূবফালে দেড় মাইলমান দূৰত কেৱলীয়া হাটী নামে গাঁও এখন আছে। প্ৰবাদ আছে যে তাত অতীজত খটৰা সত্ৰৰ কেৱলীয়া ভকতসকল বাস কৰিছিল। এইকাৰণে সেই গাঁৱৰ নাম কেৱলীয়া হাটী হয়। খটৰা সত্ৰত সত্ৰাধিকাৰ পদ নাই; সত্ৰ সমাজৰদ্বাৰা পৰিচালিত হয়।

বুৰঞ্জীবিশ্ৰুত ৺দিহিং সত্ৰ অসমৰ ভিতৰত কেইবা ঠাইতো সুপ্ৰতিষ্ঠিত হৈ আছে। পূৰ্বৰ নীতি মতে ধৰ্ম প্ৰকাশ অৰ্থে ৺দিহিং সত্ৰাধিকাৰসকলে অধিকাৰ সম্পদ লাভ কৰি সেই ঠাই এৰি আন ঠাইত সত্ৰ পাতি ধৰ্ম প্ৰকাশ কৰি বয়গৈ। সেইহেতু দিহিং সত্ৰ অসমৰ আটাইকেইখন জিলাতে আছে। এই সত্ৰসমূহৰ ভিতৰত কুৰুৱা দিহিং সত্ৰও এখন। এই সত্ৰ শ্ৰীশ্ৰীবৃন্দাবনচন্দ্ৰদেৱে প্ৰতিষ্ঠা কৰিছিল। এই কুৰুৱা দিহিং সত্ৰ সম্পৰ্কে শ্ৰীগুৰুেশ্বৰ বৰাদেৱ প্ৰণীত '৺দিহিং সত্ৰৰ বুৰঞ্জী'ৰপৰা তুলি দিয়া হ'ল—

**কুৰুৱা দিহিং সত্ৰ**

"মানে অত্যাচাৰ কৰি দেশ উপান্ত কৰাত প্ৰাণৰ ভয়ত বহুত মানুহে ঘৰ-বাৰী এৰি পলাই গৈছিল। দিহিং সত্ৰাধিকাৰ পুৰুষ বৃন্দাবনচন্দ্ৰদেৱে (অভয়চৰণ দেৱ) সেই সময়ত মহুৰাত সত্ৰ পাতি ধৰ্ম প্ৰকাশ কৰি আছিল। এনে দুৰ্দিনৰ সময়ত তাত থকা নিৰাপদ নহয় বুলি ভাবি পুত্ৰ-ভাৰ্যা সমন্বিতে সেৱকসকলক লগত লৈ পুৰুষজনে নাৱেৰে ভটিয়াই পলাই গৈ গোৱালপাৰা পাইছিলগৈ। সিফালে ইংৰাজ শাসনকৰ্তা ডেভিদ স্কট চাহাবে মানে অমানুষিক অত্যাচাৰ কৰি দেশ উপান্ত কৰাৰ খবৰ পাই মানক খেদাই অসমত শান্তি প্ৰতিষ্ঠা কৰিবৰ কাৰণে কিছুমান সৈন্য লগত লৈ ব্ৰহ্মপুত্ৰইদি উজাই আহিছিল। স্কট চাহাবে মানক খেদি উজাই আহোঁতে তাৰ লগে লগে বৃন্দাবনচন্দ্ৰদেৱো উজাই আহি ডোবাপাৰত বাহৰ পাতি ৰয়। যেতিয়া স্কট চাহাবে মানক খেদাই দি অসমত পুনৰ শান্তি স্থাপন কৰে, তেতিয়া বৃন্দাবনচন্দ্ৰদেৱে ডোবাপাৰ পৰিত্যাগ কৰি সত্ৰ স্থাপন কৰি ধৰ্ম প্ৰকাশ কৰিবৰ

কাৰণে এখনি সুন্দৰ ঠাই বিচাৰি ব্ৰহ্মপুত্ৰইদি উজাই আহে। পুৰুষজন নাৱেৰে উজাই আহি কিছুদিন গুৱাহাটীত আছিলহি। গুৱাহাটীত থাকিবৰ কাৰণে তেৰাৰ অনিচ্ছা হ'লত আকৌ উজনিলৈ যাত্ৰা কৰিলে। যাত্ৰা কৰি আহি গুৱাহাটীৰ উত্তৰ পাৰে পাঁচ মাইলমান আঁতৰত থকা কুৰুৱা পালত কুৰুৱাকে ভাল ঠাই বুলি বিবেচনা কৰি তাতে নিয়ম মতে হাটী-বাটী নামঘৰ আদি সজাই সত্ৰ পাতি ৰয়।

কুৰুৱা দিহিং সত্ৰত অধিকাৰ পুৰুষ বৃন্দাবনচন্দ্ৰদেৱৰ আষাঢ়ৰ শুক্লা তৃতীয়া তিথিত বৈকুণ্ঠপ্ৰয়াণ হয়। তেখেতৰ অগ্নিসেৱা থান এতিয়াও কুৰুৱাত জাগ্ৰত তীৰ্থ ৰূপে সকলোৱে সমাদৃত হৈ আছে। এইজনা অধিকাৰ পুৰুষৰ প্ৰয়াণৰ পাচত পুত্ৰ পুৰুষ বল্লভচন্দ্ৰদেৱে (নিত্যশোভন চন্দ্ৰদেৱে) এই কুৰুৱাতেই দিহিঙৰ অধিকাৰ সম্পদ লাভ কৰে। তাৰ পিচত তেৰাই কুৰুৱাৰপৰা গৈ উত্তৰ গুৱাহাটীত সত্ৰ স্থাপন কৰে।"

কুৰুৱা দিহিং সত্ৰ সম্পৰ্কে দুতিৰাম হাজৰিকাৰ অসমৰ পদ্যবুৰঞ্জীত আছে—

"ওৱাটাৰ কথা কিছু পাচ কৰি থওঁ।
পুৰন্দৰ ৰাজা যি কৰিলা তাকে কওঁ ॥ ১০৫৪
ইস্কাট চাহাবে দেশ লৈয়া আছে খায়া।
নৰপতি পাচে গুৱাহাটীক আসিয়া ॥
তাতে বাসা কৰি থাকি মনে গুণি চাই।
গৱৰ্ণৰ চাহাবক লাগি পত্ৰ দেই ॥ ১০৫৫
মানে আসি লৈল ৰাজ গৈলা ভটিয়াই।
আপোনাৰ কুম্পানিয়ে মানক খেদাই ॥
পূৰ্বাপৰ ৰাজনীতি আছে ব্যৱহাৰ।
বলহীন জনক কৰিবে উপকাৰ ॥ ১০৫৬
আকে জানি আমাসাক ৰাজ্য দিবে পায়।
নিদিয়া কৰিছে ভোগ তোমাক আজ্ঞায় ॥
শুনি গৱৰ্ণৰে বোলে টকা ভৈল হানি।
কিমতে এৰিয়া দিবো পূৰ্বাপৰ জানি ॥ ১০৫৭

তথাপিতো যেবে মোক খুজিয়া আছয় ।
অৰ্ধ ৰাজ্য দিলো এৰি অৰ্ধ আমি লৈই ॥
ৰজা হুয়া থাকিবেক আপুন নগৰে ।
পঞ্চাশ হাজাৰ টাকা দিবেক আমাৰে ॥১০৫৮
বৎসৰে বৎসৰে টাকা কৰিবে আদায় ।
এহি বুলি গৱৰ্ণৰে হুকুমক দেই ॥
সেহি মত গৱৰ্ণৰ পত্ৰখানি পাই ।
উজাই আসিলা ৰাজা ভাৰ্যা-পুত্ৰ লই ॥১০৫৯
গোহাঁইসকল আৰো আছিলা লগতে ।
ফুকন বৰুৱা যত আছে সিঠায়তে ॥
সিসবেয়ো লৈয়া লাগ ধৰিলেক তাত ।
প্ৰথমতে আসি পাইলা কুকুৰাৰ ঘাট ॥১০৬০
তাহাতে বসিয়া ৰাজা মনে গুণি চাই ।
ইহাতে আছয় জানো দিহিঙ্গ গোসাঁই ॥
ৰাজা হুয়া আসি আছো আপোনাৰ ৰাজ ।
মহন্তেৰে মিত্ৰ কৰিবেক আছে কাজ ॥ ১০৬১
পূৰ্বেৰাজেশ্বৰ ৰাজা পুলিন আমাৰ ।
মিত্ৰ কৰি গৈয়া আছে আমি কিবা বৰ ॥
কমলেশ্বৰে চন্দ্ৰকান্তে সখি তাকে জানি ।
আমি মিত্ৰ কৰি গৈলে নহৈবেক হানি ॥ ১০৬২
এহি মানে ভাবি ওজা লিগিৰা পঠায় ।
আমি গৈয়া দেখিয়া আসোহোঁ ঘৰ চাই ॥
শুনি প্ৰভু ডেকা ভঁৰালীক পঠাইলেক ।
আতাই সব সঙ্গে গৈয়া তেখনে গৈলেক ॥ ১০৬৩
ৰাজাত জনাইলা ডেকা ভঁৰালীয়ে পাই ।
নৃপতি উঠিয়া গৈলা কেঁকোৰা দোলাই ॥
প্ৰভু বাট চায়া আছে ঠকুৰ মুখত ।
চতুৰ্পাশে আতাইসবে বেঢ়ি আছে তাত ॥ ১০৬৪

দোলাৰ নামিলা ৰাজ প্ৰভু মালা দিলা ।
বুলনি পাৰিয়া নিয়া চালিত বসাইলা ॥
ৰাজা বসিলেক কেপকৰা যে পৰাই ।
প্ৰভু বসিলেক সৰু কেপকৰা চাই ॥ ১০৬৫
কথোপকথন ভৈলা ৰাজাবে প্ৰভুৰে ।
ৰাজা বোলে যত যত ৰাজা হুয়া গৈল ।
দিহিঙ্গৰে মিত্ৰৱতী সিসবে কৰিল ॥
ৰাজেশ্বৰ নৃপ যিটো মোহোৰ পুলিন ।
চিকণ গোসাঁইৰে সখি অলপ নোহে গুণ ॥ ১০৬৬
সেই হেতু তোমাৰে কৰিছো মই সখি ।
চিৰকাল নেৰিবা মোহক ভিন্ন দেখি ॥
নৃপতিৰ বিশ্বাস দিহিঙ্গত পৰে নাই ।
মহন্তৰ অগ্ৰগণি দিহিঙ্গ গোসাঁই ॥১০৬৭

* * *

কামেশ্বৰ যুৱৰাজ তাহান সন্তান ॥
আছিলেক যিটো জন মহা গুণৱান ॥
মিত্ৰ কৰিবাক লাগি নপাইলেক ঠাই ।
দিহিঙ্গৰ নিত্য শোভন যে গোসাঁই ॥১০৭৯
কেনমতে সখি কৰিবাক লাগি পায় ।
স্বৰূপত ইটো কথা বুজিবে লাগয় ॥
যি বেলাত ৰাজা হুয়া আসিল উজাই ।
মিত্ৰ কৰিলেক গৈযা প্ৰভুৰেসে ঠাই ॥১০৮০

* * *

অভয় চৰণ দেৱ বৈকুণ্ঠক গৈলা ।
নিত্য শোভন চন্দ্ৰ দেৱ অধিকাৰী ভৈলা ॥
গুৰুৰ বৎসৰ অন্তে আসিবাৰ মন ।
উদাস কীৰ্তনীয়া ভক্ত সব যত জন ॥১০৮৩”

**বামুণ্ডী সত্ৰ**

এই সত্ৰ লোকবায় মৌজাৰ দুৱৰীপাৰা গাৱঁত। এই বামুণ্ডী সত্ৰ থকা ঠাইক আগেয়ে মিশ্ৰপাৰা বা মিছুৰপাৰা বুলিছিল। এই সত্ৰও মহাপুৰুষীয়া সত্ৰৰ ধৰণে পৰিচালিত হয়। সত্ৰাধিকাৰসকলে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ভক্ত হৰিহৰ আতাৰ বংশধৰ বুলি পৰিচয় দিয়ে। মহাপুৰুষ বৰপেটালৈ যাওঁতে হৰিহৰ আতৈক তেওঁৰ আশ্ৰমত লগ পায় আৰু দুয়োজনৰ আত্মপৰিচয় ঘটে। তেতিয়া সংসাৰত্যাগী হৰিহৰক সূৰ্যবিপ্ৰসকলৰ ভিতৰৰ যিসকলে মহাপুৰুষীয়া বৈষ্ণৱ মতবাদ গ্ৰহণ কৰিব খোজে তেওঁলোকক শৰণ-ভজন দিবলৈ মহাপুৰুষ শঙ্কৰদেৱে আদেশ কৰে। এইবোৰ বৰ্ণনা বৰ্তমান অপ্ৰকাশিত হৈ থকা 'হৰিহৰ আতাৰ চৰিত'ৰ 'বামুণ্ডীয়া সত্ৰাধিকাৰৰ বংশাৱলী'ত সুন্দৰৰূপে বৰ্ণিত আছে।*

বামুণ্ডী সত্ৰাধিকাৰৰ এটা ঠ'লে পাটিদৰং শালমৰাত সত্ৰ পাতিলে। তাৰপৰা এটা ঠালে দৰঙ্গৰ মিশ্ৰপাৰাত (দুৱৰীপাৰাত) সত্ৰ পাতিলেগৈ। এই দুৱৰীপাৰাৰ বামুণ্ডী সত্ৰই মঙ্গলদৈৰ সূৰ্যবিপ্ৰসকলৰ ভিতৰত মহাপুৰুষীয়া অৰ্থে বহুত মাটি-বাৰী ব্ৰহ্মোত্তৰকৈ দান কৰে। তেওঁলোকৰ বংশ-পৰিয়াল বৰ্তমান দুৱৰীপাৰাত আশ্ৰমী সত্ৰ পাতি মঙ্গলদৈ অঞ্চলত শৰণ-ভজন দি আছে। সত্ৰৰ পূৰ্ব স্মৃতিৰ চিন স্বৰূপে তেওঁলোকৰ ঘৰত বহুত পুৰণি ধৰ্ম পুথি আছে। বৰ্তমান তেওঁলোকৰ বংশধৰসকলে দামোদৰীয়া সম্প্ৰদায়ৰ সূৰ্যবিপ্ৰসকলকো শৰণ-ভজন দিয়ে। অতীজৰপৰা মঙ্গলদৈত মহাপুৰুষীয়া আৰু দামোদৰীয়া সম্প্ৰদায়ৰ ভিতৰত বাদ-বিসম্বাদ নাই। উদাৰ ধৰ্মভাব লৈ দুয়ো সম্প্ৰদায়ৰ লোক মিলি-জুলি চলি আছে।

---

* আৰু পূৰ্বে বাৰভূঞাৰ সভা পণ্ডিত মৰা দলৈ গৃহ। উপৰি পিতামহ হৰেশ্বৰ, তানে পুত্ৰ নৰেশ্বৰ, তানে বেটা ধনেশ্বৰ, তানে তনয় কামদত্ত, তানে পুত্ৰ ৰামদত্ত, তানে নন্দন দেৱদত্ত, তানে পুত্ৰ হৰদত্ত। তানে পুত্ৰ হ'ল তিনি ; হৰিৰৱ, হৰিহৰ, হৰিচৰ্ণ। আচ্যৱন্ত সম্পান, তেৰকুৰি লোক আছিল। ৰজাৰ চ'ৰাৰ সভাপণ্ডিত। হৰিৰৱে মহাদশা নিৰ্যান দশা গণি মৰাজীয়া ক'ব পাৰে।....ৰোলে কোনো বস্তু নাপালে শত্ৰুৰে গোটখাই ৰাজতে মাতৰ উমানেই মাৰিব ই। চাউদাঙ্গক দে নি ৰাহগৰা নিয়ক। দিলে নিলে কাটিলেগৈ।....তেহে আতা হৰিহৰ শুধ এৰি ভাতৃ হৰিচন্দ্ৰক লৈ নিশাই পলাল। গুৰুজনৰ বাৰ্তা শুনি কামৰূপে যাবৰ চিত্ত হ'ল।....উদ্ধপুৰুষ হৰিৰৱ, তানেপুত্ৰ হৰিধৰ, তনয় ৰামৱৰ, তানে নন্দন কৃষ্ণদত্ত, তানে বেটা ধৰ্মাউ, তানে সুত পৰ্মাউ, তানে পুত্ৰ কৰ্মাউ, তানে সুত গোপাল....হৰিচন্দ্ৰে একটি কন্যা বিহা কৰি আশ্ৰমী হ'ল। তানে পুত্ৰ হৰিৰৱে তানে হন্তে ৰামুন্দি, হাতিমূৰা চিলা, ৰইনাকুছি, খেতৃ, গোৰ চয়খানি সত্ৰ হ'ল।

হৰিহৰ আতাৰ পূৰ্বপুৰুষৰ বাসস্থান খনা খখৰাত আছিল। তাৰ পিচত তেওঁলোক ব্যাঘ্ৰপিণ্ডালৈ আহে।

হিন্দুঘোপা মৌজাৰ ভিতৰত দামোদৰীয় সত্ৰ। দৰঙ্গী ৰজাসকলৰ দিনত এই সত্ৰৰ উত্তৰোত্তৰ উন্নতি আছিল। ৰজা-ঘৰৰপৰা যথেষ্ট মাটি-

**দেৱানন্দ সত্ৰ**

বাৰী ব্ৰহ্মোত্তৰকৈ দান দিছিল। এই সত্ৰৰ প্ৰতিষ্ঠিত বিগ্ৰহ শ্ৰীশ্ৰীঅনন্ত শয্যাশায়ী নাৰায়ণ। এই সত্ৰৰ সত্ৰাধিকাৰসকলে সমাজৰ ভিতৰত কলা-কৃষ্টিৰ উন্নতিৰ বাবে যত্ন কৰিছিল। প্ৰতি বছৰে আহিন আৰু কাতি মাহৰ সংক্ৰান্তিৰ দিনা 'মন্থনি উৎসৱ' নামে এটি উৎসৱ মহাসমাৰোহেৰে সত্ৰৰ ভিতৰত পালন কৰে। দেৱতা আৰু অসুৰৰদ্বাৰা ক্ষীৰ সাগৰ মন্থন কৰাত লক্ষ্মীদেৱীৰ আবিৰ্ভাৱ হোৱা উপলক্ষে এই উৎসৱ পালন কৰে। উৎসৱত সাগৰ মন্থনৰ দৃশ্য দেখুৱায়। ডাঙৰ মেলা হয়। মঙ্গলদৈ অঞ্চলৰ সকলো সম্প্ৰদায়ৰ লোকে তাত যোগ দিয়ে। শালিধানৰ খেতিৰ লগত এই উৎসৱৰ সম্পৰ্ক থকা বুজায়। মঙ্গলদৈৰ ভিতৰত দামোদৰীয় আশ্ৰমী সত্ৰৰ ভিতৰত এইখনে প্ৰধান সত্ৰ।

ৰঙ্গামাটি মৌজাৰ ভিতৰত এই সত্ৰ। কি কাৰণত এই সত্ৰৰ নাম চিন্তামণীয়া হ'ল জনা নাযায়। কোনো কোনোৱে কয় যে এই সত্ৰ

**চিন্তামণীয়া সত্ৰ**

শ্ৰীচৈতন্য সম্প্ৰদায়ৰ এজন বৈষ্ণৱে প্ৰতিষ্ঠা কৰিছিল আৰু এই কাৰণেই সত্ৰৰ নাম পিচৰ কালত 'চিন্তামণীয়া' হয়। এই সত্ৰত বহুতো শিলৰ পুৰণি কাৰুকাৰ্য থকা দেখা যায়। সত্ৰৰ সত্ৰাধিকাৰ বৰ্তমান বৈষ্ণৱ মতাৱলম্বী সূৰ্যবিপ্ৰ।*

এইখন লোকৰায় মৌজাৰ ভিতৰত দামোদৰীয় সত্ৰ। এই সত্ৰৰ

**ভবদেৱ সত্ৰ**

সত্ৰাধিকাৰ ৺ধৰ্মদেৱ গোস্বামীক ১৬৯৩ শঁকত আহোম ৰজা লক্ষ্মীসিংহ স্বৰ্গদেৱে বহুতো ব্ৰহ্মোত্তৰ মাটি দান কৰিছিল বুলি সত্ৰাধিকাৰে কয়। সত্ৰাধিকাৰ সূৰ্যবিপ্ৰ সম্প্ৰদায়ৰ।

* শ্ৰীচৈতন্যদেৱৰ ভক্তসকলে পুৰণি কামৰূপত ৰসতি কৰি ইযাত সত্ৰাদি পতা কথা শ্ৰীচৈতন্য-গুৰু চৰিত্ৰত উল্লেখ আছে।

দীপিলা মৌজাৰ হৰিপুৰ গাৱঁত এই সত্ৰ। এজন ধৰ্মজ্ঞ জ্ঞানী ব্ৰাহ্মণে এই আশ্ৰমী সত্ৰ প্ৰতিষ্ঠা কৰিছিল। ৰজাই এই সত্ৰৰ উত্তৰোত্তৰ উন্নতিৰ কাৰণে বহুতো ব্ৰহ্মোত্তৰ মাটি দান কৰিছিল।

**হৰিপুৰ সত্ৰ**

কালত সেইবোৰ সত্ৰাধিকাৰৰ নিজা সম্পত্তিৰ দৰে ব্যৱহৃত হৈ সত্ৰৰ স্বত্বৰ বহিৰ্ভূত হয়। সত্ৰাধিকাৰে বৰ্তমান মঙ্গলদৈ অঞ্চলৰ হিন্দুসকলৰ ভিতৰত শৰণ-ভজন দান কৰে। সত্ৰখনে দামোদৰীয় মতবাদ প্ৰচাৰ কৰে।

ডাঁহী মৌজাৰ জলজলি নামৰ অতীজৰ পুৰণি পুখুৰীৰ পাৰত এই দামোদৰীয় সত্ৰখন এজন সূৰ্যবিপ্ৰ বৈৰাগীয়ে দৰঙ্গীৰজাৰ অনুগ্ৰহত প্ৰতিষ্ঠা কৰে। বৈৰাগীয়ে সমগ্ৰ ভাৰত পৰ্যটন কৰি আহি এই সত্ৰ প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ বংশধৰসকল বৰ্তমান এই সত্ৰৰ সত্ৰাধিকাৰ।

**বৈৰাগী সত্ৰ**

এই সত্ৰ হিন্দুঘোপা মৌজাৰ ভিতৰত। ভাগৱতীয়া মতবাদ প্ৰচাৰৰ উদ্দেশ্যে এজন ভাগৱত-জ্ঞানী দামোদৰীয় সম্প্ৰদায়ৰ ব্ৰাহ্মণে এই সত্ৰ প্ৰতিষ্ঠা কৰে। ৰজাই এই সত্ৰ পৰিচালনা কৰিবলৈ বহুতো মাটি-বাৰী ব্ৰহ্মোত্তৰকৈ দান কৰিছিল।

**ভাগৱতী সত্ৰ**

ওৰাং মৌজাৰ মাজবাটত এই সত্ৰ। এই সত্ৰই মহাপুৰুষীয়া মতবাদৰ প্ৰচাৰ কৰে। সত্ৰাধিকাৰে খটৰা সত্ৰৰ প্ৰতিষ্ঠাতা ৺গোবিন্দ আতৈৰ বংশধৰ বুলি পৰিচয় দিয়ে।

**মাজবাট সত্ৰ**

লোকৰায় মৌজাৰ ভিতৰত হীৰা সম্প্ৰদায়ৰ এইখন এখন প্ৰধান সত্ৰ। সত্ৰাধিকাৰে মঙ্গলদৈৰ হীৰা সম্প্ৰদায়ৰ লোকসকলক শৰণ-ভজন দিয়ে। দৰঙ্গীৰজাই এই সম্প্ৰদায়ৰ ভিতৰত ধৰ্মভাব প্ৰচাৰৰ উদ্দেশ্যে এজন বিপ্ৰৰদ্বাৰাই এই সত্ৰ প্ৰতিষ্ঠা কৰায়। এই সত্ৰৰ আগেয়ে বহুতো মাটি-বাৰী আছিল। দৰঙ্গীৰজাইযে সকলো সম্প্ৰদায়ৰ উন্নতিৰ কাৰণে যত্ন কৰিছিল, এই সত্ৰ প্ৰতিষ্ঠাই তাৰ প্ৰমাণ। গোস্বামীসকলে দামোদৰীয় মতবাদ অৱলম্বন কৰিছিল। বৰ্তমান তেওলোকেই এই অঞ্চলৰ লোকক শৰণ-ভজন দিয়ে।

**মাৰৈ সত্ৰ**

দৰঙ্গীৰজা চন্দ্ৰনাৰায়ণে ৰামগাৱঁৰ পণ্ডিত ব্ৰাহ্মণ মুৰাৰিৰ পুত্ৰ শুকদেৱক ৰাজপুৰোহিত অৰ্জুনদেৱৰ হতুৱাই অভিষেক কৰি ১২ জন ভকতৰে সৈতে ১৬০ পুৰা নিষ্কৰ মাটি দান কৰি উক্ত সত্ৰ পাতি দিয়ে।

**ঔতোলা সত্ৰ**

পিচত দৰঙ্গৰ শেষকালৰ ৰজা হয়নাৰায়ণৰ লগত সত্ৰাধিকাৰৰ বিবাদ লাগে আৰু ৰজাই সত্ৰৰ উদ্দেশ্যে দান কৰা সকলো সম্পত্তিৰ স্বত্ব হস্তান্তৰ কৰে। এই সত্ৰত প্ৰতি বছৰে কাতি-আঘোণৰ সংক্ৰান্তিৰ দিনা দেৱানন্দ সত্ৰৰ আহিত 'মগ্নি উৎসৱ' পালন কৰে। শালি ধান পকা সময়ত শ্ৰীশ্ৰীলক্ষ্মীদেৱীক আৱাহন জনোৱা উপলক্ষে এই উৎসৱ পালন কৰে। সত্ৰখনে দামোদৰীয় মতবাদ প্ৰচাৰ কৰে।

ঔতোলা সত্ৰাধিকাৰৰ বংশলতা :

গোস্বামী ৺শুকদেৱ।
|
" ৰামনাৰায়ণ দেৱ।
|
" মধুসূদন দেৱ।
|
" মাধৱদেৱ।
|
" মল্লদেৱ।
|
" দেৱানন্দ।
|
" ভৱদেৱ।

কামদেৱ — বামদেৱ

কামদেৱ
|
ন-গোঁসাই

বামদেৱ
|
ধৰ্মদত্ত — দেৱদত্ত

তেওঁলোকৰ বংশধৰসকলে বৰ্তমান সত্ৰ পৰিচালনা কৰি আছে।

হিন্দুঘোপা মৌজাৰ ভিতৰত বিশ্বসত্ৰ নামে গাঁৱত শাক্ত সম্প্ৰদায়ৰ ভিতৰত দীক্ষাদি দানৰ উদ্দেশ্যে এই সত্ৰ প্ৰতিষ্ঠিত হৈছিল। বেদ বিসৰ্গ ভট্টাচাৰ্য বংশৰ বিশ্বৰূপ ভট্টাচাৰ্যৰ নামত এই সত্ৰ প্ৰতিষ্ঠিত হয়। এই সত্ৰৰ বাবে দিয়া ফলি-মোহৰৰ নকলৰপৰা জনা যায়, সত্ৰৰ যাৱতীয় মাটি-বাৰী বিশ্বৰূপ ভট্টাচাৰ্যৰ নাতিয়েক দৈত্যাৰিৰ নামত দান কৰা হৈছিল। তাৰদ্বাৰা অনুমান হয়, সত্ৰ দৈত্যাৰিৰদ্বাৰা তেওঁৰ পিতামহৰ নাম মতে প্ৰতিষ্ঠা কৰা হৈছিল। সত্ৰৰ মন্দিৰৰ ভিতৰত থকা শালগ্ৰাম, শিৱলিঙ্গ, মুদ্ৰা আদি দেখিলে জনা যায়, সত্ৰ শাক্ত সম্প্ৰদায়ৰ মন্ত্ৰোপাসনাৰ উদ্দেশ্যে প্ৰতিষ্ঠিত হৈছিল। সত্ৰৰ ভিতৰত এতিয়াও বলি-বিধান দি দেৱী-পূজা কৰা প্ৰথা প্ৰচলিত আছে। অতীজত এই সত্ৰৰ বৰ উন্নতি আছিল। যেতিয়া সমাজৰ লোকসকলৰ মাজত বৈষ্ণৱবাদে প্ৰাধান্য লাভ কৰিলে, তেতিয়া মানুহৰ মাজৰপৰা মন্ত্ৰ-শক্তিৰ প্ৰতি শ্ৰদ্ধা আঁতৰি গ'ল। মন্ত্ৰৰ ঠাই নামে অধিকাৰ কৰিলে। তেতিয়া সমাজৰ লোকসকলে মন্ত্ৰ-দীক্ষা ত্যাগ কৰি নামত শৰণ ল'লে। সমাজৰ লোকৰ মনত নামে প্ৰভাৱ বিস্তাৰ কৰাৰ লগে লগে এই সত্ৰৰ অৱনতি হ'ল। আনকি বৰ্তমান থকা সত্ৰাধিকাৰৰ পূৰ্বপুৰুষসকলৰ নামত শৰণ লৈ বৈষ্ণৱ মতক শ্ৰদ্ধা কৰিছিল।

বিশ্ব সত্ৰ

বিশ্বসত্ৰ প্ৰতিষ্ঠাতা বিশ্বৰূপ ভট্টাচাৰ্যৰ বংশধৰ দৈত্যাৰিৰ নামত দিয়া ব্ৰহ্মোত্তৰৰ ফলিৰ নকল দিয়া হ'ল।

## শ্ৰীদুৰ্গাশৰণম্

স্বস্তি শ্ৰীশক্ৰবংশাবতংশ চতুৰন্তৰ শ্ৰীমদ্গৌৰীশঙ্কৰ পদবিন্দাৰ বিন্দ ভূঃ শ্ৰীয়মানচন্দদোৰ্দাণ্ডী খন্দিতোদণ্ড প্ৰকান্দ বৈৰি বংশ ভূপাল জান মহাৰাজা শ্ৰীশ্ৰীস্বৰ্গদেৱৰ শ্ৰীশ্ৰীৰাজেশ্বৰ সিংহ তদীয় স্বস্তিগণ গণনা প্ৰগুননীয় শ্ৰীশ্ৰীগোবিন্দ পাদ পৰায়ন মহাদানী সত্যৱন্ত গুণবন্ত ৰত্নাকৰৰশাঙ্কৰ কাল প্ৰকাশ কৈক শ্ৰীশদ্ধৰবা বৃহঁত ফুৰকন দত্ত ভূমীমতৎ প্ৰমাণ পত্ৰিকেয় ॥

শক ১৬৮১

দৰঙ্গ দেশৰ ৰজা ও হাজৰীকীয়া ও চহৰীয়া ও নেওঁগ শইকীয়া সমূহ মানুহ সাৱধানে জানিবেক বিচাসত্ৰৰ শ্ৰীদৈত্যাৰি শৰ্ম্মা ভট্টাচাৰ্যক ধৰ্মপ্ৰবৰ্ত্তনাৰ্থে পুণ্যে বোনমঝা গ্ৰামৰ পূৰ্বে কুজাই পানী খোৱা বিল পশ্চিমে শোক্কোচিয়া কোঁৱৰ সিমা দক্ষিণে পোহৰিয়া উত্তৰে বৰজান এই চাৰিহদে ৰোপিত জমি ৪০ পুৰা সত্ৰৰ সূত্ৰে নঙলাৰ আগৰ পূবে কমলা পশ্চিমে ফুলঝিশি উত্তৰে সিংহিকা দক্ষিণে মঙ্গল এই চাৰিহদে ১॥/ আঠ কঠাৰ পুখুৰী এটি ধোবা ১ ঘৰ পাইক ৪০ ঘৰ সোণাৰী একঘৰ চাটগেৰিয়া দৈবজ্ঞ একঘৰ ৺পুণ্যে ধৰ্মোত্তৰ তাম্ৰপত্ৰ একখন মোহদৰ দুইখন কৰি দিয়া গ'ল। নিতান্ত পূজা-অৰ্চা কৰি পুত্ৰপৌত্ৰাদিক্ৰমে ভোগ্য থাকিব। ইয়াৰ কৰকতল পাঞ্জিক বেগ বেগাৰ ধৰ্ম সিমাৰ সাচকি জাই ঘাট জল ইয়াত আঞ্চমন কৰিবেক। শক ১৬৮১ তাং ৫ আঘোণ।

পুৰুষ-নামা—

মাটিৰ চৌহদ

মৌজা চিনাকোনা

শিলকিঝাৰ বেটনাগাওঁ

১৯৭ নং ৮০৫৶৬ লোছা

৺বেদ বিসৰ্গ ভট্টাচাৰ্য
|
৺গদাধৰ ,,
|
৺হৰি ,,
|
৺চন্দ্ৰশেখৰ ,,
|
৺বিশ্বৰূপ ,,
|
৺ৰূপনাৰায়ণ ,,
|
৺দৈত্যাৰি ,,
|
৺আদিত্য ,,
|
৺শান্তিৰাম ,,
|
শ্ৰীমহেন্দ্ৰ ভট্টাচাৰ্য

সম্প্ৰতি ওপৰত উল্লিখিত সত্ৰকেইখন চলি আছে। এই সত্ৰবিলাকৰ-দ্বাৰা সেই সেই অঞ্চলৰ শৰণ-ভজন-প্ৰাৰ্থীসকলে শৰণ-ভজন গ্ৰহণ কৰে। দৰঙী ৰজাসকল উদাৰ ধৰ্ম মতাৱলম্বী ৰজা আছিল। তেওঁলোকে তেওঁ-লোকৰ ৰাজ্যত যাতে অনুন্নত আৰু অজলা হৈ কোনো লোক নেথাকে তাৰ নিমিত্তে তেওঁলোকে সমাজৰ সকলো লোকক শৰণ ভজন দিয়াৰ দিহা কৰিছিল।

এই সত্ৰ ধৰ্মানন্দ গোস্বামী (শিয়ালা বৈষ্ণৱ) দেৱে প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ মৃত্যুৰ পিচতে এই সত্ৰ নোহোৱা হয়। সেই সত্ৰৰ চিন দেও মৰনৈ নদীৰ পাৰত এতিয়াও আছে।

দেওমৰনৈ সত্ৰ

কপিল গিৰি নামে এজন যোগসিদ্ধ ব্ৰাহ্মণে এই সত্ৰ চপাই মৌজাৰ ভিতৰত প্ৰতিষ্ঠা কৰিছিল। সেই সত্ৰৰ নামানুসাৰে সেই গাঁৱৰ নাম কপিলি সত্ৰ হয়। কপিল গিৰিৰ জন্মস্থান আছিল লোকৰায় মৌজাৰ বানাপাৰা গাঁও। কপিলগিৰিৰ পিতৃয়ে যিদিনা তেওঁক উপনয়ন দিয়ে, সেই দিনাই তেওঁ ব্ৰহ্মচাৰী হৈ গুচি গৈ তাৰ পিচত গিৰি উপাধি লৈ পুনঃ প্ৰত্যাৱৰ্তন কৰে। তেওঁ কিছুদিন নিজৰ পিতৃ গৃহত আছিলহি। তাৰ পিচত তেওঁ গৃহস্থী আশ্ৰম ত্যাগ কৰি গুচি যায়। তেওঁ গৃহত থকা কালত যি শিৱলিঙ্গত পূজা-অৰ্চনা কৰিছিল সেই বিগ্ৰহ এতিয়াও তেওঁৰ পিতৃগৃহত আগৰ ঠাইতে আছে। তেওঁৰ বংশৰ লোকসকলে এতিয়াও তাত পূজা-সেৱা চলায়। পিতৃ-গৃহ ত্যাগ কৰি গৈ তেওঁ বৰ্তমান যি ঠাইক কপিলি সত্ৰ বুলি কয় তাত হাবিৰ মাজত এখন আশ্ৰম পাতি বাস কৰে। তেওঁৰ মৃত্যুৰ পিচত তেওঁৰ আশ্ৰমত বাস কৰা বুঢ়ী দুগৰাকী আছিল। তেওঁলোকক পোহপাল দিওঁতা কোনো নাছিল। বছৰেকত খৰালি কালত বনৰীয়া হাতীয়ে আনি দিয়া ধান খাই তেওঁলোকে জীৱনৰ বাকী কাল কটাইছিল। তেওঁৰ আশ্ৰমত বুঢ়ী দুগৰাকীৰ বাহিৰে কোনো নাছিল। তেওঁলোকৰ মৃত্যুৰ পিচত সেই ঠাই হাবি-বননিৰে পূৰ্ণ হয়। তেওঁৰ নামে এই ঠাইৰ নাম কপিলি সত্ৰ হয়।

কপিলি সত্ৰ

দেওমৰনৈ সত্ৰ আৰু কপিলি সত্ৰত বাদে অতীজত প্ৰতিষ্ঠিত হোৱা সত্ৰবিলাক সম্প্ৰতিও আছে।

ওপৰত বিকেখন সত্ৰৰ কথা উল্লেখ কৰা হ'ল এই আটাইখিনি সত্ৰই শঙ্কৰী যুগৰ প্ৰতিষ্ঠিত সত্ৰ। বিশ্বাসত্ৰ আৰু ৺বাগীশৰ ঘৰ ভট্টাচাৰ্য্যই শক্তি আৰু শৈৱমন্ত্ৰৰ দীক্ষা দান কৰিছিল। যিসকল লোকে বৈষ্ণৱ মত গ্ৰহণ কৰি মহাবস্তু (নামধৰ্ম) পালন কৰে তেনে লোকসকলক মঙ্গলদৈত 'ভকত' বোলে। ইয়াত মহাপুৰুষীয়া আৰু দামোদৰীয়া দুয়ো সম্প্ৰদায়ৰে ভকত আছে। যিসকল লোকে নাম-গুণ দান কৰি ভকতসকলক সংহতি-ভুক্ত কৰে তেওঁলোকক মহন্ত বোলে। এনেকুৱা সত্ৰ নথকা ব্যক্তিগত মহন্ত লোকসকলেও লোকক 'ভকত' কৰে, অৰ্থাৎ শৰণ-ভজন দিয়ে। এই মহন্ত-সকল প্ৰায় সকলোৱে গৃহস্থী।

উপৰোক্ত সত্ৰাদিৰ উপৰিও পুৰণি দৰঙ্গ ৰাজ্যত (মঙ্গলদৈত) দৰঙ্গী কৈদৰ ৰজাসকলৰ ৰাজত্ব কালত ধৰ্মমতবাদ প্ৰচাৰিত হৈছিল।

এই সত্ৰবিলাকেই অতীজত জনশিক্ষা প্ৰচাৰৰ কাৰ্য্যও কৰিছিল। সত্ৰা-ধিকাৰসকলে শিষ্যাদি শৰণ-ভজন দিয়াৰ উদ্দেশ্যে গাঁওবিলাকত ভ্ৰমণ কৰি-ছিল। সত্ৰাধিকাৰে লগত নিয়া পাঠতে সত্ৰাধিকাৰৰ গাঁৱত ভ্ৰমণৰ দিন-কেইটাত গাৱেঁ গাৱেঁ পাঠ, নাম-কীৰ্তন কৰি লোকসকলক সজ শিক্ষা দিছিল।

অতীজৰ বৈদিক যুগত এই ঠাইত দৈত্য আৰু দানৱবংশী ৰজাসকলে সাংসাৰিক সুখ-সম্পদপ্ৰাপ্তি কামনা কৰি সৃষ্টিকৰ্তা ব্ৰহ্মাৰ পূজা-উপাসনা কৰিছিল। হিৰণাক্ষ, হিৰণ্যকশিপু আদি ৰজাসকলৰ পূজা-উপাসনা তপস্যাদি এই পৰ্য্যায়ত পৰে। তাৰ পিচত প্ৰহ্লাদৰ দিনৰপৰা বলিৰ ৰাজত্ব কাললৈ অতীজৰ দৰঙ্গ ৰাজ্যত বিষ্ণুৰ উপাসনা চলিছিল।

বৈবাহিক সম্বন্ধাদি হ'লে, ৰক্তমিশ্ৰিত হৈ জাতীয় কৃষ্টি-সভ্যতা দোষণীয় হ'ব আৰু ভৱিষ্যতে তেনে ৰাজবংশৰদ্বাৰা সাম্ৰাজ্য বিপন্ন হ'ব বুলি ভাবি তাত হিমালয় পৰ্বতৰ নামনিৰ ৰজাসকলে বাধা প্ৰদান কৰিছিল। প্ৰকা-ৰান্তৰে ইয়ো ধৰ্মৰক্ষা কবচ হিচাপে ব্যৱহাৰ হৈছিল আৰু কেতিয়াবা ইয়াৰ ব্যতিক্ৰম হলে পৰস্পৰৰ ভিতৰত যুদ্ধ-বিগ্ৰহাদি হৈছিল। হৰিহৰৰ যুদ্ধ (বাণ-শ্ৰীকৃষ্ণ যুদ্ধ)' নৰকাসুৰ-শ্ৰীকৃষ্ণৰ যুদ্ধ এই পৰ্য্যায়ত পৰে। মিশ্ৰিত ৰক্তৰ সম্বন্ধৰদ্বাৰা গোষ্ঠীভুক্ত হ'লে ভাৰতত একতা স্থাপন হ'ব বুলি বিবেচনা

কৰি দ্বাৰকাৰ শ্ৰীকৃষ্ণই অসবৰ্ণ বিবাহ সমৰ্থন কৰি বিবাহপ্ৰথা প্ৰচলন কৰাত পুৰণি কামৰূপ তথা অসমৰ ৰজাসকলে তাক সমৰ্থন কৰা নাছিল। ভীষ্মক ৰাজকন্যা ৰুক্মিণী আৰু শ্ৰীকৃষ্ণৰ বিবাহেই তাৰ প্ৰমাণ। ইয়াৰ ভিতৰতো ধৰ্মভাবৰ হানি আৰু গ্লানি হ'ব বুলি তেওঁলোকে তাক বাধা দিছিল। প্ৰকাৰান্তৰে এইবিলাকো ধৰ্মক কেন্দ্ৰ কৰিয়েই ঘটিছিল।

বৈদিক আৰ্যযুগত যজ্ঞক কেন্দ্ৰ কৰিয়েই ধৰ্মপ্ৰচাৰ আৰু সাম্ৰাজ্য বিস্তাৰ কৰিছিল। তাত আনুষ্ঠানিক ভাবত মোহিত হৈ এককালীন বহুত পশু বধ হৈছিল, তাৰদ্বাৰা মাংসাহাৰীসকলৰ খাদ্যাভাব হ'ব আৰু উপাসকসকলৰ মনত বহুদেৱতাৰ উপাসনা বন্ধ হ'ব বুলি এদল লোকে বাধা জন্মাইছিল। এই কাৰণে আৰ্যসকলে সিসকলক অনাৰ্য অসুৰ-ৰাক্ষস বুলি ঘৃণা কৰিছিল। ইযো একপ্ৰকাৰ ধৰ্ম উপলক্ষে হোৱা যুদ্ধহে আছিল। এনে যুদ্ধ অতীতৰ দৰং ৰাজ্যত হিৰণ্যকশিপু আদিৰ দিনত ঘটিছিল। বৌদ্ধ যুগৰপৰা এনে যুদ্ধ বিৰল হৈছিল। মধ্যযুগত যজ্ঞ প্ৰায় নহৈছিল। কিম্বদন্তি প্ৰচলিত আছে যে দৰঙ্গী কৈদৰ ৰজা মৌদনাৰায়ণে পাথৰিঘাটৰ ওচৰত থকা 'লক্ষ বলি যজ্ঞ স্থলিত' এৰেলি এটা দেৱীযজ্ঞ সম্পন্ন কৰিছিল। তাত অসংখ্যাত দেৱীৰ পূজা কৰিছিল আৰু তাত লক্ষ বিধ জীৱ-জন্তুৰ বলি দিছিল। এই উপলক্ষে অধিবাসী প্ৰজাসকল তাত বিৰাগ হোৱা নাছিল।

বৌদ্ধ-শৈৱ-শক্তি উপাসনাৰ যুগত পুৰণি দৰং ৰাজ্যত তন্ত্ৰৰ অতিপাত প্ৰচাৰ হৈছিল। কোচ ৰজা চিলাৰায়ৰ বংশধৰ দৰঙ্গী কৈদৰ ৰজাসকলৰ দিনত দৰঙ্গ ৰাজ্যত শক্তি পূজাৰ প্ৰভাৱ অতিমাত্ৰাই চলিছিল। ৰজা নিজে শাক্ত আছিল। অৱশ্যে ৰজাই এই প্ৰভাৱ প্ৰজাৰ ওপৰত বলেৰে জাপি দিয়া নাছিল।

দৰঙ্গী কৈদৰ ৰজাসকলে দৰঙ্গত ৰাজ্য প্ৰতিষ্ঠা কৰাৰ পূৰ্বে কোচ-বেহাৰক কেন্দ্ৰ কৰি সমগ্ৰ পুৰণি কামৰূপ ৰাজ্যত নৱবৈষ্ণৱবাদে প্ৰসাৰ লাভ কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ মতবাদক উৎকৃষ্ট মতবাদ বুলি ৰজা নৰনাৰায়ণে স্বীকাৰ কৰি ৺ৰামসৰস্বতী আদি পণ্ডিত কবিসকলৰদ্বাৰা ভাগৱত, মহাভাৰত আদি সংস্কৃত পুথিৰ অসমীয়া ভাঙনি কৰি সমাজত প্ৰচাৰ কৰিছিল। যিসকল কবিয়ে কোচবেহাৰৰ ৰাজসভাত সেই পুথি-

বোৰৰ অনুবাদ কৰিছিল, সেইসকলৰ কেবাজনেও শেষ বয়সত দৰঙ্গী ৰজাৰ ৰাজসভাত সভাপণ্ডিত হৈ সেই সংস্কৃত পুথিবিলাকৰ ভাঙনি কৰি দৰং ৰাজ্যত নৱবৈষ্ণৱবাদ প্ৰচাৰ কৰিছিল। মহাভাৰতৰ কোনো কোনো পৰ্ব তাত ভঙাৰ উপৰি দৰং ৰাজ্যতো আকৌ ভাঙিছিল বুলি অনুমান কৰিব পাৰি ; যেনে 'বিৰাট পৰ্ব'। তাৰ উদ্দেশ্য আছিল তত্ত্বপ্ৰধান দৰং ৰাজ্যত বৈষ্ণৱবাদ প্ৰচাৰ কৰা।

কিন্তু প্ৰজাৰ মনত ধৰ্ম সম্বন্ধীয় বহুমুখী চিন্তাধাৰা প্ৰবাহৰ উদ্দেশ্যে সেই একে সময়তে শৈৱ-শাক্ত-বৈষ্ণৱ মতৰ সামঞ্জস্য ৰক্ষা কৰি সুকবি আৰু গায়ক নাৰায়ণদেৱৰদ্বাৰা পদ্মপুৰাণৰ আখ্যান বেউলা-লক্ষিন্দাৰৰ কাহিনী বৰ্ণাই সুকনান্নী ৰচনা কৰাইছিল। ৰজাৰ ৰাজধানীত ৺দুৰ্গোৎসৱাদি দেৱীপূজা, ৺পদ্মাৱতীৰ পূজা, ফাল্গুৎসৱ আৰু বিষ্ণুপূজা কৰিছিল। গোটেই বহাগ মাহ ব্যাপি গাৱেঁ গাৱেঁ দৌল (দেউল) উৎসৱ লগতে উচ্চমণ্ডপত বিষ্ণুৰ মূৰ্তি প্ৰতিষ্ঠা কৰি পূজা কৰাইছিল। ৰজাই নিজেও হিন্দুখোপা মৌজাৰ ভিতৰত সাত বিহুৰ দিনা 'বিহুভঙা দৌল'ত বিষ্ণুপূজা কৰাইছিল। সেই দৌলৰ দিনা দৌলৰ খোলাতে মঙ্গলদৈৰ অন্তৰ্গত বৈষ্ণৱ ভকত-সকলক সন্মিলিত কৰি 'বাৰনাটৰ' বৈষ্ণৱ সন্মিলনী কৰিছিল। ইত্যাদি সকলো প্ৰকাৰে দেখা যায় দৰঙ্গী ৰজাই দৰং ৰাজ্যখন ধৰ্মনিৰপেক্ষ বা ধৰ্মমত নিৰপেক্ষ ৰাজ্য হিচাপে আদৰ্শ ৰাজ্য কৰি গঠন কৰিছিল। এই কাৰণে মঙ্গলদৈৰ সমাজ ধৰ্মমত নিৰপেক্ষ সমাজ আৰু এই সমাজৰ প্ৰতিষ্ঠাতা আছিল দৰঙ্গী ৰজাসকল। সেই সময়ৰ দৰং ৰাজ্য আছিল এখন সমাজ কল্যাণকামী ৰাজ্য।

এনে এটা প্ৰজাৰঞ্জক সমাজ কল্যাণকামী ধৰ্মমত নিৰপেক্ষ মতবাদী ৰাজবংশই মাথোন ১৬০ বছৰ দৰঙ্গত ৰাজত্ব কৰি কালৰ সোঁতত পৰাধীন সমুদ্ৰত বুৰ গ'ল।

# সংস্কৃতি আৰু কলাবিদ্যাৰ অনুশীলন

মঙ্গলদৈত অতীজৰ ভাস্কৰ্যকলাৰ পৰিচয় দৌল-দেৱালয়বিলাকৰ ভগাৱশেষে আজিও ঘোষণা কৰি আছে।

দৰঙ্গত ৰজাসকলৰ ৰাজত্ব কালত চিত্ৰকলাৰো যথেষ্ট চৰ্চা চলিছিল। সেই সময় সাঁচি পাতত যিবোৰ পুথি লিখিছিল তাৰ বহুততে পুথিত উল্লিখিত বিষয়ৰ সুন্দৰ চিত্ৰ অঙ্কিত আছে। দৰঙ্গী ৰজাৰ বংশধৰসকলৰ ঘৰত থকা দৰং ৰাজবংশাৱলীত তেনে চিত্ৰ কিছমান আছে। শ-শ বছৰৰ পূৰ্বে অঙ্কিত চিত্ৰ আজিও পৰিষ্কাৰ হৈ আছে। জাবৰি কুছিৰ মহন্তৰ ঘৰত 'কুমৰ হৰণ' নামে পুথিত চিত্ৰলেখা-উষা-অনিৰুদ্ধ আদিৰ কাযকলাপৰ চিত্ৰ সেই পুথিত সন্নিৱেশিত আছে।

তাত বাদেও গাৱঁৰ ভিতৰত অতীজতে লিখা দশম, ৰামায়ণ সাঁচিপতীয়া পুথিত তেনে চিত্ৰ দেখা যায়।

**মূৰ্তি তৈয়াৰ**

দৰঙ্গী ৰজাসকলে যি যি দেৱ-দেৱীৰ পূজা কৰিছিল, সেই সকলোবিলাকৰ মৃন্ময় মূৰ্তি পূজাৰ কাৰণে তৈয়াৰ কৰাইছিল। সেই মূৰ্তি নিৰ্মাতাসকল স্থানীয় অধিবাসী।

পদ্মাদেৱীৰ পূজা উপলক্ষে পদ্মাদেৱীৰ মূৰ্তি গাজে। কোনো পদ্মা পূজাত মূৰ্তি নিৰ্মাণ নকৰি কুহিলাৰদ্বাৰা মন্দিৰৰ নিচিনা এটি কৃত্ৰিম

**মজু**

মন্দিৰ তৈয়াৰ কৰে, তাত পদ্মাদেৱী, নেতা, চান্দ সদাগৰ, বেউলা-লক্ষিন্দাৰৰ চিত্ৰ নানা চিত্ৰ-বিচিত্ৰকৈ অঙ্কন কৰে। তাক মঙ্গলদৈত 'মজু' বোলে। তাতে পদ্মাদেৱীৰ পূজাৰ ঘট পাতি পূজা কৰে।

**নাগ-ঘট**

পদ্মাপূজা উপলক্ষে প্ৰতিমা বা মজু তৈয়াৰ কৰিববলৈ অসমৰ্থ হ'লে নাগঘট নামে এবিধ পদ্মা পূজাৰ ঘট স্থানীয় কুমাৰে নিৰ্মাণ কৰে। অষ্ট নাগৰদ্বাৰা আবৃত কৰা ঘটত বিধিমতে দিবলগীয়া দ্ৰব্যাদি দি পূজাৰীয়ে পূজা কৰে।

দেৱ-দেৱীৰ পূজা কালত দেৱীৰ ওপৰত চিত্ৰ-বিচিত্ৰ চন্দ্ৰাতপ কাপোৰ এখন টঙি দিয়ে।

মঙ্গলদৈৰ ভিতৰত হোৱা বহাগৰ দেউল উৎসৱত বিষ্ণু পূজাৰ বেদীৰ ওপৰত 'মকৰ'ৰ আকৃতিবিশিষ্ট দুটা কাঠৰ নির্মিত বস্তু ৰাখে। তাত এখন

**মগৰ**

কাপোৰৰ ভিতৰত বিষ্ণু-মূৰ্তি (সোণৰ-ৰূপৰ বা আন ধাতুৰদ্বাৰা তৈয়াৰী) ৰাখি বেদীৰ মাজত স্থাপন কৰা ডম্বৰুৰ ওপৰত শৰাইত মূৰ্তি প্ৰতিষ্ঠা কৰি পূজা কৰে। দৌলৰ বেদীৰ ওপৰত সূতাৰে তৈয়াৰী এখন ডাঙৰ জালৰ নিচিনা কাপোৰ টানি দিয়ে। তাক নাগ-পাশ বোলে।

দৰঙ্গী ৰজাসকলৰ দেৱী পূজাৰ সময়ত ম'হ-ছাগলী আদি বলি দিয়া প্ৰথা প্ৰচলিত আছে। যিবিলাক দাৰে সেই বলিবিলাক কটা হয়, সেইবোৰ একোখন বিৰাট আকাৰৰ দা। তাত বাদেও দেৱ-দেৱী পূজাত যিবোৰ শৰাই, মাইহাং, জাতী কাঁহী আৰু পূজাৰ সঁজুলি ব্যৱহাৰ কৰে সেইবোৰ এই ঠাইৰ কমাৰ, কঁহাৰ আদিয়ে তৈয়াৰ কৰিছিল। ইত্যাদি প্ৰকাৰে যিবোৰ পুৰণি বস্তু মঙ্গলদৈত দেখা যায় সেইবোৰ এই ঠাইৰ স্থানীয় লোকে নিৰ্মাণ কৰিছিল। দৰঙ্গী ৰজাসকলৰ ৰাজত্বৰ অভ্যুত্থানৰ কালত ইয়াত যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰও তৈয়াৰ হৈছিল। দৰঙ্গী ৰজাসকলৰ ঘৰত সেইবোৰ অস্ত্ৰ-শস্ত্ৰ আগেয়ে দেখা গৈছিল। মুঠতে স্বাধীন ৰজাৰ ৰাজকাৰ্য পৰিচালনা কৰিবলৈ যি যি বস্তুৰ আৱশ্যক সেই কালত আছিল, সেই সকলোবোৰ ৰজাই তাৰ স্থানীয় কাৰিকৰসকলৰদ্বাৰা কৰাইছিল। সেই কালত যি আহিলাৰে ৰজা আৰু প্ৰধান বিষয়াসকলে চলা-ফুৰা কৰিছিল আৰু তাকে কৰিবলৈ যি যি যান-বাহনৰ আৱশ্যক আছিল সেই সকলোবোৰ দৰঙ্গী ৰজাৰ ৰাজ্যৰ লোকৰদ্বাৰা তৈয়াৰ কৰাইছিল।

পুৰণি দৰঙ্গ ৰাজ্য তথা মঙ্গলদৈত যি সঙ্গীত আৰু নৃত্য-কলা আদিৰ চৰ্চা অতীজতে চলিছিল আৰু বৰ্তমানেও প্ৰচলিত আছে, সেই সকলোবোৰ

**সঙ্গীত আৰু নৃত্য-কলা**

ধৰ্মক কেন্দ্ৰ কৰি গঢ়িত হৈছিল আৰু বৰ্তমানেও সেইবোৰ ধৰ্মক কেন্দ্ৰ কৰিয়ে প্ৰচলিত হৈ আছে। ব্যাসকলাইসকলৰ সঙ্গীত আৰু নৃত্যকলা মঙ্গলদৈত প্ৰচলিত দুৰ্গোৎসৱ পূজা, জাগৰ পূজা, গোন্ধচোপৰী, আদ্‌চোপৰী, একপৰীয়া সভা (সবাহত) প্ৰচলিত হৈ থকাৰ কাৰণে সি আজিকালিও জীয়াই আছে।

মঙ্গলদৈৰ অৱস্থাপন্ন হিন্দুলোকৰ ভিতৰত এই সভা পতা প্ৰচলিত আছে। তদুপৰি গাৱেঁ গাৱেঁ ৰাইজে ৰাজহুৱা সভা পাতে। মঙ্গলদৈৰ এই সভা ৺বিষ্ণু বা ৺বাসুদেৱ পূজা উপলক্ষে হোৱা এক প্ৰকাৰ সঙ্গীত উৎসৱ।

গোন্ধচৌপৰী সভাত ব্যাসৰ ওজাৰ গীত-ৰাগ-পদৰ বাহিৰে কোনো কোনো লোকে খুলীয়া ভাৱৰীয়া মাতে। খুলীয়া ভাৱৰীয়াবোৰে মহাভাৰত বা ৰামায়ণৰ কোনো আখ্যানৰ ভাওনা কৰে।

গোন্ধচৌপৰী সভাত বিষ্ণু পূজাৰ দিনাৰ আগ দিনা সন্ধ্যা সময়ত ৺বিষ্ণু পূজাৰ অধিবাস কৰে। তদুপলক্ষে পূজাৰীয়ে অধিবাসৰ পূজা কৰে আৰু অধিবাসৰ ব্যাসৰ গুৰুসকলে অধিবাসৰ গীত গায়। ওজাই গীত গীত লগাই দিয়ে, পালিবোৰে খুটি-তাল* বজায়।

দিহা—অ' মায়ৰে ঘৰ মধ্যে আনন্দে আওৱে এ—
আনন্দ কৰত দয়াল গৃহে।
পদ— গধূলি সময়ে ধেনু চপায়ে।
অধৰে মোহন বেণু বাৱে সু-ৰাৱে ॥
পদূলি পদূলি কল দীপ আৱতি।
পাতিলা মাঙ্গল্য ঘণ্ট গোৱাল যুৱতী ॥
চৌফালে চৌডাল কৰি আৰম্ভন।
ওপৰত দিলা ৰভা কৰিয়া শোভন ॥
চৌভিতি চৌডাল কদঁলি পুতিলা।
তাহান মধ্যত নিয়া গোপাল থাপিলা ॥
ওপৰত চন্দ্ৰতাপ ধৱল চামৰ।
ধন্য ধন্য গোকুল নগৰ নাহাৰে ॥
আজুৰণে আৰম্ভন পূৰ্ণ ঘণ্ট স্থাপন।
আম্ৰ পল্লৱ মুখে দিয়া নাহাৰে ॥

*ব্যাসৰ পালিৰ খুটি-তালৰ আকৃতি যুৱতীৰ স্তনৰ আকৃতিৰ দৰে। তাৰ মাজত ফুটাৰে জৰী লগাই দুই হাতেৰে বজায়। মাৰৈ গোৱা পালিৰ খুটি তালৰ আকৃতি সৰু। তাৰ মাজত ফুটা আছে। একেডাল জৰীৰে দুয়োপাট জুটি এহাতে বজায়।

চোৱাই চন্দনে কস্তুৰি ভৰাৰে।
দেহ দয়াল গিৰি অঙ্গে চৰাৰে ॥
চোৱাই চন্দনে কৰি মলমল।
ৰত্ন সিংহাসনে বৈসে গোপাল ॥
হস্তে তুলসী ফুল মাথে জাপ্যম' । ।
ই-জয় জোকাৰ কৰি পূজে গোপাল ॥
কেহো নাচে কেহো গাৱে দেই উৰুলি ।
চন্দ্ৰাৱলী ঢালে জল জয় কৃষ্ণ বুলি ॥
আৰতি কৰাইল যশোৱা মাৱে।
কৰন্ত বেওহাৰ কেলি সুন্দৰ কানাৱে ॥
লীলায়ে বৈষ্ণৱগণ, দিয়া গন্ধ চন্দন।
কালি হৈবো ঠাকুৰ বেওঁহাৰ নাহাৰে ॥
যুগে যুগে আৰতি যুগে যুগে পূজা ।
কলি যুগে হৰি নাম আৰ নাই দুজা ॥

আৰতিৰ পদ—আৰতি বিধিহে মদন গোপাল ।
বৰিষে ৰসে ৰসে কুসুম্ব গুলাল ॥
হৰিহে ঘণ্টা তাল মৃদঙ্গ ঝনকৰে ।
ঝনকৰে ঝনকে পঞ্চম তাল ।
হৰিহে কোভিত ৰসিত, কৰ্পূৰক বাসিত.
মুখে শোভে নন্দ-দুলাল ॥
হৰিহে কোটি ভানুকোটি চন্দ্ৰমা উদিত কোটি ।
মেতেকীৰে মেতেকীৰে ৰূপে যম কাল ।
হো-বুলি হৰিৰয়, দাস ৰঘুনাথে কয়,
মোহন ৰে মোহন মদন গোপাল ॥
হৰিহে শঙ্খ বাজে, ঘণ্টা বাজে আৰু বাজে ঢোল ।
সকলো সমাজে ডাকি হৰি হৰি বোল ॥

পূজা-পাঠ-হোম-জপ হয় । আবেলি ব্যাসৰ ওজাই ৰাগ-ৰাগিণী সহ ৰামায়ণ মহাভাৰতৰ পদ গায় । পদ-পূজাদিৰপৰা নিশ্চয় কৰিব পাৰি যে গোন্ধচৌপৰী আদি সভাৰ প্ৰথা দৰঙ্গী ৰজাসকলৰ দিনত, পজাৰ দিনা সমাজত বৈষ্ণৱবাদ প্ৰচাৰৰ অৰ্থে প্ৰচলন কৰা হৈছিল ।

দৰঙ্গী ৰজাসকলে তেওঁলোকৰ নগৰৰ ভিতৰত ফল্গুৎসৱ পাতিছিল।

**ফল্গুৎসৱ** তাতো দৌলগোবিন্দৰ পূজা কৰিছিল। মাটিৰদ্বাৰা তৈয়াৰী অতি সু-উচ্চ দৌলৰ আকৃতিকৈ বন্ধা দৌলৰ ওপৰত গোবিন্দৰ মূৰ্তি স্থাপন কৰি পূজা আৰু উৎসৱ কৰিছিল।

দৌলৰ ওপৰত নাগপাশ আৰু মগৰত বন্ধা কাপোৰত গোবিন্দৰ মূৰ্তি স্থাপন কৰে।

ফল্গুৎসৱৰ গীত—প্ৰথম ফাল্গুন মাসে হৰি দেউল গোবিন্দৰ।
দেউল দেখি গোবিন্দৰ হৰিষ বিস্তৰ।
এক থাক বান্ধতে আসিলা হৰিহৰ।
হৰিহৰে গোবিন্দক প্ৰশংসে বিস্তৰ ॥
দুই থাক বান্ধতে আসিলা প্ৰজাপতি।
দেউল দেখি গোবিন্দক প্ৰশংসা কৰন্তি ॥
তিনি থাক বান্ধতে আসিলা দেৱগণ।
দেৱগণে গোবিন্দক প্ৰশংসে ঘনে ঘন ॥
চাৰি থাক বান্ধতে আসিলা পুৰন্দৰ।
পুৰন্দৰে গোবিন্দক প্ৰশংসে বিস্তৰ ॥
এক দুই তিনি চাৰি পঞ্চসাত ভৈলা।
তাহাৰ উপৰে নিয়া গোবিন্দ থাপিলা ॥
দেউলৰ চৌপাশে পুতিলন্ত বাস।
তাহাৰ উপৰে টনি দিলা নাগ পাশ ॥
দেউলৰ উপৰে নিয়া পুতিলা কদলি।
সুবৰ্ণৰ ঘট মুখে দিলা আম ডালি ॥

ইত্যাদি প্ৰকাৰে গীত আছে। মালচি আৰু জাগৰৰ পদৰ নমুনা আগেয়ে দিয়া হৈছে।

**মাৰৈ বা সুকনাম্নি সংগীত** ৺বিষ্ণু পূজাৰ যেনেকৈ অধিবাস কৰে মাৰৈ পূজা বা ৺পদ্মা পূজাৰো সেইদৰে অধিবাস কৰে। মাৰৈ পূজা কেইবা প্ৰকাৰে সম্পন্ন কৰে। একে দিনাই আৰম্ভ কৰি সেই দিনাই শেষ কৰিলে তাক একপৰীয়া ৰং পূজা বোলে।

আগদিনা সন্ধ্যা অধিবাস কৰি পিচদিনা দিনটোৰ অন্তত শেষ কৰিলে তাক জগোৱা ৰং বা গোটা ৰং বোলে।

এদিন অধিবাস কৰি চাৰি দিন ৰাখি তিনিভাগ পূজা কৰি পঞ্চম দিনত ভাঙিলে তাকে পাঁচদিনীয়া পদ্মাপূজা বা পাঁচদিনীয়া মাৰৈ পূজা বোলে।

দেওধনী এগৰাকী অবিবাহিতা যুৱতী। তেওঁ নিজে পৱিত্ৰভাৱে থাকে আৰু নিজে দেৱী-ভক্তা বুলি বিবেচনা কৰে। দেওধনীৰ নৃত্যৰ সাজ-পাৰ সাধাৰণ তিৰোতা মানুহৰ সাজ-পাৰতকৈ বেলেগ ধৰণে পৰিধান কৰে। পিন্ধা মেখেলা, কঁকাল আৰু বুকুৰ বান্ধে এগৰাকী যুদ্ধোদ্যমা তিৰোতা যেন দেখায়। বেণীমুক্ত কেশসমূহা, বীৰাঙ্গনা বেশিনী পোছাক-পৰিচ্ছদ পৰিহিতা যুৱতী এগৰাকীয়ে যেতিয়া মনৰ উৎসাহেৰে পৰিপূৰ্ণা হৈ গাম্ভীৰ্য-পূৰ্ণ অথচ লয়-লাসেৰে অসংখ্য দৰ্শকৰ মাজত তাল, গীত আৰু ঢোলৰ ছেৱে ছেৱে হাতেৰে মুদ্ৰা দি নৃত্যাৰম্ভ কৰে তেতিয়া সেই দৃশ্য বৰ মনোৰম হয়।

পাঁচদিনীয়া ৺পদ্মা পূজাত তিনি দিন নাচৰ পিচত শেষৰ দিনাক 'ভৰদক' বোলে। ভৰদকৰ দিনা সন্ধ্যা সময়ৰপৰা ওজাই বেউলা-লক্ষিন্দাৰৰ বিবাহ-মণ্ডপত পদ্মাদেৱীৰ প্ৰয়োগিত বিষৰ জ্বালত লক্ষিন্দাৰৰ মূৰ্চিত অৱস্থাৰ পদ গোৱা আৰম্ভ কৰিলে দেওধনীৰো মূৰ্চা আৰম্ভ হয়। তাৰ পিচত ওজাই লক্ষিন্দাৰ-বেউলাৰ বিয়াৰ পদ আৰু বাসৰ গৃহৰ পদ গালে দেওধনী মূৰ্চাপ্ৰাপ্ত হৈ মৃতক সদৃশা হয়। তেতিয়া সভাৰ মাজত বিছনা কৰি শৰাসনত শুৱাই থয়।

তাৰ পিচত ওজাই একাদিক্ৰমে লক্ষিন্দাৰৰ মৃত্যু আৰু তাৰ পিচত পদবিলাক যেতিয়া গায়গৈ লক্ষিন্দাৰক পদ্মাদেৱীয়ে জীওৱা পদত ধৰে, তেতিয়া ওজাই এখন কাপোৰেৰে শৰাসনত শুৱাই থোৱা দেওধনীক জাৰিবলৈ ধৰে। পদো শেষ হয়, দেওধনীয়ো জ্ঞানপ্ৰাপ্ত হয়। তেতিয়া তেওঁক পজামণ্ডপৰ ওচৰলৈ দাঙি নিয়ে। তেওঁ দেৱীৰ বেদীত সেৱা জনাই সভাৰপৰা বিদায় লয়।

এই বেউলা-লক্ষিন্দাৰৰ হৰ্ষ-বিষাদসূচক কাহিনীৰ সুৰ-তাল মিশ্ৰ পদসমূহ লগে লগে নৃত্য-ভঙ্গিমাৰতা যুৱতীৰ মৃত্যু অৱস্থাপ্ৰাপ্ত দৃশ্যাৱলীয়ে দৰ্শকৰ মনত অলৌকিক ক্ৰিয়া কৰে। দৰ্শকে পদ শ্ৰৱণৰপৰা তৃপ্তি লাভ কৰাৰ উপৰিও, অভিনয়ৰ নিচিনা দৃশ্যই মনত অশেষ ক্ৰিয়া কৰে আৰু পদ্মাদেৱীৰ

মাহাত্ম্য, চান্দো সদাগৰৰ দৃঢ় মনোবল, সতী বেউলাৰ সতীত্বৰ প্ৰভাৱ মনে-প্ৰাণে উপলব্ধি কৰে।

সুকবি নাৰায়ণদেৱৰ সুৰ-তাল-লয়-ছন্দযুক্ত পদসমূহ দৰঙ্গী ৰজাই সমাজ আৰু ধৰ্মৰ সংগঠনৰ উদ্দেশ্যে প্ৰতিষ্ঠা কৰা ৺পদ্মা পূজা আৰু তাৰ কাৰ্য-কৌশল মন কৰিবলগীয়া।

এফালে নব বৈষ্ণৱবাদ প্ৰচাৰৰ উদ্দেশ্যে বিষ্ণু পূজা আৰু তাক ৰূপায়িত কৰিবলৈ ব্যাস ওজাৰ বৈষ্ণৱ ভাবাপন্ন মহাভাৰত ৰামায়ণৰ পদসমূহ, আনফালে শক্তিৰ মাহাত্ম্য প্ৰচাৰৰ উদ্দেশ্যে সুকবি নাৰায়ণদেৱৰ ৰচিত পদ্মাপুৰাণৰ বেউলা-লক্ষিন্দাৰৰ কাহিনী ৰসযুক্ত পদ সমূহৰদ্বাৰা সমাজত যি এটি আলোড়ন তুলি এখনি ধৰ্ম নিৰপেক্ষ সমাজ গঠন কৰিছিল, সি অতি আদৰ্শনীয় আছিল। মঙ্গলদৈৰ সমাজত এইভাৱ এনেকৈ পোত খাই গৈছিল যে আজি ডেৰশ বছৰেও তাৰ বৰ বেছি ব্যতিক্ৰম ঘটা নাই।

সমাজত প্ৰচলিত থকা ৰীতি-নীতিমূলক ধৰ্মৰ ভিতৰত কলা চৰ্চাৰ কৌশল প্ৰয়োগ কৰি সমাজ প্ৰতিষ্ঠা কৰি থোৱা বাবে সেই কলাবোৰ মঙ্গলদৈত বৰ্তমানেও জীৱিত আছে।

**আই-নাম**

গাৱঁত বসন্ত বা মাৰিমৰক হলে গাৱঁৰ তিৰোতাসকলে মিলি ৰাজহুৱা গোসাঁই ঘৰত আইনাম গায়। কোনো কোনো মানুহে এঘৰীয়াকৈয়ো আই-নাম গোৱায়। এটি আই-নামৰ উল্লেখ কৰা হল :

দিহা : আই ভগৱতী আই তোমাৰ নীলাচলে ৰতি।
দুখানি চৰণে প্ৰাৰ্থনা কৰিছো ৰক্ষা কৰা ভগৱতী ॥

পদ :— ৰজাৰে ঘৰকে যাবা আই এ
বৰ আসন পাবা।

দুখীয়াৰ ঘৰকে যাবা আই এ
সেৱাই তুষ্ট হ'বা ॥

দিহা : মূৰে ফুলৰ কন্তি লৈ আইকে সাদৰোগৈ।
জগত জননী, আহিছে ভৱানী, ছায়াদি আগুৰো গৈ ॥

পদ :— ৰজাৰ ঘৰকে যাবা আই, ভগৱতী আই ;
ৰজাৰ বলি পূজা খাঁবা ।
দুখীয়াৰ ঘৰকে যাবা আই এ ভগৱতী আই,
সেৱাই তুষ্ট হবা ।। মূৰে ফুলৰ........

আয়তীসকলে সাধাৰণ সময়ত গোৱা নামত কীৰ্তন-ঘোষা দশমৰ পদো গায় ।

মতা মানুহবোৰে নাগেৰা-নাম, পাল-নাম, খঞ্জৰী-নাম গায় । পাল-নামত দুজোৰা নাম গোৱা মানুহে নাম গায । গোটেই ৰাতি অবিৰাম নাম গায় ।

মহহৌ গোৱা :—আঘোণৰ পূৰ্ণিমাত গাৱঁৰ ডেকাসকলে কোনো কোনো ঠাইত মহহৌ গীত ঘৰে ঘৰে গাই ফুৰে। তাত ঢোল-তাল বজাই গীত গায় ।

গীত এটিৰ উল্লেখ কৰা হল :
দিহা : হৌ ৰে মহৌ মহখুন্দা টোকান লৌ ।
পদ :— আঠেৰ ঘৰত তুঁহৰ ধোৱা । হৌ ৰে......
চলি কান্দে টোহা টোহা ।। হৌ ৰে
আঠেৰ ঘৰত কথাৰ ঝাপ । হৌ ৰে
মহে বোলে ঐ বাপ ।। হৌ ৰে
হাই ৰোকা হায়ৰে ।
কাঠ ভালুকী নাচেৰে হৌ ৰে....

**বাদ্য** মঙ্গলদৈত বহুতো বাদ্যৰ প্ৰচলন আছে । তাৰ ভিতৰত ধেপা ঢুলীয়া, বৰঢুলীৱা, জয়ঢুলীয়া, মাদল, নাগৰো, ভোৰতাল, বাম-কৰতাল, খুঞ্জৰী, বাঁহী, চিফুংবাঁহী (কছাৰীসকলৰ) চেবেন্দা, লাওটোকাৰি, খুলীৱা, কেৰেপ্ বজোৱা প্ৰধান ।

বিহুগীত আৰু বিহুগোৱা প্ৰথা মঙ্গলদৈত নাই । কছাৰীসকলৰ ভিতৰত বহাগ বিহুৰ ৭ দিন বিহুগীতৰ প্ৰচলন কোনো কোনো গাৱঁৰ ভিতৰতহে আছে ।

**জনশিক্ষা** মঙ্গলদৈত জনশিক্ষা প্ৰচাৰৰ উদ্দেশ্যে প্ৰবৰ্ত্তন কৰা 'পাঠপঢ়া' ৰীতি অতীজৰপৰা প্ৰচলিত আছে। গাৱঁৰ গোসাঁই ঘৰত এজন পাঠকে সুৰ লগাই পাঠ পঢ়ে । পঢ়িব নোৱৰাসকলে শুনে। এজনে ব্যাখ্যা কৰি বুজাই দিয়ে ।

গাৱঁৰ ভিতৰত সাধুকথা কোৱা প্ৰথাও প্ৰচলিত আছে। ফকৰা-যোজনা দিয়া প্ৰথাও প্ৰচলিত আছে।

দোমাহী : মঙ্গলদৈত মাঘবিহু, বহাগবিহু উৎসৱ সকলো হিন্দু মানুহে পালন কৰে।

**মাঘ বিহু**

মাঘবিহুত পথাৰত শালিধানৰ নৰাবিলাকেৰে অপঁইতা বাঁহ বৰ ওখকৈ পুতি খেৰৰ মেজিৰ নিচিনাকৈ কেৰাটাও মেজি বান্ধে। তাক মঙ্গলদৈত 'ভেলা' বোলে। তাৰ ওচৰতে একোটা ঘৰ বান্ধি তাত ভোজ খায় আৰু বিহুৰ দিনা গোটেই ৰাতিটো নাম-কীৰ্তন কৰে। পুৱাৰ লগে লগে মেজিত জুই দিয়ে। কাৰ ভেলাত কিমান হিলৈ ফুটে চুবুৰীয় ল'ৰাবিলাকৰ ভিতৰত তাৰ প্ৰতিযোগিতা আছে।

আবেলি ধোপ-খেলা, দৌৰা আদিৰ প্ৰতিযোগিতা হয়। কোনো ঠাইত সেইদিনা শিয়াল আদি অনিষ্টকৰ জন্তু মৰা প্ৰথাও প্ৰচলিত আছে।

উৰুকাৰ দিনা 'চুঙাপিঠা' খোৱা প্ৰথা গোটেই মঙ্গলদৈতে প্ৰচলিত আছে। বৰাধানৰ (বৰ্ণি ধানৰ) চাউল কোমল বাঁহৰ চুঙাত ভৰাই জুইত পুৰি কৰা পিঠাক 'চুঙা পিঠা' বোলে।

**বহাগ বিহু**

চ'ত বহাগৰ সংক্ৰান্তিৰ দিনা গাৱঁৰ মানুহে গৰুৰ গা ধুৱাই পিঠিত লাও-বেঙেনা চকলিয়াই দিয়ে। দীঘলতি আৰু মাখিয়তীৰ এচাৰিৰে গৰু কোবাই পথাৰত মুকলি কৰি দিয়ে। গধূলি নতুন পঘাৰে গৰু বান্ধে।

মানুহবিলাকে বহাগৰ প্ৰথম দিনা নতুন বিহুৱান লয়। বিহুৰ দিনা তিলদিয়া পিঠা, ঘিলাপিঠা আদি খায়। বিহু উৎসৱ উপলক্ষে খেল-ধেমালি কৰে। কোনো কোনো ঠাইত তাৰ পিচদিনা মানুহ বিহু হয়। মানুহবিহুৰ দিনা ল'ৰা-বুঢ়া সকলোৱে মাহ-হালধিৰে গা ধুই নতুন গামোচা গাত দিয়ে।

বিহুৰ দিনাৰপৰা মঙ্গলদৈৰ গাৱেঁ গাৱেঁ দৌল-উৎসৱ হয়। সকলো ডেকা-গাভৰু, বয়সিয়াল মতা-মাইকীয়ে দৌললৈ যায়, মেলাৰপৰা আৱশ্যকীয় বস্তু কিনি আনে। মেলাত আন আন বিদেশী বস্তুৰ বাহিৰে মঙ্গলদৈত

তৈয়াৰী বাঁহ, কাঠ, বেতৰ সঁজুলি আদি বস্তু কিনা-বিকা কৰে। ছিপাঝাৰৰ ঘোৰাবন্ধা দৌলৰ মেলা দুদিনীয়াকৈ হয়। এই দৌল মঙ্গলদৈৰ ভিতৰত প্ৰধান।

ভাদ-আহিনৰ সংক্ৰান্তিৰ দিনা খটৰাৰ মহাপুৰুষীয়া সত্ৰত পঁচতী (পাচেতী) উৎসৱ পালিত হয়। বৰ্ষাৰ অন্তত শৰতৰ আগমনৰ সময়ত

পঁচতী — এই উৎসৱ পালন কৰে। তাতো দুদিন ব্যাপি মেলা হয়। মঙ্গলদৈৰ গাৱঁৰ মুনিহ-তিৰোতাসকলে এই উৎসৱ দৰ্শন কৰে।

আহিন আৰু কাতিৰ সংক্ৰান্তিৰ দিনা হিন্দুঘোপাৰ দেৱানন্দ

মঠনি — সত্ৰত এই উৎসৱ পালন কৰে। তাৰ বৰ্ণনা পূৰ্বে দিয়া হৈছে।

কাতি আৰু আঘোণৰ সংক্ৰান্তিৰ দিনা ঔতোলা সত্ৰতো এইদৰে মঠনি উৎসৱ হয়। প্ৰতি হিন্দু গৃহস্থই ঘৰ আৰু খেতিৰ পথাৰত আকাশবন্তি দিয়ে।

প্ৰতি বছৰে খৰালি দিনত মঙ্গলদৈৰ ব্ৰাহ্মণ সমাজে এঠাইৰ গাৱঁত

যজ্ঞোৎসৱ — 'বিষ্ণুযজ্ঞ' পালন কৰে। এই যজ্ঞও উৎসৱৰ নিচিনাকৈ পালন কৰে। তাৰ লগতে বছৰেকৰ বাবে কাৰ্য-পদ্ধতি নিৰ্ণয় কৰি ব্ৰাহ্মণসমাজৰ অধিবেশন হয়।

প্ৰতি বছৰে ৰাস পূৰ্ণিমাৰ দিনা ডঁহী মৌজাৰ দীঘি পুখুৰীৰ পথাৰত

ৰাসোৎসৱ — ৰাস উৎসৱ হয়। তাতো তিনিদিন ব্যাপি মেলা সভা, সমিতি, ভাওনা, ওজা, নাম আদি গোৱা হয়।

মঙ্গলদৈ এখন কৃষিপ্ৰধান স্থান। প্ৰায় সকলো মানুহেই খেতিয়ক শ্ৰেণীৰ। বাৰিষা শালি খেতিৰ কামত ব্যস্ত হৈ কটায়। খেতিৰপৰা উঠি খৰালি দিন পৰাৰ লগে লগে এই উৎসৱাদিত যোগ দি খেতিয়কৰ ভাগৰুৱা প্ৰাণত আনন্দ উপভোগ কৰে।

**বাসন্তী পূজা**

সৰাবাৰী মৌজাৰ পাতিদৰং গাৱঁত প্ৰতি বছৰে বসন্ত কালৰ বাসন্তী পূজাৰ তিথিত বাসন্তী পূজা হয়। তাত ৫ দিন ব্যাপি শ্ৰীশ্ৰীদুৰ্গা-দেৱীৰ পূজা হয়। মেলা-ওজা, ভাওনা-নাম-কীৰ্তন আদি হয়।

এই উৎসৱ অতীজৰপৰা মঙ্গলদৈত মহাসমাৰোহেৰে পালন কৰে। আগেয়ে ৰজাৰ নগৰ দীপান্বিতাৰ দিনা প্ৰদীপৰদ্বাৰা সজ্জিত কৰা হৈছিল।

**৺দুৰ্গোৎসৱ**

মোহনপুৰ ৰজা-হাউলিত আৰু মঙ্গলদৈৰ হিন্দুপ্ৰধান ঠাইবিলাকত প্ৰতি বছৰে ৺দুৰ্গোৎসৱ পূজা মহা সমাৰোহেৰে কৰে। প্ৰত্যেক ঠাইৰ পূজাৰ ঠাইতে মেলা ওজা-ভাওনা নাম-কীৰ্তন কৰা হয়।

**বসন্ত পূজা**

লোকৰায় মৌজাৰ শানপৰা গাৱঁত শানপাৰা পুখুৰীৰ পাৰৰ দেৱী মন্দিৰত প্ৰতি বছৰ বহাগ বা জেঠ মহীয়া সেই ঠাইৰ স্থানীয় লোকে বসন্ত পূজা কৰে। এই উৎসৱৰ বিশেষত্ব এইটো যে সেই অঞ্চলৰ তিৰোতা মানুহৰ সৰহসংখ্যাই তাত যোগ দিয়ে। প্ৰায় প্ৰত্যেক তিৰোতা মানুহে ঘৰৰপৰা নিয়া একোটা পাত্ৰত শানপাৰাপুখুৰীৰপৰা পানী নিয়ে। তেওঁলোকৰ বিশ্বাস যে সেই দিনা সেই পুখুৰীৰপৰা নিয়া পানী ল'ৰা-ছোৱালীক খুৱালে, গা-ধুৱালে এবছৰলৈ বসন্ত ৰোগ নহয়। এইটো এটা অতীজৰেপৰা প্ৰচলিত হৈ অহা তান্ত্ৰিক মনোভাব বুলি বিশ্বাস হয়।

**শিৱ চতুৰ্দশী**

পূৰ দলগাওঁ মৌজাৰ মাধগোসাঁই থানত প্ৰতিবছৰে ৺শিৱ চতুৰ্দশী তিথিত দুদিন ব্যাপি শিৱ পূজা আৰু মেলা হয়। তাত সেই অঞ্চলৰ সকলো মানুহে যোগদান কৰে; মেলা, ভাওনা আদিও হয়।

মঙ্গলদৈত এই পূজা উপলক্ষে হোৱা মেলাত আৰু উৎসৱসমূহত মঙ্গলদৈৰ জাতি-ধৰ্ম নিৰপেক্ষে সকলো মানুহে যোগদান কৰে। এয়ে মঙ্গলদৈত এখন ধৰ্মনিৰপেক্ষ সমাজ গঠন আৰু পৰিচালন কৰাত অশেষ অৱদান যোগায়।

পুৰণি দৰঙ্গ ৰাজ্যৰ ৰজাসকলে এনে উদ্দেশ্যেৰেই এই অনুষ্ঠানবিলাক প্ৰতিষ্ঠা কৰিছিল। সেই কালৰ প্ৰতিষ্ঠিত এই সমাজ গঠন প্ৰণালীয়ে বৰ্তমানলৈ ক্ৰিয়া কৰি থকাটো, সুখৰ আৰু আনন্দৰ কথা।

এই বিংশ শতিকাৰ আগ ভাগলৈ ৰজা-হাউলিৰ ৺দুৰ্গোৎসৱপূজাত দৰঙ্গী ৰজাসকলৰ হাউলিৰ ওচৰৰ ৰজাঘৰীয়া মাটিত বাস কৰা আগৰপৰা প্ৰচলিত থকা বংশৰ মুছলমান লোকসকলে ৰজা-হাউলিৰ পূজাত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেওঁলোকে পূজাৰ উৎসৱত ঢুলীয়া-কালিয়াৰ কাম গ্ৰহণ কৰি আছিল। সম্প্ৰতি তেওঁলোকে তেওঁলোকৰ ধৰ্মৰ পৰিপন্থী কাম বুলি তাক ত্যাগ কৰিছে।

এই দেৱ-দেৱীৰ পূজা-পাৰ্বণ উৎসৱ আদিৰ অতিপাত প্ৰচলনৰপৰা দেখা যায় যে পুৰণি দৰং ৰাজ্যৰ এই অঞ্চল তন্ত্ৰপ্ৰধান স্থান আছিল। লোকসকল তান্ত্ৰিক মনোভাৱাপন্ন আৰু উদাৰ সমাজপ্ৰিয় আছিল। এইভাৱ আজিও অসমৰ আন ঠাইতকৈ বেছি থকা দেখা যায়।

মঙ্গলদৈৰ পূব আৰু উত্তৰাঞ্চলৰ মাটিতকৈ দক্ষিণ-পছিমাঞ্চলৰ মাটি দ। ওখ অঞ্চলবিলাকত আহু, মৰাপাট, সৰিয়হ, তিল, ধপাত প্ৰচুৰ পৰিমাণে হয়।

**কৃষি** দক্ষিণ আৰু পশ্চিমাঞ্চলত শালিখেতি প্ৰচুৰ পৰিমাণে হয়। উত্তৰাঞ্চলৰ লোকসকলে দোং খান্দি পানি নি ওখ মাটিতো প্ৰচুৰ পৰিমাণে শালি খেতি কৰে।

দক্ষিণ-পছিমাঞ্চল দ ঠাই হলেও মাজে মাজে থকা ওখ ঠাইত মানুহে পুৰুষানুক্ৰমে বসতি কৰি তাত তামোল-পাণ আৰু বস্তী মাটিত হোৱা আন স্থায়ী খেতি কৰি জীৱিকা নিৰ্বাহ কৰি আহিছে। উত্তৰাঞ্চলৰ ভিতৰত চাহ, সুমথিৰা, টেঙা, বেত আদি প্ৰধান।

**ৰক্ষিত ভূমি** উত্তৰাঞ্চলৰ ৰক্ষিত ভূমিত বনৰীয়া হাতী থাকে। বাঘ-ভালুকো কম নহয়। পৰ্বতৰপৰা বৈ অহা উত্তৰাঞ্চলৰ নদীবিলাকত প্ৰচুৰ পৰিমাণে শিলগুটি পোৱা যায়। হাবিত চন্দন, মৰাচৰাই পোৱা যায়।

**শিল্প :** এসময়ত মঙ্গলদৈ কুটীৰ শিল্পপ্ৰধান স্থান আছিল। এড়ি, মুগা, পাট প্ৰচুৰ পৰিমাণে উৎপন্ন হৈছিল। ছিপাঝাৰৰ যোগী সম্প্ৰদায়ৰ অসমীয়া পাট সূতা আৰু কাপোৰ অসমৰ ভিতৰতে প্ৰধান আছিল।

দক্ষিণাঞ্চলত বাঁহ-বেতৰ সঁজুলি যথেষ্ট তৈয়াৰ হয়। কপাহৰ খেতিৰ কাৰণে উপযুক্ত মাটি মঙ্গলদৈত নাই। অসমীয়া হিন্দু-মুছলমান সকলো লোকৰ ঘৰত তাঁত-শাল আছে। সূতা কিনি গৃহস্থৰ আৱশ্যকীয় দৈনন্দিন ব্যৱহাৰ্য কাপোৰখিনি তৈয়াৰ কৰি লয়।

মঙ্গলদৈৰ পৰ্বতৰ নামনিত থকা ভুটীয়াবোৰে ভেৰা আদিৰ নোমৰপৰা ঠেঙ্গা নামেৰে এবিধ নোমৰ কাপোৰ তৈয়াৰ কৰি নামনিত বিক্ৰী কৰে।

মঙ্গলদৈৰ স্থানীয় লোকসকলৰ ভিতৰত কমাৰ, কুমাৰ, হীৰা, বাঢ়ৈ আদি সকলো কাম কৰা মানুহ আছিল। সম্প্ৰতি তেওঁলোকে নিজ নিজ ব্যৱসায়ৰ সাম্প্ৰতিক উন্নতিৰ বাটত আৰু প্ৰতিযোগিতাত তিষ্ঠিব নোৱাৰি ব্যৱসায় ত্যাগ কৰিছে।

মঙ্গলদৈৰ গৃহস্থলীয়া মানুহৰ ঘৰৰ সংখ্যা অসমৰ আন ঠাইৰ লোকতকৈ সৰহ। খেৰ, বাঁহ প্ৰচুৰ পৰিমাণে পোৱা যায়। তেওঁলোকে সমাজৰ আগৰ দিনীয়া প্ৰধান লোকসকলৰ আদৰ্শ গ্ৰহণ কৰি এনেদৰে চলিছিল। আজিও সেই বৃত্তি আছে। মঙ্গলদৈত গাছি-ভড়াল নাই। আটোমটোকাবিকৈ সজা গুটি-ভড়ালত তেওঁলোকে ধান থয়।

মঙ্গলদৈৰ মানুহৰ বিলাসিতা আন ঠাইতকৈ বিংশ শতিকাৰ মাজ ভাগলৈকে কম আছিল। প্ৰায় সকলো ধৰ্মৰ সকলো জাতিৰ তিৰোতা মানুহে পটীয়া খাৰু পিন্ধিছিল। মঙ্গলদৈৰ মতা মানুহে পিন্ধা বেছি পুতলৰ কাপোৰক ভূণি বোলে। 'ভূণি' শব্দৰী যুগৰ ব্যৱহাৰী শব্দ।

দৰঙ্গীৰজাৰ দিনত মঙ্গলদৈত বাণিজ্যৰ প্ৰভাৱ থকা কথা জনা নেযায়। ভুটীয়া আৰু অসমীয়া মানুহৰ ভিতৰত আৱশ্যকীয় এই ঠাইত উৎপন্ন দ্ৰব্যৰ সামান্য প্ৰকাৰৰ কিনা-বেচা হৈছিল। প্ৰধানকৈ বিনিময় প্ৰথাৰদ্বাৰাই গাৱঁৰ লোকসকলে আৱশ্যকীয় দ্ৰব্যৰ অভাৱ মোচন কৰিছিল। সম্প্ৰতি কোনো কোনো গাৱঁলীয়া সমাজত সেই ৰীতি প্ৰচলিত আছে।